# বিনন্দিয়ান

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া
ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ

৫ম সংখ্যা,
২০১৭-১৮ বৰ্ষ



ড° সত্যৱতী মেধি
তত্ত্বাৱধায়িকা

মনজুল হক
সম্পাদক

# মহাবিদ্যালয়ৰ স্মৰণীয় মুহৰ্ত্তবোৰৰ কিছু




















# বিনন্দিয়ান

## বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়া

## বাৰ্ষিক মুখপত্ৰ

### ৫ম সংখ্যা, ২০১৭-১৮ বৰ্ষ


**ড° সত্যব্ৰতী মেধি**
তত্ত্বাৱধায়িকা
মুৰব্বী অধ্যাপিকা
অৰ্থনীতি বিভাগ

**মনজুল হক**
সম্পাদক
আলোচনী বিভাগ
ছাত্ৰ একতা সভা

**Binandian :** The Annual Journal of Binandi Chandra Medhi College, Ramdia; Published by BCM college Students' Union & Edited by Manzul Haque, Session 2017-18

# বিনন্দিয়ান

**বিনন্দি চন্দ্র মেধি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ ঃ ৫ম সংখ্যা, ইং ২০১৭-২০১৮ বৰ্ষ**

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াৰ ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

## সম্পাদনা সমিতি

**মুখ্য উপদেষ্টা ঃ**
ড° ধ্ৰুৱজ্যোতি চৌধুৰী

**উপদেষ্টা মণ্ডলী ঃ**
অতুল চন্দ্ৰ কাকতি
মহেন্দ্ৰনাথ ডেকা
হেমলতা তালুকদাৰ
ৰজত চন্দ্ৰ ভৰালী

**সভাপতি ঃ**
ড° অসিত কুমাৰ পাল (ভাৰপ্ৰাপ্ত অধ্যক্ষ)

**তত্ত্বাৱধায়িকা ঃ**
ড° সত্যৱতী মেধি

**শিক্ষক প্ৰতিনিধি ঃ**
ডাঃ জিতেন্দ্ৰ ডেকা
মুকুট পাঠক
ডাঃ শ্বহিদুল ইছলাম
এম. আব্দুল মজিদ আহমেদ
থুনুমণি তালুকদাৰ

**সম্পাদক ঃ**
মনজুল হক

**ছাত্ৰ সদস্য ঃ**
অনুপ ডেকা
ইনজামামুল হক
ঝৰ্ণা শইকীয়া
সীমা ডেকা

**সদস্য ঃ**
ভূৱনেশ্বৰ ডেকা

**প্ৰচ্ছদ ঃ**
কৌশিক কিশলয়

**মুদ্ৰণ ঃ**
পূৰ্বায়ণ প্ৰকাশন
সাতমাইল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত
গুৱাহাটী-১৪, অসম
Email- purbayonindia21@gmail.com
Website : www.purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭

*Since the articles of this Magazine are collected from individual authors, the responsibility for the facts, views, conclusion and plagiarism, if any in this issue is entirely that of the authors. The editor and the publisher bear no responsiblity for that.*

# উৎসৰ্গা

পৰম আগ্ৰহ আৰু আন্তৰিকতাৰে একবিংশ শতিকাৰ দ্বিতীয় দশকৰ শেষভাগত ভৰি দিয়া প্ৰতিজন পৰিবৰ্তনকামী, মানৱতাবাদী ব্যক্তিৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হাতত এই সংখ্যা বিনন্দিয়ান অৰ্পন কৰিলোঁ।

সম্পাদনা সমিতি
**'বিনন্দিয়ান'**

# অশ্ৰু অঞ্জলি



নাৰায়ণ তালুকদাৰ

জন্মঃ ০১-০১-১৯৩৫ (ইং)

মৃত্যুঃ ০৮-০১-২০১৯ (ইং)

# শ্ৰদ্ধাঞ্জলি



**নাৰায়ণ তালুকদাৰ**
প্ৰতিস্থাপক সম্পাদক



**অনিৰুদ্ধ ডেকা**
প্ৰাক্তন ছাত্ৰ



**অপূৰ্ব দাস**
প্ৰাক্তন ছাত্ৰ

"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভি ভাস্কৰ্য্য"

বিগত বৰ্ষত আমাৰ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক কন্দুৱাই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি যোৱা আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত নাৰায়ণ চন্দ্ৰ তালুকদাৰৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ স্বৰ্গীয় অনিৰুদ্ধ ডেকা আৰু অপুৰ্ব্ব ডেকাক শ্ৰদ্ধাৰে সোঁৱৰিছো।

বিগত বৰ্ষত আমি হেৰুৱাইছো যুগনেতা, যুগস্ৰষ্টা প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ লগতে অসমৰ নাইটিংগেল দিপালী বৰঠাকুৰ বাইদেউক। আমি হেৰুৱাইছো বহুতো বিশিষ্ট অভিনেতা, সাহিত্যিক, কবি তথা শিল্পীক। এওঁলোকক আমি শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। বিগত কালছোৱাত প্ৰাকৃতিক দুৰ্যোগৰ কবলত অনেকজনে মৃত্যুক সাৱটি ল'ব লগা হৈছে। তেওঁলোকৰ লগতে দেশ আৰু দহৰ বাবে প্ৰাণ বিসৰ্জন দিয়া শত সহস্ৰজনক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ, শ্ৰদ্ধাঞ্জলি যাচিছোঁ

সম্পাদনা সমিতি
'বিনন্দিয়ান'

সৰ্বানন্দ সোণোৱাল

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী



सत्यमेव जयते

দিছপুৰ
২-০৪-২০১৯

## <u>শুভেচ্ছাবাণী</u>

ৰামদিয়াৰ ঐতিহ্যমণ্ডিত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ ' বিনন্দিয়ান'ৰ পঞ্চম সংখ্যা প্ৰকাশৰ বাবে যো-জা চলোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছো।

সমাজ এখনক আলোকৰ বাটেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অপৰিসীম। শক্তিশালী সামাজিক স্তৰ নিৰূপণ আৰু বিকাশৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত শিক্ষাই সদায়ে শক্তিশালী পৰিকাঠামো নিৰ্মাণ কৰে। শিক্ষাই মানুহৰ বিবেকক স্পৰ্শ কৰি জ্ঞানৰ বাটেৰে আগুৱাই যোৱাৰ বাবে পৰিৱেশ নিৰ্মাণ কৰাৰ লগতে সৃজনীশীল চিন্তাধাৰাৰ উন্মেষত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই ক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহে বিদ্যাৰ্থীসকলক গুণগত শিক্ষা প্ৰদানেৰে প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ দিশত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে। বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ে ইয়াৰ জন্মলগ্নৰে পৰা শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে নিৰলস প্ৰয়াস চলাই অহাটো আশাপ্ৰদ দিশ। শিক্ষানুষ্ঠানৰ বাৰ্ষিক মুখপত্ৰই ছাত্ৰ-ছাত্ৰী সকলক জ্ঞান আহৰণৰ সুযোগ প্ৰদান কৰাৰ উপৰি বৌদ্ধিক চেতনাবোধ জাগ্ৰত কৰাৰ দিশত ইতিবাচক ভূমিকা গ্ৰহণ কৰে। বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনে শৈক্ষিক বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অধিক উৎকৰ্ষিত মনোভাৱৰে আগবঢ়াৰ দিশত অধিক প্ৰেৰণা প্ৰদান কৰিব বুলি আশা কৰিলো।

বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰাৰ লগতে মুখপত্ৰখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

(সৰ্বানন্দ সোণোৱাল)

ড° হিমন্ত বিশ্ব শৰ্মা, এম এল বি
মন্ত্ৰী, অসম

সত্যমেৱ জয়তে

বিত্ত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, ৰূপান্তৰণ আৰু উন্নয়ণ, গড়কাপ্তানি বিভাগ



## শুভেচ্ছাবাণী

কামৰূপ জিলাৰ ৰামদিয়াস্থিত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বিনন্দিয়ান' প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো আৰু এনে উদ্যোগৰ শলাগ লৈছো।

মনৰ ভাবৰাশি সুশৃংখলিত আৰু সুখপাঠ্যকৈ লিখিত ৰূপত প্ৰকাশ কৰাটো অতি কঠিন কাম। দীৰ্ঘদিনীয়া অভ্যাসৰ জৰিয়তেহে এই কলা আয়ত্ত কৰিব পৰা যায়। শিক্ষানুষ্ঠান এখনৰ আলোচনী অথবা মুখপত্ৰ আদিয়ে এই কলা আহৰণত প্ৰভূত অৰিহণা যোগায়। আশা ৰাখিছোঁ বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে 'বিনন্দিয়ান'ৰ জৰিয়তে সৃষ্টিশীল চিন্তাধাৰা আৰু প্ৰতিভা বিকাশৰ সুযোগ পোৱাৰ লগতে এই মুখপত্ৰখনত শিক্ষা, সাহিত্য, সমাজ সম্পৰ্কীয় মূল্যৱান লিখনি প্ৰকাশ পাব।

সদৌ শেষত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী তথা কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

ই-ব্লক, তৃতীয় মহলা, জনতা ভৱন, দিছপুৰ, গুৱাহাটী- ৭৮১০০৬ (অসম)
দূৰভাষ নং ঃ (০৩৬১) ২২৩৭৩১৫, ফেক্স ঃ ০৩৬১-২২৩৭০১২
ই-মেইল ঃ himantab@hotmail.com/ himantabsarmaoffice@gmail.com

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Dr. Mridul Hazarika
Vice Chancellor
Phone +91-361-2570412 (O) 2570408 (R)
Fax +91 361 2675515
E-mail ID vc@gauhati.ac.in
hazarika50@gmail.com



## MESSAGE

I am happy to learn that Binandi Chandra Medhi College, Ramdia is going to publish its Annual College Magazine (5th edition) very soon. College Magazine is an important publication as it provides scope for manifestation of hidden literary talent of students in particular. I believe that the college should take initiative to encourage students in developing writing skills and a creative mind through such publications. Contributors to the magazine, deserves appreciation for their efforts.

I wish all success in the effort and hope the Magazine will be well accepted by the readers.

Date : 22.04.2019

**( Mridul Hazarika )**




# অধ্যক্ষৰ বাৰ্তা

মাধৱদেৱৰ পদধূলিৰে অলংকৃত, সত্ৰ সমাজৰ কৃষ্টি সংস্কৃতিৰে সমৃদ্ধ তথা গ্ৰাম্য কৃষি অৰ্থনীতিৰ প্ৰকৃত নিদৰ্শন বহন কৰা ঐতিহাসিক ৰামদিয়া অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াই বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে বিদ্যায়তনিক দিশত অবিৰত যাত্ৰা অব্যাহত ৰাখিছে। এই যাত্ৰাত বিশেষভাৱে অৰিহণা যোগাইছে মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ ‘বিনন্দিয়ানে’। উচ্চ শিক্ষানুষ্ঠান এখনৰ সামগ্ৰীক উত্তৰণৰ ক্ষেত্ৰত মুখপত্ৰৰ ভূমিকা যথেষ্ট তাৎপৰ্য্যপূৰ্ণ। ইয়াৰ জৰিয়তে শিক্ষানুষ্ঠানখনৰ বিদ্যায়তনিক দিশৰ যথেষ্ট আভাস পোৱাৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ দিশসমূহৰো সম্যক ধাৰণা লাভ কৰা যায়। ই শিক্ষানুষ্ঠান এখনত থকা ভাষা সাহিত্য চৰ্চাৰ এক সুন্দৰ পৰিৱেশ গঢ়ি তোলে, য'ত উদীয়মান ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে এখন সাৰুৱা পথাৰ লাভ কৰে। শিক্ষক-কৰ্মচাৰীসকলেও ইয়াৰ জৰিয়তে তেওঁলোকৰ মনৰ ভাব ছাত্ৰ-ছাত্ৰী তথা শিক্ষাপ্ৰেমী ৰাইজৰ মাজত বিলাই দিবলৈ সক্ষম হয়। ইতিমধ্যে প্ৰকাশিত ‘বিনন্দিয়ান’ৰ সংখ্যাসমূহে শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ লেখাবোৰৰ মাজত থকা মৌলিক প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। ভৱিষ্যতেও তেওঁলোকৰ এই প্ৰচেষ্টা অব্যাহত থাকিব বুলি আশা ৰাখিছোঁ।

বৰ্তমান সময়ত সঘনাই চৰ্চা হয় যে এচাম ছাত্ৰ-ছাত্ৰীৰ আনুষ্ঠানিক শিক্ষাৰ প্ৰতি মোহ ভংগ হৈছে। বাস্তৱ ক্ষেত্ৰত আমিও মাজে-সময়ে এই কথাটো বাৰুকৈ অনুভৱ কৰোঁ। কাৰণ যিয়েই নহওঁক কিয়, এই অনীহা অকল প্ৰশাসনিকভাৱে দূৰ কৰা সম্ভৱ নহয়, ইয়াৰ বাবে লাগিব সকলোৰে পূৰ্ণ সহযোগিতা। এই সমস্যাৰ উপৰি বৰ্তমান সময়ত আমাৰ সমাজত যিবোৰ সামাজিক ব্যাধি প্ৰচলিত হৈ আছে, এই ব্যাধিসমূহ নাইকীয়া কৰিবৰ বাবে জাতি-ধৰ্ম-ভাষা আদিৰ ভেদাভেদ পাহৰি সকলোৱে একেলগে আগুৱাই আহিব লাগিব। এই ক্ষেত্ৰত লেখক-লেখিকাৰ ভূমিকা হ'ব লাগিব গুৰুত্বপূৰ্ণ।

এই আলোচনীৰ জৰিয়তে মই সকলো লেখক-লেখিকা অভিভাৱক, শিক্ষাপ্ৰেমী ৰাইজৰ পূৰ্ণ সহযোহিতা কামনা কৰিছোঁ। আহক, সকলোৱে একগোট হৈ এই মহাবিদ্যালয়খনৰ লগতে সমাজখনক উন্নতিৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত ব্ৰতী হওঁ।

সদৌশেষত আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ লেখক-লেখিকা, সম্পাদক, তত্ত্বাৱধায়িকা, সম্পাদনা সমিতি তথা আলোচনাখনৰ লগত জড়িত সকলো ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীক আন্তৰিক ধন্যবাদ যাচিলোঁ।

**ড° অসিত কুমাৰ পাল**
ভাৰপ্ৰাপ্ত অধ্যক্ষ



# তত্বাৱধায়িকাৰ কলম
# বিনন্দিয়ানৰ পাতে পাতে

বিংশ শতিকাৰ শেষৰ দশকত হোৱা ৰামদিয়া ৰাইজৰ অতি মৰমৰ অনুষ্ঠান বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়। ৰাইজৰ অপৰিসীম ত্যাগ, আশাসুধীয়া প্ৰচেষ্টা আৰু অনাবিল মৰমেৰে প্ৰতিস্থাপিত আৰু প্ৰতিপালিত। বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় ৰামদিয়া অঞ্চলটোৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান। মহাবিদ্যালয়খনে ইতিমধ্যে ৰূপালী জয়ন্তী বৰ্ষ সফলতাৰে পালন কৰি স্বমহিমাৰে উজলি উঠিছে।

যদিও মহাবিদ্যালয়খনে ৰূপালী জয়ন্তী বৰ্ষ ২০১৬-১৭ চনতেই শেষ কৰিছে তথাপি কিন্তু মহাবিদ্যালয় মুখপত্ৰখনৰ এইটো পঞ্চম সংখ্যাহে হ'ব। মহাবিদ্যালয়ৰ মুখপত্ৰ এখনিয়ে মহাবিদ্যালয়ৰ সঠিক চিত্ৰ দাঙি ধৰাৰ উপৰিও সমকালীন সমাজখনৰ আৰ্থ-সামাজিক প্ৰতিচ্ছবি দাঙি ধৰে। মহাবিদ্যালয়ৰ মুখপত্ৰখন মহাবিদ্যালয় এখনৰ অবিচ্ছেদ্য অংগ। মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়ৰ দলিলস্বৰূপ; ই মহাবিদ্যালয়খনৰ এখনি চিত্ৰ। ইয়াৰ যোগেদি অনুষ্ঠানখনৰ অভাৱ অভিযোগৰ কথা ৰাইজৰ ওচৰত অৱগত কৰিব পাৰি। আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰ বিনন্দিয়ানেও অনেক সম্ভাৱনা বুকুত বান্ধি আশাৰ সপোন ৰূপায়িত কৰাৰ প্ৰতিশ্ৰুতিৰে আগবাঢ়িছে। প্ৰতিকূল পৰিৱেশে সৃষ্টিত বাধা দিয়ে। তথাপিও বিনন্দিয়ানৰ প্ৰকাশৰ আৰম্ভণিৰে পৰা ই স্তব্ধ হৈ পৰা নাই। বিভিন্ন সাম্প্ৰদায়িক সংঘৰ্ষৰ মাজতো নানা জাতি-উপজাতিৰ ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ মহাবিদ্যালয়খনৰ ইজনৰ প্ৰতি সিজনৰ অতুলনীয় মৈত্ৰীভাৱ তথা প্ৰগতিবাদী চিন্তাক অক্ষুণ্ণ ৰখাৰ মন্ত্ৰ দি থাকিব আমাৰ মুখপত্ৰ বিনন্দিয়ানে। লৌহিত্য সাগৰ আৰু কেঁকোৱা সাগৰত জলমগ্ন হৈ থকা 'ৰামদিয়া' যিদৰে সময়ৰ কোবাল গতিত মানুহৰ বসবাসৰ উপযোগী হৈ উঠিছিল, সেইদৰে হৈ পৰিছিল সত্ৰ-সংস্কৃতিৰ ধ্বজাবাহক। মহাবিদ্যালয়ৰ সমীপেৰে বৈ থকা কলাজল নদীখনে বিভিন্ন সময়ত ৰামদিয়ালৈ বোৱাই আনিছিল শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱক আৰু অন্যান্য মহাপুৰুষসকলক। তেৰাসৱৰ পদৰেণুৰে কলাজলৰ দুয়োপাৰে পেলাই থৈ গৈছে সৃষ্টিৰ পলশ। একেদৰেই সৃষ্টিশীল হওঁক আমাৰ মুখপত্ৰ 'বিনন্দিয়ান'— তাৰেই কামনাৰে বিভিন্ন সংখ্যা বিনন্দিয়ানৰ সম্পাদকীয় বৰ্ণময় হৈ উঠিছে।

"সাহিত্য হ'ল এটা জাতি বা সমাজৰ দাপোন স্বৰূপ। ই মানৱ জাতিৰ এক শ্ৰেষ্ঠ কলা। আলোচনী এখনে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক কৰ্মচাৰীসকলৰ মনৰ অভিৰুচি পুৰণৰ মুখ্য ভূমিকা বহন কৰি মহাবিদ্যালয় এখনক আগুৱাই নিয়াত যথেষ্ট সহায় কৰে। সৃষ্টিৰ অৱকাশ নাই। বিনন্দিয়ানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনীমূলক প্ৰতিভাৰ বিকাশ কৰি ভৱিষ্যতে তেওঁলোকৰ ব্যক্তিত্বক পূৰ্ণাঙ্গ মানুহ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস—" ইমৰাণ হুছেইন, গীতাঞ্জলী দাস; সম্পাদক বিনন্দিয়ান প্ৰথম সংখ্যা, ২০০৮-০৯ আৰু ২০০৯-১০ বৰ্ষ।

"কোনো এক অঞ্চলৰ বা অনুষ্ঠানৰ সাহিত্য প্ৰতিভা আৰু মানদণ্ড সেই অঞ্চল বা অনুষ্ঠানৰ ব্যক্তিৰ ভাৱ বিনিময় বা লেখনিৰ যোগেদি প্ৰকাশ পায়। সাহিত্যৰ ভাৱ বিনিময়ৰ ক্ষেত্ৰত আৰু সাহিত্যৰ বিভিন্ন উপাদানৰ সংযোগ মাধ্যমৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়ায় বিশেষকৈ গ্ৰন্থ, আলোচনী ইত্যাদিয়ে। এইবোৰৰ জৰিয়তে অঞ্চল বা অনুষ্ঠানৰ সামাজিক, আৰ্থিক, ভাষিক, ধৰ্মীয় আদি প্ৰতিচ্ছবি সুন্দৰভাৱে প্ৰস্ফুটিত হৈ উঠে। একেদৰেই আমিও বিনন্দিয়ানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য সাধনাৰ দ্বাৰা তেওঁলোকৰ মন আৰু হৃদয় স্পন্দিত কৰিব বিচাৰিছো।"— বৰ্ণালী মেধি; সম্পাদিকা বিনন্দিয়ান, দ্বিতীয় সংখ্যা ২০১৪-১৫

"অসমীয়া আমাৰ মাতৃভাষা। এই ভাষাৰ জৰিয়তে আমাৰ ভাৱ বিনিময় হোৱাৰ লগতে স্মৃতিৰ বাকচ খোল খায়। সাহিত্য আমাৰ আপুৰুগীয়া সম্পদ। নিজ ভাষাৰ সাহিত্যই আমাৰ সামাজিক, আৰ্থিক, ধৰ্মীয় ভাষিক আদি প্ৰতিচ্ছৱি সুন্দৰভাৱে প্ৰস্ফুটিত কৰে। সাহিত্য হ'ল বিভিন্ন স্তৰৰ সংযোগ মাধ্যম। সাহিত্য সাধনাই স্পন্দিত কৰে জনগণৰ মন আৰু হৃদয়। 'বিনন্দিয়ান' এই মহাবিদ্যালয়খনৰ জীৱনৰেখা। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীবৃন্দৰ লিখনি প্ৰকাশ কৰি উৎসাহ যোগোৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱাৰ এক বিনন্দিয়া প্ৰয়াস।"— মইনুল হক চৌধুৰী; সম্পাদক বিনন্দিয়ান, তৃতীয় সংখ্যা ২০১৫-১৬

"আলোচনী ভিন্ন মাধ্যমত প্ৰকাশিত হয়। ভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে নিজ প্ৰচেষ্টাত আলোচনী প্ৰকাশ কৰি ভাষা-সাহিত্যক উজ্জীৱিত কৰাৰ লগতে নতুন চাম সাহিত্যসেৱীক এখন মঞ্চ প্ৰদান কৰিছে। আমাৰ মৰমৰ বিনন্দিয়ানে তাৰেই স্বাক্ষৰ বহন কৰি আহিছে। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ হয়। আলোচনী হৈছে সাহিত্য সাধনা কৰা ছাত্ৰ-শিশু সাহিত্যিকসকলক লেখাৰ প্ৰেৰণা দিয়াৰ এখন মুখ্য দাপোন, য'ত প্ৰতিফলিত হয় ছাত্ৰ-লেখকসকলৰ চিন্তাশীল অনুভৱী মনৰ বহুতো লিখনি। বিনন্দিয়ানৰ মাধ্যমেদি ছাত্ৰ-ছাত্ৰীসকলে অন্য প্ৰেক্ষাপটত লেখাৰ কাৰণে সাহস আৰু অনুপ্ৰেৰণা পাব। 'বিনন্দিয়ান' মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ বলিষ্ঠ দাপোন হৈ ৰওঁক। ইয়াৰ পাৰই জন্ম হওঁক হেজাৰজন লেখকৰ, হেজাৰজন সাহিত্যিকৰ।"— ভাস্কৰজ্যোতি ৰাভা; সম্পাদক বিনন্দিয়ান, চতুৰ্থ সংখ্যা ২০১৬-১৭

এই চমু আলোচনাটিত বিনন্দিয়ানৰ বাৰ্ষিক সংখ্যা চাৰিটা অন্তৰ্ভুক্ত কৰা হৈছে। সীমিত জ্ঞানেৰে পৰ্যালোচনা কৰিব বিচৰা আলোচনাটিত 'বিনন্দিয়ান'ৰ যৎকিঞ্চিত ধাৰণাহে দিব পৰা গৈছে। এই ছেগতে অবাঞ্ছিত ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

আনন্দ উৎসাহৰ বাহক কুলু কুলু ধ্বনিৰে চিৰপ্ৰৱাহমান নিজৰাৰ দৰে আমাৰ মহাবিদ্যালয় মুখপত্ৰ বিনন্দিয়ানেও অনেক সম্ভাৱনা বুকুত বান্ধি; আশাৰ সপোন ৰূপায়িত কৰাৰ প্ৰতিশ্ৰুতিৰে চাৰিটা সংখ্যা অতিক্ৰমি পঞ্চম সংখ্যা প্ৰকাশৰ বাবে উন্মুখ হৈছে। 'বিনন্দিয়ান' হৈছে মহাবিদ্যালয়খনৰ গতি। বিনন্দিয়ানৰ পাততেই সাহিত্য চৰ্চাৰ পাতনি মেলি পৰৱৰ্তী কালত কোনো কোনোৱে সাহিত্যিক হোৱাৰ যোগ্যতা অৰ্জন কৰিব। ছাত্ৰ জীৱনত অধ্যয়নৰ বাহিৰেও সাহিত্য সাধনা কৰাৰ সুবিধাকণ দি আমাৰ মুখপত্ৰখনে পটুৱৈ সমাজক আকৰ্ষিত কৰিব পাৰিছে। বিনন্দিয়ানৰ প্ৰথম সংখ্যাৰ পৰা চতুৰ্থ সংখ্যালৈ প্ৰকাশ পোৱা সাহিত্য সম্ভাৰৰ আলোচনা কৰিবলৈ গৈ লাভ কৰা তথ্যসমূহ এনেধৰণৰ—

| | |
|---|---|
| কবিতা— ৮৭ টা | গল্প— ২০ টা |
| প্ৰবন্ধ— ৫২ টা | গৱেষণাপত্ৰ— ৩৮ খন |
| ৰম্য ৰচনা— ১ খন | নাটক— ১ খন |

মূল্যবান সাক্ষাৎকাৰে একোখন আলোচনীৰ মৰ্যাদা বৃদ্ধি কৰে। সমাজৰ বুদ্ধিজীৱী, বিখ্যাত গীতিকাৰ-সুৰকাৰ বিখ্যাত সাহিত্যিকৰ মনৰ কথা সমাজৰ আগত ব্যাক্ত কৰাৰ উত্তম পদ্ধতি হ'ল সাক্ষাৎকাৰ বা মুখামুখী অনুষ্ঠান। এনে অন্তৰংগ মুহূৰ্তবোৰে জীৱনবোধৰ সুন্দৰ প্ৰতিচ্ছৱি প্ৰতিফলিত কৰে। বিনন্দিয়ানৰ মাজেৰেই আমি সংৰক্ষিত কৰিব বিচাৰিছো বিভিন্ন মনীষিৰ অন্তৰংগ আলাপ, বিভিন্ন মহান ব্যক্তিৰ জীৱনৰ সৌৰভ। সমাজ জীৱন আৰু নাট্য আকাশৰ ভোটা তৰা প্ৰসিদ্ধ নাট্যকাৰ, সাহিত্য অকাদেমি বঁটা প্ৰাপক বিশিষ্ট সাহিত্যিক মাননীয় অৰুণ শৰ্মাদেৱ, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথ, প্ৰসিদ্ধ আধুনিক কবি সমালোচক অনুভৱ তুলসী আদি মহান ব্যক্তিৰ সান্নিধ্যই বিনন্দিয়ানৰ পাতে পাতে সুৰভি সিঁচিলে।

'বিনন্দিয়ান'ৰ বাটচৰা শুৱনি কৰা অনেক গুণী-জ্ঞানী লোকৰ শুভেচ্ছা বাণীয়েও 'বিনন্দিয়ান'লৈ শুভবাৰ্তা কঢ়িয়াই আনিছে। 'বিনন্দিয়ান'লৈ শুভেচ্ছা প্ৰেৰণ কৰা ব্যক্তিসকল হ'ল

ড° জ্যোতিপ্ৰসাদ মেধি, Former V.C. G.U.

ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য First President, M.C., ৰংবং তেৰাং— সভাপতি, অসম সাহিত্য সভা

বংকিম চন্দ্ৰ শৰ্মা— অধ্যক্ষ দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়

ড° অখিল কুমাৰ মেধি, উপাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়

নুৰুল হুছেইন, প্ৰাক্তন সমবায় মন্ত্ৰী, অসম

ড° ধ্ৰুৱজ্যোতি বৰা, সভাপতি অসম সাহিত্য সভা

ড° মৃদুল হাজৰিকা, উপাচাৰ্য, গুৱাহাটী বিশ্ববিদ্যালয়

সময় পৰিৱৰ্তনশীল। সময়ৰ পৰিৱৰ্তনৰ স্বাক্ষৰ বহন কৰে সমাজে আৰু তাৰ প্ৰতিফলন ঘটে সাহিত্যত। বিনন্দিয়ানো তাৰ ব্যতিক্ৰম নহয়। সময়ৰ বালিত খোজ পেলাই সময় আৰু সমাজৰ পৰিৱৰ্তনক স্থায়ী কৰিব পাৰিছে বিনন্দিয়ানে। ফলত অংগসজ্জা, বিষয়বস্তু ৰচনাৰীতি সকলোতে নতুনত্ব আহি পৰিল।

একোখন আলোচনী একোখন মহাবিদ্যালয়ৰ প্ৰামাণিক দলিল। একোখন মহাবিদ্যালয়ৰ উন্নতি-অৱনতিৰ স্বাক্ষৰ আলোচনীয়ে সংৰক্ষণ কৰে। বিনন্দিয়ানেও আমাৰ মহাবিদ্যালয়ৰ সুখ-দুখৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰিছে। কাৰোবাক হেৰুৱাৰ বেদনাৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ সাফল্যৰ বতৰাও প্ৰকাশ কৰিছে। বিভিন্ন ফটো সংৰক্ষণেৰে মহাবিদ্যালয়ৰ গৌৰৱৰ অংশীদাৰ হ'বলৈ সকলোকে সুযোগ দি আহিছে।

বিনন্দিয়ান বিনন্দিচন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ এক উপযুক্ত মাধ্যম। হয়গ্ৰীৱ মাধৱৰ বসতি স্থান মণিকূট গিৰিৰ পশ্চিমে তথা কলাজল নদীৰ পাৰত বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতিৰ সমন্বয়ত গঢ় লৈ উঠিছে বৃহত্তৰ ৰামদিয়াৰ সাহিত্য-সংস্কৃতিৰ বৰপথাৰ। এই পথাৰৰ মাটি মহাবিদ্যালয়ৰ আলোচনী বিনন্দিয়ানে জীপাল সাৰুৱা কৰি ৰাখিব পাৰিছেনে নাই সেয়া প্ৰতিফলিত হ'ব ইয়াত সন্নিৱিষ্ট লেখাবোৰত। অনাগত দিনবোৰত উপযুক্ত বিষয়বস্তুৰ নিৰ্বাচনেৰে উন্নত মানৰ লেখনি ছাত্ৰ-ছাত্ৰী-বন্ধু বান্ধৱীৰ পৰা আশা কৰিব পাৰি নিশ্চয়। সাহিত্য সৃষ্টিৰ দ্বাৰা সামাজিক সচেতনতা বৃদ্ধি কৰিবলৈ 'বিনন্দিয়ানে' বিশেষ ভূমিকা পালন কৰিব লাগিব। তেতিয়াহে 'বিনন্দিয়ান'ৰ উদ্দেশ্য পূৰণ হ'ব বুলি ক'ব পাৰি। কোনে জানে আমাৰ এই লেখক-লেখিকাৰ মাজৰ পৰাই ভৱিষ্যতলৈ একো একোজন প্ৰতিষ্ঠিত লিখক সৃষ্টি হয়বা। মহাবিদ্যালয়ৰ আলোচনীখনৰ লগতে প্ৰাচীৰ পত্ৰিকা 'ফেন্সুজালি' আৰু এই বৰ্ষৰ পৰা আৰম্ভ কৰা অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'দৃষ্টি'য়েও এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক এক সুবিধা প্ৰদান কৰিছে।

জগতৰ মহান ব্যক্তিসকলৰ জীৱন দৰ্শনে এখন সুস্থ সমাজ গঢ় লৈ উঠাত সহায় কৰে। জগত বিখ্যাত ব্যক্তিসকলৰ জীৱনৰ মহান কৰ্মসমূহ আমাৰ বাবে অনুকৰণীয়। তেনে বৰ্ণাঢ্য জীৱনৰ পৰ্যালোচনা বিনন্দিয়ানৰ প্ৰায় প্ৰতিটো সংখ্যাতে পোৱা গৈছে। ভিন্নধৰ্মী ৰচনাৰে সমৃদ্ধ ইংৰাজী আৰু অসমীয়া ভাষাত লিখা প্ৰবন্ধ তথা গৱেষণাপত্ৰসমূহ তত্ত্বগধুৰ আৰু তথ্য সমৃদ্ধ হোৱাত মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকাৰ লগতে শিক্ষক-কৰ্মচাৰীবৃন্দৰ অৱদানো স্বীকাৰ কৰিব লাগিব।

বিগত বছৰবোৰৰ দৰে এইবেলিও মহাবিদ্যালয়ত বাৰ্ষিক মুখপত্ৰ 'বিনন্দিয়ান' প্ৰকাশ কৰিবলৈ পাই যথেষ্ট আনন্দিত হৈছোঁ। দৰাচলতে সাহিত্যৰ গুণগত মানদণ্ডইহে পাঠকৰ প্ৰাণস্পৰ্শ কৰিবলৈ সক্ষম হয়। সেয়েহে সাহিত্য সৃষ্টিৰ অন্তৰালত সদায় থাকিব লাগে সত্য অন্বেষণ আৰু আত্মপ্ৰত্যয়। বাস্তৱবাদী অথবা উদ্দেশ্যধৰ্মী সাহিত্যইহে পাঠকৰ মনত পৰিতৃপ্তি জগায় লগতে জ্ঞান আহৰণতো সহায় কৰে। এই সংখ্যা বিনন্দিয়ানৰ লিখনিসমূহত বিষয়বস্তুৰ ধাৰাবাহিকতা, শব্দৰ সু-সংযোজন ভাষাৰ লালিত্য আদি উচ্চমানৰ নহ'লেও আলোচনীখনিৰ প্ৰতিটো পাততেই প্ৰতিবিম্বিত হৈ আছে এক কোমল মনৰ সহজ-সৰল প্ৰকাশ। ভাবি ভাল লাগিছে ,পঢ়ি ভাল লাগিছে ,ভুল শুদ্ধৰ দোমোজাত মনৰ ভাৱাবেগক সাহিত্যৰ আবেদনৰ মাজত বন্দী কৰিবলৈ বিচৰা ছাত্ৰ-ছাত্ৰীসকলৰ কোমল প্ৰয়াসক। বৰ্তমান সময়ত অসমীয়া সাহিত্যৰ 'সাহিত্য চৰ্চা' বিষয়টো নৱ প্ৰজন্মৰ মাজত এক সীমিত সংখ্যক সাহিত্যনুৰাগীৰ মাজতহে জীয়াই থকা যেন অনুমান হৈছে।

মোবাইল মেনিয়াই গ্ৰাস কৰা ছাত্ৰ-চাত্ৰীসকলৰ মাজত 'সাহিত্য চৰ্চা' বিষয়টো যেন দিনক দিনে এলাগী হৈ পৰিছে। বিশ্বত ক্ৰমান্বয়ে বাঢ়ি অহা ইলেকট্ৰনিক মাধ্যমৰ ব্যৱহাৰৰ গতিবেগ আৰু মসৃনতাই কাগজ কলমৰ গতি ৰুদ্ধ কৰা যেন অনুমান হৈছে। সেয়েহে এই সন্ধিক্ষণত থাকিও যিসকল ছাত্ৰ-ছাত্ৰীয়ে আলোচনীখনিত কিবা এটা লিখাৰ হাবিয়াস কৰিবলৈ আগবাঢ়ি আহিছে তেওঁলোকৰ আটাইলৈ আমাৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ অপৈনত অথচ মৰমলগা লিখনিসমূহত বহু সময়ত হাত বোলাবলৈ বাধ্য হৈছোঁ। আলোচনীখনিত লিখনিসমূহ প্ৰকাশৰ বাবে নিৰ্বাচন কৰোঁতে সহজ-সৰল লিখনিসমূহক অগ্ৰাধিকাৰ দিয়া হৈছে। কিয়নো এই লিখনিসমূহত তেওঁলোকৰ সৃজনাত্মক ভাবৰ আভাস পোৱা গৈছে। মহাবিদ্যালয় আলোচনীখনি ছাত্ৰ-ছাত্ৰীসকলৰ দাপোনস্বৰূপ, য'ত তেওঁলোকৰ বৌদ্ধিক প্ৰতিচ্ছবি প্ৰতিবিম্বিত হয়।

আমি আশা কৰিছোঁ পৰৱৰ্তী সময়ত মুখপত্ৰখনি নতুন নতুন উন্নত মানদণ্ডৰ লিখনিৰে পৰিপুষ্ট হওঁক।

শেষত বিনন্দিয়ানৰ গতি নিৰৱধি হওঁক। সৃষ্টিৰ বৰপথাৰ সোণালী শইচেৰে উপচি পৰাৰ দৰে বিনন্দিয়ানে সকলোৰে আশা-আকাংক্ষা পূৰণ কৰি সম্প্ৰীতিৰ স্বাক্ষৰ বহন কৰক। 'বিনন্দিয়ান' আটাইৰে অতি মৰমৰ তথা অতি হেপাহৰ হওঁক। তাৰেই কামনাৰে —

জয়তু 'বিনন্দিয়ান'

**ড° সত্যৱতী মেধি**

**তত্ত্বাৱধায়িকা**




# সম্পাদকীয়

জয় জয়তে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য তথা শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সকলৰ ওচৰত আমাৰ হিয়া ভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। যি সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীয়ে এই মহান বিভাগৰ দায়িত্ব আমাক অৰ্পণ কৰিলে তেখেত সকললৈ আমি শ্ৰদ্ধা নিবেদন কৰিছোঁ। সাহিত্য হ'ল এটা জাতি বা সমাজৰ দাপোন স্বৰূপ। ই মানৱ জাতিৰ এক শ্ৰেষ্ঠ কলা। আলোচনী এখনে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক কৰ্মচাৰী সকলৰ মনৰ অভিৰুচি পুৰণৰ মূখ্য ভূমিকা বহন কৰি মহাবিদ্যালয় এখনক আগুৱাই নিয়াত যথেষ্ট সহায় কৰে।

সৃজনীমূলক প্ৰতিভাই এজন ব্যক্তিক পূৰ্ণাঙ্গ মানুহ হিচাপে গঢ়ি তোলে। ১৯৯২ চনত স্থাপিত বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা এখন পূৰ্ণাঙ্গ আলোচনী প্ৰকাশৰ প্ৰথম পদক্ষেপ। ইয়াৰ আগতে আমি সৰস্বতী পূজা আৰু ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত নবাগত আদৰণি সভাত "ফেহুঁজালি" নামৰ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি আহিছোঁ। উক্ত "ফেহুঁজালি" খন যোৱা ১৯৯৬ চনত প্ৰথম বাৰৰ বাবে প্ৰকাশ পায়। আলোচনী বিভাগৰ সম্পাদকৰ দায়িত্ব ভাৰ লোৱাৰ পিছত আমি এখনি ৰুচিবোধক আলোচনী প্ৰকাশৰ কথা অনুধাৱন কৰো। ছাত্ৰ-ছাত্ৰী সকলৰ পৰা উন্নত মানৰ গল্প, কবিতা, জীৱনী, প্ৰবন্ধ ইত্যাদি সময়ত পোৱাৰ বাবে আলোচনী প্ৰকাশৰ পথ সহজ হৈ পৰে। আলোচনী প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত অসুবিধা পোৱাত এক দীঘলীয়া সময় অনিচ্ছাকৃত ভাৱে আমি ল'বলগীয়া হৈছো। তাৰ বাবে মহাবিদ্যালয় কৰ্ত্তৃপক্ষ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰীৰ ওচৰত ক্ষমা মাগিছো। মুখপত্ৰ বিনিন্দিয়ানক সজাই পৰাই উলিওৱাত বিভিন্ন জনৰ পৰা পোৱা পৰামৰ্শ আমাৰ বাবে প্ৰেৰণাদায়ক হৈছে আৰু আলোচনীখন প্ৰকাশৰ পথত আগুৱাই যোৱাত আমি সঁচাকৈ আনন্দিত হৈছে।

বিশেষকৈ সম্পাদনা সমিতিৰ তত্বাবধায়িকা ড° সত্যৱতী মেধি বাইদেউৰ অক্লান্ত শ্ৰম আৰু পৰিকল্পনাৰে আলোচনী প্ৰকাশৰ দায়িত্ব লোৱাত আমি তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ।

জয়তু বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়

ইতি-

শ্ৰদ্ধাৰে

সম্পাদক

মনজুল হক

আলোচনী বিভাগ

# কৃতজ্ঞতা

মুখপত্ৰখন প্ৰকাশৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলে আগবঢ়োৱা সহযোগিতাৰ বাবে আটাইলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি
'বিনন্দিয়ান'

# বিনন্দিয়ানৰ ভিতৰচ'ৰাত


সৌৰভ কুমাৰ চলিহা (১৯৩০-২০১১) /১৯

সংগ্ৰহ— সম্পাদনা সমিতি

সাক্ষাৎকাৰ মাইনী মহন্ত /২৪

সাক্ষাৎগ্ৰহণ — ড° সত্যৱতী মেধি

পৰিকল্পনা— ডাঃ জিতেন্দ্ৰ ডেকা

প্ৰশ্নোত্তৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী /২৯

সংগ্ৰহ— সম্পাদনা সমিতি


## প্ৰবন্ধ


জ্যোতিপ্ৰসাদৰ সৃষ্টিত নাৰী ঃ 'ৰূপালীম' আৰু 'ইতিভেন' চৰিত্ৰ দুটিৰ বিশেষ উল্লেখনেৰে /৩৭

✍ মীনা কুমাৰী দাস

প্ৰাচীন সমাজ ব্যৱস্থা আৰু নাৰী ঃ এটি বিশ্লেষণ /৪০

(মনুসংহিতাৰ বিশেষ উল্লেখনসহ)

✍ মুকুট পাঠক

অসমীয়া সংস্কৃতিৰ অনবদ্য গামোচা আৰু জাপি /৪৪

✍ নিশা কাকতী

যুৱ উচ্ছৃংখলতা ঃ এক বিশ্লেষণাত্মক আলোচনা /৪৬

✍ ভূবনেশ্বৰ ডেকা

অসমৰ 'নাইটিঙ্গেল' দিপালী বৰঠাকুৰৰ জীৱন আৰু কৰ্মৰ এটি আলোকপাত /৪৯

✍ মনালিছা ডেকা

সাহিত্য চৰ্চা আৰু সামাজিক পৰিবেশৰ প্ৰাসংগিকতা /৫২

✍ চিমা কলিতা

ভূপেনদা তোমাৰ গানে গানে /৫৪

✍ অনিন্দিতা ডেকা

মহিলা সবলীকৰণ আৰু সমাজত মহিলাৰ স্থান /৫৬

✍ অনিতা কলিতা

অসমৰ ৰাষ্ট্ৰীয় উদ্যান কাজিৰঙা /৫৭

✍ জুমী বেগম


## কথা শিল্প


'ছ'ৰি' /৬১

✍ ডাঃ জিতেন্দ্ৰ ডেকা

অবাস্তৱ কল্পনা আৰু ভগা সপোন /৬৩

✍ বৰষা ডেকা

দ্বিতীয় মৃত্যু /৬৫

✍ ড° নীলোৎপল শৰ্মা

'সুখী-পৰিয়াল' /৬৭

✍ দৰ্পনা চৌধুৰী

মমতা /৬৮

✍ অখিল পাঠক

এপাহ ৰঙা গোলাপ /৬৯

✍ ধ্ৰুৱজ্যোতি চৰকাৰ

"অৰণ্যৰ আদিম মায়া" /৭১

মূল- "কমল লাহিড়ী"

✍ জয়া মেধি

গুৱাহাটী যৌধপুৰ এক্সপ্ৰেছ /৭৬

✍ ৰেজ্জাক আলী

এজনী সাধাৰণ ছোৱালীৰ জীৱনৰ কাহিনী /৭৮

✍ দিক্ষীতা ডেকা

**দুখৰ অন্তৰ সুখৰ সন্ধানত** /৮০
✍ বংকিম ডেকা
**আধ্যাত্মিক জীৱনত এভুমুকি** /৮২
✍ নুৰুল আমিন
**বন্ধু** /৮৩
✍ চুহানা আখতাৰা
**ব'হাগতে পাতি যাম বিয়া** /৮৪
✍ অংকুৰ দাস

## কবিতা

**সূৰ্য** /৮৭
✍ জ্যোতিস্মিতা দাস
**জীৱন পথত বহুবাৰ** /৮৭
✍ আনজিৰা বেগম
**নিলাজ চহৰৰ চিএৰ** /৮৮
✍ অৰূপ কাকতি
**মা** /৮৯
✍ আকবৰ হুছেইন
**তোমালৈ মনত পৰিছে** /৯০
✍ তৰালী ঠাকুৰীয়া
**সপোন** /৯০
✍ ধনমণি বেজবৰুৱা
**আজীৱন তোমাৰ হৈ ৰম** /৯১
✍ মহম্মদ মস্তাফা হুছেইন শইকীয়া
**দুখ** /৯১
✍ সংগীতা ডেকা
**আকাশত ডাৱৰৰ প্ৰেম** /৯২
✍ ফাৰুক আলী
**বিশ্বাস-ঘাটকতা** /৯২
✍ ফাৰা বেগম
**তোমাৰ অপেক্ষাত** /৯৩
✍ নাৰ্জিনা চুলতানা
**আমি স্বদেশী** /৯৪
✍ ছুবিয়া খাতুন
**মৌন জোনাক** /৯৪
✍ জোনালী ঠাকুৰীয়া
**আধুনিকতা** /৯৫
✍ ডিম্পী চুলতান
**তোমাক ভালপাওঁ** /৯৫
✍ ৰুবুল হক
**অসুখী** /৯৬
✍ ইকৰাম হুছেইন
**দুচকুত কাজল লৈ ভালপোৱা ছোৱালীজনী** /৯৭
✍ চালমা চুলতানা
**সজাগ প্ৰহৰি** /৯৮
✍ ধ্ৰুৱজ্যোতি সৰকাৰ
**প্ৰেম** /৯৮
✍ আশ্বিকুল হক
**দুখৰ হালধীয়া পথাৰ** /৯৯
✍ ঝৰ্ণা শইকীয়া
**देह का दुख** /৯৯
✍ জুমি বেগম

## English Section

**Philosophy of Swami Vivekananda and Economic thought** /১০৩
✍ Dr. Satyabati Medhi
**Open Online Resources for Higher Education** /১০৭
✍ Bijuli Deka
**Folk Song Composition : Remix and Remake** /১০৯
✍ Lalit Ch. Bharali
**Benefits of co-curricular activities in college students' life** /১১১
✍ Manisha Majumdar
**My Last Letter to Sumi** /১১৪
✍ M. Abdul Majid Ahmed
**Role of Teachers in Effective and Innovative Teaching in Higher Education** /১১৯
✍ Dr. Shahidul Islam
**GST in India** /১২৩
**A Key to Tax Reform**
✍ **Thunumoni Talukder**
**Financial inclusion in India – initiatives and impact** /১২৯
✍ Ashim Jyoti Deka
**Juvenile Delinquency and Its causes** /১৩১
✍ Pranita Talukder
**আলোকচিত্ৰ** /১৩৩-১৪০

## ইটো-সিটো বহুতো

সভাপতিৰ প্ৰতিবেদন /১৪২
উপ সভাপতিৰ প্ৰতিবেদন /১৪৪
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন /১৪৫
সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন /১৪৬
সহঃ আলোচনী সম্পাদিকাৰ প্ৰতিবেদন /১৪৭
সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন /১৪৮
খেল সম্পাদকৰ প্ৰতিবেদন /১৪৯
পুথিভঁড়াল সম্পাদকৰ প্ৰতিবেদন /১৫০
ছাত্ৰী জিৰণী কোঠা সম্পাদিকাৰ প্ৰতিবেদন /১৫১
মহাবিদ্যালয় পৰিচালনা সমিতিৰ তালিকা /১৫২
মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তালিকা /১৫৩
মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তত্বাৱধায়কৰ তালিকা /১৫৩
মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ তালিকা /১৫৪
বৰ্ত্তমানলৈ মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফলৰ তালিকা /১৫৬
মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল /১৫৭-১৬০

*The purpose of education is to make good human beings with skill and expertise. Enlightened human beings can be created by teachers.*

**–A.P.J. Abdul Kalam**



# কেনেকৈ বিশেষ হৈ পৰে সাহিত্যিকবোৰ...

সংগ্ৰহ— সম্পাদনা সমিতি

সৌৰভ কুমাৰ চলিহা যুদ্ধোত্তৰ যুগৰ শ্ৰেষ্ঠ গল্পকাৰ। তেওঁৰ দেউতাক আছিল ভাষাবিদ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কালিৰাম মেধি আৰু মাক আছিল স্বৰ্ণলতা মেধি। কালিৰাম মেধি মঙ্গলদৈত মুন্সিফ হিচাপে কাৰ্যবাহ হৈ থকা কালতে ১৯৩০ চনত সুৰেন্দ্ৰনাথ মেধি (সৌৰভ কুমাৰ চলিহা)ৰ জন্ম হয়।

সৌৰভ কুমাৰ চলিহা চোকা ছাত্ৰ আছিল। বি এছ চি পাছ কৰাৰ পিছত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা এম এছ চি ডিগ্ৰী লাভ কৰিছিল। লণ্ডনত তেওঁ শিক্ষকতাও কৰিছিল আৰু পিছলৈ গুৱাহাটী ইঞ্জিনিয়াৰিং কলেজত অধ্যাপনা কৰিছিল আৰু কাৰ্যকাল শেষ নোহোৱাৰ আগতে স্বেচ্ছাই অৱসৰ গ্ৰহণ কৰিছিল।

'পঞ্জাৱ সীমান্তৰ সহযাত্ৰী' শীৰ্ষক গল্পৰে অসমীয়া গল্প সাহিত্যত পাতনি মেলা সৌৰভ কুমাৰ চলিহাৰ অসমীয়া গল্প সাহিত্যত এখন আছুতীয়া আসন অলংকৃত হৈ আছে। বঁটা বাহনৰ প্ৰতি কোনো দিনে তেওঁ লালায়িত নাছিল সাহিত্য অকাডেমি বঁটা, অসম উপত্যকা সাহিত্য বঁটা পাওঁতেও সেই বঁটা তেওঁ নিজে গ্ৰহণ কৰা নাছিল।

সৌৰভ কুমাৰ চলিহাৰ আচল নাম সুৰেন্দ্ৰ নাথ মেধি। দুয়োটা নামতে লেখা-মেলা কৰিছিল। যিবিলাক লেখাত কল্পনাৰ ৰহন থাকে, সেইবিলাক লেখা সৌৰভ কুমাৰ চলিহাৰ নামত লিখা আৰু যিবিলাক লেখা বাস্তৱ আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত সেইবোৰ লেখা সুৰেন্দ্ৰ নাথ মেধি নামত লিখা। শৈলীৰ পালৰ পৰাই হওঁক বা বিষয়বস্তুৰ ফালৰ পৰাই অথবা ভাষাৰ ফালৰ পৰাই হওঁক চলিহাৰ গল্প আছিল অতি উচ্চ খাপৰ। চলিহাৰ অন্যান্য ৰচনাবিলাকো সেই লেখীয়া।

চলিহাৰ গল্প সম্পৰ্কত বিশিষ্ট সাহিত্যিক নিৰুপমা বৰগোহাঞিয়ে লিখিছে— "সৌৰভ কুমাৰ চলিহাক মই দেখা নাছিলোঁ। তেওঁ মোৰ বাইদেউৰ লগত পঢ়া। কিন্তু ভালকৈ জানো তেওঁৰ গল্পই এতিয়াও পাঠকক মুগ্ধ কৰে। বাহিৰত হোৱা হ'লে তেওঁ ন'বেল প্ৰাইজ পালেহেঁতেন।"

বিশ্ব সাহিত্যত অসমীয়া চুটিগল্পৰ স্থান শীৰ্ষক এটি প্ৰবন্ধত হোমেন বৰগোহাঞিয়ে সৌৰভ কুমাৰ চলিহাৰ গল্প সম্পৰ্কত লিখিছে— "চুটিগল্পৰ কলা-কৌশল সৌৰভ কুমাৰ চলিহাৰ বিস্ময়কৰ ৰূপ আয়ত্বাধীন। সঁচা কথা ক'বলৈ গ'লে এই বিষয়ে তেওঁতকৈ দক্ষ শিল্পী অসমত বোধ হয় এজনো নাই।"

বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° মহেন্দ্ৰ বৰাই লিখিছে— “সৌৰভ কুমাৰ চলিহা অসমীয়া চুটিগল্প সাহিত্যৰ বিস্ময়... ‘অশান্ত ইলেকট্ৰন’ এক প্ৰকাণ্ড বিস্ফোৰণৰ দৰেই গৃহীত হৈছিল... ‘বাৰ কাৰল’... এক অনন্য সাধাৰণ সৃষ্টি... গল্পটোৰ বিস্ৰস্ট বৌদ্ধিক চিন্তা আৰু অতি সুক্ষ্ম মানৰিক সংবেদনৰ সুগভীৰ সাৰটা-সাৰটি অসমীয়া গল্প-সাহিত্যৰ এক অপূৰ্ব বিস্ময় ।... সৰ্বমুঠ ষাঠিটামান গল্পক লৈয়ে সৌৰভ কুমাৰ চলিহাৰ চুটি গল্পৰ জগতখন। কিন্তু, ইবিলাকৰ কোনোটো গল্পতেই অন্য কোনোবাটো গল্পৰ প্ৰতিধ্বনি পাবলৈ নাই। সৌৰভ কুমাৰ চলিহাই এটা কাম ভুলতো কৰা নাই; নিজৰ সৃষ্টিক নিজে কৰা অনুকৰণ, যিটো কাম বহু প্ৰতিভাশালী গল্প-লেখকেও নকৰাকৈ থকাৰ দৃষ্টান্ত বিৰল।

সৌৰভ কুমাৰ চলিহাৰ উল্লেখযোগ্য গ্ৰন্থকেইখন হ’ল—

অশান্ত ইলেকট্ৰ’ন, গোলাম, এহাত ডবা, গল্প নহয়, দুপৰীয়া, আজি শুক্ৰবাৰ, ভাল খবৰ, জন্মদিন, অৱৰুদ্ধ চহৰ, কবি, সমগ্ৰ ৰচনা, ডক্টৰ জেকিল আৰু মিষ্টাৰ হাইড, আশী দিনত পৃথিৱী ভ্ৰমণ, দ্ৰোণ আৰু গ্যেটে আৰু অন্যান্য ৰচনা আদি।

এইগৰাকী স্বনামধন্য বিশিষ্ট গল্পকাৰৰ ২০১১ চনৰ ২৫ জুনত স্বৰ্গগামী হয়। তেখেতলৈ বিশেষ শ্ৰদ্ধা নিবেদন কৰি ছাত্ৰীসকললৈ আগবঢ়ালো তেখেতৰ বিশেষ দুটি গল্প—

# দুটা যুদ্ধকালীন গল্প

**সৌৰভ কুমাৰ চলিহা**

**(১৯৩০-২০১১)**

### পেৰাট্ৰুপাৰ

আবেলি হঠাৎ বিলৰ মাজত পেৰাট্ৰুপাৰ নমাৰ খবৰ পাই সকলোৱে দৌৰি গ’লোঁ। আমাৰ ইনষ্টিটিউটটো চহৰৰপৰা পাঁচ মাইল বাহিৰত, চাৰিওপিনে পাহাৰ। অসমত বোলে তিনিশ পেৰাট্ৰুপাৰ নমাই দিছে শত্ৰুপক্ষই, এই পাহাৰবোৰত পেৰাট্ৰুপ নামি লুকাই থাকিব পাৰে বুলি সকলোৱে কোৱাকুই কৰিছিল। পাহাৰৰ ওপৰত দুই-এঘৰ নেপালী থাকে, অতদিনৰ পিছত এতিয়াহে আমি দূৰবীণেৰে কথাটো লক্ষ্য কৰিছোঁ। কিন্তু পেৰাট্ৰুপাৰ পৰিছে বুলি খবৰ আহিল বিমানপোতৰ পিনলৈ থকা পাহাৰখনৰ (তাৰ কি নাম নাজানো) তলৰ প্ৰকাণ্ড দীপৰুবিলখনৰ পানীত। এইটো আশা কৰা নাছিলোঁ।

*** ***

গাঁৱৰ মানুহবোৰে ডিস্পেন্সাৰীখনৰ কেঁচা বাটটোৰে বিলখনৰ পিনে দৌৰিছে দেখিলোঁ, কেইবাখনো চাইকেল। ডিস্পেন্সাৰীৰ বাৰাণ্ডালৈ ডাক্তৰ ঠাকুৰীয়া, নাৰ্চ আৰু কেইবাজনো ৰোগী ওলাই আহিছে। ওচৰৰ সুন্দৰকলি আৰু তেতেলীগাঁৱৰ অসংখ্য গামোচা পিন্ধা, হাফপেণ্ট পিন্ধা সৰু-ডাঙৰ ল’ৰাই বিলৰ পাৰ ভৰাই পেলালে। (ইনষ্টিটিউটৰ নতুন ছেছন আৰম্ভ হোৱা নাই, হোষ্টেলৰ ল’ৰা প্ৰায় নায়েই)। বিলৰ ঘোলা পানীৰ মাজত, বহু দূৰত, কিবা এটা ভাহিছে দেখা গ’ল, এটুকুৰা ফুলি থকা কাপোৰৰদৰে — পেৰাছুটৰদৰে। মানুহটো পানীৰ তলত ওলমি আছে নেকি? নে মৰি গৈছে? তাৰ হাতত কি আছে? বোমা? গ্ৰেনেড? মেশ্বিনগান? ট্ৰেন্সমিটাৰ? এতিয়া কোন তালৈ যাব? খলিল মিঞাই ঘাঁহ কাটি ফুৰা নাওখন বিলৰ পাৰত বন্ধা আছে, তাতে কেইজনমান উঠিব পাৰিব। কিন্তু মাথোঁ এক নাও মানুহেৰে কি হ’ব? পেৰাট্ৰুপাৰ নিশ্চয় সশস্ত্ৰ। কলৰ ভেল এখন বনালে কেনে হয়? এয়া— এয়া কলগছ। এয়া দা। এয়া লাঠী। কোন-কোন যাব? গজেন, নিত্য, ফণী, কৈলাশ— সুৰেন ক’ত? সুৰেনক মাত, পানীৰ তলত গবা মাৰি ধৰিবলৈ সুৰেনক লাগে। গদাধৰ ৰাজবংশী (গাঁৱৰ মানুহে 'দাৰা সিং' বুলি মাতে, পালোৱান চেহেৰা)। বাহাদুৰ গুৰাল। উধম সিং চকিদাৰ। আৰু লাঠী আন। কোন, হীৰু? নাই, নাই, তই সাতুৰিব নাজান, নাম-নাম, তই যাব নোৱাৰ। কিন্তু অকল লাঠীৰে কি হ’ব, ব’ঠা এপাটেৰে কি হ’ব? আন্ধাৰো হৈ আহিছে। টৰ্চ-টৰ্চ আন। বন্দুক এটা হ’লে ভাল আছিল। ভট্টৰ বন্দুক আছে, ভট্ট ছাৰক খবৰ দে। এই কৃষ্ণ, চাইকেল লৈ তাৰাতাৰি যা, ভট্ট ছাৰক খবৰ দে।

*** ***

প্ৰফেছাৰ ভট্টৰ কোৱাৰ্টাৰত চহৰৰপৰা তেওঁৰ দুজন বন্ধু আহিছিল, চিকাৰৰ বন্ধু। গুলি পাইছে। বিলত হাঁহে পৰিছে, তেওঁলোক এদিন চিকাৰলৈ যাব। কৃষ্ণৰ চাইকেলত তিনিটা (এটা সন্মুখত, এটা পিছত) ল’ৰা আহি হুৰমূৰকৈ তেওঁৰ চোতালত নামিল। পেৰাট্ৰুপাৰ ঙ্গ পেৰাট্ৰুপাৰ ঙ্গ

পেৰাট্ৰুপাৰ? হাঃ? ক’ত? কোনে দেখিছে? এৰোপ্লেনৰ দেখোন কোনো শব্দই নাই, ক’ৰপৰা পেৰাট্ৰুপাৰ নামিব? কোনে দেখিছে? মিছা গুজব। নহয়, নহয়, গুজব নহয়, কৃষ্ণই নিজ চকুৰে দেখিছে পাহাৰৰ বহু ওপৰৰপৰা পেৰাছুটৰদৰে বগা কিবা এটা লাহে-লাহে নামি বিলৰ মাজত পৰিছে। স্পষ্ট দেখিছে। ইহঁত দুটাইও দেখিছে। হয়, আমি নিজ চকুৰে দেখিছোঁ। নাই (কৃষ্ণৰ লগৰ ল’ৰা দুটাই অলপ দুখেৰে স্বীকাৰ কৰিলে,) পেৰাছুটৰ তলত কোনো মানুহ থকা যেন নালাগিল। কিন্তু ‘মানুহৰদৰে কিবা এটা’ ওলমি আছে, ইমান দূৰৰপৰা ঠিক মনিব নোৱাৰি। আন্ধাৰো হৈ আহিছে। কিন্তু মানুহৰ বাহিৰে আৰু কি হ’ব?

ভট্টৰ বন্ধু দুজনে ইজনে সিজনৰ মুখলৈ চালে। হ'ব পাৰে, হয়তো একেবাৰে লে'টেষ্ট কিবা আমেৰিকান জে'ট্ প্লেইন, ইমান ওপৰেৰে গৈছে যে দেখাও নাযায় (আজি মেঘো আছে) শুনাও নাযায়। হয়তো তাৰপৰাই পেৰাট্ৰুপ নামিছে। চেবটেজ কৰিব। হয়তো পাহাৰত নামিব খুজিছিল, লক্ষ্যভ্ৰষ্ট হৈ বিলত পৰিছে। ডেঞ্জাৰাছ। বা হয়তো তাত কোনো সময়-বোমা বন্ধা আছে, বা কোনো বেতাঁৰ যন্ত্ৰ। কোনে জানেঙ্গ

*** ***

বন্ধু দুজনে বন্দুকটো আৰু গুলিবোৰ লৈ কৃষ্ণহঁতৰ লগত বিলৰ পিনে দৌৰিলে, ভট্টই তেওঁৰ জৰাজীৰ্ণ ফৰ্'ডখন কোনোমতে ষ্টাৰ্ট কৰি প্ৰিন্সিপালৰ অফিচৰ পিনে ছুটিল। প্ৰিন্সিপাল ছুটীত আছে, তেওঁৰ হাততে দায়িত্ব। লৰালৰিকৈ অফিচটো খুলি টেলিফোনটো তুলিলে। ২১১, কাহিলীপুৰ পুলিচ আউটপ'ষ্ট। হেল'? অ'-চিক লাগে। মই কাহিলীপুৰ এগ্ৰিকালশ্যাৰেল ট্ৰেইনিং ইনষ্টিটিউটৰপৰা কৈছোঁ, এক্টিং প্ৰিন্সিপাল ভট্ট,— অ, অ'-চিক মাতি দিয়ক। আৰ্জেণ্ট। ইমাৰ্জেন্সি। হেল'? অ'-চি? আমাৰ ইয়াত দীপৰু বিলত—কি? নহয়, নহয়। তেতেলী গাঁৱৰ বাঘটোৰ কথা নহয়— দীপৰু বিলত বোলে পেৰাট্ৰুপাৰ নামিছে। অ, ঠিক শুনিছে, বাঘটোৰ কথা নহয়, পেৰাট্ৰুপাৰ পেৰাট্ৰুপাৰঙ্গ দীপৰু বিলত।



অ'-চিয়ে ক'লে, পেৰাট্ৰুপাৰ? দীপৰু বিলত? ঠিক আছে, লৈ আহক।

লৈ আহক? মই কেনেকৈ লৈ আহিম? হি মাষ্ট্ বি আৰ্মড, তাৰ হাতত নিশ্চয় লাইট মেশ্বিনগান-টান আছে, হোৱাট্ দু ইউ মীন লৈ আহক?

*** ***

বাহিৰত দুপিনৰপৰা দুটা বেলেগ শব্দ আহিছে। ডিস্পেন্সাৰীৰ সন্মুখৰ বাটটোৰ এটা বিৰাট জনতা আগবাঢ়ি আহিছে, তুমুল হৈ-চৈ। নেতৃত্বত ভিজা পায়জামা আৰু ভিজা গেঞ্জিৰে গদাধৰ ৰাজবংশী। স্ফীত বুকু। গদাধৰৰ দুয়োহাতে বাহাদুৰ আৰু ৰফিকে এটা পেৰাছুটৰদৰে বস্তু দাঙি আনিছে বিজয়গৰ্বে, যেন শত্ৰুপক্ষৰ সৈন্যাধ্যক্ষৰ মৃতদেহ। বাহাদুৰৰ হাতত তাৰ কাপোৰৰ অংশটো, ৰফিকৰ হাতৰ অংশত দুটা চেপেটা বাকচৰদৰে বস্তু, তাৰে এটা বাকচৰপৰা ট্ৰেঞ্জিষ্টৰ ৰেডিঅ'ৰ এৰিয়েলৰদৰে কিবা এডাল ওলাই আছে। সিহঁতৰ মুখত আকৰ্ণবিস্তৃত বিজয়ৰ হাঁহি, যেন এখন দেশ জয় কৰি আহিছে। চাৰিওপিনৰপৰা মানুহবোৰে পুৰস্কাৰটো চাবলৈ ভিৰ কৰি আহিছে, মুখেৰে একো নামাতি গদাধৰ ৰাজবংশীয়ে মাথোঁ তাৰ মাংশপেশীবালা প্ৰকাণ্ড হাত দুখনেৰে ভিৰ আঁতৰাই-আঁতৰাই দিছে।

আনটো শব্দ চহৰৰ আলিটোৰ পিনৰপৰা আহিছে। কাহিলীপুৰ পুলিচ আউটপ'ষ্টৰ ষ্টেশনৱাগেন, গাড়ীভৰ্তি সশস্ত্ৰ পুলিচ, ঘৰ্মাক্ত অ'-চি। (খঙতে টেলিফোনটো জোঁকাৰ মাৰি নমাই থৈ ভট্টই আকৌ একেবাৰে এছ-পিলৈ ফোন কৰিছিল, নিশ্চয় এছ-পিয়ে তুৰন্তে অ'-চিক ঘটনাস্থলীলৈ যাবলৈ নিৰ্দেশ দিছে।)

*** ***

টেবুলৰ ওপৰৰ দ'মটোলৈ চাই অ'চিয়ে ক'লে, "এঃ দিছ্ ইজ্ নট্ এ' পেৰাট্ৰুপাৰ। এইটো তো কোনো পেৰাছুট নহয়, এইটো—"

ঠিকেই। এইটো এটা বতৰ বেলুন। আবহাৱাৰ তথ্য সংগ্ৰহ

কৰে। বিমানপোতৰ পৰা উৰুৱায়। দুই-এটা খালে-বিলে পৰে মাজে-মাজে। পালে পোষ্ট অফিচ বা থানাত ঘূৰাই দিব লাগে। প্ৰেৰক যন্ত্ৰৰ এভাৰেডি বেটাৰীবোৰো, চাওক, মে'ইড ইন ইণ্ডিয়া, লিখাই আছে। আমাৰেই বস্তু।

অ'-চিয়ে ৰুমালেৰে মুখৰ ঘাম মচিলে। কিন্তু পেৰাট্ৰুপাৰ বুলি ভাবি ভাল মৰসাহ কৰি গৈছিল দিয়ক মানুহবোৰ, কি কয় ? অ'-চিয়ে এটা অভিযোগৰ হাঁহি মাৰিলে, "এঃ আপুনিও নো পোনেই এছ্-পিলৈ ফোন কৰিব লাগেনে ? এই মানুহবোৰ কিমান 'পেনিকি, কেনেকৈ অলপ কথাতে হৈ-চৈ লগাই দিয়ে মই আৰু কিবা নাজানোনে ? তেতেলীগাঁৱত বাঘে দুটা গৰু খোৱা লৈয়ে জানো মোক সিহঁতে কম দিগদাৰ কৰিছে ? এঃ, এনেকৈ নহয়। প্ৰথমতে ইনভেষ্টিগেশ্যন কৰি লৈহে আগুৱাব লাগে—

*** ***

বতৰ বেলুনটো তুলি লৈ যাব ওলাওঁতে, তেতেলীগাঁৱৰ এজাক মানুহে আহি অ'-চিক আগুৰি ধৰিলে।

"কি হ'ল ? অ' তোমালোক ঙ্গ কি হৈছে ? বাঘে আকৌ গৰু মাৰিছে ? কেতিয়া ? অ —অ, মইতো পুলিচ পহৰাৰ কথা লিখিছোঁৱেই। কিন্তু তোমালোকেও কিবাকিবি ব্যৱস্থা ল'ব লাগে, সাৱধানতা অৱলম্বন কৰিব লাগে। এখেতসকলেও (অ'-চিয়ে ভট্টলৈ চালে।) দেখোন এবাৰ চেষ্টা কৰি চাব পাৰে। স্থানীয় মানুহ, হাবি-জংগলৰ অৱস্থা জানে, বিলৰ কোন পাৰে ক'ত বাঘ থাকে পহু থাকে জানে— মই বাহিৰৰ মানুহ। মই যথাসাধ্য তো কৰিয়েই আছোঁ। এখেতসকলেও এবাৰ চেষ্টা কৰি চাওক, স্থানীয় মানুহ। বন্দুক আছে। চিকাৰৰ চখ আছে।"

ইমান সময়ে ভট্টৰ মেজাজটো ভাল হৈ গ'ল, তেওঁ ক'লে, "অ' সেই বাঘটো ? ঠিক আছে। তাক লৈ আহিবা, মাৰি দিম।"

## গৰখীয়া

"শুনা", প্ৰফেছাৰ পদ্মপতিয়ে চকু মোহাৰি-মোহাৰি ক'লে, "চিভিল ডিফেন্স কৰিব লাগে বুজিলোঁ, কিন্তু সেইটো এটা ফাৰ্চ, হ'ব নালাগে। কৰিলে তাৰ গুৰুত্ব বজাই ৰাখি কৰিব লাগে। কালি চহৰৰপৰাই ফল্ছ্ ৱাৰ্নিং দি মিছামিছি আমাৰ চাইৰেনটো বজাই সকলোকে ভয় খুৱাই মাৰিলে। তাৰপিছতে আকৌ আজি পুৱা ইলেক্ট্ৰিচিয়ানে টে'ষ্ট কৰোঁ বুলি আহি কিবা টিপোঁতে দিলে কিবা টিপি, ভোঁ-ভোঁকৈ চাইৰেনটো বাজি সকলোকে থৰ কাছুটি হেৰুৱাই খালে-বিলে নি পেলালেগৈ। এইটো এটা ছিৰিয়াছ কথা—"

এন্ধাৰ কণ্ট্ৰ'ল ৰুমটোৰ মাজভাগত নীলা কাপোৰ এখনেৰে ঢকা লাইটটোৰ ক্ষীণ পোহৰটুকুৰাৰ তলত নতুনকৈ অহা ডেকা অধ্যাপক বাদল গোস্বামীয়ে এখন ডিটেক্টিভ উপন্যাস পঢ়িবৰ চেষ্টা কৰিছে, সোঁহাতে চাইৰেনৰ চুইচ, বাওঁহাতে টেলিফোনটো। যিকোনো মুহূৰ্ততে বিমান-আক্ৰমণৰ খবৰ আহিব পাৰে। বাহিৰৰ আন্ধাৰ বাৰাণ্ডাখনৰ বালিৰ বস্তাবোৰৰ কাষত বহি কলেজৰ পিয়ন উত্তম কলিতাই হামিয়াইছে, আৰু ক'ৰবাত লাইট জ্বলিছে নেকি মাজে-মাজে লক্ষ্য কৰাৰ চেষ্টা কৰিছে।

পদ্মপতি কেম্পাছৰ বয়সস্থ মানুহ, গতিকে বাদল গোস্বামীয়ে একো নামাতিলে। শব্দ নোহোৱাকৈ পাত এটা লুটিয়ালে। সঁচা কথা, গুৰুতৰ দায়িত্বজ্ঞানহীন কাম হৈছে। চহৰৰ চিভিল ডিফেন্স কৰ্তৃপক্ষইও তিৰস্কাৰ কৰিছে চোকা ভাষাতেই।

"চিভিল ডিফেন্স কৰিব লাগে বুজিলোঁ, কিন্তু সেইটো এটা নুইচেন্স হ'ব নালাগে। আজি ৰাতি লহকৰে ডিউটি দিলে শুব পাৰিম বুলি ভাবিছিলোঁ। তেওঁৰো আকৌ আজিহে শ্বিলঙলৈ যাবলগীয়া হ'ল। মূৰামূৰি সময়ত সদায় মোক হে পায়। অতবোৰ ডেকা-ডেকা বেছেলৰ মানুহ আছে। মোক নো ফেমিলি থকা বুলি জানিও এই ৰাতি দুই বজাত ডিউটি দিব লাগে নে ? টোপনিয়েই গৈছিলোঁ। এলাৰ্ম ক্লক্‌টোও বেয়া হৈছে। ৱাইফক জগাই দিবলৈ কৈছিলোঁ, ৱাইফেও দুই বজাৰ দহমিনিট পিছতহে সাৰ পালে। ৱাইফকেই বা কেনেকৈ দোষ দিওঁ, মোৰ ল'ৰা-ছোৱালী দুটাৰো পেটৰ অসুখ নহয়; খাটনিও গৈছে ওৰে দিন—"

বাদল গোস্বামীয়ে ক'লে যে এজন দায়িত্বজ্ঞানসম্পন্ন, 'ৰেছ্‌পন্‌চিবল্' মানুহ লাগে বাবেহে বোলে প্ৰিন্সিপালে পদ্মপতিকেই—

"কেলেই, তোমালোক দেখোন আছাই, তোমালোক নো আমাতকৈ কি কম ৰেছ্‌পন্‌চিবল্ ? দায়িত্ব গাত জাপি দিলেহে মানুহৰ দায়িত্বজ্ঞান আহে ... অৱশ্যে, প্ৰিন্সিপালৰ কথাও হয়। আমাৰ মানুহবোৰৰ দায়িত্বৰ কথা নো কি ক'ব—"

পদ্মপতিয়ে বাহিৰৰ আন্ধাৰলৈ টোঁৱালে। আজি জোন নাই। নিশ্ছিদ্ৰ অন্ধকাৰৰ মাজত হঠাতে টুপকৈ চোৰৰদৰে একোখন খিৰিকি পোহৰ হৈ উঠিছে (বোধহয় কাৰোবাৰ কিবা বস্তুৰ জৰুৰী দৰ্কাৰ), আৰু প্ৰায় লগে-লগে যেন ভয় খাই টুপ্‌কৈ এন্ধাৰ হৈ গৈছে।

"সেইখন আমাৰ হেড্ এছিষ্টেণ্টৰ খিৰিকি নহয় নে ? তেওঁ নিজেই এজন ৱাৰ্ডেন, ক'ত তেওঁ তেওঁৰ এলেকাত ব্লেক আউট ঠিক হৈছে নে নাই চাব, নাই, তেওঁ নিজেই গোটেইখন কোৱাৰ্টাৰ দীপান্বিতা কৰি ৰাখিছে ঙ্গ এঃ এইবোৰ এলিমেণ্ট লৈ চিভিল ডিফেন্স কৰাৰ কি মানে —"

পদ্মপতিয়ে চকু ঘোপা কৰি আলোকিত খিৰিকিখনৰ পিনে চালে, খিৰিকিখন টুপকৈ এন্ধাৰ হৈ গ'ল।

উত্তম কলিতাই ষ্টভটোত তিনিকাপ চাহ কৰি আনিলে। কাপটোত চুমুক দি পদ্মপতিয়ে সতৰ্কভাৱে চাইৰেনৰ চুইচটোৰ ওপৰত আলফুলকৈ হাত বুলাই নিলে।

"এইটো এতিয়া ঠিক হৈছে তো? আৰু গোলমাল হোৱাৰ ভয় নাইতো?" বাদল গোস্বামীয়ে কিতাপখন জপাই থৈ ঘড়ী চালে আৰু ক'লে যে নাই, আৰু গোলমাল হ'ব নালাগে।

"কেনেকৈ জানিলা? টেষ্ট্ কৰি বজাই চোৱা হ'লেও নহয় বুজিলোঁহেঁতেন, কিন্তু এতিয়াতো এইটো টিপি চোৱাই মানা। হেঃ, এনেকুৱা দায়িত্বজ্ঞানহীন কাম নো কৰিব লাগে নে? এইটো এটা কিমান ছিৰিয়াছ কথা। এবাৰ ভুল হ'লেও যেন তেন, কিন্তু দুই-দুইবাৰঙ্গ এনেকৈ মিছা ৰানিং দি থাকিলে চাইৰেনৰ আৰু কি গুৰুত্ব থাকিব। গৰখীয়া আৰু বাঘৰ গল্পটো জানা নহয়?"

গৰখীয়াৰ গল্পটো বাদল গোস্বামীয়ে জানে, কিন্তু একো নকৈ মাথোঁ এবাৰ লাহেকৈ হাঁহিলে।

"শুনা", পদ্মপতিয়ে ক'লে, "এসময়ত এটা গৰখীয়া আছিল। সি মানুহক অনাহকত ভয় খুৱাই ৰং চাবলৈ বৰ ভাল পাইছিল। -গাঁৱৰ বাহিৰত পথাৰত গৰু চৰাবলৈ নি সি এদিন এনেয়ে 'বাঘ, বাঘ, বাঘে খালে ঔ'কৈ চিঞৰি উঠিল। চিঞৰ শুনি গাঁৱৰ মানুহে সকলোৱে হাতত দা-কুঠাৰ-লাঠী-টোকোন যেয়ে যি পায় লৈ পথাৰলৈ উধাতু খাই দৌৰি আহিল। তেতিয়া গৰখীয়াই সিহঁতক খুব ঠগিলোঁ বুলি হো-হোকৈ মনৰ সুখত গিৰ্জনি মাৰি হাঁহিব ধৰিলে। মানুহবোৰে তাক গালি-শপনি পাৰি গুচি গ'ল। কেইদিনমান পিছত গৰখীয়াই আকৌ মিছায়ে 'বাঘ, বাঘ' বুলি চিঞৰিলে। এইবাৰো গাঁৱৰ মানুহে ঠগ খালে। তাৰ কেইদিনমান পিছত এদিন সঁচাকৈয়ে কাষৰ হাবিৰপৰা বাঘ এটা ওলাই আহি গৰখীয়াৰ গাত হঠাতে জঁপিয়াই পৰিল। গৰখীয়াইও 'বাঘঙ্গ বাঘঙ্গ বাঘে খালে ঔ, মৰিলোঁ ঔ'কৈ প্ৰাণপণে চিঞৰিব ধৰিলে। কিন্তু এইবাৰ গাঁৱৰ মানুহবোৰে তাৰ চিঞৰত কাণ নিদিলে। ভাবিলে সি আকৌ ধেমালি কৰিছে। গতিকে সেই চিঞৰকেইটাই গৰখীয়াৰ ফেমাছ লাষ্ট্ ৱৰ্ডছ হৈ ৰ'ল।

আমাৰো ইয়াত দুই-দুই বাৰ মিছাকৈয়ে চাইৰেন বজোৱা হ'ল। ফলত কি কাণ্ড হৈ গ'ল, কেনেকুৱা পেনিক্ হৈ গ'ল, দেখিছাই। মোৰ ট্ৰেঞ্চটো আধা খন্দা হৈ আছে, চাৰিওপিনে কাঁইটৰ জংগল, হুৰমূৰকৈ তাতে সোমাবলৈ গৈ মোৰ আৰু মোৰ ৰাইফৰ"—

বাদল গোস্বামীয়ে গম্ভীৰ মুখে এই করুণ কাহিনীটো শুনিলে। তিনি বজাত ৰহমান বৰুৱা আহি পদ্মপতিক আজৰি কৰি দিলে। ঘোপমৰা এন্ধাৰৰ মাজেৰে কেম্পাছৰ অৱশ্যম্ভাবী অলৰ-অচৰ গৰুকেইটাৰ লগত টৰ্চৰ পোহৰেৰে সংঘৰ্ষ বচাই-বচাই পদ্মপতি ঘৰলৈ উভতিল। এটা দীঘল টোপনি মাৰিব লাগিব। চাইৰেনটো ঠিক আছে নে? দৰ্কাৰ হ'লে ঠিকমতে বাজিব নে? দৰ্কাৰ যে হ'বই, সন্দেহ নাই, দলংখন আৰু বিমানপোতটো সিহঁতে নিশ্চয় ভাঙি দিবৰ চেষ্টা কৰিব আকৌ। তৃতীয়বাৰ গৰখীয়াই চিঞৰিলে গাঁৱৰ মানুহবোৰ দৌৰিব নে?

*** ***

ঘৈণীয়েকৰ ঠেলা-ঠেলিত পুৱতি নিশা পদ্মপতিৰ টোপনি ভাঙি গ'ল। বৈ-বৈ চাইৰেন বাজিছে। পদ্মপতি ধৰমকৈ বিছনাৰ ওপৰত উঠি বহিল। ভীষণ শব্দ হৈছে চাৰিওপিনে, বিমানবিধ্বংসী কামানৰ গোলা ফুটিছে বুম্ বুম্ বুবুম্ বুম্ —

"ৰাতুল ক'ত — ৰাতুল? ভণ্টিক লোৱা, লোৱা — তুলা ক'ত থ'লা? তুলা — তুলা? কিনো কৰিছা, ওলোৱা চচ্‌পেন্‌টো — চচ্‌পেন্‌টো ভণ্টিৰ মূৰত দিয়া, নহয় নহয়, আগেয়ে মূৰত কাপোৰ দিয়া তাড়াতাড়ি, তাড়াতাড়ি, এই ৰাতুল, এই পিনে, এই পিনে—"

হুৰমূৰকৈ মানুহবোৰ বাহিৰলৈ ওলাই চতুৰ্দিশে গাঁতবোৰৰ পিনে দৌৰিছে, চিঞৰি-বাখৰ-গণ্ডগোল, কিছুমান মানুহ আলিৰপৰা ঘৰৰ ভিতৰলৈ দৌৰিছে উৰ্ধশ্বাসে। ৰাতুলৰ মূৰত টিফিনকেৰিয়াৰ বাটিটো থপচ্‌কৈ গুঁজি দি কোলাত ভণ্টিক লোৱা ঘৈণীয়েকৰ হাতত ধৰি টানি দুৱাৰৰ পিনে দৌৰি যাওঁতে দ্ৰুতবেগে পদ্মপতিৰ মনত খেলাই গ'ল যে গৰখীয়াৰ গল্পৰ নীতিকথাটো এই ক্ষেত্ৰত ঠিক নাখাটিল, কাৰণ এই ক্ষেত্ৰত পথাৰত সকলোৰে গৰু আছে। ■■

*****

# সাক্ষাৎকাৰ
# মাইনী মহন্ত

সাক্ষাৎগ্ৰহণ — ড° সত্যব্ৰতী মেধি
পৰিকল্পনা— ডাঃ জিতেন্দ্ৰ ডেকা



অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি সম্প্ৰতি সংকটৰ গৰাহত পৰা বুলি বিভিন্ন জনৰ পৰা অভিযোগ উত্থাপিত হোৱা শুনিবলৈ পোৱা যায়। যুব উচ্ছৃংখলতা হত্যা, লুণ্ঠন আদি নিত্য, নৈমিত্তিক ঘটনা হৈ পৰিছে যেন অনুভৱ হয়। ইলেকট্ৰনিক মাধ্যমকো ইয়াৰ বাবে জগৰীয়া কৰিব বিচৰা হয়। তদুপৰি জাতীয় চেতনাহীনতাও অন্য এক কাৰণ বুলি চিহ্নিত কৰিব পাৰি।

সংশয় নিৰাময়ৰ উদ্দেশ্যে মনত উদয় হোৱা কেইটামান প্ৰশ্ন লৈ সম্পাদনা সমিতিৰ তৰফৰ পৰা ওচৰ চাপিছিলো নন্দিনীৰ সম্পাদিকা তথা নাৰী আন্দোলনৰ প্ৰধান হোতা এগৰাকী বিশিষ্ট্যা গল্পকাৰ, এসময়ৰ অনাতাৰ আৰু টেলিভিছ'ন কেন্দ্ৰৰ বাতৰি পৰিবেশিকা মাইনী মহন্ত বাইদেউৰ। তেখেতে আমাৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ আন্তৰিকতাৰে প্ৰদান কৰি আমাক কৃতাৰ্থ কৰিছে। তেখেতৰ সৈতে হোৱা কথোপকথন বিনন্দিয়ানৰ পাঠক বৃন্দলৈ আগবঢ়ালোঁ।

**প্ৰশ্ন ঃ** বৰ্তমান অসমত মাইনী মহন্ত এটা জনপ্ৰিয় নাম। তাৰ অন্যতম এটা কাৰণ নাৰী আন্দোলন। এগৰাকী নাৰী হিচাপে নাৰীবাদ সম্পৰ্কে আপোনাৰ মতামত কি ?

**উত্তৰঃ** নাৰীবাদ প্ৰকৃততে মানৱতাবাদ। যদি পৃথিৱীত মানুহে মানুহ হিচাবে মানুহৰ অধিকাৰ পাব লাগে তেন্তে নাৰীয়ে অধিকাৰ খিনি পালেহে মানুহে অধিকাৰখিনি পাব। পুৰুষতান্ত্ৰিক সমাজত অতিতৰ পৰাই নাৰীয়ে কিছুমান অধিকাৰৰ পৰা বহিতত হৈছিল আৰু অজিও হৈ আছে। নাৰীবাদক মানৱতাবাদৰ আন এটা ৰূপ বুলি ভাবো।

**প্ৰশ্ন ঃ** অনলাইন শ্ব'পিং কৰি টুইটাৰত টুইট কৰি আমি আজি নিজকে উন্নত বুলি জাহিৰ কৰো। কিন্তু আমাৰ চকুৰ সন্মুখতে,আমাৰ চোতালতে ডাইনী সজাই নাৰীক নিৰ্মম ভাবে হত্যা কৰা হৈ আছে। সমাজৰ এই দানৱবোৰৰ বিৰুদ্ধে আপুনি কিবা ভূমিকা গ্ৰহণ কৰিছেনেকি ?

**উত্তৰঃ** এইটো এটা সময়পোযোগী আৰু সুন্দৰ প্ৰশ্ন। আমি এহাতেদি প্ৰযুক্তিৰ জয় জয়কাৰ কৰি থাকো কিন্তু প্ৰকৃতাৰ্থত যদি চাও প্ৰযুক্তিয়ে দিয়া সকলো সুবিধা আৰু বৈভৱ ব্যৱহাৰ কৰাৰ কাৰণে আমি যোগ্যই হৈ উঠা নাই। উদাহৰণস্বৰূপেFacebook ৰ কথাই লওক। Facebook ত দেখা যায় প্ৰায় সকলোৱে মছগুল হৈ থকাৰ এটা প্ৰৱণতা আহিছে। এই Facebook তেই কিছুমান ডাঙৰ ডাঙৰ সমাজ সংস্কাৰী আন্দোলনো জাগি উঠিছে। Facebook ৰ ব্যৱহাৰ সম্পৰ্কে সচেতনতা গঢ়ি উঠা অতিকে প্ৰয়োজন । প্ৰযুক্তিৰ সুব্যৱহাৰ আৰু কু-ব্যৱহাৰ এই দুটাৰ মাজত পাৰ্থক্যটো বুজি উঠিলেই আমি প্ৰযুক্তি ব্যৱহাৰৰ যোগ্য হৈ উঠিম। ডাইনী হত্যাৰ বিৰুদ্ধেও Media ত আমি প্ৰবল আন্দোলন গঢ়ি উঠাব পাৰো।

কিন্তু একে সময়তে Social media ৰ অপব্যৱহাৰৰ জৰিয়তেই Karbi Anglong ত অভিজিৎ আৰু নিলোৎপলক নিৰ্মমভাবে হত্যা কৰা হ'ল।

**প্ৰশ্নঃ** আপোনাৰ কথাখিনিৰ আত ধৰিয়েই আমি পৰৱৰ্তী প্ৰশ্নটো সুধিব খুজিছো। অভিজিৎ আৰু নিলোৎপলক যিদৰে অতি কম সময়তেই যুৱকৰ গোট এটাই নিৰ্মমভাৱে হত্যা কৰিলে তাৰ দ্বাৰা এইটো বুজিব পাৰি নেকি যে বৰ্তমান প্ৰজন্ম অধিক অস্থিৰ হৈছে। আৰু যদি অস্থিৰ হৈছে তেন্তে তাৰ কাৰণ কি বুলি আপুনি ভাৱে?

**উত্তৰ ঃ** সেইটো এটা অত্যন্ত দুৰ্ভাগ্যজনক ঘটনা আছিল। আমাৰ দুজন ডেকা লৰাক হানি খুছি নিৰ্মমভাৱে হত্যা কৰা হ'ল। এই ঘটনাটোৰ অচিলা লৈ জাতি জনগোষ্ঠীৰ মাজত বিভিন্ন গোটৰ দ্বাৰা বিভেদ অনাৰ চেষ্টা কৰা হ'ল। ঘটনাটো এনেকৈ প্ৰতিষ্ঠা কৰিব বিচৰা হ'ল যেন আমাৰ মেইন ষ্ট্ৰীম দুজন অসমীয়া ডেকাক কাৰ্বিলোকে হত্যা কৰিলে। এই বিষয়লৈ facebook ত , কাৰ্বি লোকসকলৰ বিৰুদ্ধে কিছুমান নিকৃষ্ট মন্তব্যও কৰা হ'ল। কিন্তু আমি যদি বুৰঞ্জী চাও আমাৰ সংস্কৃতিত কাৰ্বি সংস্কৃতিৰ কিমান অৱদান আছে তাক গণি শেষ কৰিব নোৱাৰিম। উত্তৰ পূৰ্ব্বাঞ্চলৰ প্ৰথম ৰামায়ণ কাৰ্বি ভাষাতেই লিখা হৈছিল। বহুত বিদগ্ধ পণ্ডিত আৰু সাহিত্যিক কাৰ্বি সমাজৰ পৰা আহিছে। কিন্তু সঁচা ঘটনাটো হ'ল কিছু নিৰ্বোধ আৰু অপৰাধ প্ৰৱন লোকে দুজন ডেকা ল'ৰাক হত্যা কৰিছিল। অপৰাধীৰ কোনো জাতি নাইবা ধৰ্ম নাই। এইটো মই ভাবো এইটো এটা ষড়যন্ত্ৰ আছিল যাতে অসমখনক ভাগ ভাগ কৰি অসমৰ অস্তিত্ব দুৰ্ব্বল কৰিব পাৰে। মূল সুঁতিৰ অসমীয়াৰ লগত জনগোষ্ঠীৰ সংঘাট লগাব বিচাৰিছে।

আজিৰ যুৱ সমাজ অস্থিৰ হোৱা বুলি মই নাভাবো। অসহিষ্ণু হোৱাৰ আৰত মই ভাবো সিহঁতক অসহিষ্ণু কৰি তোলা হৈছে। কাৰণ আমাৰ প্ৰগতিশীল যুৱ সমাজত বহুতো উদাৰতাবাদী আৰু দয়াশীল যুবকো আছে। বহুতো সৃষ্টিশীল কামত যুৱসমাজ ওলাই অহা দেখা গৈছে। একাংশ যুৱক পথভ্ৰষ্ট হৈছে সেইটো হয়। ইয়াৰ কাৰণ নিবনুৱা সমস্যাও হয়টো হ'ব পাৰে। তেনেকুৱা হতাশাগ্ৰস্থ যুৱকক এচাম ষড়যন্ত্ৰকাৰীয়ে আওবাটে নিব চেষ্টা কৰে। সেইচাম যুৱকৰ কাৰণে গোটেই যুৱচামটোকে জগৰীয়া কৰাটো উচিত বুলি মই নাভাবো।

**প্ৰশ্ন ঃ** আজিৰ যুৱকসকলে এই ষড়যন্ত্ৰৰ পৰা আঁতৰি থাকিবলৈ তেওঁলোকে কি কৰিব লাগিব?

**উত্তৰ ঃ** তেওঁলোকে প্ৰযুক্তিৰ উচিত ব্যৱহাৰ কৰিব লাগিব। আজি কালি সকলোৰে হাতে হাতে Mobile phone থকা দেখা যায়। Mobile ৰ কু-ব্যৱহাৰৰ দ্বাৰা পৃথিৱীৰ বহুতো যুৱক-যুৱতীতে আত্মহত্যা পৰ্যন্ত কৰা দেখা গৈছে। Mobile ত game খেলি এটা পৰ্য্যায়ত আত্মহত্যা কৰিবলৈ বাধ্য হয়। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মই এখন কিতাপৰ কথা উল্লেখ কৰিব খোজো। এইখন কিতাপ পঢ়িলে তেওঁলোকে জীৱনত সফল হ'ব বুলি মই ভাবো। কিতাপখনৰ নাম হ'ল "Alone Together" কিতাপখনৰ লিখক শ্বেৰী টাৰ্ট'ল। কিতাপখনৰ মূল কথাখিনি এনেধৰণৰ—বৰ্তমান সময়ত আমি ইজনে সিজনৰ পৰা বিছৰাৰ সলনি কিয় প্ৰযুক্তিৰ পৰা বেছিকৈ বিচাৰো। প্ৰযুক্তিৰ পৰা অত্যাধিক বিচৰাৰ ফলত মানুহে মানুহৰ পৰা ওচৰত থাকিও আতৰি গৈছো। আমি ছানিয়া মিৰ্জাৰ কিলাকুটীৰ বিষ হোৱা কথাটো গম পাও কিন্তু মোৰ ওচৰৰ ৰুমটোতে শুই থকা আইতাজনী আঠুৰ বিষত চটফটাই থকা কথাটো কিন্তু গম নেপাও। যোগাযোগৰ ইমান গেপ। প্ৰতিটো মুহূৰ্তত মোবাইলত ব্যস্ত —বাছষ্টেণ্ডত গাড়ীৰাখি থাকোতে, ৰেষ্টুৰেণ্টত খাদ্য আহি নপোৱালৈকে, ৰেল, বাছ আদিত বহি ভ্ৰমণৰ সময়ত, সকলোতে Mobile টোৱে টিপি থকা দেখা পাওঁ নৱ-প্ৰজন্মক প্ৰযুক্তিৰ ব্যৱহাৰত সীমা অতিক্ৰম নকৰিবলৈ ক'ব খোজো।

**প্ৰশ্ন ঃ** 'Alone Together' কিতাপখন ক'ত পাব?

**উত্তৰ ঃ** onlineতেই পাব।

**প্ৰশ্ন ঃ** বাইদেউ আপোনাৰ শৈশৱৰ বিষয়ে কিবা ক'ব নেকি?

**উত্তৰ ঃ** শৈশৱৰ বিষয়ে কবলগীয়া মোৰ বহুত আছে। মই মামাহঁতৰ ঘৰতে ডাঙৰ দীঘল হৈছো। মই সৰু থাকোতেই মোৰ দেউতা ঢুকোৱাত মায়ে মোক মামাহঁতৰ আইতাৰ লগত ৰাখিছিল। গতিকে মই জামুগুৰীহাটত ককা, আইতা আৰু মাহীৰ লগত মোৰ শৈশৱ কটাইছো। মোৰ শৈশৱটো এটা সোণালী শৈশৱ বুলি ক'ব নোৱাৰো। মোৰ আইতাই মোৰ মাৰ সকলো বিলাই বিপত্তিৰ কাৰণ আমি ল'ৰা ছোৱালী কেইটা বুলি ভাবিছিল। বিভিন্ন সময়ত মোক এইটো অনুভৱ কৰাইছিল আইতাই কোৱা কথা এযাৰ এতিয়াও মোৰ কানত বাজি আছে। তেওঁ কৈছিল—এই বাপেক নোহোৱা ল'ৰা ছোৱালীকেইটা মোৰ মূৰত জাপি দি গ'ল। আইতাই মোক বেয়া পাইছিল বুলি মই নকও হয়টো তেওঁ ভয় খাইছিল। এটা ঘটনা মোৰ মনত আছে। এবাৰ মোৰ কাঁহ হোৱাত প্ৰতিদিনে আইতাই তুলসীৰ পাতৰ ৰস খুৱাইছিল। এদিন ককা নথকাত মই নিজে পাত চিঙিব খোজাত আইতাই মোক প্ৰচণ্ড বাধা দিছিল। তেওঁ কৈছিল ছোৱালীয়ে তুলসীৰ পাত চিঙিব নাপায়। মই কি হয় বুলি শোধাত তেওঁ কৈছিল ছোৱালীয়ে তুলসীৰ পাত চিঙিলে গছ জোপা মৰি যায়। সেইদিনা খঙত মই গোটেই তুলসীৰ পাত



তেওঁলোকৰ পৰা অহা নাই। তেওঁলোকৰ মাধ্যমেৰেহে আহিছে। তেওঁলোকৰ শৰীৰৰ তোমালেকে যতন কৰিব পৰা কিন্তু মনৰ নহয়। তেওঁলোকৰ মনত সাজি লোৱা ঘৰখনত তোমালোকৰ প্ৰবেশ নিষিদ্ধ। যেনেকে ধনু এখনৰ পৰা কাড়পাত ওলাই যাবলৈ বেকা কৰিব লগা হয় ঠিক তেনেকৈ সন্তানটোকো আগবাঢ়ি যাবলৈ যিখিনি বেকা হ'ব লাগে সেইখিনিহে মাক-বাপেক বেকা হোৱাটো উচিত। কাড়পাত ওলাই যোৱাৰ পিছত পিছে পিছে দৌৰিব নালাগে।

**প্ৰশ্ন ঃ** আমি সকলোৱে জানো আপুনি ছপা মাধ্যম ৰেডিঅ' টেলিভিচন এই তিনিওবিধতে কাম ক'ৰাৰ অভিজ্ঞতা আছে। অসমৰ প্ৰেক্ষাপটত কোনটোমাধ্যম জনগণৰ ওচৰলৈ যাবলৈ বেছি ক্ষিপ্ৰ আৰু কাৰ্যক্ষম?

**উত্তৰ ঃ** বৰ্তমান সময়ত চাবলৈ গলে ইণ্টাৰনেটৰ বহুল প্ৰচাৰ হোৱা দেখা যায়। কিন্তু ছপা মাধ্যমৰ উপযোগীতা এতিয়াও কমা নাই। অন্য হাতেদি চাবলৈ গলে কিবা এটা কথা ইউ টিউবত নাইবা টেলিভিছন বা Social media আহিলে যিমানগুৰুত্ব পাব ছপা মাধ্যমত তাক গুৰুত্ব বেছি হ'ব। internet ত অহাটো সাময়িক। মোৰ ফালৰ পৰা বাতৰি কাকতৰ প্ৰভাৱ অধিক তথাপি তিনিওটাৰে গুৰুত্ব আছে বুলি মই ভাবো। কাৰণ বৰ্তমান সময়ত internet চুকে কোনে বিয়পি পৰিছে। কিছুমান গাঁওত দেখিব দলং নাই কিন্তু smart phone বা internet আছে।

**প্ৰশ্ন ঃ** বৰ্তমান আমি Mobile তে বিভিন্ন আলোচনী আৰু বাতৰি কাকত পঢ়িবলৈ পাঁও। এনেকুৱা হৈ থাকিলে এটা সময়ত ছপা মাধ্যম নোহোৱা হৈ থাকিবনে?

**উত্তৰ ঃ** হয় যোৱা দহ বছৰত ছপা মাধ্যমৰ গুৰুত্বটো যথেষ্ট কমিছে সেইটো সঁচাকিন্তু মোৰ বিশ্বাস নিঃশেষ নহয় পুনৰ উভতি আহিব। আকৌ সেইদিন ঘূৰি আহিব যেন লাগে। কিতাপৰ জয় জয়কাৰ হ'ব।

**প্ৰশ্ন** - নাগৰিকত্ব সংশোধনী বিধেয়কৰ ওপৰত আপোনাৰ মতামত কি?

**উত্তৰ ঃ** মই ভাবো নাগৰিকত্ব সংশোধনী বিধেয়ক, সম্পূৰ্ণ অসাংবিধানিক আৰু অগণতান্ত্ৰিক। বিশেষকৈ উত্তৰ পূৰ্ব্বাঞ্চলৰ বাবে ভয়ংকৰ ক্ষতি কৰিব পৰা এখন বিধেয়ক। কেন্দ্ৰীয় চৰকাৰে কিছুক্ষেত্ৰত অপপ্ৰচাৰ কৰিছে। যদিও গোটেই ভাৰতবৰ্ষতেই ইয়াৰ ব্যৱস্থা কৰা হ'ব, অসমত ইয়াৰ প্ৰভাৱ আটাইতকৈ বেছি

চিঙি দিছিলো আৰু আইতাক কৈছিলো এতিয়া গছজোপা মৰিবনে চাও দিয়া।

**প্ৰশ্ন ঃ** তেতিয়াৰ শৈশৱ আৰু এতিয়াৰ শৈশৱৰ মাজত আপুনি কি পাৰ্থক্য দেখা পায়?

**উত্তৰ ঃ** এই ক্ষেত্ৰত মই তেতিয়াৰ শৈশৱকে ভাল বুলি কম। কাৰণ তেতিয়াৰ শৈশৱক শিশুৱে প্ৰকৃতিৰ বহুত ওচৰৰ পৰা পাইছিল। তেতিয়া আমি স্কুলৰ পৰা আহি বেগটো থৈয়ে খেলিবলৈ দৌৰিছিলো। মুৰলি পথাৰত বোকা মাটি এক কৰি আমি খেলিছিলো। কিন্তু আজি কালি ল'ৰা ছোৱালী বিশেষকৈ মহানগৰত প্ৰকৃতিৰ একো উম ঘামে নাপায়। সিদিনাখন মোৰ চিনাকী মানুহ এঘৰত শিশু সৰু ল'ৰা এটাই হালবাই থকা Painting এখন দেখি প্ৰশ্ন কৰিছিল যে দুটা গৰু আৰু এটা মানুহে কি কৰিছে। অতি দুৰ্ভাগ্যজনক বিষয়। যি ক্ষেত্ৰত শিশুৰ শাৰিৰীক আৰু মানসিক বিকশিৰ কাৰণে প্ৰকৃতিৰ সংস্পৰ্শত থকাটো অতি প্ৰয়োজনীয়। বৰ্তমান অভিভাৱকে শিশুৰ প্ৰাকৃতিক বিকাশৰ সলনি মাৰ্কচিতৰ পিছতহে দৌৰা দেখা যায়। মই নিজেই পাইছো এনে অভিবাৱক যিয়ে সন্তানৰ ৯৮ শতাংশ টো ৯৮.৫ হ'ব লাগিছিল বুলিও অভিযোগ লৈ principal ক লগ কৰিব আহে। অভিভাৱক বিলাকে আজিকালি সন্তানবোৰক নিজৰ extension বুলি ভাবিব লৈছে। মই ডাঙৰ হ'ব খুজিছিলো নোৱাৰিলো গতিকে মোৰ ল'ৰাটোক বনাম। সেইদৰে মাকেওভাবে মই গায়ক হ'ব খুজিছিলো নোৱাৰিলে কিন্তু মোৰ ল'ৰাটোক বনাম। এইদৰে মাক-দেউতাকৰ ইচ্ছাবোৰ নিজৰ সন্তানটোৰ গাত ফুটাই তুলিবলৈ দুৰ্ব্বাৰ প্ৰয়াস মাক-দেউতাকৰ এই ক্ষেত্ৰত মই খলিল জিব্ৰানৰ এটা কবিতা কথা অনুকিয়াব খোজো। তেওঁ পিতৃ-মাতৃসকলক কৈছিল যে সন্তান

পৰিব। আমাৰ পৰিস্থিতিটো বেলেগ। কাৰণ গোটেই দেশতে Cut-off year 1985 কিন্তু অসমত 1971।

**প্ৰশ্নঃ** আপোনাৰ প্ৰিয় কিতাপ কোনখন আৰু কিয়?

**উত্তৰঃ** এইক্ষেত্ৰত মই নিৰ্দিষ্ট এখন কিতাপৰ কথা ক'ব নোৱাৰো। কাৰণ মই Chain reader. কিছুমান মানুহৰ দৰে ভাল লগা কিতাপখন বাৰে বাৰে পঢ়াতকৈ আন এখন নপঢ়া নতুন কিতাপ পঢ়িবহে ভাল পাওঁ।

**প্ৰশ্ন ঃ** আপোনাৰ প্ৰিয় লিখক কোন?

**উত্তৰঃ** এইক্ষেত্ৰতো নিৰ্দিষ্ট লিখক নাই যদিও মই শ্বেৰী চাৰট'লৰ কথা উল্লেখ কৰিব পাৰো। তেওঁৰ Technology ৰ ওপৰত লিখা ত্ৰিল'জী খুবেই প্ৰিয়। আৰু অসমৰ ক্ষেত্ৰত ক'বলৈ গলে সৌৰভ কুমাৰ চলিহাৰ লিখনি মোৰ প্ৰিয় হীৰেন গোহাঁই ছাৰৰ প্ৰতিটো লেখাই মই পঢ়িছো। নতুন প্ৰজন্মৰ কেইজনমান লিখকৰ লিখনিয়ে মোক আকৃষ্ঠ কৰে। যেনে- গল্পকাৰ হিচাপে প্ৰশান্ত কুমাৰ দাস, প্ৰদীপ বৰুৱাৰ উপন্যাস মোৰ প্ৰিয়।

**প্ৰশ্ন ঃ** আপোনাৰ প্ৰিয় বোলছবি কোনখন?

**উত্তৰ ঃ** নিৰ্দিষ্টকৈ প্ৰিয় চিনেমা এখনৰ কথা ক'ব নোৱাৰো। তথাপি 'Life is Beautiful' চিনেমাখন মোৰ ভাল লাগিছিল দুই এদিনতে চোৱা ৰীমা দাসৰ 'Village Rockstars' খন মোৰ খুবেই ভাল লাগিছে আৰু মোৰ Husband এ কৰা চিনেমাবোৰৰ ভিতৰত এখন মোৰ খুবেই প্ৰিয়। বোলছবিখন হ'ল 'অহেতুক'।

**প্ৰশ্নঃ** আপোনাৰ প্ৰিয় ৰাজনীতিক কোন?

**উত্তৰঃ** বাৰাক ওবামা।

**প্ৰশ্নঃ** আপোনাৰ প্ৰিয় খাদ্য কি?

**উত্তৰঃ** দাইল ভাত আৰু পিতিকা।

**প্ৰশ্নঃ** আপোনাৰ স্বৰচিত প্ৰিয় গল্প কোনটো?

**উত্তৰ ঃ** মোৰ নিজে লিখা গল্পৰ ভিতৰত 'ফুটফুটীয়া বাগিচা' গল্পটো লিখি মোৰ খুউব ভাল লাগিছিল।

**প্ৰশ্নঃ** প্ৰেম সম্পৰ্কে আপোনাৰ ধাৰণা?

**উত্তৰঃ** প্ৰেমৰ সংজ্ঞাঃ "তোমাৰ চকুত চকু থলে হৃদয়ত উপচি পৰে যি"

**প্ৰশ্নঃ** যদি এটা শব্দৰে জীৱনটো বুজাব লাগে তেন্তে কি হ'ব সেই শব্দটো?

**উত্তৰঃ** ধুনীয়া

**প্ৰশ্ন ঃ** আপোনাৰ ভৱিষ্যৎৰ কিবা প্লেন?

**উত্তৰ ঃ** ৰাজনৈতিক পটভূমিত এখন উপন্যাস লিখাৰ চেষ্টা কৰি আছো। কিমান দূৰ সম্ভৱ হয় নাজানো কিন্তু অতি সোণকালে সেই কামটোত হাত দিম বুলি ভাবিছো।

**প্ৰশ্ন ঃ** কলেজীয়া কিবা নষ্টালজীয়া যিটোৱে আপোনাক এতিয়াও পুলকিত কৰে।

**উত্তৰঃ** কলেজীয়া জীৱনৰ অভিজ্ঞতাৰ ভিতৰত কটন কলেজত পঢ়ি থাকতে ঘটা এটা কথা মোৰ মনত পৰিলে এতিয়াও হাঁহি উঠে। তেতিয়া কটন কলেজৰ মহাবিদ্যালয় সপ্তাহত লিজেণ্ডৰী লাভাৰ Compitition বুলি এটা ডাঙৰ প্ৰতিযোগিতা হৈছিল। তাতে ল'ৰা ছোৱালীবোৰে যুতি বান্ধি প্ৰসিদ্ধ প্ৰেমিক প্ৰেমিকাৰ চুটি চুটি অভিনয় কৰিছিল। তাতে ল'ৰা ছোৱালীয়ে বা লৰাই লৰাই বা ছোৱালী ছোৱালীয়ে কোনোৱা জংকী পানৈ কোনবা লাইলা মজনু ইত্যাদি হৈছিল। তাতে মই আৰু মোৰ বান্ধৱী লীনা ৰূপালীম মায়াবৰ অভিনয় কৰিছিলো। প্ৰথম ষ্টেজত উঠিব সংকোচ লাগিছিল। লীনা মায়াৱ আৰু মই ৰূপালীম হৈছিলো। দৃশ্যটো আছিল এনেকুৱা ৰূপালীম মায়াব ষ্টেজত এবাৰ উঠি ৰূপালীম নামি আহিব। তাৰ পিছত মায়াবই বাঁহী বজায় বজায় মাতিব ৰূপালীম আকৌ উঠি আহিব। লীনাই ইমান বাঁহী বজালে কিন্তু মই আৰু উঠি নগলো। পিছত লীনাই বহুত খং কৰিছিলে মোৰ ওপৰত। যদিও মই পিছৰ বাৰ উঠি নগলো প্ৰথমবাৰ কৰা অভিনয়ৰ বাবেই আমি দ্বিতীয় পুৰস্কাৰ পাইছিলো। তেতিয়াহে লীনা শান্ত হৈছিল।

**প্ৰশ্ন ঃ** ছাত্ৰ-ছাত্ৰীয়ে আপোনাৰ আলোচনীত লিখিব পাৰেনে? যদি পাৰে কি উপায়?

**উত্তৰ ঃ** নিশ্চয় পাৰে। নন্দিনীৰ ঠিকনাত আপোনালোকৰ ছাত্ৰ-ছাত্ৰীয়ে নিজে লিখা যিকোনো গল্প প্ৰবন্ধ পঠিয়াব পাৰে। আমাৰ আলোচনীত লিখাৰ বাবে কোনো বয়সৰ সীমা নাই বা আন কোনো কথা নাই। যদিও আমাৰ মহিলা আলোচনী বহু সংখ্যক পুৰুষেও আমাৰ আলোচনীত লিখা মেলা কৰে। নিৰ্বাচিত হ'লে নিশ্চয় প্ৰকাশিত হ'ব । নতুন লিখকক আমি সদায় অগ্ৰাধিকাৰ দিওঁ।

**প্ৰশ্নঃ** আপোনাৰ দৃষ্টিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ আন কিবা কৰণীয় আছে নেকি? যদি আছে কি?

**উত্তৰ ঃ** নিশ্চয় আছে। ছাত্ৰী-ছাত্ৰীয়ে পঢ়া-শুনা কৰাৰ উপৰিও সমাজৰ বিভিন্ন দিশৰ ওপৰত চকু কান খুলি ৰাখিব লাগে এষাৰ কথা আছে আজিৰ শিশু ভৱিষ্যৎৰ নাগৰিক।" কিন্তু মই কওঁ আজিৰ শিশু আজিৰেই নাগৰিক। ছাত্ৰ-ছাত্ৰীসকলে সচেতন নাগৰিক হিচাপে নিজৰ দায়িত্ব পালন সুচাৰু ৰূপে কৰিব লাগে।

**প্ৰশ্ন ঃ** সাম্প্ৰতিক সময়ত আমি দেখিছো এটা চাকৰিৰ বাবে লক্ষ্য লক্ষ্য টকা দিবলৈও ল'ৰা-ছোৱালী সাজু। এই চাকৰিমুখীতাই নৱ-প্ৰজন্মৰ সাহিত্যৰ সৃষ্টিশীলতা কমাইছে নেকি?

**উত্তৰ ঃ** এই প্ৰশ্নটো খুউব ভাল পাইছো। সময়োপযোগী প্ৰশ্ন হৈছে এইটো। সময়টোৱে এনেকুৱা হৈছে কিছুমান কামৰ প্ৰতি ল'ৰা-ছোৱালীৰ আগ্ৰহ নোহোৱা কৰি দিছে। এই প্ৰসংগত মই এখন কিতাপৰ কথা ক'ব খোজো। ডেভিট গ্ৰেগাৰৰ 'Bullshit Jobs' নামৰ কিতাপ খনত ধুনীয়কৈ কৈছে যে আজি কালি কোম্পানীবোৰে ধুনীয়া ধুনীয়া পদবী নামাকৰণ কৰি সকলোকে আকৰ্ষিত কৰে। যেনে Marketing Manager, Field officer Public Relation Officer Regional Manager ইত্যাদি। সকলোৰে যেন লক্ষ্য অফিচাৰ হোৱা । কিন্তু প্ৰকৃতাৰ্থত এই ল'ৰা ছোৱালীবোৰে এই কামবোৰ কৰি সুখী হোৱা নাই। মোটা দৰমহাৰ আৰত তেওঁলোকক এনেকে কামৰ বোজা দিয়া হৈছে যে তেওঁলোকে সমাজ বা নিজৰ সৃষ্টিশীলতাৰ কথা ভাবিবই নোৱাৰে। চাকৰিটো পোৱাৰ দিনা তেওঁলোক হয়টো বহুত আনন্দিত হয় কিন্তু লাহে লাহে অনুভৱ কৰিবলৈ আৰম্ভ হয় যে তেওঁলোকে সমাজখনৰ বাবে কি দিছে নিজৰ পৰিয়ালটোৰ বাবে কি দিছে—এই ধৰণৰ চিন্তাবোৰ আমাৰ চৰকাৰখনক মই এটাই প্ৰসংশা কৰো যে তেওঁলোকে APSC কেলেংকাৰীটো তদন্ত কৰিছে আৰু বহুতক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ আগলৈ APSC বজাৰ পৰিণত হৈছিল আৰু ই যেন মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ স্বপ্ন ভংগৰ গাঁথাত পৰিণতি হৈছিল।

**প্ৰশ্ন ঃ** যেতিয়া আপুনি হতাশাগ্ৰস্ত হয় নাইবা বহুত দুখ পায় তেতিয়া আপুনি কি কৰে?

**উত্তৰ ঃ** মনত বহুত দুখ পালে বা হতাশাগ্ৰস্ত হলে মই বহুত সময় ধৰি প্ৰাণায়ম কৰো। দীঘল দীঘল উশাহ লৈ আৰু এৰি ইতিবাচক চিন্তা কৰো। মই আজি ২০ বছৰ ধৰি Meditation কৰি আছো।

**প্ৰশ্ন ঃ** আপোনাৰ দৃষ্টিত সফলতাৰ কিবা মন্ত্ৰ?

**উত্তৰঃ** কঠোৰ পৰিশ্ৰম আৰু সততা।

**প্ৰশ্নঃ** আপুনি বহুদিন ধৰি মহিলা আন্দোলনত জৰিত হৈ আছে। গোটেই পৃথিৱীৰ মহিলা আৰু অসমৰ মহিলাৰ মাজত কিবা পাৰ্থক্য আছে নেকি?

**উত্তৰ ঃ** পৃথিৱী নাইবা ভাৰতীয় মহিলাৰ লগত অসম আৰু উত্তৰ পূৰ্ব্বাঞ্চলৰ মহিলাৰ যথেষ্ট পাৰ্থক্য আছে। যদিও মেঘালয়ত মাতৃ প্ৰধান সমাজ থকা বুলি জানো প্ৰকৃতাৰ্থত সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলতেই মাতৃতান্ত্ৰিকতা বিৰাজমান ইয়াতেই উত্তৰ পূৰ্ব্বাঞ্চলত নিয়ন্ত্ৰিত সমাজৰ প্ৰতিফলন কম হোৱা দেখা যায়। উদাহৰণ স্বৰূপে হিন্দী Serial বোৰ চালে দেখা পাব তাতে মাত্ৰ শাহু বোৱাৰিৰ কাজিয়াই অগ্ৰাধিকাৰ পাই। কিন্তু অৰুণাচলত বোৱাৰীৰ প্ৰসৱৰ সময়ত লেতেৰা কাপোৰবোৰ শাহুৱেকে ধোৱা নিয়ম। শাহুৱেকজনীক মাক কৰি লোৱাৰ কি সুন্দৰ নিয়ম। জনগোষ্ঠীয় সাজ-পোছাকত ওৰণি লোৱাৰো নিয়ম নাই। জনজাতীয় মহিলাইটো off solder পিন্ধাও দেখা যায়। গোটেই ভাৰততে অসম ইয়াৰ প্ৰতিচ্ছবি সম্পূৰ্ণ ওলোটা। ইয়াৰ উপৰিও বিভিন্ন সমাজত লৰাজনেহে ছোৱালী পৰিয়ালক 'গা-ধন' দিব লাগে। আনকি মিচিং সমাজত বিয়াৰ আগত ল'ৰাজনে ছোৱালীৰঘৰত জোৱাই খাতাৰ পৰম্পৰাও আছে। গতিকে সমগ্ৰ উত্তৰ-পূৰ্ব্বঞ্চলৰ আন অংশৰ তুলনাত নাৰীক অধিক সন্মান কৰা দেখা যায়।

**প্ৰশ্ন ঃ** আমি জনাত আপুনি এটা সময়ত ছাত্ৰ সন্থাৰ লগত জড়িত আছিল। আপোনাৰ দৃষ্টিভংগীত ছাত্ৰ সমাজে সংগঠন কৰা উচিতনে অনুচিত?

**উত্তৰঃ** ছাত্ৰই গঠনমূলক কাম-কাজত সংগঠন কৰাটো অনুচিত নহয় কিন্তু ছাত্ৰই ৰাজনীতি কৰাটো মই নিবিছাৰোঁ। কিন্তু বৰ্তমান সময়ত দেখা গৈছে যে বিভিন্ন ছাত্ৰ সংগঠনসমূহে এটা এটা ৰাজনৈতিক দলৰ পোৱালি সংগঠনৰ দৰে হৈছে। ৰাজনৈতিক দলৰ দখলত থাকি সংগঠন কৰাটো মই নিবিচাৰোঁ। কিন্তু ছাত্ৰ সকলো যিহেতু নাগৰিক গতিকে তেওঁলোকৰো মাত মতাৰ অধিকাৰ আছে। তেওঁলোকৰ বিষয়ত তেওঁলোকে সংগঠন কৰাটো মই অনুচিত বুলি নাভাবো। সেই বুলি Class বাদ দি তেওঁলোকে ধৰ্ণা, পিকেটিং আদি কৰাটো উচিত বুলি মই নাভাবো। শ্ৰেণী বৰ্জন মই একেবাৰে পছন্দ নকৰো। কোনো ক্ষেত্ৰতে অধ্যয়নত বাধা হোৱাটো উচিত নহয়।

**প্ৰশ্নঃ** শেষ প্ৰশ্ন আপোনাৰ দৃষ্টিত সুখ কি?

**উত্তৰ ঃ** সুখ এটা সিদ্ধান্ত। মানুহে যদি নিজে সুখী হম বুলি সিদ্ধান্ত লয় তেনেহলে তেওঁ সুখী হ'ব। ■■

*****

## অনুভৱ

# প্ৰশ্নোত্তৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী

পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত আমাৰ মহাবিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীৰ মনোভাৱ জানিবলৈ তেওঁলোকৰ ওচৰ চপা হৈছিল। বিভিন্ন অভিমতেৰে প্ৰকাশ কৰা তেওঁলোকৰ অনুভৱবোৰ সুধী সমাজলৈ আগবঢ়াই দিয়া হ'ল—

সম্পাদনা সমিতি
'বিনন্দিয়ান'

**প্ৰশ্ন ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায় অনেক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰলৈ গুচি যায়। তাৰ কাৰণ কি বুলি ভাবা?

**উত্তৰ ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায় অনেক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰলৈ গুচি যায়, ইয়াৰ মূল কাৰণ মই ভবাত পেছাদাৰী পাঠ্যক্ৰমৰ শিক্ষা ব্যৱস্থাৰ অভাব। বৰ্তমানৰ বিশ্বায়নৰ যুগত ছাত্ৰ-ছাত্ৰীয়ে পুৰণি বিষয় তথা পাঠ্যক্ৰমৰ শিক্ষা ল'বলৈ আগ্ৰহান্বিত নহয়। অৱশ্যে এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক প্ৰব্ৰজন ৰোধ কৰিবলৈ অসমতেই পেছাদাৰী শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ নিৰ্দিষ্ট কিছুমান প্ৰকল্প লোৱা হৈছে যদিও, কেৱল পেছাদাৰী পাঠ্যক্ৰমৰ শিক্ষা দিয়াৰ অজুহাততেই এক সামাজিক দায়িত্বহীন প্ৰমূল্যহীন, সম্পূৰ্ণ ব্যৱসায়িক শিক্ষা ব্যৱস্থাই আমাৰ নতুন প্ৰজন্মৰ শিক্ষাৰ দায়িত্ব কি ধৰণে পালন কৰিব সেয়াও এক প্ৰশ্ন।

**প্ৰশ্ন ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্যিক প্ৰতিভা বিস্তাৰৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনী এখনে কি ভূমিকা ল'ব পাৰে বুলি ভাবা?

**উত্তৰ ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্যিক প্ৰতিভা বিস্তাৰৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনী এখনৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ তথা প্ৰাসংগিক। কিয়নো সাম্প্ৰতিক কালত বৰ দুখ লগাকৈ কমি আহিছে দয়া, মানৱতা লগতে মূল্যবোধ আৰু কমি আহিছে সহনশীলতা। বৰ্তমানৰ ইন্টাৰনেট, ই-মেইল অবৈধ প্ৰচলনৰ যুগত মহাবিদ্যালয়ৰ আলোচনী এখনত স্থান পোৱা সাহিত্যিক প্ৰতিভাই অলপ হ'লেও আগুৱাই নিব একো একোজন সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীক।

**প্ৰশ্ন ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় ৰামদিয়াই বৰ্তমানৰ সময়োপযোগী বিভিন্ন বিষয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা বুলি তুমি ভাবানে?

**উত্তৰ ঃ** ৰামদিয়া মহাবিদ্যালয়খনে বৰ্তমানৰ সময়োপযোগী বিভিন্ন বিষয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত সন্দৰ্ভত কিছু পিছপৰা বুলি ক'লেও ভুল নহ'ব। অৱশ্যে নতুনকৈ চৰকাৰীকৰণ হোৱা মহাবিদ্যালয়খনৰ যথেষ্ট সমস্যাও আছে। তথাপিও আমি আশাবাদী যাতে ভৱিষ্যতে মহাবিদ্যালয়খনত বিভিন্ন বিষয় অন্তৰ্ভুক্ত হয় যিবোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে খুবেই প্ৰয়োজনীয়।

**প্ৰশ্ন ঃ** ছাত্ৰ হিচাপে ষান্মাসিক পৰীক্ষা পদ্ধতিক তুমি কেনেদৰে মূল্যায়ন কৰা?

**উত্তৰ ঃ** ষান্মাসিক পৰীক্ষা পদ্ধতিৰ সফল ৰূপায়ন কৰিব পাৰিলে মই ভাবো ই এটা অতি উত্তম পদ্ধতি। কিন্তু, আমাৰ এই হাজো ৰামদিয়াৰ দৰে গাঁৱলীয়া অঞ্চলত শিক্ষাৰ্থীসকলক এই পদ্ধতিৰে ফলপ্ৰসু কৰি তুলিবলৈ হয়তো এটা দীঘলীয়া সময়ৰ প্ৰয়োজন হ'ব। আমাৰ মহাবিদ্যালয়ৰ দৰে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ই পৰীক্ষা মুখীতাৰ বাদে আন একো নহয়।

**প্ৰশ্ন ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম হেঙাৰ হয় বুলি তুমি অনুভৱ কৰা নেকি?

**উত্তৰ ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত মাধ্যম কেতিয়াওঁ হেঙাৰ হ'ব নোৱাৰে। বৰং মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা লাভ কৰিলেহে প্ৰকৃত শিক্ষা লাভ কৰিব পাৰি বুলি মই অনুভৱ কৰোঁ। কাৰণ মই নিজেও এজন অসমীয়া মাধ্যমৰ ছাত্ৰ আছিলোঁ। কিন্তু মই যেতিয়া CTET দিলো উত্তৰ পূৰ্বাঞ্চলৰ পৰা দুজনে selection পাইছিলো তাৰে এজন মই আছিলোঁ। সেইবাবে ইংৰাজী ভাষা শিক্ষাৰ ক্ষেত্ৰত কিছু অনুশীলন কৰিলেই হয় বুলি মোৰ অনুভৱ।

**প্ৰশ্ন ঃ** বৰ্তমানৰ শিক্ষা ব্যৱস্থাত দুটা খণ্ড— ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ড। এনে শিক্ষা ব্যৱস্থাই সমাজৰ শ্ৰেণী বৈষম্যৰ সৃষ্টি কৰা বুলি ক'লে ভুল হ'ব নেকি?

**উত্তৰ ঃ** বৰ্তমানৰ শিক্ষা ব্যৱস্থাটোলৈ দৃষ্টি নিক্ষেপ কৰিলে

আমি ঘাইকৈ গতিশীল সমাজ ব্যৱস্থাত প্ৰচলিত দুই ধৰণৰ শিক্ষা ব্যৱস্থা দেখা পাওঁ। সেয়া হ'ল ব্যক্তিগত খণ্ডৰ শিক্ষা ব্যৱস্থা আৰু চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থা। ব্যক্তিগত খণ্ডৰ শিক্ষাদান পদ্ধতি তথা উন্নত ফলাফলবোৰে উচ্চ মধ্যবিত্ত শ্ৰেণীৰ অভিভাৱকসকলক ব্যক্তিগত খণ্ডৰ শিক্ষাৰ প্ৰতি আকৃষ্ট কৰিছে। কিন্তু তাৰ বিপৰীতে এচাম নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকে আৰ্থিক দীনতাৰ বাবে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহত নিজৰ ল'ৰা-ছোৱালীক পঢ়ুওৱা পৰিলক্ষিত হৈছে। যাৰ ফলস্বৰূপে সমাজত শ্ৰেণী বৈষম্যৰ সৃষ্টি হোৱা বুলি অনুমান কৰিব পাৰি। কিন্তু এনে ধাৰণাক প্ৰশ্ৰয় নিদি চৰকাৰে অতি তৎপৰতাৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰে যেন।

শেষত মই আটাইলৈ আন্তৰিক অভিনন্দন জনাই মহাবিদ্যালয়খনৰ গৌৰৱোজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে বিনন্দিয়ানৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

অসীমজ্যোতি ডেকা, প্ৰাক্তন ছাত্ৰ

**প্ৰশ্ন ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায় অনেক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰলৈ গুচি যায়। তাৰ কাৰণ কি বুলি ভাবা?

**উত্তৰ ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায়, উচ্চ শিক্ষাৰ বাবে অনেক শিক্ষাৰ্থী ৰাজ্যৰ বাহিৰলৈ গুচি যায়। ইয়াৰ মুখ্য কেতবোৰ কাৰণ আছে। সেয়া হ'ল— সীমিত আসন। ছাত্ৰ-ছাত্ৰী অনুপাতে পৰ্যাপ্ত পৰিমাণৰ আসনৰ অভাৱ। কাৰিকৰী দিশৰ অভাৱগ্ৰস্ততা। কিছুমান ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়ত এক প্ৰতিযোগিতা চলিছে। অধিক ধন খৰচ কৰি পঢ়ুওৱা হয় আৰু তাৰ বিনিময়ত কৰ্মসংস্থাপনৰ প্ৰতিশ্ৰুতি থাকে। সেই আশাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰী অসমৰ বাহিৰলৈ উচ্চ শিক্ষাৰ বাবে ধাৱিত হোৱা দেখা যায়।

**প্ৰশ্ন ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্য প্ৰতিভা বিস্তাৰৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনী এখনে কেনেকুৱা ভূমিকা ল'ব লাগে বুলি তুমি ভাবা?

**উত্তৰ ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্য প্ৰতিভা বিস্তাৰত মহাবিদ্যালয়ৰ আলোচনীখনে যথোচিতভাৱে গুৰুত্ব লাভ কৰে। মহাবিদ্যালয় আলোচনী এখনত প্ৰকাশিত এটা লেখা সদাশয় পাঠকসকলে পঢ়ি সাহিত্যসেৱী ছাত্ৰ/ছাত্ৰীগৰাকীক অনুপ্ৰেৰণা দিয়ে। সেই প্ৰেৰণাৰ জৰিয়তে লিখিবলৈ আত্মচেতনা জাগ্ৰত হ'ব আৰু ভৱিষ্যতে এগৰাকী সাহিত্যিক হোৱাৰ বাট মুকলি হ'ব। সাহিত্যজগতৰ বহুজন স্বনামধন্য সাহিত্যিকৰ আত্মজীৱনীৰ পৰা এইটো ক'ব পাৰি যে বিদ্যালয় নাইবা মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়েই তেওঁলোকে জীৱনৰ প্ৰথম লিখা আৰম্ভ হয়। সেই হেতুকে মহাবিদ্যালয় আলোচনীখনক আমি সাহিত্য সৃষ্টিৰ মাইলৰ খুঁটিৰূপে ভাবি ল'ব পাৰোঁ।

**প্ৰশ্ন ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াখনে বৰ্তমানৰ সময়োপযোগী বিভিন্ন বিষয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা বুলি তুমি ভাবানে?

**উত্তৰ ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয় ৰামদিয়াত এতিয়াওঁ সময়োপযোগী পাঠ্যক্ৰম অন্তৰ্গত হোৱা নাই। যেনে বাণিজ্য শাখা নাইবা শাৰীৰিক উৎকৰ্ষ সাধনৰ পাঠ্যক্ৰম। ইয়াৰ বাবে মই এজন প্ৰাক্তন ছাত্ৰ হিচাপে আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষক নতুন পাঠ্যক্ৰম সংযোজন কৰিবলৈ সাধ্যানুসাৰে চেষ্টা কৰিবলৈ অনুৰোধ ৰাখিলোঁ।

**প্ৰশ্ন ঃ** ছাত্ৰ হিচাপে যান্মাসিক পৰীক্ষা পদ্ধতিক তুমি কেনেদৰে মূল্যায়ন কৰা?

**উত্তৰ ঃ** যান্মাসিক শিক্ষা পদ্ধতিত শিক্ষাৰ্থীসকল আৰু শিক্ষাগুৰুসকল নানাধৰণৰ ইতিবাচক আৰু নেতিবাচক সামৰণিৰ মাজত পৰিবলগীয়া হৈছে। যান্মাসিক পাঠ্যক্ৰম ছমহীয়া যদিও ভিন্ন কাৰকৰ প্ৰভাৱত ছাত্ৰ-ছাত্ৰীয়ে প্ৰায় তিনিমাহমানহে পাঠাদান কৰাৰ সুবিধা পায়, যাৰ ফলত শিক্ষাৰ্থীসকলক শিক্ষাগুৰুসকলে পাঠদান দিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলেও পাঠৰ সম্পূৰ্ণ বিষয়বস্তু তন্ন তন্নকৈ অধ্যয়ন কৰিব নোৱাৰে।

**প্ৰশ্ন ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম হেঙাৰ হয় বুলি তুমি অনুভৱ কৰা নেকি?

**উত্তৰ ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম হেঙাৰ হয়নে নহয় তাৰ যুক্তি কেবাটাও আছে। সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ গুণগত মানদণ্ড গুৰুত্বপূৰ্ণ যদিও শিক্ষাৰ মাধ্যমে কিঞ্চিত হ'লেও হেঙাৰ সৃষ্টি কৰিব পাৰে। অৱশ্যে ই ক্ষণস্থায়ী। এইক্ষেত্ৰত পৰিস্থিতিৰ সামঞ্জস্য বজায় ৰখা দৰকাৰ। ইয়াৰ পুংখানুপুংখভাৱে অধ্যয়ন কৰিলে এটা দীঘলীয়া লেখাত পৰিণত হ'ব ধুৰূপ।

**প্ৰশ্ন ঃ** বৰ্তমান শিক্ষা ব্যৱস্থাত দুটা খণ্ড— ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ড। এনে শিক্ষা-ব্যৱস্থাই সমাজত শ্ৰেণী বৈষম্যৰ সৃষ্টি কৰা বুলি খ'লে ভুল হ'ব নেকি?

**উত্তৰ ঃ** বৰ্তমান শিক্ষা ব্যৱস্থাই সমাজত শ্ৰেণীবৈষম্য সৃষ্টি কৰা বুলি ক'ব নোৱাৰি যদিও ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে কিছুমান ক্ষেত্ৰত বৈষম্যৰ সৃষ্টি নোহোৱা নহয়। সমাজৰ ধনীক শ্ৰেণীটোৱে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানবোৰত তেওঁলোকৰ ল'ৰা-ছোৱালীক নামভৰ্ত্তি নকৰাই অধিক মাচুলেৰে ব্যক্তিগত শিক্ষানুষ্ঠানবোৰত নামভৰ্ত্তি কৰায়। অৱশ্যে ব্যক্তিগত শিক্ষানুষ্ঠানবোৰত সা-সুবিধা চৰকাৰী অনুষ্ঠানতকৈ বেছি। সমাজৰ ধনীক শ্ৰেণীটোৱেই ব্যক্তিগত শিক্ষানুষ্ঠানৰ সুবিধা ল'ব পাৰে। গতিকে কিছু শ্ৰেণী বিভাজন হোৱা বুলি ক'ব পাৰি।

**অৰূপ কাকতি, প্ৰাক্তন ছাত্ৰ**

**প্ৰশ্ন ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায় অনেক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰলৈ গুচি যায়। তাৰ কাৰণ কি বুলি ভাবা?

**উত্তৰ ঃ** অসমৰ পৰা বাহিৰত উচ্চ শিক্ষা অৰ্জন কৰিবলৈ যোৱাটো ভাল। যাদিহে অসমত তেনেকুৱা ব্যৱস্থা নাথাকে। যেতিয়া উন্নত মানৰ শিক্ষা ব্যৱস্থা নিজৰ দেশত নাথাকিব তেতিয়া বেলেগ এখন দেশত যাবই লাগিব। কিয়নো নিজৰ দেশৰ সুনাম আৰু শিক্ষাৰ ক্ষেত্ৰত উন্নতিৰ বাবে অইন কোনোবা দেশত যাব লাগে।

**প্ৰশ্ন ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম হেঙাৰ হয় বুলি তুমি অনুভৱ কৰা নেকি?

**উত্তৰ ঃ** মাধ্যম শিক্ষাৰ আৰু সংস্থাপনৰ ক্ষেত্ৰত বাধা হ'ব নোৱাৰে। কিয়নো কোনো এটা বিষয় যেনে— ইংৰাজী, অসমীয়া, হিন্দী ইত্যাদি বিষয়ৰ ভিতৰত কোনোবাই ইংৰাজী মাধ্যম বা অসমীয়া মাধ্যমেই হওঁক যিয়ে যিটো বিষয় সহজ বুলি গণ্য কৰে তাৰ বাবে সেইটো বিষয় ভাল। মাধ্যম সংস্থাপনৰ ক্ষেত্ৰত বাধা হ'ব নোৱাৰে কাৰণ যিয়ে যি মাধ্যম পঢ়িব সেই মাধ্যম অনুযায়ী সংস্থাপনত নিয়োগ হ'ব।

অসমৰ ক্ষেত্ৰত আমি অসমীয়া মাধ্যম পঢ়াটো বাঞ্চিত কিয়নো অসমীয়া আমাৰ মাতৃভাষা।

**প্ৰশ্ন ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াখনে বৰ্তমানৰ সময়োপযোগী বিভিন্ন বিষয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা বুলি তুমি ভাবানে?

**উত্তৰ ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ বৰ্তমানৰ পাঠ্যক্ৰম অনুযায়ী বেলেগ বিষয় লাগে। কাৰণ বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ত কম্পিউটাৰ প্ৰযুক্তি বিদ্যা/তৰ্ক শাস্ত্ৰ কাৰিকৰী আদি শিক্ষা ব্যৱস্থা নাই। গতিকে এইখন মহাবিদ্যালয়ত পাঠ্যক্ৰম অনুযায়ী বেলেগ বেলেগ বিষয় লাগে।

**প্ৰশ্ন ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্য প্ৰতিভা বিস্তাৰৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনী এখনে কেনেকুৱা ভূমিকা ল'ব লাগে বুলি তুমি ভাবা?

**উত্তৰ ঃ** মহাবিদ্যালয়ত প্ৰকাশ পোৱা বাৰ্ষিক আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক প্ৰতিভা বিকাশৰ ক্ষেত্ৰত ভূমিকা লোৱা উচিত। কিয়নো আলোচনীখনত এটা বৰ্ষৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মনৰ প্ৰতিভা অথবা প্ৰতিচ্ছবিসমূহ প্ৰতিফলিত হয়। আলোচনীখনত ছাত্ৰ-ছাত্ৰীৰ মনৰ ভাৱ-দেশপ্ৰেম, চিন্তা, অনুভূতি আদি গল্প, কবিতাৰ জৰিয়তে প্ৰকাশ পোৱা উচিত। কাৰণ সাহিত্য হৈছে মানুহৰ মনৰ দাপোন।

মুঠতে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তাধাৰা বাৰ্ষিক আলোচনীখনৰ জৰিয়তে প্ৰকাশ কৰা উচিত।

**প্ৰশ্ন ঃ** ছাত্ৰ হিচাপে ষাম্মাসিক পৰীক্ষা পদ্ধতিক তুমি কেনেদৰে মূল্যায়ন কৰা?

**উত্তৰ ঃ** ছাত্ৰ-ছাত্ৰী হিচাপে Semester System টো সঠিক ৰূপত মূল্যায়ণ কৰা হয়। কাৰণ তিনি বছৰত ছয়টা Semester ৰ পৰীক্ষা দিব লগা হয়। সেইবাবে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ বাবে খৰ তকীয়াকৈ প্ৰস্তুতি ল'ব লাগে। সময়মতে প্ৰস্তুতি নল'লে সঠিক দিশত উত্তীৰ্ণ হোৱাটো কঠিন হৈ পৰে।

**আনৱাৰ হুছেইন, স্নাতক, দ্বিতীয় ষান্মাসিক**

১। উচ্চ শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বাহিৰত পঢ়িবলৈ যোৱাটো তুমি পচন্দ কৰানে? তোমাৰ মতামত দাঙি ধৰা।

**উত্তৰ ঃ** উচ্চ শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বাহিৰত পঢ়িবলৈ যোৱাটো মই পচন্দ কৰো যদিহে সেই শিক্ষা ব্যৱস্থাখিনি আমাৰ দেশত নাথাকে। কাৰণ আমাৰ দেশৰ নাগৰিকসকলে উচ্চ-শিক্ষাৰ দ্বাৰা শিক্ষিত হ'লে এই দেশৰ কু-সংস্কাৰ, অভাৱ-অনাটন, দৰিদ্ৰতা আদি নাইকীয়া হ'ব। ফলত আমাৰ দেশখন উন্নতিৰ পথত আগবাঢ়ি যাওঁতে কোনো বাধা বা অসুবিধা নাথাকিব। কিন্তু যদি সেই উচ্চ শিক্ষাৰ ব্যৱস্থাখিনি আমাৰ দেশত থাকে তেতিয়াহ'লে বাহিৰত যোৱাটো মই পচন্দ নকৰোঁ। কাৰণ আমাৰ দেশত সেই ব্যৱস্থাখিনি থকাৰ স্বত্বেও কিয় বাহিৰত টকা-পইচা অপব্যয় কৰিব লাগে।

২। মহাবিদ্যালয়ত প্ৰকাশ পোৱা আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য বিকাশৰ ক্ষেত্ৰত কেনেকুৱা ভূমিকা পালন কৰে?

**উত্তৰ ঃ** মহাবিদ্যালয়ত প্ৰকাশ পোৱা আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আলোচনীত লিখা কবিতা, গল্প, কুইজ, কৌতুক আদিৰ জৰিয়তে চাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চা, দেশপ্ৰেম, আত্মবিশ্বাস আদি গঢ়ি উঠে। ফলত ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতত উন্নতিৰ পথত আগবাঢ়ি যাবলৈ সক্ষম হয়।

৩। বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ বৰ্তমান সময়ত সকলো পাঠ্যক্ৰমৰ ব্যৱস্থা আছেনে?

**উত্তৰ ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ বৰ্তমান সময়ত সকলো পাঠ্যক্ৰমৰ ব্যৱস্থা এতিয়াও হোৱা নাই। কাৰণ বহুতো ছাত্ৰ-ছাত্ৰীয়ে তৰ্কশাস্ত্ৰ, ভূগোল, কাৰিকৰী শিক্ষা আদি পাঠ্যক্ৰমবোৰ লৈ পঢ়িবলৈ ইচ্ছা কৰে। কিন্তু মহাবিদ্যালয়ত সেইটো ব্যৱস্থা নথকাৰ ফলত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে আন আন মহাবিদ্যালয়লৈ ঘূৰি যায় আৰু কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সেই পাঠ্যক্ৰমবোৰৰ ব্যৱস্থা মহাবিদ্যালয়ত নথকাৰ ফলত নিজৰ ইচ্ছাৰ বিৰুদ্ধে আন আন পাঠ্যক্ৰম লৈ পঢ়িবলৈ বাধ্য হয়।

৪। মাধ্যম শিক্ষা আৰু সংস্থাপনৰ অন্তৰায় (বাধা) হ'ব

পাৰে নেকি? তোমাৰ মতামত দাঙি ধৰা।

**উত্তৰ ঃ** মাধ্যম শিক্ষা আৰু সংস্থাপনৰ অন্তৰায় হ'ব নোৱাৰে। কাৰণ সকলোবোৰ মাধ্যম যেনে— অসমীয়া, ইংৰাজী, হিন্দী আদি আমাৰ বাবে উপযোগী। আমি যিহেতু অসমীয়া মানুহ সেয়ে এই অসমীয়া মাধ্যম শিকাটো আমাৰ বাবে দৰকাৰী। ঠিক সেইদৰে যিহেতু আমাৰ ৰাষ্ট্ৰীয় ভাষা হিন্দী সেয়ে এই হিন্দী ভাষাটোও আমাৰ বাবে দৰকাৰী আৰু এই আধুনিক যুগত ইংৰাজী ভাষা নজনাকৈ আমি সহজে উন্নতিৰ পথত আগবাঢ়িব নোৱাৰিম। সেয়ে আমাৰ বাবে কোনো মাধ্যমেই শিক্ষা বা সংস্থাপনৰ ক্ষেত্ৰত বাধা হ'ব নোৱাৰে।

**প্ৰশ্ন ঃ** ছাত্ৰ-ছাত্ৰী হিচাপে Semester System টো তুমি কি হিচাপে মূল্যায়ন কৰা

**উত্তৰ ঃ** ছাত্ৰী হিচাপে Semester System টো মই ভাল হিচাপে মূল্যায়ন কৰোঁ। কিয়নো যেতিয়া এই Semester System টো নাছিল তেতিয়া নিশ্চয় এবছৰত গোটেই পাঠ্যক্ৰম পঢ়ি বছৰৰ শেষত পৰীক্ষা দিব লগা হৈছিল যাৰ বাবে গোটেই বছৰটোত আজি পঢ়িম কালি পঢ়িম বুলি পঢ়া নহৈছিল। কিন্তু এই Semester System থকাৰ ফলত কেইদিনমানৰ মূৰে মূৰে পৰাক্ষা থকাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে পঢ়াত গুৰুত্ব দিয়ে। সেয়ে ছাত্ৰী হিচাপে Semester System টো মই ভাল হিচাপে বিবেচনা কৰোঁ।

**মহিনুৰ খাতুন, স্নাতক, দ্বিতীয় ষাম্মাসিক**

১। অসমৰ পৰা বাহিৰত পঢ়িব যোৱাটো ভালনে বেয়া?

**উত্তৰ ঃ** ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত অসমত বৰ্তমান সময়ত যথেষ্ট উন্নত হৈছে। অৰ্থনৈতিক আদি শিক্ষা ক্ষেত্ৰত ভাৰতৰ আন ৰাজ্যৰ তুলনামূলক স্থান প্ৰাপ্তি কৰিব পাৰিছে। তথাপিতো ভাৰতৰ আন কিছুমান ৰাজ্যৰ তুলনাথ ইয়াত প্ৰদান কৰা শিক্ষা কোনো কোনো ছাত্ৰ-ছাত্ৰীৰ বাবে পৰ্যাপ্ত নহ'বও পাৰে। সেয়ে হয়তু কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা আৰু অধিক জ্ঞান লাভৰ বাবে ভাৰতবৰ্ষৰ আন ৰাজ্যত শিক্ষা গ্ৰহণ কৰিবলৈ যাব পাৰে। তেওঁৰ সেই সিদ্ধান্তক ভুল বুলি বিবেচনা কৰিব নোৱাৰি। যদি অসমত সেই শিক্ষা থকা স্বত্বেও তেওঁ সেই শিক্ষা গ্ৰহণ কৰিবলৈ যায় তেতিয়া হয়তো তেওঁৰ সেই সিদ্ধান্ত ভুল বুলি বিবেচনা কৰিব পাৰি। ঘৰৰ সন্মান তথা সমাজৰ সন্মান আৰু সমাজৰ উন্নতি আৰু বিকাশৰ ক্ষেত্ৰত তেওঁৰ অসমৰ বাহিৰত যোৱাটো ভুল বুলি বিবেচনা কৰিব নোৱাৰি।

ওপৰত উল্লেখ কৰা যুক্তিৰ পৰা অসমৰ পৰা বাহিৰত পঢ়িব যোৱাটো মোৰ চকুল ভাল বুলি বিবেচনা কৰিব পাৰি।

২। মহাবিদ্যালয়ক প্ৰকাশ পোৱা আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক জীৱনৰ বিকাশত সহায় কৰে?

**উত্তৰ ঃ** হয়...। বিদ্যালয় বা মহাবিদ্যালয়ত প্ৰকাশ পোৱা আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক জীৱনৰ বিকাশত সহায় কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিদ্যালয় বা মহাবিদ্যালয়কে ভৱিষ্যৎ গঢ় দিয়াৰ মঞ্চ বুলি কোৱা হয়। এজন ছাত্ৰ নাইবা ছাত্ৰীয়ে জীৱনৰ সপোন এই জীৱনতে দেখে। যদি ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক জীৱনৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হয় তেতিয়া বিদ্যালয়-মহাবিদ্যালয়ত প্ৰকাশ পোৱা আলোচনীখনে হয় তেওঁলোকৰ ভৱিষ্যতৰ সাহিত্য প্ৰকাশ কৰাৰ এটা মাধ্যম। বিদ্যালয় নাইবা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত দিয়া প্ৰথম খোজৰ পৰা কবিতা বা বিভিন্ন বিষয়ৰ ওপৰত গল্প বা কাহিনী লিখাৰ আৰম্ভণি কৰে আৰু এইবিলাকক প্ৰকাশ কৰাৰ বাবে তেওঁলোকক আগন্তুক জীৱনত এই বিষয়ত উৎসাহিত কৰিবৰ বাবে আলোচনীৰ সহায়ত তেওঁলোকৰ লিখনীবোৰ প্ৰকাশ কৰিব পাৰি। যাৰ ফলত তেওঁলোকৰ সাহিত্যিক জীৱনৰ ৰেঙণী বিদ্যালয় বা মহাবিদ্যালয়ত আলোচনীখন প্ৰকাশ পোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকল উৎসাহিত হৈ ভৱিষ্যতে আৰু নতুন নতুন বিষয়ত গল্প/কবিতা লিখাৰ প্ৰয়াস কৰিব।

যিহেতু সাহিত্যক এখন সমাজৰ প্ৰাণকেন্দ্ৰ বা দাপোন স্বৰূপ বুলি ক'ব পাৰি সেয়ে আমাৰ সমাজত সাহিত্যৰ প্ৰয়োজন। আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক। গতিকে ছাত্ৰ-চাত্ৰীৰ মাজৰ পৰা সমাজৰ প্ৰাণকেন্দ্ৰ বা দাপোন স্বৰূপে সাহিত্যক জীয়াই ৰাখিবৰ বাবে একোজন সাহিত্যিকৰ জন্ম হ'ব। আলোচনীৰ মাধ্যমেৰে সমাজৰ প্ৰাণকেন্দ্ৰ বা দাপোন স্বৰূপ সাহিত্যিক জীয়াই ৰখাৰ এটা সৰু পদক্ষেপ হ'ব বিদ্যালয় বা মহাবিদ্যালয়ৰ আলোচনীখন।

ওপৰৰ আলোচনাৰ পৰা অৱগত হোৱা গ'ল যে বিদ্যালয় বা মহাবিদ্যালয়ত প্ৰকাশ পোৱা আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ সাহিত্যিক জীৱনৰ বিকাশত যথেষ্ট অৰিহণা যোগায়।

৩। বিনন্দি চন্দ্ৰ মেধি কলেজত বৰ্তমান সময়ৰ সময়োপযোগী বিভিন্ন বিষয়ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে নে?

**উত্তৰ ঃ** নাই হোৱা। বৰ্তমান সময়ৰ সময়োপযোগী বিভিন্ন বিষয়ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হোৱা নাই। বিগত বহু বছৰৰ দৰে যোৱা বছৰ ২০১৪ ত বহু ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যাললৈ উচ্চ শিক্ষাৰ বা বে আহিছিল আৰু ভৱিষ্যতেওঁ আহিব। কিন্তু বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মন পছন্দৰ বিষয়সমূহ লৈ উচ্চ শিক্ষা গ্ৰহণ কৰিব পৰা নাই। কিয়েনো আমাৰ মহাবিদ্যালয়ত তেনে ধৰণৰ সকলোৰে মন পছন্দৰ বিষয়সমূহ নাই। যাৰ ফলত বহু ছাত্ৰ-ছাত্ৰীয়ে কোনো অন্য বিষয়ত উচ্চ শিক্ষা গ্ৰহণ কৰিব লগা হৈছে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰী পাৰদৰ্শিতা থকা বিষয়টোত সামৰণি মাৰিব লগা হৈছে আৰু যিটো বিষয়ত পাৰদৰ্শিতা নাই তেনে বিষয়ত তেওঁ চেষ্টা কৰিব লগা হৈছে। আমাৰ মহাবিদ্যালয়ত

অৰ্থনৈতিক ক্ষেত্ৰতে হওক শিক্ষকৰ অভাৱতে হওঁক বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতাক আধাতে সামৰণি মাৰিব লগা হৈছে আৰু নতুন অধ্যায়ৰ পাতনি মেলিব লগা হৈছে।

বিদ্যালয়ত সময়ৰ লগত মিলাই বৰ্তমানে ছাত্ৰ-ছাত্ৰীসকলক কাৰিকৰী বিদ্যা প্ৰদানৰ ব্যৱস্থা কৰিব পাৰে। যাৰ ফলত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত কাৰিকৰী বিদ্যা যেনে ছোৱালীসকলৰ বাবে নিতৌ আবেলি বা সপ্তাহ দুদিনকৈ হ'লেও টেইলৰিং, কেক মেকিং আদি কাৰিকৰী বিদ্যা শিকাব পাৰে।

আমাৰ মহাবিদ্যালয়খন যিহেতু গাঁৱত অৱস্থিত সেয়ে ইয়াৰ সকলো জনসাধাৰণ ধনী নহয় আৰু তেওঁলোকৰ সন্তানৰ উচ্চ শিক্ষা প্ৰদান কৰি ভৱিষ্যতৰ সপোন বাস্তৱত ৰূপ দিয়াত আমাৰ মহাবিদ্যালয়ৰ কৰ্তব্য বুলি ভাবো। সেয়ে মই মহাবিদ্যালয় কৰ্তৃপক্ষক আহ্বান জনাম যতি আগন্তুক সময়ত মহাবিদালয়ত প্ৰয়োজনীয় কিছুমান বিষয়ৰ পিনে মন দি আৰু ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে নতুন নতুন বিষয় অন্তৰ্নিহিত কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাক আৰু সপোনক বাস্তৱ ৰূপ দিবলৈ প্ৰয়াস কৰে।

৪। ছাত্ৰ হিচাপে Semester System and Non Semester System ক কি বুলি বিবেচনা কৰা।

**উত্তৰ ঃ** ছাত্ৰ হিচাপে Semester System ক মই ভাল বুলি ক'ম।

i) Semester System ত প্ৰত্যেক ছয় মাহৰ মূৰে মূৰে ইয়াত নিৰ্দিষ্ট পাঠ্যক্ৰমৰ পৰীক্ষা লোৱা হয়। আনহাতে Non Semester System ত সম্পূৰ্ণ এক বছৰৰ মূৰে মূৰে পৰীক্ষা লোৱা হয়।

ii) Semester System ত প্ৰত্যেক তিনি মানহৰ মূৰত Sessional Exam লোৱা হয়।. যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পাঠবোৰ পঢ়ি থকা হয় আৰু পৰীক্ষাত নম্বৰ বেছি পোৱাত সুবিধা হয়। আনহাতে Non Semester System ত এক বছৰৰ মূৰত এটা পৰীক্ষা হয়।

iii) Semester System ত পৰীক্ষাৰ প্ৰশ্ন কাকতখনত কম কম নম্বৰৰ বহু প্ৰশ্ন থাকে যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে উত্তৰ কৰি ভাল নম্বৰ পায়। আনহাতে Non Semester System ত এটা প্ৰশ্নৰ উত্তৰ ২০ নম্বৰকৈ দিয়া থাকে যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ নম্বৰ উঠোৱাত অসুবিধা হয়।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰো যে Non Semester System তকৈ Semster System টো বহুগুণে ভাল।

**দীক্ষিতা ডেকা, স্নাতক, চতুৰ্থ ষান্মাসিক**

**প্ৰশ্ন ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায় যে অনেক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰলৈ গুচি যায় তাৰ কাৰণ কি বুলি ভাবা?

**উত্তৰ ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যায় যে অনেক ছাত্ৰ-ছাত্ৰী অসমৰ বাহিৰলৈ গুচি যায় তাৰ কাৰণ মই বৰ্তমানৰ শিক্ষা ব্যৱস্থা বুলি ভাবো। অসমত আধুনিক শিক্ষাৰ প্ৰতিষ্ঠান গঢ়ি উঠিছে যদিও সেই প্ৰতিষ্ঠানবোৰ তেনেই সৰু আৰু তাৰ আসন তেনেই সীমিত। ফলত ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভ কৰি নিজকে ভালদৰে প্ৰতিষ্ঠা কৰাৰ আশাৰে বাহিৰলৈ গুচি যায়।

**প্ৰশ্ন ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্যিক প্ৰতিভা বিস্তাৰৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনী এখনে কেনেকুৱা ভূমিকা ল'ব লাগে বুলি তুমি ভাবা?

**উত্তৰ ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্যিক প্ৰতিভা বিস্তাৰৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনী হৈছে এটা উত্তম মাধ্যম। মহাবিদ্যালয়ৰ আলোচনী এখনে ল'বলগা বহুতো ভূমিকা আছে। প্ৰথমতে আমি যিবোৰ চাত্ৰ-ছাত্ৰী এই ক্ষেত্ৰত আগবাঢ়ি আহে সিহঁতক উৎসাহ প্ৰদান কৰিবৰ বাবে পুৰস্কৃত কৰাৰ ব্যৱস্থা কৰিব লাগে।

**প্ৰশ্ন ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়, ৰামদিয়াখনে বৰ্তমানৰ সময়োপযোগী বিভিন্ন বিষয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা বুলি তুমি ভাবানে?

**উত্তৰ ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়খনে বৰ্তমান সময় উপযোগী বিভিন্ন পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিছে যদিও এই পৰিমাণ অতি নগন্য অৰ্থাৎ আৰু বহুতো বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব বাকী আছে। গতিকে ভৱিষ্যতে সকলো আধুনিক পাঠ্যক্ৰম অন্তৰ্ভুক্ত হ'ব বুলি আশা থাকিল।

**প্ৰশ্ন ঃ** ছাত্ৰ হিচাপে ষান্মাসিক শিক্ষা পদ্ধতিক তুমি কেনেদৰে মূল্যায়ন কৰা।

**উত্তৰ ঃ** মই ষষ্ঠ যান্মসিকৰ ছাত্ৰ হিচাপে এই ষান্মাসিক শিক্ষা পদ্ধতিটোত ক্ৰতি মুক্ত বুলি ক'ব নোৱাৰো। কাৰণ এটা ষান্মাসিকত মাত্ৰ ছয় মাহ সময়হে পোৱা যায় আৰু ইমান কম সময়ত কোনো পাঠ্যক্ৰমৰ পাঠ শেষ কৰা সহজ নহয়।

**প্ৰশ্ন ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম হেঙাৰ হয় বুলি তুমি অনুভৱ কৰা নেকি?

**উত্তৰ ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম কিছু হেঙাৰ হৈছে বুলি ক'ব পাৰি। পৃথিৱীৰ অন্য দেশৰ তুলনাত অসমত শিক্ষাৰ ফালৰ পৰা যিমানখিনি আগবাঢ়িব লাগিছিল সিমানখিনি আগবাঢ়িব পৰা নাই। গতিকে এই ক্ষেত্ৰত অসমৰ প্ৰায়বোৰ শিক্ষাৰ্থীৰে শিক্ষাৰ মাধ্যম হেঙাৰ হৈছে বুলি মই অনুবৰ কৰোঁ।

**প্ৰশ্ন ঃ** বৰ্তমান শিক্ষা ব্যৱস্থাত দুটা খণ্ড— ব্যক্তিগত আৰু ৰাজহুৱা খণ্ড। এনে শিক্ষা ব্যৱস্থাই সমাজত শ্ৰেণী বৈষম্যৰ সৃষ্টি কৰিছে বুলি ক'লৈ ভুল হ'ব নেকি?

**উত্তৰ ঃ** বৰ্তমান শিক্ষা ব্যৱস্থাত ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ মাজত কিছু বৈষম্য নোহোৱা নহয়। বৰ্তমান দিনত যিহেতু ৰাজহুৱা খণ্ডতকৈ ব্যক্তিগত খণ্ডৰ শিক্ষা ভাল সেইবাবে সমাজৰ কিছু ধনী শ্ৰেণীৰ লোকক ব্যক্তিগত খণ্ডই আকৰ্ষণ কৰিছে আৰু সমাজৰ যিবোৰ দৰিদ্ৰ শ্ৰেণীৰ লোক সেইবোৰ ছাত্ৰ-ছাত্ৰীক ৰাজহুৱা খণ্ডত দেখা যায়। এই ক্ষেত্ৰত সমাজৰ এই দুই শ্ৰেণীৰ মানুহৰ মাজত কিছু বৈষম্যৰ সৃষ্টি কৰিছে। এই বৈষম্য নোহোৱা কৰিবৰ বাবে চৰকাৰে এটা ব্যৱস্থা কৰিব পাৰে সেইটো হ'ল— ব্যক্তিগত খণ্ডক ৰাজহুৱাকৰণ কৰা।

**মহিবুল হুছেইন, স্নাতক, ষষ্ঠ ষাণ্মাসিক**

**প্ৰশ্ন ঃ** উচ্চ শিক্ষাৰ নিমিত্তে বহু ছাত্ৰী-ছাত্ৰী অন্য দেশলৈ যোৱাৰ কাৰণ কি বুলি ভবা?

**উত্তৰ ঃ** উচ্চ শিক্ষাৰ কাৰণে বহুত ছাত্ৰ-ছাত্ৰীয়ে বাহিৰা দেশলৈ পঢ়িব যোৱাৰ প্ৰথম কাৰণটো হ'ল— অসমতকৈ বাহিৰা দেশত উচ্চ শিক্ষা গ্ৰহণ কৰা সুবিধা বহুত বেছি। বাহিৰা দেশত পঢ়াৰ Scope বহুত বেছি। আমাৰ অসমত তেনে একো সুবিধা নাই। অসমত সুবিধা লাহে লাহে হ'ব ধৰিচে। আৰু বাহিৰা দেশত coachingৰ সুবিধা অসমতকৈ বহুত বেছি। তেতিয়া অসমত পঢ়াবৰ কাৰণে বহুত কঠিন হৈ পৰিছে কাৰণ যিকেইটা ভাল বিষয় আছে সেইবোৰ পঢ়িবলৈ হ'লে ভাল নম্বৰ লাগে আৰু কম নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ পঢ়িব মন থাকিলেও নোৱাৰে। এনে পঢ়াৰ বিষয় কম তাতে আকৌ ভাল নম্বৰ বিচাৰে। বাহিৰত বিষয় বহুত বেছি পঢ়াৰ কম নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীয়ে তাতে নিজৰ ইচ্ছাৰ বিষয় লৈ পঢ়িব পাৰে। পঢ়াৰ পিছত তাতে ভাল পইচা পোৱা Job কৰিব পাৰে। অসমত ভাল পইচা পোৱা Job ও বহুত কম। আকৌ আগৰ সাহিত্যিকবোৰৰ বহুতো সাহিত্যিকে বাহিৰা দেশৰ পৰা ডিগ্ৰী লৈ আহি অসমত সাহিত্য ৰচিছিল। গতিকে আগতেটো অসমত তেনেকুৱা একো সুবিধা নাছিল আৰু এতিয়াও বহুত বেছি নাই লাহে লাহে হ'ব ধৰিছে। সেইকাৰণে ছাত্ৰ-ছাত্ৰীয়ে বাহিৰা দেশলৈ পঢ়িব যায়।

**প্ৰশ্ন ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্য প্ৰতিভা বিস্তাৰৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনী এখনে কেনে ভূমিকা লয়?

**উত্তৰ ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত অংকুৰিত সাহিত্যিক প্ৰতিভা বিস্তাৰৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনীখনে এনেকুৱা ভূমিকা ল'ব লাগে বুলি মই ভাবো যিটোৱে আমাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্যি প্ৰতিভা বিকশাব পাৰে। তেওঁলোকে বিভিন্ন ধৰণৰ জ্ঞান লাভ কৰিব পৰাটো আৰু সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহী হোৱাটো বিচাৰো। প্ৰতিটো ল'ৰা-ছোৱালীৰ মাজত কিছুমান বিশেষ প্ৰতিভা থাকে যিটো তেওঁলোকৰ মনতে আবদ্ধ হৈ থাকে। সেই প্ৰতিভাবোৰ আলোচনীখনৰ যোগেদি প্ৰকাশ পোৱাটো বিচাৰো তাৰ কাৰণে মহাবিদ্যালয় প্ৰতিটো শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰতিজন ল'ৰা-ছোৱালীক এই প্ৰতিভাবোৰ প্ৰকাশ কৰাৰ কাৰণে সুবিধা দিয়াটো অতি আৱশ্যকীয়। পঢ়া-শুনাক যিমান মহত্বপূৰ্ণ বুলি ভাবো নিজৰ প্ৰতিভাকো সিমানেই মহত্বপূৰ্ণ বুলি ভাবিব লাগে কাৰণ কেতিয়াবা পঢ়া-শুনাত ভাল নহ'লে নিজৰ প্ৰতিভাৰে জীৱনত আগবাঢ়ি যোৱাৰ সুবিধা বহুত থাকে। আৰু আলোচনীখন এনেকুৱা হ'ব লাগে যেতিয়াই ল'ৰা-ছোৱালীয়ে এই আলোচনীখন পঢ়ে তেতিয়াই এই আলোচনীখনৰ প্ৰতিটো লেখা আকৰ্ষিত হৈ যোৱাটো বিচাৰো আৰু এই আলোচনীখনৰ বিশেষত্বটো যেন তেওঁলোকে বুজি পায়। আৰু সেইকাৰণে মহাবিদ্যালয়ৰ আলোচনীৰ ভূমিকা মই যথেষ্ট গুৰুত্বপূৰ্ণ বুলি ভাবো।

**প্ৰশ্ন ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়খনে ৰামদিয়ালৈ বৰ্তমানৰ সময়োপযোগী বিভিন্ন বিষয় পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা বুলি তুমি ভবানে?

**উত্তৰ ঃ** বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়খনে ৰামদিয়ালৈ বৰ্তমানৰ সময়োপযোগী বিভিন্ন বিষয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা বুলি মই নাভাবো। কাৰণ বহুত ল'ৰা-ছোৱালীয়ে নিজে বিচৰা বিষয়লৈ পঢ়িব নোৱাৰে কাৰণে গুৱাহাটীলৈ পঢ়িব যাব লগা হয়। ইয়াতে তেনেকুৱা বহুত বিষয় নাই যেনে— Logic, Geography, trailer, NCC, Computer তেনেকুৱা আৰু বহুত বিষয় নাই।

**প্ৰশ্ন ঃ** ষাণ্মাসিক পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কেনে প্ৰভাৱ পেলাব পাৰে বুলি তুমি ভবা?

**উত্তৰ ঃ** ছাত্ৰ হিচাপে যাণ্মাসিক শিক্ষাটো প্ৰথমতে নিজে ভালদৰে গ্ৰহণ কৰাটো উচিত। তাৰ ফলাফল নিশ্চয় ভাল হয়।

**প্ৰশ্ন ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম হেঙাৰ হ'ব পাৰে বুলি তুমি ভবানে?

**উত্তৰ ঃ** শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম হেঙাৰ বুলি মই কেতিয়াও অনুভৱ নকৰো কাৰণ শিক্ষা অবিহনে আমি কাম কৰি যিমান দূৰ আগুৱাই যাব পাৰিম তাতোকৈ বেছি আমি শিক্ষা গ্ৰহণ কৰি আগুৱাই যাব পাৰিম। নিজৰ শিক্ষাৰ কৌশলতাৰে নিজক আৰু সমাজখনকো আগুৱাই লৈ যাব পাৰি। যেতিয়া সমাজখন গঢ়ি উঠিব তেতিয়া দেশখনো গঢ়ি উঠিব। আমাৰ দেশত শিক্ষিত ব্যক্তিৰ অতিকৈ বহুত প্ৰয়োজন। কিছুমান অশিক্ষিত মানুহৰ কাৰণে আমাৰ সমাজত নানান ধৰণৰ অসুবিধাৰ সৃষ্টি হয়। আৰু সৰু সৰু অসুবিধাৰ কাৰণে আমাৰ দেশখন কিছু কিছু ক্ষেত্ৰত বেলেগ দেশবোৰতকৈ পিছ পৰা। গতিকে দেশখন উন্নতিৰ পথত নিবলৈ হ'লে সংস্থাপনৰ ক্ষেত্ৰত শিক্ষাৰ মাধ্যম হেঙাৰ হ'ব নোৱাৰে।

**ধ্ৰুৱজ্যোতি চৰকাৰ, স্নাতক, প্ৰথম ষাণ্মাসিক**

# প্ৰবন্ধ

'The Supreme mission of art is to rally people around the truth.'

বিশ্ববন্দিত মনীষী টলষ্টয়ৰ কথা এইয়া— "জনগনক সত্যৰ মুখা-মুখী কৰাটোৱেই শিল্পৰ চৰম লক্ষ্য।" তেনেহ'লে? সত্যৰ ৰূপ বেলেগ বেলেগ হয়? কোনবিধ সত্যৰ মুখামুখী কৰিব শিল্পই মানুহক! সমাজ সত্যৰ বা শ্ৰেণী সত্যৰ।

# জ্যোতিপ্ৰসাদৰ সৃষ্টিত নাৰী ঃ 'ৰূপালীম' আৰু 'ইতিভেন' চৰিত্ৰ দুটিৰ বিশেষ উল্লেখনেৰে

■ মীনা কুমাৰী দাস
মুৰব্বী, সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ



অৱতৰণিকা ঃ

নাৰী আৰু পুৰুষ দুয়ো ভগৱানৰ অপূৰ্ব সৃষ্টি। দুয়ো দুয়োৰে সম্পূৰক। এজনৰ অবিহনে আন এজনৰ জীৱনৰ সাৰ্থকতা নাহে। নাৰী প্ৰকৃতি, নাৰী মহিমাময়ী। প্ৰকৃতি গছ-লতিকা, ফল-ফুলেৰে শুৱনি হোৱাৰ দৰে নাৰীৰ মাজেদি প্ৰকাশ পায় অনন্য প্ৰতিভা। নাৰী সৃষ্টি কাৰিনী শক্তিস্বৰূপা। সৌন্দৰ্যতাৰ ধ্বজা বহন-কাৰী নাৰী যুগে যুগে পূজিতা হৈ আহিছে দুৰ্গা, কালী, লক্ষ্মী আদি বিভিন্ন নামেৰে। এফালে পূজিত দেৱী আৰু আনফালে অপমানিতা, লাঞ্ছিতা নাৰী। কি বিচিত্ৰৰূপ নাৰী জীৱনৰ। নাৰীক বিভিন্ন দৃষ্টিকোণৰ পৰা পৰ্য্যবেক্ষণ কৰা জ্যোতি প্ৰসাদ আগৰৱালাই তেওঁৰ সৃষ্টিত প্ৰতিপন্ন কৰা দেখা গৈছে। এই পাৰদৰ্শিতা স্পষ্টৰূপত প্ৰকাশ পাইছে তেখেতৰ 'ৰূপালীম' নাটকত। নাৰীৰ অপৰিসীম শক্তিৰ কথা স্বীকাৰ কৰি ফ্ৰান্সৰ ৰাষ্ট্ৰ নায়ক নেপোলিয়ন বোনাপাৰ্টে এটি সুন্দৰ মন্তব্য দাঙি ধৰিছে —

"Give me a good mother and I will give you a good Nation"

জ্যোতি প্ৰসাদ আগৰৱালাই চৈধ্য বছৰ বয়সতে 'শোণিত কুৱৰী নাট ৰচনা কৰি নাট্য সাহিত্যৰ পাতনি মেলিছিল। অসমীয়া জাতিটোক আধুনিক চিন্তাৰে প্ৰগতিশীল পথত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত জ্যোতি প্ৰসাদ আগৰৱালাৰ ভূমিকা অনন্যতম। জ্যোতি প্ৰসাদ

একেৰাহে সুৰকাৰ, গীতিকাৰ, গল্পকাৰ, উপন্যাসিক, বোলছবি নির্মাতা, কবি আৰু এগৰাকী সফল নাট্যকাৰ। অসমীয়া নাট্য সাহিত্য জগতলৈ তেওঁৰ অপূৰ্ব অৱদান হৈছে— 'শোণিতকুঁৱৰী', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'নিমাতী কইনা', 'সোণপখিলী', 'লভিতা', 'খনিকৰ', 'কনকলতা', ইত্যাদি। তেওঁৰ নাট সমূহত পুৰুষতকৈ নাৰীক প্ৰাধান্য দি অধিক সক্রিয় কৰি তুলিছে।

প্ৰতিগৰাকী নাৰীয়ে নিজস্ব ব্যক্তিত্ব প্ৰকাশ কৰাত কৃতকাৰ্য হৈছে। নাৰীৰ প্ৰেম, ঈৰ্ষা, প্ৰতিশোধ, আত্মবলিদান আদি মানবীয় দোষ গুণৰ মাজেৰে প্ৰতিগৰাকী নাৰীক অনন্য ৰূপত তুলি ধৰিছে।

**বিষয় বস্তু ঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১৯৩৬ চনত ৰচনা কৰা 'ৰূপালীম' নাটকখন এখন কল্পনা প্ৰৱণ ৰোমাণ্টিক নাটক। চৰিত্ৰসৃষ্টি, পৰিস্থিতি পৰিকল্পনা ইত্যাদিৰ ক্ষেত্ৰত নাটখনিৰ স্বকীয় বৈশিষ্ট্য অনস্বীকাৰ্য। আগৰৱালাৰ 'ৰূপালীম' অসমীয়া নাট্যসাহিত্যৰ এক অনুপম সৃষ্টি।

'ৰূপালীম' নাটকত জ্যোতিপ্ৰসাদে মূল নাৰী চৰিত্ৰৰূপে অংকন কৰিছে 'ৰূপালীম' নামৰ এজনী ৰুকমী গাভৰুক। ৰূপালীম জুনাফাৰ একমাত্ৰ সন্তান। ৰুকমীৰ ডেকা গাভৰু ৰূপালীম আৰু মায়াবে দুয়ো দুয়োকে ভাল পাইছিল। কাৰেঙৰ লিগিৰী নাটকত শেৱালীয়ে সুন্দৰ কোঁৱৰৰ প্ৰতি দেখুওৱা প্ৰেম আসক্তিৰ দৰেই 'ৰূপালীম' নাটকতো মায়াবৰ প্ৰতি ৰূপালীমৰ প্ৰেম আসক্তি সুন্দৰ ভাবে পৰিস্ফুট হৈছে এনেদৰে—

"মায়াব ঃ পৃথিৱীখনলৈ জোনৰ ইমান মৰম আছে সি কেতিয়াও নুঢুকায়। বাৰু ৰূপালীম তোমাৰো মোলৈ তিমান মৰম আছেনে?

ৰূপালীম ঃ আছে মায়াব তোমালৈ মোৰ খুব মৰম আছে মায়াব।

(আগৰৱালা, পৃ. ৪)

ৰূপালীমৰ মায়াবৰ প্ৰতি যিমান প্ৰেম, ভালপোৱা আছিল মায়াবৰো সিমানেই আছিল। ৰূপালীমৰ পিতৃ জুনাফাই মায়াবক চৰ্ত দিছিল যে যদি মায়াব'ই বাঘ এটা মাৰি তাৰ মূৰটো কাটি আনি দিব পাৰে তেতিয়াহে ৰূপালীমক তাৰ লগত বিয়া দিব। মায়াবই ৰূপালীমক বিয়া কৰাই এখন ঘৰ পতাৰ সপোন দেখিছিল। সেই কাৰণে জুনাফাৰ চৰ্ত মানি মায়াবে তিনি দিন বাঘৰ পিছে পিছে ঘুৰি ঘুৰি বহু কষ্ট কৰি ধনু কাড়েৰে মাৰি বাঘটোৰ মুৰ জুনাফাৰ আগত দি নিজৰ শক্তি সামৰ্থৰ পৰিচয় দিছিল।

ৰূপালীম আৰু মায়াবৰ প্ৰেমৰ হেঙাৰ স্বৰূপ আছিল মণিমুগ্ধ আৰু ইতিভেন। মণিমুগ্ধই ৰূপালীমৰ ৰূপ সৌন্দৰ্য দেখি আকৰ্ষিত হৈছিল জোৰ কৰি তেওঁৰ ৰাজকাৰেঙলৈ লৈ গৈছিল। মণিমুগ্ধ যেতিয় ৰূপালীম থকা কোঠালৈ আহিছিল তাই কান্দি উত্ৰাৱল হৈ পৰিছিল আৰু মায়াব' মায়াব বুলি চিঞৰিছিল। মণিমুগ্ধই তেতিয়া ৰূপালীমক সুধিছিল তাই মায়াব'ক কিমান ভাল পায়। ৰূপালীমে তেতিয়া কৈছে—

'মই ক'ব নোৱাৰোঁ! খুব ভাল পাওঁ। গছত
যিমান ফুল আছে, ডালত যিমান পাত
আছে, নৈত যিমান পানী আছে, শুইনত
যিমান বতাহ আছে, নিশাৰ আকাশত
যিমান তৰা আছে। তিমান।"

(আগৰৱালা, পৃ. ২৯)

ৰূপালীমৰ চৰিত্ৰ আছিল স্নিগ্ধ এপাহ ফুলৰ নিচিনা নিস্পাপ আৰু পবিত্ৰ। মণিমুগ্ধ কোঁৱৰ ৰূপালীমৰ ওচৰ চাপি যোৱাত তাই ভয়ত থৰ থৰকৈ কপিছিল. কোনো দিন মৌ মাখি বা পখিলাৰ স্পৰ্শ নোপোৱা ফুলকলি সাধাৰণ বতাহৰ স্পৰ্শতে কঁপি উঠাৰ দৰে তাই কঁপি উঠিছিল। মণিমুগ্ধৰ কাতৰ উক্তিতো ৰূপালীমে কিন্তু প্ৰেমিক মায়াব'ৰ কথা পাহৰিব পৰা নাছিল।

ৰূপালীমে শেষত মণিমুগ্ধৰ ওচৰত হাৰ মানিবলৈ বাধ্য হৈছিল। তাই মণিমুগ্ধৰ পৰা জানিব পাৰিছিল যে প্ৰেমিক মায়াব', বাপেক জুনফা আৰু ৰুকমী ৰাণী ইতিভেনক মাৰিবলৈ তেওঁ মানুহ পঠাইছে। তেতিয়া তাই সিহঁতক ৰক্ষা কৰাৰ কাৰণে নিজকে মণিমুগ্ধক অৰ্পন কৰিছিল। মণিমুগ্ধই যেতিয়া ৰূপালীমৰ ওচৰলৈ গৈছিল তাই ভয়তে শেতা পৰি থৰ থৰকৈ কঁপি উঠিছিল। ৰূপালীমৰ বিমৰ্ষ ৰূপ দেখি কামুক, সৌন্দৰ্য পিপাসু, মণিমুগ্ধই তাইৰ ওচৰত ক্ষমা খুজিবলৈ বাধ্য হৈছিল আৰু তাইক মুক্তি দি পুনৰ ৰুকমী ৰাজ্যলৈ যাবলৈ দিছিল। ৰূপালীমে ৰুকমী ৰাজ্যলৈ ঘুৰি আহিল যদিও মণিমুগ্ধৰ বাগদত্তা ইতিভেনৰ ইৰ্ষাৰ জুইত তাই নিচিহ্ন হৈ গৈছিল। ৰুকমী নাৰীৰ সতীত্বৰ অজুহাতত ইতিভেনে ৰূপালীমক জীয়াই জীয়াই পুৰি মাৰিলে। ৰূপালীম মণিমুগ্ধৰ কামনা আৰু ইতিভেনৰ ঈৰ্ষাৰ বলি হৈছিল।

ৰূপালীম নাটকৰ আন-এগৰাকী নাৰী হৈছে ইতিভেন। ইতিভেন ৰুকমী ৰজাৰ ভনীয়েক আৰু প্ৰান্তদেশীয় ৰজা মণিমুগ্ধৰ বাগদত্তা। ইতিভেন, তেজস্বিনী, দৃঢ়মনা আৰু ঈৰ্ষা পৰায়ণ নাৰী আছিল। ৰূপালীমক মণিমুগ্ধই তেওঁৰ ৰাজ্যলৈ লৈ গৈছিল তেতিয়া জুনাফাই ৰুকমী ৰজাৰ ওচৰত প্ৰতিকাৰ বিচাৰি গোচৰ দিয়াত মদ্যাসক্ত, দুৰ্বল, ৰুকমী ৰজাই ভাবী ভনী জোৱায়েকৰ বিৰুদ্ধে অস্ত্ৰ ধৰিবলৈ অস্বীকাৰ কৰিলে। ভনীয়েক ইতিভেনে ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি প্ৰজাসকলক উত্তেজিত কৰি তুলিলে।

ইতিভেন আছিল দুদক্ষা ৰাজনৈতিক জ্ঞান সম্পনা নাৰী। তেওঁ প্ৰজাসকলক যেনেকৈ নিজৰ ফলীয়া কৰিব পাৰি সেই

কথা ভালদৰে জানিছিল। ইতিভেনে জাতীয় চেতনাৰ কথা সোঁৱৰাই দি প্ৰজা বিলাকক ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি তুলি সিংহাসন চ্যুত কৰি নিজেই সিংহাসনত বহিছিল। তাৰ পিছত ৰুকমী নাৰীৰ মৰ্য্যদা ৰক্ষা কৰাৰ অজুহাতত মণিমুগ্ধৰ ৰাজ্য আক্ৰমণ কৰিবলৈ প্ৰজাসকলক উত্তেজিত কৰি তুলিছিল এইদৰে—

তেন্তে ৰুকমী বীৰসকল ওলোৱা
ৰুকমী জাতিৰ অপমানৰ প্ৰতিশোধ
লবলৈ, ৰুকমী জাতিৰ মান ৰাখিবলৈ
ৰুকমী ৰূপহীৰ সতীত্ব ৰক্ষা কৰিবলৈ।
(আগৰৱালা, পৃ. ২৩)

এয়া আছিল ইতিভেনৰ তেজস্বিতা, দৃঢ়তা আৰু জাতীয় চৈতন্যৰ চৰম প্ৰকাশ। মণিমুগ্ধৰ শয়ন কক্ষত ৰাতি আতৰ্কিতে আক্ৰমণ কৰি ইতিভেনে, সাহস আৰু কৌশলৰ পৰিচয় দিছে। এই ক্ষেত্ৰত ইতিভেনৰ জাতীয় চেতনাৰ উপৰিও নাৰীৰ সহজাত ঈৰ্ষা পৰায়নতাৰ পৰিচয় পোৱা যায়। নাট্যকাৰে মণিমুগ্ধৰ মুখেৰে ইতিভেনৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ কৰিছে—

"তুমি আহিছ তোমাৰ ঈৰ্ষাৰ সন্তুষ্টিৰ
বাবে মোৰ ওপৰত প্ৰতিশোধ লবলৈ।"
(আগৰৱালা, পৃ. ৩৩)

মণিমুগ্ধৰ মুখত ৰূপালীমৰ ৰূপ সৌন্দৰ্যৰ কথা শুনি ইতিভেনৰ খং দুগুণে চৰিছিল। ইতিভেন আছিল যিকোনো পৰিস্থিতিৰ লগতে খাপ খাব পৰা বিধৰ ছোৱালী। পৰিস্থিতি বুজি মণিমুগ্ধৰ লগত প্ৰেমৰ চলনাও কৰিছে আৰু সুবিধা বুজি বিষধৰ সৰ্পিনীৰ নিচিনা ফনা তুলি দংশন কৰিবলৈ উদ্যত হৈছে এনেদৰে—

"ইতিভেন ঃ মণিমুগ্ধ বৰ ভাল পাওঁ — বৰ ভাল পাওঁ। তোমাক মই বৰভাল পাওঁ

মণিমুগ্ধ ঃ ময়ো তোমাক বৰভাল পাওঁ।

ইতিভেন ঃ তেন্তে আৰু তুমি ৰূপালীমৰ কথা নক'বা। তাইক আৰু ইয়ালৈ নানিবা।

মণিমুগ্ধ ঃ কিন্তু ৰূপালীমৰ ৰূপ-ৰূপালীমে সুন্দৰী।

ইতিভেনঃ (মণি মুগ্ধৰ মুৰটো কোলাৰ পৰা নমাই থৈ) তুমি তুমি তুমি ৰূপালীমক ইয়ালৈ আনিব নোৱাৰা

মণিমুগ্ধ ঃ নহয় ৰূপালীমৰ সৌন্দৰ্য উপভোগ কৰিব নোৱাৰিলে মোৰ জীৱন অসাৰ্থক। তোমাক মই ভাল পাওঁ।

ইতিভেন ঃ "তোমাক মই এইবাৰ ৰূপালীমক লগ পোৱাৰ আগতে শেষ কৰিম"

(আগৰৱালা, পৃ. ৩৫)

ৰূপালীম আৰু ইতিভেন দুটা বিপৰীত ধৰ্মী চৰিত্ৰ। ৰূপালীম সহজ সৰল এজনী ৰুকমী গাভৰু। মণিমুগ্ধৰ বাগদত্তা ইতিভেনৰ ঈৰ্ষাৰ জুইতে তাই পুৰি মৰিল। ঈৰ্ষাৰ পৰবশ হৈ ইতিভেনে তাইৰ ওপৰত ভীষণ প্ৰতিশোধ ললে। মণিমুগ্ধৰ কোঠাৰ পৰা ধৰ্ষিতা নোহোৱাকৈ উভতি অহা ৰূপালীমৰ কথা ৰুকমী জাতিৰ কোনেও বিশ্বাস নকৰিলে।

নাট্যকাৰে ইতিভেনৰ চাৰিত্ৰিক বৈশিষ্ট্য, সাহস, আত্মসন্মান, দেশপ্ৰেম, আৰু সবল নেতৃত্বৰ শক্তিৰ লগতে নাৰীৰ সহজাত প্ৰবৃত্তি, ঈৰ্ষাপৰায়নতা, কামনা, হীনমন্যতা, শ্ৰেণী বৈষম্যতা চিত্ৰায়িত কৰিছে। আশ্চৰ্য্যজনক ভাবে পুৰুষ প্ৰধান সমাজত নাৰীহননৰ প্ৰধান হোতা হিচাপে চিহ্নিত হৈছে ইতিভেন। পুৰুষৰ কামনা আৰু ভোগৰ সামগ্ৰী হিচাপে ব্যৱহৃত চিৰন্তন নাৰীৰ ৰূপ প্ৰকাশ পাইছে ৰূপালীমত। সোৱোপা, মদিৰাৰ ৰাগীত সদ্য বেহুচ ৰুকমী বজাৰ পৰা ক্ষমতা দখলৰ আনন্দই ইতিভেনক নাটকৰ শেষ দৃশ্যত এক ভয়ানক নিষ্ঠুৰতা দান কৰিছে। নাৰীৰ সহৃদয়তা, কৰুণা বিবৰ্জিত সেই নাৰী এতিয়া ক্ষমতালোভী পুৰুষতকৈ অধিক ভয়ংকৰভাৱে স্বাৰ্থপৰ আৰু প্ৰতিশোধ পৰায়ণ। পুৰুষ শাসিত সমাজৰ অন্তৰ্নিহিত ব্যৱস্থা, ভাব নীতি ইতিভেনৰ মৰ্মে মৰ্মে, শিৰাই উপশিৰাই উপলব্ধ। নাট্যকাৰে ইতিভেনৰ চৰিত্ৰৰ স্থিতি প্ৰসংগই প্ৰাঞ্জল ৰূপত, অৰ্থবহ ৰূপত ফুটাই তুলিছে।

**সামৰণি ঃ** নাট্য শিল্পীৰূপে জ্যোতি প্ৰসাদ আগৰৱালাই অসমীয়া সাহিত্য জগতত নতুন পথ মুকলি কৰি গৈছে। 'ৰূপালীম' নাটকতো দুইধৰণৰ নাৰী চৰিত্ৰ অংকনৰ জৰিয়তে নাৰীমনৰ দুটা দিশ সুন্দৰভাবে পৰিস্ফুট হৈছে। অসমীয়া নাট্য কলাক অভিনবত্ব প্ৰদানৰ ক্ষেত্ৰত তেওঁৰ বহুমুখী প্ৰতিভাৰ পৰিচয় পোৱা যায়।

জাতীয় জীৱনৰ উদ্দীপনা, জাতীয় চৰিত্ৰৰ অনুভাৱনা, ৰঙ্গমঞ্চত অভিনৱ কলা-কৌশল, ৰচনাৰীতিত অভিনৱ কাব্যময় অনুপ্ৰেৰণাৰে অসমীয়া নাট্য সাহিত্যক প্ৰগতিশীল বাটত আগবঢ়াই নিয়াৰ গুৰিত জ্যোতি প্ৰসাদ অপ্ৰতিদণ্ডী। জ্যোতি প্ৰসাদে নতুন কৌশল নতুন চৰিত্ৰ সৃষ্টিৰ উদ্ভাৱনাৰে অসমৰ সমস্ত ৰঙ্গমঞ্চত যি বিপ্লৱৰ সূচনা কৰিলে সি আজিও অদ্বিতীয়। কাৰিকৰী দিশৰ ফালৰ পৰাও তেওঁৰ নাটসমূহ অতুলনীয়।

**প্ৰসঙ্গপুথি ঃ**

(১) আগৰৱালা জ্যোতিপ্ৰসাদ; (২০১২) ৰূপালীম, গুৱাহাটী, অসম প্ৰকাশন পৰিষদ।

(২) বৰুৱা প্ৰহ্লাদ কুমাৰ; (২০১৩) জ্যোতি মনিষা, ডিব্ৰুগড়, বনলতা।

(৩) বৰা ৰেণু, দত্ত কল্পনা বৰা, দত্ত লীনা বড়া; (২০১১) বিষয়-নাৰী চিন্তা আৰু সৃষ্টি, গুৱাহাটী, কল্যানী বুক ষ্টল, পাণবজাৰ। ■■



# প্ৰাচীন সমাজ ব্যৱস্থা আৰু নাৰী ঃ এটি বিশ্লেষণ

## (মনুসংহিতাৰ বিশেষ উল্লিখনসহ)

■ মুকুট পাঠক

সহকাৰী অধ্যাপক (অসমীয়া বিভাগ)

নাৰী আৰু পুৰুষ এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। দুয়ো দুয়োৰে সম্পূৰক। এজনৰ অবিহনে আন এজনৰ সাৰ্থকতা অনুভৱ কৰাতো অসম্ভৱ। নাৰীক যুগে যুগে প্ৰকৃতি ৰূপে কল্পনা কৰি অহাৰ লগতে, শক্তিস্বৰূপে আৰাধনা কৰিও অহা হৈছে। প্ৰকৃতিৰ সকলো উপাদান; গছ-লতিকা, ফল-ফুল, নদ-নদী, সাগৰ-মহাসাগৰ, আকাশ-বতাহ ইত্যাদিৰ মাজেদি প্ৰাচীন কালৰে পৰা নাৰীৰ বিচিত্ৰ ৰূপ প্ৰকাশ হৈ আহিছে। সৃষ্টিস্বৰূপা নাৰীক আদ্যশক্তি স্বৰূপে আৰাধনা কৰি অহা পৰম্পৰা আজিৰ নহয়; ই যুগ যুগ অতিক্ৰম কৰি নাৰীক বিশেষ স্থানত প্ৰতিপন্ন কৰি আহিছে। ভাৰতীয় আৰু অসমীয়া পৰম্পৰাই যুগে যুগে দুৰ্গা, কালী, লক্ষ্মী, সৰস্বতী, জগদ্ধাত্ৰী ইত্যাদি নাৰীৰ বিচিত্ৰ ৰূপক পূজা আৰু বন্দনা কৰি আহিছে। আনকি দেৱী কামাখ্যা ব্ৰহ্মৰূপা সনাতনী পৰম বিদ্যাৰ পৰা অভিন্ন। নাৰী সৃষ্টি কাৰিনী, সৌন্দৰ্যৰ ধ্বজা বহনকাৰী। এফালে পূজিত নাৰী আৰু আনফালে অপমানিতা, লাঞ্ছিতা নাৰী। কি বিচিত্ৰ ৰূপ নাৰীৰ!

প্ৰাচীন ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থান

সম্পৰ্কে বিভিন্ন চিন্তা প্ৰতিফলিত হোৱা আমি দেখিবলৈ পাওঁ ব্ৰাহ্মণ, উপনিষদ, ধৰ্মসূত্ৰ, স্মৃতিসূত্ৰ, মনুসংহিতা আদি সেই কালত ৰচিত সংস্কৃত গ্ৰন্থসমূহত। এই গ্ৰন্থসমূহত উল্লেখিত বিভিন্ন 'মিথ' বা আখ্যানবিলাকৰ জৰিয়তে অতীতৰ ভাৰতীয় সমাজ ব্যৱস্থাত প্ৰচলিত নাৰী সম্পৰ্কীয় ধ্যান ধ্যাৰণাৰ পৰিচয় পোৱা যায়। অতীতৰ ভাৰতীয় সমাজত নাৰীৰ এক মৰ্যাদাপূৰ্ণ স্থান আছিল যদিও বহু ক্ষেত্ৰত নাৰী আছিল পুৰুষৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰশীল পণ্যদ্ৰব্য। 'মনুসংহিতা' ইয়াৰ অন্যতম উদাহৰণ। পুত্ৰ লাভৰ বাবে নাৰীক কিনা হৈছিল। নাৰী আছিল পুৰুষৰ ভোগ্য বস্তু- 'ৰমণী', অৰ্থাৎ(পুৰুষক) তৃপ্তি দিওঁতা।

ঋগ্বৈদিক সমাজখন আৰ্য সমাজতকৈ উন্নত আছিল। এই সমাজখনত নাৰীৰ স্থান পুৰুষতকৈ উন্নত নাছিল যদিও নাৰীৰ প্ৰতি কোনো ধৰণৰ কটুক্তিও ঋগ্বেদত পোৱা নাযায়। এই যুগৰ নাৰীয়ে নিজেই স্বামী বাছি লোৱাৰ অধিকাৰ আছিল। ইচ্ছা কৰিলে কোনো নাৰীয়ে বিয়া নকৰাকৈয়ো থাকিব পাৰিছিল। (বৰ্মন২২১) কোনোবা পুৰুষে বিয়া কৰাব খুজিলে তেওঁ ছোৱালীৰ পিতৃক ধন দিব লাগিছিল। ই নিশ্চয়কৈ নাৰীৰ গুৰুত্বকে বুজায়। নাৰীক নিজৰ মতে আৰু কেতিয়াবা অমতেও পলুৱাই নিয়াৰ উল্লেখ ঋগ্বেদত পোৱা যায়। (৩/ ১১২;৭/৫৫/৫-৮) ঋকবেদৰ এঠাইত কোৱা হৈছে, "স্বামীৰ দ্বাৰা সন্মানিতা পত্নী যিদৰে পবিত্ৰ, অগ্নিও তেনেদৰে পবিত্ৰ।"(২২১)

প্ৰাচীন কালত ভাৰতীয় আৰ্যগোষ্ঠীৰ সমাজখন চিৰকাল একেদৰে নাথাকিল। উৎপাদনৰ নতুন আহিলা আবিষ্কাৰৰ লগে লগে সমাজখন ক্ৰমে সামান্তবাদৰ পিনে ঢাল খালে। পৰৱৰ্তী সময়ত নাঙলৰ আবিষ্কাৰৰ লগে লগে সমাজৰ বহুত পৰিৱৰ্তন সাধন হ'ল। বিশেষকৈ, কৃষি কাৰ্যই মহিলাৰ স্থান পৰিৱৰ্তন কৰিলে। নাঙলৰ আবিষ্কাৰে সমাজত মহিলাৰ স্থান পৰিৱৰ্তন কৰিলে। খেতি কৰাতো পুৰুষৰহে কাম আছিল; নাৰীয়ে ইয়াত বিশেষ ভাগ ল'ব নোৱাৰিছিল। এক কথাত কবলৈ হ'লে, সামন্ত যুগৰ আৰম্ভণিৰ পৰা শেষলৈকে উৎপাদনৰ ভাৰ ন্যস্ত আছিল সম্পূৰ্ণ পুৰুষৰ হাতত, নাৰীৰ হাতত নহয়। গতিকে, এই সময়ছোৱাত নাৰীৰ স্থান আছিল পুৰুষৰ তলত। কেৱল ভাৰততে নহয়, উৎপাদন পদ্ধতিৰ লগে লগে সমস্ত পৃথিৱীতে নাৰীৰ স্থানৰ অৱনতি ঘটিছিল। এংগেলছে লিখিছে, "উৎপাদনৰ সমস্ত উদ্বৃত্ত এতিয়া পৰিলগৈ পুৰুষৰ হাতত। এই উদ্বৃত্ত ভোগ কৰাত নাৰীয়ে ভাগ লৈছিল। কিন্তু ইয়াৰ গৰাকীত্বত নাৰীৰ অংশ নাছিল।..পৰিয়ালৰ ভিতৰত থকা পূৰ্বৰ সম্পৰ্কও সলনি হৈ পৰিছিল। যিটো কাৰণে নাৰীক ঘৰখনৰ সৰ্বেসৰ্বা কৰি তুলিছিল, অৰ্থাৎ নাৰীক ঘৰুৱা কামত আৱদ্ধ কৰি ৰাখিছিল, সেই কাৰণটোৱেই এতিয়া পুৰুষক ঘৰখনৰ সৰ্বময় কৰ্তা কৰি পেলালে। পুৰুষে জীৱিকাৰ বাবে কৰা কামৰ তুলনাত নাৰীৰ ঘৰুৱা কাম-কাজে তাৎপৰ্য হেৰুৱাই পেলালে; পুৰুষৰ কৰ্মই হ'ল সকলো, তালৈ নাৰীৰ অৰিহণা হৈ পৰিল তাৎপৰ্যহীন।" (২২২)

ঋকবেদৰ যুগত নাৰী সন্মানিতা নহ'লেও তেওঁৰ অন্তত যি অনৱজ্ঞাত স্থান আছিল, তাৰ পৰা তেওঁ ক্ৰমে চ্যুত হৈ আহিছিল। ব্ৰাহ্মণ যুগত ইপ্সিত ফল লাভৰ উদ্দেশ্যে যি যজ্ঞ প্ৰথাৰ সূচনা হৈছিল, তাত নাৰীৰ কোনো সক্ৰিয় অংশ নাছিল। যজমানৰ পত্নী হিচাপে তেওঁ যজ্ঞত বহিব পাৰিছিল; কিন্তু তেওঁ নিজে হোম পুৰিব নোৱাৰিছিল। কেৱল ধৰ্ম চৰ্চাৰ পৰাই নহয়; জ্ঞান চৰ্চাৰ পৰাও নাৰী ক্ৰমে বঞ্চিত হৈ আহিছিল। তৈত্তিৰীয় আৰণ্যকত(১/১৪/৪) এইদৰে কোৱা আছে, "যিসকল নাৰীয়ে বিদ্যাৰ্জন কৰে, নাৰী হৈয়ো তেওঁলোক পুৰুষ।" এই যুগত মৈত্ৰেয়ী, গাৰ্গী প্ৰমুখ্যে দুগৰাকীমান নাৰীৰ উল্লেখ পোৱা যায়। কিন্তু পিছলৈ এনে হৈছিল যেন একমাত্ৰ গণিকাৰ বাহিৰে আন সকলো নাৰীয়ে শিক্ষাৰ অধিকাৰ হেৰুৱাই পেলাইছিল। গণিকাৰ শিক্ষাত, বিশেষকৈ নৃত্য-গীতাদিৰ গুৰুত্ব বেছি আছিল বাবে নাৰী হৈ পৰিছিল ভোগৰ সামগ্ৰী। বৃহদাৰণ্যক উপনিষদত পোৱা যায়, "ৰতি সুখ দিবলৈ অনিচ্ছুক নাৰীক প্ৰথমে বস্ত্ৰালংকাৰ দি ভুলাবলৈ যত্ন কৰিব লাগে। তাতো যদি মান্তি নহয়, তেন্তে লাঠী বা হাতেৰে প্ৰহাৰ কৰি জোৰকৈ সেই নাৰীৰ উপগত হোৱা উচিত। (৬/৪/৭) তৈত্তিৰীয় সংহিতাৰ মতে, নাৰী সদায় অশুভ; শুদ্ধাভাৱা হ'লেও তেওঁ বদ পুৰুষতকৈয়ো অধম। (৬/৫/৮/২) তৈত্তিৰীয় আৰণ্যকত পোৱা যায়, সদ্যজাত শিশুকন্যাক মাটিত ৰখা যায়, শিশু পুত্ৰক তুলি ধৰা হয়। (৬/৫/১০) প্ৰাচীন কালত কন্যা সন্তান পুত্ৰ সন্তানতকৈ তলতেই নাছিল, কন্যা আছিল স্বয়ং অভিশাপ স্বৰূপ। আনকি, প্ৰাচীন কালত পুত্ৰ কামনা কৰি 'পুংসৱন' নামৰ এটি অনুষ্ঠানো পতা হৈছিল। পুত্ৰলাভ এই অনুষ্ঠানৰ প্ৰধান উদ্দেশ্য

আছিল। প্ৰাচীন ভাৰতত নাৰীৰ কামেই আছিল মাথো সন্তান জন্ম দিয়া। মনুস্মৃতিত উল্লেখ আছে- প্ৰজনাৰ্থে স্ত্ৰীয়ঃ স্ৰষ্টা। (মনুস্মৃতি৯/৯৬) সেইবুলি কন্যা সন্তানৰ জন্ম দিয়া নহয়, পুত্ৰ সন্তানৰ জন্ম দিয়া আৰু জাত পুত্ৰৰ প্ৰতিপালন কৰা- উৎপাদনং পুত্ৰস্য জাতস্য পৰিপালনম্। (মনু ৯/২৭)

প্ৰাচীন ভাৰতত নাৰীৰ সামাজিক স্থান যিমান উচ্চ আছিল বুলি ভবা যায় তেনে নাছিল। ভাৰতৰ সামন্তবাদী আৰ্থ-সামাজিক পৰিস্থিতিয়ে পুৰুষ প্ৰাধান্যক পৰিপুষ্ট কৰি ৰাখিছিল। যি সমাজত অৰ্থনীতিৰ বাঘজৰীডাল পুৰুষৰ হাতত থাকে, তেনে সমাজত পুৰুষেহে প্ৰাধান্য পায়; নাৰীৰ স্থান তেনে সমাজত পুৰুষতকৈ তলত থাকে। প্ৰাচীন ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থানৰ এনে অৱনমন প্ৰতিফলিত হোৱা আমি দেখিবলৈ পাওঁ। আনহাতে, যি সমাজতউৎপাদনৰ ক্ষেত্ৰত নাৰীয়ে মুখ্য ভুমিকা লয়, তেনে সমাজত প্ৰাধান্য লাভ কৰে নাৰীয়েহে।

প্ৰাচীন ভাৰতীয় আৰ্য সমাজত পূজা-পাৰ্বণ ইত্যাদিত নাৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সুবিধা পোৱা নাছিল। মনুসংহিতাত উল্লেখ আছে-

"নাস্তি স্ত্ৰীণাং ক্ৰিয়া মন্ত্ৰৈৰিতি ধৰ্মো ব্যৱস্থিতঃ।

নিৰিস্ত্ৰিয়া হি অমন্ত্ৰাশ্চ স্ত্ৰিয়োহনৃতমিতি স্থিতিঃ (মনু ৯/১৮)

মন্ত্ৰৰ দ্বাৰা নাৰীৰ ধৰ্ম সংস্কাৰ নহয়-সেয়ে তেওঁলোকৰ অন্তৰ নিৰ্মল নহয়। মন্ত্ৰত তেওঁলোকৰ অধিকাৰ নাই। মনুৱে কৈছে ঃ

বৈৱাহিকো ৱিধি স্ত্ৰীয়াং সংস্কাৰো বৈদিকঃ স্মৃতঃ।

পৰিসেৱা গুৰৌৱাসো গৃহাৰ্থেহাগ্নিৰ পৰিক্ৰিয়া।। (২-৬৭)

অৰ্থাৎ স্ত্ৰীলোকৰ বাবে বিবাহ বিধিয়েই হ'ল বৈদিক সংস্কাৰ আৰু গুৰুকুল বাস; গৃহকৰ্মই হ'ল প্ৰাতঃ হোমৰূপ অগ্নিসেৱা।

প্ৰাচীন কালত পুৰুষৰ যেনেকৈ বহুবিবাহ আছিল, তেনেকৈ নাৰীৰো আছিল বহুপতিত্বৰ অধিকাৰ। (ঋগ্বেদ ৫/১৭/৬২) পৰৱৰ্তী সময়ত এই অধিকাৰৰ উদাহৰণ পোৱা যায়, মহাভাৰতৰ দ্ৰৌপদীৰ চৰিত্ৰত। কিন্তু নাৰীয়ে এই অধিকাৰ সোনকালেই হেৰুৱাই পেলাইছিল। ঐতেৰীয় ব্ৰাহ্মণত কোৱা হৈছে "এজন স্বামীৰ বহু স্ত্ৰী থাকিলেও স্ত্ৰীৰ বাবে এজন স্বামীয়েই যথেষ্ট। (৩/৫/৪৭) প্ৰাচীন ভাৰতত নাৰীৰ সম্ভোগ এটা গৌৰৱৰ কথা আছিল; অথচ নাৰীৰ সামান্য স্খলন ঘটিলেও তেওঁক দিয়া হৈছিল কঠোৰতম দণ্ড। মনুৰ মতে পুৰুষক দুষিত কৰাই হ'ল নাৰীৰ স্বভাৱ। (২/২১৩)

নৈত ৰূপং পৰীক্ষন্তে নাসাং বয়সি সংস্থিতিঃ।

সুৰূপংৱা বিৰূপংৱাপুমাণিত্যেৱ ভুঞ্জতে। (মনু-৯/১৪)

অৰ্থাৎ নাৰীয়ে ৰূপ বা বয়সৰ বাছবিচাৰ নকৰে। পুৰুপেই হওক বা কুৰূপেই হওক, পুৰুষ পালেই তেওঁৰ সৈতে সম্ভোগ কৰে।প্ৰাচীন ভাৰতত পুৰুষে স্ত্ৰীৰ প্ৰতি যেনে ধৰণৰ ইচ্ছা, তেনে ধৰণৰ আচৰণ কৰিব লাগিছিল; কিন্তু স্ত্ৰীয়ে স্বমীৰ প্ৰতি দেখুৱাব লাগিছিল অচলা ভক্তি। ৰামায়ণত এই বিষয়ে উল্লেখ আছে -"ভৰ্তা হি পৰমদৈৱতম্"। (২/২৯/১৬) প্ৰচীন ভাৰতত বিবাহিতা তিৰোতাই কেৱল পৰপুৰুষৰ নাম লোৱা বা কোনো পুৰুষক দৰ্শন কৰাই নিষেধ আছিল; বিবাহিতা স্ত্ৰীয়ে পুংলিঙ্গযুক্ত কোনো বস্তু দৰ্শন কৰিলেই ধৰ্মাচাৰৰ পৰা তেও ভ্ৰষ্টা হৈছিল -

ন চন্দ্ৰ সূৰ্যো ন তুৰুং পুন্নাম্নো যা নিৰীক্ষতে।

ভৃৰ্তৃৰৰ্জং বৰাৰাহো সা ভৱেৎ ধৰ্মচাৰিণী।। (মহাভাৰত ১২/১৪৬/৮৮)

মনুৱে নাৰীসকলক স্বাধীনতাৰ যোগ্য নহয় বুলি উল্লেখ কৰিছে । মনুৰ মতে, "কুমাৰী কালত পিতৃয়ে, যৌৱন কালত স্বামীয়ে আৰু বৃদ্ধাৱস্থাত পুত্ৰসকলে নাৰীক ৰক্ষা কৰে; নাৰী স্বাধীনতাৰ যোগ্য নহয়।"

ৱালয়া ৱা যুৱত্যা ৱা বৃদ্ধায়া ৱাপি যোপিতা।

ন স্বতন্ত্ৰেণ কৰ্তব্যং কিঞ্চিৎ কাৰ্যং গৃহেস্বপি।।

ৱালো পিতৃৰ্বসে তিষ্ঠিৎ পাণিগ্ৰাহস্য যৌৱনে।

পুত্ৰণাং ভৰ্তৰি প্ৰোতে ন ভজেৎ স্ত্ৰী স্বতন্ত্ৰতাম্।। ( মনু-৫/১৪৭-৪৮)

মনুস্মৃতিৰ কিছুমান বাখ্যাত পোৱা যায়, নাৰীৰ স্বভাৱ হৈছে পুৰুষৰ মন ভুলোৱা। সেয়েহে জ্ঞানীসকল কেতিয়াও নাৰীৰ ওচৰত অকলশৰে নাযায়। নাৰীয়ে স্বভাৱগতভাৱে পুৰুষক বিপথে পৰিচালিত কৰিব পাৰে। আনকি জ্ঞানীজনো ইয়াৰ ব্যাতক্ৰম নহয়। জ্ঞানী আৰু মুৰ্খ

দুয়োজনেই কামনাৰ বলি হ'ব পাৰে। (নায়ক, পাল আৰু দাস ১২)মনুৱে আনকি নাৰীৰ স্বাধীনতাৰ ওপৰতো হস্তক্ষেপ কৰিছিল। মনুৰ মতে, "নাৰীৰ একমাত্ৰ কৰ্তব্য হৈছে, তেওঁৰ স্বামীৰ কথা পালন কৰা আৰু স্বামীক সন্তুষ্ট কৰি ৰখা। কেৱল এইটো কাৰণতহে নাৰী স্বৰ্গগামী হয়। নাৰী এগৰাকীয়ে তেওঁৰ স্বামীৰ মৃত্যুৰ পিছত অপুষ্টিকৰ খাদ্য খাই নিজকে দৈহিকভাৱে নিছলা বা খীণ কৰিব লাগে। স্বামীৰ মৃত্যুৰ পিছত তেওঁ কোনো পুৰুষৰ নাম মুখতেই আনিব নালাগে।" (১৩)

ওপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে 'মনুস্মৃতি'ত জাতি আৰু নাৰীৰ ওপৰত বৰ্ণিত বহুতো ধাৰণাই আপত্তিজনক আৰু বিবাদমান। সেয়েহে এনে বৰ্ণনা বৰ্তমান সমাজৰ পক্ষে গ্ৰহণযোগ্য নহয়। প্ৰাচীন ভাৰতত নাৰীৰ সামাজিক স্থান যিমান উচ্চ আছিল বুলি ভবা যায়, তেনে নাছিল। প্ৰাচীন সমাজত নাৰী বা পুৰুষৰ প্ৰাধান্যৰ মূল ভিত্তি হ'ল সেই সমাজখনৰ অৰ্থনৈতিক বিন্যাস। ভাৰতৰ সামান্তবাদী আৰ্থ-সামাজিক পৰিস্থিতিয়ে পুৰুষ প্ৰাধান্যক পৰিপুষ্ট কৰি ৰাখিছিল।

মন্তব্য ঃ সাম্প্ৰতিক সময়ছোৱাত নাৰীৰ স্বাধীনতাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। নাৰী সৱলীকৰণ বিষয়টোৱে সমগ্ৰ বিশ্বতে চৰ্চা লাভ কৰা দেখা যায়। এনে পৰিপ্ৰেক্ষিতত নাৰীক পুৰুষৰ সমানেই অধিকাৰ দিয়া হৈছে। নাৰীৰ ওপৰত যথেষ্ট আইনী সুৰক্ষা অৱলম্বন কৰা হৈছে। যি প্ৰাচীন কালত নাৰী আৰু প্ৰকৃতিৰ মাজত কোনো পাৰ্থক্য নাৰাখি নাৰীক বিভিন্ন দেৱীৰ অৱতাৰ হিচাপে জ্ঞান কৰি পূজা কৰা হৈছিল, ইয়াৰ বিপৰীতে মনুস্মৃতিত নাৰী সম্পৰ্কীয় কিছু বিভ্ৰাট চিন্তাৰ সমাবেশ ঘটা দেখা যায়। এসময়ত মনুস্মৃতিয়ে নাৰীৰ সামাজিক স্থান অৱনমিত কৰি পেলাইছিল; সেইবাবে পৰৱৰ্তী সময়ত মনুস্মৃতিক পণ্ডিতসকলে নাৰী বিৰোধী শাস্ত্ৰ পৰ্যন্ত আখ্যা দিয়া দেখা যায়। বৰ্তমান যুগৰ নাৰী সবলীকৰণৰ পক্ষত থকা সকলো দৰ্শনেই মনুস্মৃতিৰ এনে চিন্তাক গৰ্হিত বুলি বিবেচনা কৰে। যি প্ৰকৃতি আৰু পুৰুষৰ সমন্বয়ত নাৰীৰ স্বৰূপ প্ৰকাশ্যমান, তেনে ক্ষেত্ৰত নাৰী পুৰুষতকৈ কোনো গুণে কম নহয়। নাৰী অবিহনে সৃষ্টিৰ কল্পনাই কৰিব নোৱাৰি।

**প্ৰসঙ্গ সূত্ৰ ঃ**

(১) নায়ক, প্ৰতুল চন্দ্ৰ আৰু অন্যান্য। স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক চিন্তাধাৰা। গুৱাহাটী ঃ অৰুণ প্ৰকাশন,২০১৫। ১২-১৩। মুদ্ৰিত।

(২) বৰ্মন, শিৱনাথ। ভাৰতীয় চিন্তা। গুৱাহাটী ঃ অসম পাবলিচিং কোম্পানী,২০১৪। ২২১-২২২।মুদ্ৰিত।

(৩) বৰুৱা, প্ৰফুল্ল নাৰায়ণ। অনুদিত। মনুসংহিতা। ডিব্ৰুগড় ঃ কৌস্তুভ প্ৰকাশন, ২০০৩।মুদ্ৰিত।■■

*****

# অসমীয়া সংস্কৃতিৰ অনবদ্য গামোচা আৰু জাপি

■ নিশা কাকতি
স্নাতক, তৃতীয় ষাণ্মাসিক

অসমীয়া জাতীয় কৃষ্টি সংস্কৃতিৰ প্ৰতীক হ'ল গামোচা। ই এক অবিচ্ছেদ্য অংগও। গামোচাখনিয়ে আমাক চিনাকি দিয়ে অসমীয়া বুলি। বিভিন্ন মাংগলিক কাৰ্যৰ লগতে চহা খেতিয়কেও ইয়াৰ বহুলভাৱে ব্যৱহাৰ কৰা দেখা যায়।

ব'হাগ এক প্ৰেমৰ প্ৰতীক। ব'হাগত প্ৰেমিক যুগলৰ মন আনন্দত উতলি উঠে। হিয়াৰ আপোন, প্ৰিয়জনক এখন গামোচা দিয়াৰ আশা বুকুত বান্ধি চ'তৰ মাহতেই তাঁতশালত সূতা কাটি ফুলাম গামোচা খন বয় আৰু ব'হাগৰ বিহুৰ দিনাখন উপহাৰ দিয়ে। সেই গামোচাখনতকৈ আপোন আৰু একো বস্তুৱেই হ'ব নোৱাৰে। সেয়ে গামোচা এখন প্ৰীতিৰ এক এনাজৰী বুলিব পাৰি।

গামোচা শব্দটোৰ অভিধানিক অৰ্থ হ'ল গা + মোচা = গামোচা, অৰ্থাৎ গা ধোৱাৰ পিছত গাটো মচিবৰ বাবে ব্যৱহাৰ কৰা বস্ত্ৰ। অসমীয়া সমাজত সন্মানসূচক আৰু প্ৰেম ভালপোৱাৰ এক প্ৰতীকৰূপে ব্যৱহাৰ হৈ আহিছে।

গামোচাখনিক সাধাৰণতে তিনিটা ভাগত ভগোৱা হৈছে।

**সাধাৰণ গামোচা ঃ-** অসমীয়া মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা গামোচাখনেই সাধাৰণ গামোচা। চহা কৃষকৰ পৰা আৰম্ভ কৰি ঘৰৰ চাৰিবেৰত আৱদ্ধ হৈ থকা অৱস্থাত লোৱা গামোচাখনিয়ে হ'ল সাধাৰণ গামোচা।

**ফুলাম গামোচা বা বিহুৱান ঃ-** ব'হাগৰ বিহুত আপোন জনক দিবৰ বাবে এমাহমান আগৰ পৰাই তাঁতশাল পাতি মৰমৰ দীঘেৰে হেঁপাহৰ বাণীৰে নিজহাতে ডাঙৰকৈ ৰঙা ৰঙা বুটা বাছি উলিওৱা গামোচা খনিয়েই ফুলাম গামোচা য'ত নিহিত হৈ আছে অফুৰন্ত মৰম ভালপোৱা। মান্যজনক এই গামোচা দি সেৱা সৎকাৰ কৰি আশীৰ্ব্বাদ লোৱা হয়।

গাঁৱলীয়া শিপিনীৰ হাতৰ পৰশত উদ্ভাসি উঠা গামোচাখনৰ পদুমৰ চকা, ময়ুৰৰ পেখম, শৰাই জাপি, বিভিন্ন চৰাইৰ চিহ্ন থকা গামোচাবোৰে এক সুকীয়া আসন দখল কৰে। ইয়ে শিপিনীৰ শিল্প নৈপুণ্য আৰু সদ্‌ভাৱৰ পৰিচায়ক।





গছৰ পাতেৰে সাধাৰণতে জাপি সজোৱা হয়। এই জাপি বহুপ্ৰকাৰৰ দেখিবলৈ পোৱা যায় যদিও ৰূপসজ্জাৰ ফালৰ পৰা ইয়াক আমি দুই ধৰণে ভাগ কৰিব পাৰো— উকা আৰু ফুলাম জাপি। ব্যৱহাৰৰ ক্ষেত্ৰত ইয়াক আৰু বিভিন্ন ভাগত ভগাব পাৰি — হালোৱা জাপি, গৰখীয়া জাপী, বৰ জাপি আদি।

জাপি আমাৰ দৈনন্দিন জীৱনৰ এক অপৰিহাৰ্য অংগ অসমৰ ধৰ্ম-বৰ্ণ নিৰ্বিশেষে পুৰুষ স্ত্ৰী উভয়ে জাপি ব্যৱহাৰ কৰে। আগৰ দিনত ডা- ডাঙৰীয়া সকলে বাহিৰলৈ ভ্ৰমণ কৰিবলৈ যাওঁতে বৰ-জাপি ধৰি যোৱা নিয়ম আছিল। উপহাৰ সামগ্ৰী হিচাপেও জাপি ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান বিভিন্ন সংস্কৃতিক অনুষ্ঠানত ফুলাম জাপিৰ প্ৰয়োগ বাঢ়িছে। কাৰণ এইবোৰ সামগ্ৰীৰ দূৰণি ঐতিহ্যতকৈ শিল্প সৌন্দৰ্যৰ জনপ্ৰিয়তা অৰ্জন কৰা দেখা যায়।

এইদৰে দেখা যায় যে অসমীয়া সমাজত এখন গামোচা আৰু এটা জাপিৰ এক বহুল সমাদৰ আছে। গামোচা আৰু জাপি উৎপাদন কৰি গাঁৱৰ মানুহখিনিয়ে অৰ্থনৈতিক দিশত এক স্বাক্ষৰ জীৱন যাপন কৰি আহিছে তথাপি কিন্তু আমি ক'ব লাগিব যে অসমীয়া সংস্কৃতিত অনবদ্য এই গামোচা আৰু জাপিৰ বিশেষ গুৰুত্ব আছে।■■

**শুচিসূচক গামোচা ঃ-** মনৰ ভক্তিভাৱেৰে বৈ উলিওৱা পবিত্ৰতাৰ চিন স্বৰূপে বোৱা গামোচাখনেই হৈছে শুচিসূচক গামোচা। ভাগৱত, কীৰ্তনঘোষা হৰিনাম কীৰ্তন অংকীত আদি গামোচাৰে গোসাঁই থাপনা ঢাকি ৰখা হয় বাবে ইয়াক শুচিসূচক গামোচা বোলে।

অসমীয়া সংস্কৃতিৰ এবিধ অতি আৱশ্যকীয় লোক শিল্পৰ অন্যতম সৃষ্টি হ'ল জাপি। এই জাপি ব্যৱহাৰিক প্ৰয়োজনৰ বাহিৰেও আহোম যুগত জাপি অভিজাত্যৰ নিদৰ্শন স্বৰূপ আছিল।

বিভিন্ন পণ্ডিতে বিভিন্ন মত পোষণ কৰিছে যে এই জাপি তিব্বতবৰ্মী ভাষী দেশৰ পৰা অহা বুলি। বাঁহ বেত আৰু টকৌ

*****



# যুৱ উচ্ছৃংখলতা ঃ এক বিশ্লেষণাত্মক আলোচনা

■ ভূবনেশ্বৰ ডেকা
চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী

সাম্প্ৰতিক কালত আমাৰ সমাজৰ প্ৰতিজন মানুহৰ মুখত মাথো এযাৰ কথা সঘনে উচ্চাৰিত হয় যে বৰ্ত্তমান যুৱ-সমাজ খন উচ্ছৃংখল। কথাটো কিন্তু মিছা নহয়। আজিৰ শিশু বা যুৱক-যুৱতী সকলে কাইলৈ দেশৰ নাগৰিক। আমাৰ সেই উত্তৰ পুৰুষ সকলেই যদি সুশৃঙ্খলিত নহৈ বিপথে পৰিচালিত হয়, তেনেহ'লে আমাৰ সমাজ, দেশ, তথা বিশ্বৰ, উন্নয়ন কোন দিশে? আজিৰ যুৱ-সমাজে বাৰু সেই গুৰু দায়িত্বৰ কথা এবাৰ ভাবি চাইছেনে? তেওঁলোকৰ নৈতিক স্খলনৰ বাবেই আজি সমাজত চোৰ, ডকাইতৰ কথা বাদেই হত্যা, লুণ্ঠন, অপহৰণ, বিভিন্ন সন্ত্ৰাস বাদ, আন কি ধৰ্ষণৰ দৰে জঘন্য কৰ্মত লিপ্ত হৈ, দেশৰ মেৰুদণ্ডত আঘাট হানি, মানবীয় মূল্যবোধকো ভু-লুণ্ঠিত কৰি সৰ্ব্বক্ষেত্ৰতে সমাজৰ পৰিবেশ বিনষ্ট কৰিছে। এই কথা যদি এবাৰ যুৱ-সমাজে ভাবি চালেহেতেন, তেনেহলে উচ্ছৃংখল যুৱ-সমাজ বুলি কোৱাৰ নৈতিক অধিকাৰ নেথাকিলহেঁতেন।

যুৱ-সমাজৰ এই দুৰাৰোগ্য ব্যাধি নিৰাময়ৰ বাবে সমাজৰ সচেতন ব্যক্তি সকলে, বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানৰ জৰিয়তে "উচ্ছৃংখল যুৱ সমাজ আৰু ইয়াৰ প্ৰতিৰোধ" শীৰ্ষক আলোচনা সমালোচনা আগবঢ়া সত্বেও ইয়াৰ কোনো সুফল আজিকোপতি দেখা পোৱা নগল। গতিকে ইমান স্পৰ্শ কাতৰ বিষয়ৰ সমস্যাৰ বিষয়ে, লিখিবলৈ যোৱাটো আমাৰ নিচিনা সামান্যতম লোকৰ বাবে সহজ সাধ্য নহয়। তৎসত্ত্বেওঁ আমাৰ সামান্যতম জ্ঞানে ঢুকি পোৱা, প্ৰত্যক্ষ দৰ্শনৰ ভিত্তিত অকণমান আলোচনা কৰিব বিচাৰিছো। ভূলা-ভূলৰ বাবে ক্ষমা কৰিব।

"উচ্ছৃংখল যুৱ-সমাজ" এই ভয়াবহ সমস্যাৰ বিষয়ে আমি যদি এবাৰ নিজকে প্ৰশ্ন কৰো যে উচ্ছৃংখল যুৱ-সমাজৰ বাবে জগৰীয়া কোন? বৰ্ত্তমান যুৱকযুৱতী সকলৰ অন্তৰ আত্মাত কাৰক হিচাবে ক্ৰিয়া কৰাত ইন্ধন যোগাইছে কোনে? ইয়াৰ বাবে জগৰীয়া আমি। প্ৰথম জগৰীয়া আমাৰ প্ৰতি ঘৰৰ পৰিয়ালৰ পিতৃ-মাতৃ তথা অভিভাৱক অভিভাবিকাসকল।

দ্বিতীয় আমাৰ সমাজ ব্যৱস্থা, তৃতীয় আমাৰ নিৰ্বাচিত চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থা। এই ত্ৰিবাহুৰে আৱৰ্ত্তিত এক আৱয়িক পৰিসৰ আৰু পৰিবেশৰ মাজত কোনো এটি শিশু মাতৃগৰ্ভৰ পৰা আৰম্ভ কৰি জন্মোত্তৰ কালৰ শৈশৱৰ পৰা কিশোৰ,আৰু কিশোৰৰ পৰা কৈশোৰ হৈ, যুৱক বা যুৱতী হিচাবে প্ৰাণ চঞ্চলতাৰে, এই যোগ্য, ভোগ্য বিনন্দিয়া পৃথিবীৰ ৰূপ সুধা পাণ কৰিবলৈ উদ্‌বাউল হৈ পৰে। পাহৰি যায় যে, যৌৱন জীৱনৰ কঠিয়াতলি কল্পনা, সপোন আবেগৰ বিকাশ ঘটে এই কৈশোৰতে। কৈশোৰতে মানৱ মনৰ নিভৃত কক্ষত যি ভাৱৰ সৃষ্টি হয়, পৰবৰ্ত্তী জীৱনত তাৰেই প্ৰতিফলন ঘটে। গতিকে যৌৱনৰ বসন্তৰ বলিয়া বায় যাতে উৰুৱাই নিব নোৱাৰে,

যৌৱনৰ বলিয়া সোঁতে যেন উতুৱাই নিব নোৱাৰে তাৰ বাবে নিজকে এক নিষ্ঠ ধৈৰ্য্য, সততা আৰু নৈতিকতাৰে আগলি জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰিব লাগিব।

ওপৰত উল্লেখ কৰা হৈছে যে এটি শিশুক, কিশোৰ, শৈশৱ আৰু কৈশোৰ পাৰ কৰি, যুৱকলৈ আগুৱাই নি, সুস্থ সবল, নাগৰিক হিচাবে গঢ়ি তোলাৰ দায়িত্ব নিজ নিজ পিতৃ-মাতৃ সমাজৰ সামাজিক ব্যৱস্থা, আৰু নিৰ্ব্বাচিত চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু প্ৰত্যক্ষ দৰ্শনৰ ভিত্তিত দেখা যায় যে আজি আমাৰ এই তিনি বাহুয়ে যেন অকামিলা। অক্ষম। আমাৰ উত্তৰ পুৰুষ যুৱতী, যুৱতী, সকলক উচ্ছৃংখল-উদণ্ড বুলি দায় সৰাৰ মন্তব্য দিলেই নহব। আমি পিতৃ-মাতৃ সকল কি ধূৱা তুলসীৰ পাতনে? নহয়। সিহঁতৰ প্ৰতি আমাৰ দায়িত্ব অতি গধুৰ। কিন্তু সেই দায়িত্ব জানো আমি পালন কৰিছো নাই কৰা।



যিকোনো এটি শিশুক মাতৃগৰ্ভৰ পৰা আৰম্ভ কৰি জন্মোত্তৰ কালৰ বাৰ বছৰলৈ যি নৈতিকতাৰ শিক্ষা আহৰণ কৰে, সেয়া মাথো নিজ নিজ পিতৃ-মাতৃ আৰু ঘৰ খনৰ পৰা আৰম্ভ হয়। এই কথা অকপটে স্বীকাৰ কৰি, আজিৰপৰা প্ৰায় এশ আঠচল্লিছ (১৪৮) বছৰ আগতে ১৮৭০ চনৰ ৩১ আগষ্ট তাৰিখে জন্মগ্ৰহণ কৰা ইটালীৰ বিশ্ব বন্দিত চিকিৎসা গবেষক, মহিয়সী নাৰী, "মেডাম মৰিয়া মণ্টেছৰীয়ে কৈছিল যে ঘৰখনেই শিশু শিক্ষাৰ আচল ঠাই। আৰু মাকসকল হ'ল একো একোজনী ভাল শিক্ষয়ত্ৰী। সঁচা কথা। নিজৰ সন্তানৰ বাবে পিতৃ-মাতৃ সকলে সুদূৰ ভবিষ্যতৰ সপোন ৰসি মৰম স্নেহে, খেল ধেমালীৰ মাজেৰে, শাৰীৰিক, মানসিক, আৰু নৈতিকতাৰে মানুহ গঢ়াৰ যি শিক্ষা প্ৰদান কৰে, তেনে শিক্ষা কোনো বিদ্যালয়, বা মহাবিদ্যালয়েও দিব নোৱাৰে। দিব পাৰে মাথো এখন নম্বৰ ভিত্তিক প্ৰমান পত্ৰ। (চাৰ্টিফিকেট) কিন্তু আতি অতি দুখ আৰু পৰিতাপৰ বিষয় যে যিখন ঘৰৰ পৰায় শিশুৰ ভবিষ্যত জীৱনৰ বুনিয়াদ গঠন হয়, সেই ঘৰখনৰ পিতৃ-মাতৃ বা অভিভাৱক সকল কিমান দায়িত্বশীল? যি কেইজন দায়িত্বশীল অভিভাৱক আছে সিয়ো আঙুলিৰ মূৰত লিখিব পৰা। এজনী মাতৃয়ে নিজৰ সন্তানক কোলায়, বোকোছায় লৈ, আপট্য মাতৃ-স্নেহেৰে, বিভিন্ন সাধু কথা আৰু নিচুকনি গীত মাতেৰে শিশুক যি বৌদ্ধিক, সামাজিক, আৰু নৈতিকতাৰে ভবিষ্যৎ জীৱনৰ সপোন ৰচায়, তেনে শিক্ষা বিদ্যালয়ৰ দহজনী শিক্ষয়ত্ৰীয়ো প্ৰদান কৰিব নোৱাৰে। কিন্তু আজিৰ সমাজত ইয়াৰ এখন ওলোটা ছবিহে দেখা যায়। বাক্যটি আপেক্ষিক ভাৱে লিপিবদ্ধ কৰিলো এই বাবেই যে আমাৰ সমাজত এষাৰ কথা আছে "উপদেশতকৈ আৰ্হি শ্ৰেষ্ঠ"। এই বাক্যটিৰ যথাৰ্থতা পাহৰি গৈ, আমি পিতৃ-মাতৃ বা অভিভাৱক সকলে নিজৰ ল'ৰা-ছোৱালীৰ সন্মুখতে চ'ছিয়েল মিডিয়াত ব্যস্ত থাকি, সন্তানক হোৱাটছ্ এপ, ফেচবুক, ব্যৱহাৰ নকৰিবলৈ উপদেশ দিলে জানো সন্তানে শুনিব? নিশ্চয় নুশুনে। সেই বাবে আমিবোৰ সতৰ্ক হোৱা অতি প্ৰয়োজন।

ইয়াৰ ওপৰিও বিশ্বায়নৰ বজাৰৰ দৌৰ প্ৰতিযোগিতাত ভাগ লৈ, সন্তান স্নেহত আৱদ্ধ হৈ প্ৰাক্‌প্ৰাথমিক বিদ্যালয়ৰ পৰা মধ্য ইংৰাজী বিদ্যালয়ত ভৰি দিয়াৰ লগে লগে হাতত তুলি দিয়া হল এটি মোবাইল চেট। সন্তানৰ অন্তৰ আত্মাত ৰোপন কৰা হ'ল মন, মগজু, বিকৃত কৰা নৈতিক স্খলনৰ বিষ বৃক্ষ। ওপৰোক্ত বাক্যটি দ্বাৰা এইটো নুবুজায় যে মোবাইল ব্যৱহাৰ কৰাটো অনুচিত। যদি অনুচিতেই হ'লহেঁতেন, বৰ্ত্তমান যুগত টি, ভি, মোবাইল, হোৱাটছ্ এপ, ফেচবুক আদি চছিয়েল মিডিয়াবোৰ আমাৰ জনসমাজত ইমান সমাদৃত নহলহেতেন। কথাখিনি খুবেই শুদ্ধ। সকলো বস্তুৰে ভাল আৰু বেয়া দুটি দিশ থাকে। অন্ধ হাঁহক পতান দিলেওঁ সি কিন্তু পতান নেখায়। হাঁহৰ ই এটা ডাঙৰ ভৌতিক ধৰ্ম। অন্ধ বুলি ভাবি কোনোয়ে পতান দিলেওঁ, মুখত লোৱাৰ পিছত পতানৰ মাজত থকা ধানটোহে তাৰ পাকস্থলীলৈ যায়। আৰু পতানবোৰ ঠোঁটৰ আন কাষেৰে বাহিৰলৈ উলিয়াই দিয়ে। থিক সেইদৰে আমিও

টি, ভি, মোবাইল, হোৱাটছ্ এপ, ফেচবুকত থকা দৰকাৰী কথাবোৰ ৰাখি, বাহ্যভাগ পৰিহাৰ কৰিব লাগে। কিন্তু সেই কথা অনৈত অৱস্থাত ল'ৰা-ছোৱালীয়ে বুজি নাপায়। বুজি পায় মাথো কেনেকৈ উদ্ধাৰ কৰিব লাগে মোবাইলৰ বুতামত আৱদ্ধ হৈ থকা, বহিঃ জগতৰ অলাগতিয়াল বিবেকহীন প্ৰেম, প্ৰণয়ৰ ভাব-বিনিময়ৰ, অশালীন চিত্ৰ কাহিনী সমূহৰ কথা। গতিকে বাৰ বছৰৰ তলৰ ল'ৰা-ছোৱালীবোৰক আজিৰ অভিভাৱক সকলে হাত মোবাইল তুলি দি নিজকে গৌৰৱ অনুভব কৰি সিহঁতৰ যোগাত্মক দিশত আমি আঘাট হনা নাইনে? সেই গুৰুতৰ কথাবোৰ আমি এবাৰ ভাবি চাওঁচোন। যুৱ সমাজৰ নৈতিক স্খলনত গুৱিৰে পৰা ইন্ধন যোগাইছে কোনে? ইয়াৰ বাবে জগৰীয়া আমি পিতৃ-মাতৃ সকল নহয়নে?

আজি যুৱ সমাজ উচ্ছৃংখলৰ দ্বিতীয় কাৰণ হ'ল আমাৰ সমাজৰ সামাজিক ন্যায় বিচাৰ ব্যৱস্থা। তাহানি কালত সত্ৰ নামঘৰ সমূহত সমাৰ সমজুৱা বহি আচাৰ ব্যৱহাৰ নীতি, নিয়ম ভংগ কাৰীক যি শাস্তি প্ৰদান কৰি সমাজৰ মূল সূতি লৈ ঘূৰায় অনা হৈছিল আজি সেই ব্যৱস্থা নাই। সমাজৰ এই শিথিলতাৰ বাবেই শান্তিপ্ৰিয় গাৱলীয়া সমাজৰ মাজ মজিয়াত মদ, ভাং, জুৱা আৰু নানা অনৈতিক কাৰ্য্যই গা কৰি উঠিছে। এই সকলোবোৰ দেখি শুনিওঁ গাৱৰ নেত্ৰীস্থানীয় মুখিয়াল ব্যক্তি সকলে কেৱল মৌনতা অবলম্বন কৰাহে দেখা যায়। অৱশ্যে মৌনতা অবলম্বন কৰাৰো কাৰণ নথকা নহয়। কিয়নো কোনো যুৱক বা যুৱতীয়ে সমাজতে হওঁক অথবা কোনো পৰিয়ালেতেই হওঁক নীতি নিয়ম ভংগ কৰি, অশালীন, অবাচ্য, শব্দ প্ৰয়োগেৰে গালি-গালাজ কৰিলে গাৱৰ সন্মানীয় ব্যক্তিয়ে বাধা দিবলৈ গৈ অপমানীত হব লগা হয়। শুনিব লগীয়া হয় অকথ্য কথা। যা, যা, এইবোৰ আমাৰ ঘৰুৱা কথা। ইয়াত মাত মাতিব নাহিবি। তোৰ ল'ৰা-ছোৱালীক ভালকৈ ৰাখ গৈ। ইত্যাদি ইত্যাদি বহুতো ....

তৃতীয়তে আজিৰ যুৱ সমাজখন উচ্ছৃংখল হোৱাৰ এক অন্যতম কাৰণ হ'ল আমাৰ নিৰ্ব্বাচিত চৰকাৰ সমূহ। বাতৰি কাকত টি, ভি, চেনেলত বৰ বৰ হৰফেৰে লিখা, হত্যা লুণ্ঠন, অপহৰণ, সন্ত্ৰাসবাদ আৰু ধৰ্ষণ আদি আভিধানিক শব্দবোৰ, আজিৰ পৰা কিছু দশক আগতে মাত্ৰ অভিধানৰ পাততে আৱদ্ধ আছিল। কিন্তু আমাৰ চৰকাৰ সমূহে শাসনৰ নামত শোষণ, লাঞ্চনা, বঞ্চনা, আৰু প্ৰবঞ্চনাৰ বাবেই আজিৰ যুৱক যুৱতী সকলে এই অনাকাংখিত আলঙ্কাৰিক অশুভ শব্দবোৰৰ প্ৰতিফলন ঘটোৱা যেন অনুমান হয়। আমাৰ সকলোৰে জ্ঞাত যে সংসদীয় গণতন্ত্ৰ পদ্ধতিৰে এখন চৰকাৰ গঠন কৰা হয়। কিন্তু সদনৰ মজিয়াত নিজ সংখ্যা গৰিষ্ঠতা প্ৰমান কৰি শাসনৰ বাঘজৰী হাতত লোৱাৰ পিছত, পাহৰি যায় নিৰ্ব্বাচনৰ আগ মুহূৰ্ত্তত দলীয় ইস্তাহাৰত প্ৰকাশ কৰা প্ৰতিশ্ৰুতি সমূহৰ কথা। দলীয় নেতা সকলৰ নিৰ্ব্বাচন কেন্দ্ৰিক সভা সমিতিবোৰত সৰ্ব্বসাধাৰণ ৰাইজক আচস্ত কৰিবলৈ প্ৰদান কৰা ব্যক্তিতাৰ ফুলজাৰি আৰু কামৰ মাজত কোনো মিল দেখা নাযায়।

ইয়াৰ ওপৰিও চৰকাৰৰ কোনো এটি গুৰুত্ব পূৰ্ণ বিভাগত শিক্ষিত মেধা গুণ সম্পন্ন নিৰনুৱাক লিখন পৰীক্ষা পদ্ধতিৰ মাধ্যমেৰে চাকৰিত মকৰল দিয়াৰ উদ্দেশ্যে, বাতৰি কাকত বিভিন্ন চছিয়েল মিডিয়া যোগে নিবনুৱা সকলৰ পৰা কৌটি কৌটি টকা আদায় কৰে। কিন্তু অতি দুখ আৰু পৰিতাপৰ কথা লিখন পৰীক্ষাৰ ২৪ ঘণ্টা আগতে এচাম চৰকাৰী আমোলা বিষয়া আৰু দালাল চক্ৰই প্ৰশ্ন কাকত ফাদিলৰ দৰে জঘন্য কাণ্ড সংঘটিত কৰি চৰকাৰৰ গোটেই প্ৰক্ৰিয়াটো এক অন্ধকাৰ গহ্বৰলৈ ঠেলি দি চাকৰি ক্ৰয় বিক্ৰয়ৰ এখন মুক্ত বজাৰৰ সৃষ্টি কৰে। ফলত মেধা গুণ সম্পন্ন নিবনুৱা সকল চাকৰিৰ পৰা বঞ্চিত হৈ সিহঁতৰ অন্তৰাত্মাত শুই থকা বিদ্ৰোহাত্মক ভাৱবোৰ জগায় তোলে। আনহাতে এচাম শিক্ষিত যুৱক যুৱতীয়ে পেটৰ এমুঠি অন্ন আৰু অংগ ঢাকিবলৈ এডুখুৰী বস্ত্ৰৰ বাবে চহৰৰ অলিয়ে গলিয়ে বেপাৰ বাণিজ্য কৰিবলৈ গৈ, চৰকাৰী প্ৰশাসনৰ হাতত অপদস্ত হব লগা হয়।

এনেকুৱা এশ এবুৰি সমস্যাৰে জৰ্জ্জৰিত হৈ ভাৱাক্ৰান্ত মনেৰে, কিছু সংখ্যক যুৱক যুৱতী উচ্ছৃংখল হোৱা যেন আমাৰ অনুমান হয়।

কিন্তু আজিৰ যুৱক যুৱতীয়ে বুজা উচিত যে উচ্ছৃংখল, উদণ্ড কোনো উগ্ৰবাদেৰে সমস্যাৰ সমাধান নহয়। হিংসাৰ দ্বাৰা হিংসাৰ পৰিসমাপ্তি বিচৰাতো ভুল। বৰ্ত্তমান সময়ত যুৱ সমাজৰ সন্মুখত যিবোৰ সমস্যায় প্ৰত্যাহ্বান হিচাবে থিয় দিছে তাৰ লগত মোকামিলা কৰিবলৈ হ'লে আমি সকলোৱে একত্ৰিত হৈ এই ধৰাৰ বুকুত সৃষ্টি কৰিব লাগিব "কৰ্মৰ সেউজ বিপ্লৱ।" আমাৰ এই লিখনিৰ মাজেৰে নতুন প্ৰজন্মক আহ্বান জনাইছো আহা আমি সকলোৱে মিলি ধৰাৰ বুকুত সৃষ্টি কৰো "কৰ্ম সংস্কৃতিৰ ছিৰ সেউজ বিপ্লৱ" এই আশাৰে সামৰিছো।■■

*****



# অসমৰ 'নাইটিঙ্গেল' দিপালী বৰঠাকুৰৰ জীৱন আৰু কৰ্মৰ এটি আলোকপাত

■ মনালিছা ডেকা
স্নাতক, ষষ্ঠ ষাণ্মাসিক

১৯৪১ চনৰ ৩০ জানুৱাৰী তাৰিখে শিৱসাগৰ জিলাৰ সোণাৰিৰ নীলমণি বাগানত তেখেতৰ জন্ম হৈছিল। পিতৃ প্ৰয়াত বিশ্বনাথ বৰঠাকুৰ আৰু মাতৃ আইমণি বৰঠাকুৰ। শিৱসাগৰ হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ দীপালী বৰঠাকুৰে গুৱাহাটীৰ কটন মহাবিদ্যালয় আৰু সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত উচ্চ শিক্ষা লাভ কৰে। দীপালী বৰঠাকুৰ নামেই যাৰ পৰিচয়, দীপলিপ দীপালী জনীৰ পৰা সোণালী কণ্ঠৰ অধিকাৰী অসমৰ নাইটিংগেল চিৰযুগমীয়া আপোনাৰ গীত।

পিতৃ বিশ্বনাথ বৰঠাকুৰৰ সৈতে ঘৰতে দীপালী বৰঠাকুৰৰ সংগীত চৰ্চ্চা আৰম্ভ হয়। ১৯৪৭ চনত মইনামেলৰ যোগেদি তেওঁ প্ৰথম গায়িকা হিচাপে আত্মপ্ৰকাশ কৰে। শিৱসাগৰৰ প্ৰথিতযশা শিক্ষাবিদ আৰু শিল্পী পৰাগধৰ চলিহাই ৰচনা কৰা গীত নৃত্য আৰু অভিনয়েৰে সমৃদ্ধ আলেখ্য 'চাৰি হাজাৰ বছৰৰ অসম'ত মুখ্য গায়িকা হিচাপে দিপালী বৰঠাকুৰ নিয়োজিত হয়। ইয়াৰ পিছতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সঞ্চালক ড° এ. এম. নাটেশে তেওঁক আকাশবাণীৰ বাবে সংগীত পৰিৱেশন কৰিবলৈ নিয়ন্ত্ৰণ জনায়। ১৯৫৭ চনত আকাশবাণী গুৱাহাটী যোগে দীপালী বৰঠাকুৰৰ কণ্ঠত বাণীবদ্ধ হয় লীলা গগৈয়ে ৰচনা কৰা গীত 'মোৰ বোপাই লাহৰী / নাপাইছো আহৰি / বৰা জুৰিবলৈ আহহে'। প্ৰথম অৱস্থাত আকাশবাণীত অস্থায়ী

শিল্পী হিচাপে কিছুদিন কাৰ্য্যনিৰ্বাহ কৰি পিছত তেওঁ স্থায়ী শিল্পীৰ মৰ্য্যদা লাভ কৰে। নিয়মিত শিল্পী হিচাপে তেওঁ পৰিৱেশন কৰা প্ৰথম গীতটি আছিল 'বন্ধু সময় পালে আমাৰ ফালে এবাৰ আহি যাবা'। ইয়াৰ পিছতেই তেখেতৰ কণ্ঠই জনপ্ৰিয়তা লাভ কৰে। প্ৰৱেশিকা পৰীক্ষা দিয়াৰ পিছতে দীপালী বৰঠাকুৰে প্ৰথমখন ছবিত নেপথ্য কণ্ঠশিল্পী হিচাপে গীত গোৱাৰ সুযোগ লাভ কৰে। ১৯৫৯ চনত ক্ষীৰদাকান্ত বিষয়াৰ কথা আৰু সুৰ লক্ষ্যধৰ চৌধুৰী আৰু প্ৰবীণ ফুকনৰ পৰিচালনাত মুক্তিপোৱা কথাছবি 'লাচিত বৰফুকন'ত দীপালী বৰঠাকুৰে পৰিৱেশন কৰে 'আৱেগৰ বোকোচা ব'ব মই নোৱাৰো। যৌৱনে আমনি কৰে' গীতটি।

দীপালী বৰঠাকুৰৰ কণ্ঠৰ কেইটামান জনপ্ৰিয় গান ঃ—

- সোণৰ খাৰু নালাগে মোক বিয়াৰ বাবে আই
- জোনধনে জোনালীতে
- আবেগৰ বোকোচা ব'ব মই নোৱাৰো / যৌৱনে আমনি কৰে
- কণমান বৰশীৰে চিপ
- চেনাই মই যাওঁ দেই
- অ' বন্ধু সময় পালে এবাৰ আহি যাবা
- কোন সেই ৰূপৱতী যাই
- সোণোৱালী বুটা বছা অসমীয়া পাট
- আগলি কলপাত লৰে কি চৰে
- আই মই শুনিছো আঘোণত বোলে পাতিছ তই মোৰ বিয়া

১৯৬৯ চনত তেখেতে শেষবাৰৰ বাবে পৰিবেশন কৰিছিল 'লুইত নেযাবি ঐ'। এইখিনি সময়তে দীপালী বৰঠাকুৰ মটৰ নিউৰণ ৰোগত আক্ৰান্ত হয় আৰু গান গোৱাৰ ক্ষমতা হেৰুৱায় লগতে চলা-ফুৰা কৰিবলৈকো হুইল চকীৰ আশ্ৰয় লবলগীয়া হয়।

১৯৭৬ চনত অসমৰ খ্যাতনামা চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ লগত বিবাহ পাশত আৱদ্ধ হয়।

তেওঁ বহুত ধৰণৰ বঁটা আৰু সন্মান লাভ কৰিছিল।

- পদ্মশ্ৰী সন্মান (১৯৯৮)
- অসম চৰকাৰৰ শিল্পী বঁটা (২০১০)
- 'লিঅ' এক্সপো শিল্পী সন্মান (২০০৭)
- আইদেউ সন্দিকৈ বঁটা (২০১২)

ৰং তুলিকাৰে খেলা কৰা এজন পুৰুষ। ৰংবোৰক ভালপোৱা মানুহজনে দীপালী বৰঠাকুৰৰ প্ৰেমকো ৰংবোৰৰ সৈতে তেওঁৰ কেনভাঁচত ধুনীয়া জীৱনৰ ছবি আঁকিছিল সৰলতাৰে। অসুস্থ দীপালী বৰঠাকুৰৰ সৈতে জীৱনটো কটাইছিল আৰু মাজে মাজে কেনভাচতো ৰং বুলাইছিল। অকণো কৃপনালি কৰা নাছিল তেওঁৰ পত্নীৰ পৰিচাৰ্য কৰাত, কিমান যে পবিত্ৰ আছিল সেই প্ৰেম। সাত জনমলৈ একেলগে কটোৱাৰ সপোন ৰচিছিল দুয়োজনে। মিলনৰ দিনটোৰ পৰাই প্ৰিয়জনৰ আগত নিজৰ হেঁপাহৰ কথা দোহাৰিছিল দীপালী বৰঠাকুৰে। কাষতে থাকি আজন্ম প্ৰেমিক নীলপৱন বৰুৱাৰ দুচকুত সিঁচি দিছিল প্ৰেমৰ বন্যা। মুখেৰে ফুটা-নুফুটা মাতটোৰে বুজাব নোৱাৰা বহু কথাই আজন্ম প্ৰেমিকজনৰ দুচকুৰ ইংগিতেৰে কৈ গৈছিল দিপালী বাইদেৱে। বেলতাৰ সৌৰভ নগৰৰ সেই চিনাকি ঘৰটোৰ চিনাকি কোঠাটোৰ বিছনাত দুচকুৰ মিলনে ৰচি গৈছিল বহু স্মৃতি ধূসৰিত ইতিহাস। প্ৰণোদ্দীপ্ত দীপালী বৰঠাকুৰৰ চকুহাল আছিল তেওঁৰ জীৱনৰ আয়ুস ৰেখা। তেওঁ কেতিয়াও ভবা নাছিল কালৰ বুকুত এদিন হেৰাই যাব আয়ুস ৰেখা। জীৱনৰ পৰা ছিন্ন হৈ পৰিব অমৃত সুধা। কিন্তু নিয়তিৰ পৰিহাসক জানো কোনোবাই বাধা দিব পাৰে। মৃত্যুৰে যুজিছে দীপালী বৰঠাকুৰ বাইদেৱে। বাহিৰত শুভাকাংক্ষী, গুণমুগ্ধৰ উচপিচনি। এনে বহু উৎকণ্ঠাৰ দিন ইয়াৰ আগতেও পাৰ হৈ গৈছে। চিকিৎসালয়ৰ বিচনাত নিৰ্বাক হৈ পৰি থাকে কোকিলকণ্ঠী দীপালী বৰঠাকুৰ। বিচনাৰ এচুকত বহি তেওঁৰ হাতত হাত থৈ, চকুত-চকু ৰাখি বহি আছে নীলপৱন বৰুৱা। সেই আকুল দৃষ্টিৰ বান্ধোন ছিঙি গুচি যাব নোৱাৰে দীপালী বৰঠাকুৰে। পুনৰ উভতি আহে তেওঁ, প্ৰেমিক নীলপৱনৰ বুকুত সিঁচি দিয়ে উশাহৰ সুবাস। এনেদৰেই প্ৰেমিকাৰ কপালৰ বেলি মাৰ যাব নিদিয়াকৈ উজলাই ৰাখিছিল শিল্পী নীলপৱন বৰুৱাই। যেতিয়া দীপালী বৰঠাকুৰৰ মৃত্যুৰ খবৰ গম পাইছিল নীল পৱন বৰুৱাৰ কাৰণে সকলো যেন স্তব্ধ হৈ ৰ'ল। এটি উশাহ তেওঁৰ বুকুৰ মাজৰ পৰা যোৱা যেন লাগিছিল। আজিৰ পৰা প্ৰতিটো চেকেণ্ড, প্ৰতিটো মিনিট, পল অনুপল পাৰ কৰিব কায়িক দীপালী বিহীনভাৱে। কাইলৈ পুৱাৰ পৰা নীলপৱনে কাক মৰম কৰিব, কাক মৰমেৰে খুৱাই দিব পুৱাৰ চাহ কাপ। নীলপৱনৰ হাতেৰে পিয়াহৰ পানীটুপি খাবলৈ, পছন্দৰ কাপোৰযোৰ, কপালত উজ্বল ৰঙা বেলিটো আঁকিবলৈ হুইল চেয়াৰখনত বহি নাথাকিব দিপালী। হাঁহিবলৈ খং কৰিবলৈ তেওঁ নাথাকিব নীলপৱনৰ কাষত। কথা পাতিবলৈ লালন পালন কৰিবলৈ,

চাই চাই হেঁপাহ পলুৱাবলৈ তেওঁ সঁচাকৈ নাই। এয়াইটো নিষ্ঠুৰ সত্য। যাক মানি লোৱাৰ বাদে আন কোনো উপায় নাই। সকলো নীৰৱে মানি লৈ নীলপৱন বৰুৱা আজি উচুপি উঠিল— 'তুমি মোক এৰি গুছি গলা। এতিয়াৰ পৰা কোনে মোক খং কৰিব। কিয় মোক মাতযাৰ লগাই নগলা। তেওঁৰ স্মৃতিৰ কেনভাচত এটা দীঘলীয়া জনাকীৰ্ণ সমদলৰ দৰে পাৰ হৈ গ'ল বহু দৃশ্য। মোৰ নীলপৱন বৰুৱাৰ এটা কথাই সঁচাকৈ অন্তৰখন স্তব্ধ কৰি ৰাখিছিল একমিনিটৰ কাৰণে— 'তুমি বাকচৰ ভিতৰৰ পৰা কালি ওলাই আহিবা ন, মোক মৰম কৰিবা তুমি ন?

*এক অনন্য সুৰৰ পানচৈত শ্ৰোতা জনগণ মোহাবিষ্ট হৈ থকা এক কালজয়ী কণ্ঠৰ সমাপ্তি ঘটিল। খহি পৰিল অসমৰ সাংস্কৃতিক আকাশৰ আন এক ধ্ৰুৱতৰা। তেওঁৰ দৰে এগৰাকী শিল্পী পুনৰ জন্ম নহ'ব। সঁচা অৰ্থত এটা গীত নোহোৱা হৈ গ'ল। শিল্পীগৰাকীৰ সৃষ্টি ৰাজি জীয়াই থাকিবৰ বাবে চৰকাৰে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব। দীপালী বৰঠাকুৰ বাইদেউৰ গান, সুৰ, কণ্ঠ, সদায়েই তৰুণ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা হৈ ৰ'ব।*

এক অনন্য সুৰৰ পানচৈত শ্ৰোতা জনগণ মোহাবিষ্ট হৈ থকা এক কালজয়ী কণ্ঠৰ সমাপ্তি ঘটিল। খহি পৰিল অসমৰ সাংস্কৃতিক আকাশৰ আন এক ধ্ৰুৱতৰা। তেওঁৰ দৰে এগৰাকী শিল্পী পুনৰ জন্ম নহ'ব। সঁচা অৰ্থত এটা গীত নোহোৱা হৈ গ'ল। শিল্পীগৰাকীৰ সৃষ্টি ৰাজি জীয়াই থাকিবৰ বাবে চৰকাৰে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব। দীপালী বৰঠাকুৰ বাইদেউৰ গান, সুৰ, কণ্ঠ, সদায়েই তৰুণ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা হৈ ৰ'ব। তদুপৰি অসুস্থতা স্বত্বেও বিখ্যাত চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ সৈতে কটোৱা যুগ্মজীৱন দেশৰ ভিতৰতে এক বিৰল ঘটনা হিচাপে বিবেচিত। ই অন্য এক প্ৰেমৰ উদাহৰণৰ সৃষ্টি কৰিছে। এজন শিল্পীয়ে অন্য এজন শিল্পীৰ হৃদয় জয় কৰাৰ ই এক উৎকৃষ্ট নিদৰ্শন। সাগৰখন যেন মহাসাগৰত বিলিন হোৱাৰ এটা কাহিনী।■■

*****

## কৌতুক

■ তৰালী ঠাকুৰীয়া
তৃতীয় ষাণ্মাসিক

➢ শিক্ষক ঃ ঐ মানস, হাতীৰ ওপৰত ৰচনা এখন লিখিব পৰিবা নে?
মানস ঃ- নোৱাৰোঁ ছাৰ।
শিক্ষক ঃ- কিয়?
মানস ঃ- ছাৰ লিখি থাকোঁতে যদি কেনেবাকৈ হাতীৰ ওপৰৰ পৰা পৰি যাওঁ।

—০—

➢ পম্পি নামৰ ছয়-সাত বছৰীয়া ছোৱালী এজনীয়ে মাকৰ লগত কথা পাতি আছে।
পম্পি ঃ মা, মা, আমাৰ কাষৰ ঘৰটোলৈ নতুনকৈ যে মানুহঘৰ আহিছে, বৰ কৃপন যেন পাওঁ।
মাক ঃ তুমি কেনেকৈ জানিলা?
পম্পি ঃ তেওঁলোকৰ কেচুঁৱাটোৱে এটকা এটা গিলি দিওঁতেই ইমান স্থুল-স্থুল কৰিব লাগে নে?

—০—

➢ পুলিচ ঃ তুমি একেখন দোকানত কিয় দুবাৰকৈ চোৰ কৰিছিলা?
চোৰ ঃ ছাৰ, প্ৰথমবাৰ যাওঁতে তাত লিখা দেখিছিলোঁ- "ধন্যবাদ, পুনৰ আহিব।"

# সাহিত্য চৰ্চা আৰু সামাজিক পৰিবেশৰ প্ৰাসংগিকতা

■ চিমা কলিতা
স্নাতক, তৃতীয় যাণ্মাসিক



সাহিত্য হ'ল সমাজ এখনৰ দাপোণস্বৰূপ। সমাজ আৰু সাহিত্যৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। এটা জাতি বা জনগোষ্ঠীৰ বৌদ্ধিক পৰিচয় বহন কৰে তাৰ বাৰেবৰণীয়া সাহিত্যই। অসমীয়া ভাষা বা সাহিত্যৰ এক চহকী পৰম্পৰা আছে। সৌ তাহানিৰ সৰ্ব ভাৰতীয় সাহিত্য জগতত অসমীয়া কাব্য-সাহিত্যৰ এক সুকীয়া স্থান দখল কৰি ব্যতিক্ৰমত্ব আৰু স্বকীয়তাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। এই পৃথিৱীত সমস্ত জীৱ-কুলৰ মাজত মানুহে অনন্য স্থান দখল কৰিবলৈ সক্ষম হৈছে। মানুহে নিজৰ জীৱন সমাজখন আৰু চৌপাশৰ প্ৰাকৃতিক জগতখনৰ অৰ্থ আৰু তাৎপৰ্য সন্ধান কৰে। মানুহে জীৱন-যাপনৰ অৰ্থ অনুধাৱনৰ বাবে সৃষ্টি কৰা এনে এটা বিশিষ্ট মাধ্যমে হ'ল সাহিত্য। কিন্তু নতুন প্ৰজন্ম বা উঠি অহা ছাত্ৰ-ছাত্ৰী সকলৰ নতুনত্ব সৃষ্টিৰ প্ৰতি আগ্ৰহ তেনেই সীমিত যেন বোধ হয়। অতি সাম্প্ৰতিক সামাজিক পাৰিপাৰ্শ্বিকতা আৰু আমাৰ চৌদিশৰ অস্থিৰ, জটিল পৰিবেশও হয়তো এই স্থবিৰ পৰিবেশৰ সৃষ্টি কৰাত উদগনি যোগাইছে।

আজিৰ সমাজখনত ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীৰ মাজত সাহিত্য চৰ্চা কৰা যেন দুৰ্লভ হৈ পৰিছে। কিয় তেওঁলোকে সাহিত্য চৰ্চা কৰিবলৈ আগবাঢ়ি নাহে। নিজৰ মাতৃভাষাৰ অবিহনে সমাজ এখন কেনেকৈ জীয়াই থাকিব। প্ৰত্যেকজন ব্যক্তিয়ে যদি সামাজিক পৰিবেশৰ লগত জড়িত হৈ নিজকে 'মই কোন' মই সমাজখনৰ বাবে কি কৰিব পাৰো ? মই মোৰ অন্তৰৰ সুপ্ত প্ৰতিভা ৰাশিক কেনেকৈ উলিয়াই আনি সদ্-ব্যৱহাৰ কৰিব পাৰো যিবোৰৰ বাবে মই সকলোৰে আস্থাভাজন হব পাৰো এনেবোৰ প্ৰশ্ন কৰে তেতিয়াহলে সমাজত সামাজিক পৰিবেশ সুন্দৰ হব। এটা জাতি গঢ় দিবলৈ সাহিত্য



চৰ্চ্চা অতি প্ৰয়োজন। আমাৰ জীৱনটো ক্ষণস্থায়ী। জীৱনটোত আমি কৰিবলগীয়া বহু কাম থাকে। ব্যক্তিৰ সমষ্টিত পৰিয়াল একোটা গঢ় লয়। পৰিয়ালৰ সমষ্টিত চুবুৰী এটা গঢ় লয়। গতিকে আমি কব পাৰো সজ চিন্তা-ধাৰাই একো-একোখন সমাজৰ সৃষ্টি কৰে। আন কথাত কবলৈ গ'লে সাহিত্য হ'ল ভাষাৰ মাধ্যমেৰে কল্পনা আৰু সৌন্দৰ্য বহন সানি, জীৱন জগতৰ বিষয়ে দাঙি ধৰা সংবেদনশীল মনৰ ৰীতিবদ্ধ প্ৰকাশ। সমাজৰ ভেটিৰ ওপৰত সাহিত্যৰ সুউচ্চ মন্দিৰ নিৰ্মিত হয়। সাহিত্য যদি আমি এপাহ মনোৰম সৌৰভময় পুষ্প বুলি কওঁ সমাজ হ'ব তাৰ গা-গছ বা শিপা। দাপোন এখনত আমি যেনেকৈ নিজৰ প্ৰতিবিম্ব দেখিবলৈ পাওঁ ঠিক তেনেকৈ একোখন সমাজৰ ধৰ্মীয়, অৰ্থনৈতিক, ৰাজনৈতিক সংস্কৃতিক অৱস্থাৰ কথা সেই সমাজৰ সাহিত্যত পঢ়িবলৈ পাওঁ।

সাহিত্য চৰ্চ্চাই সমাজৰ মানুহৰ সুক্ষ্ম প্ৰতিভাৰ দোষ দুৰ্বলতা নোহোৱা কৰে। মানুহ হ'ল সামাজিক জীৱ। পানীক বাদ দি যেনেকৈ জীয়াই থাকিব নোৱাৰে ঠিক তেনেদৰে সমাজক বাদ দিলে মানুহৰ অস্তিত্ব মূল্যহীন হৈ পৰিব। জন্মৰ পৰা মৃত্যুলৈ মানুহ সমাজত অবিচ্ছেদ্য ভাৱে সাঙোৰ খাই থাকে। সাহিত্য সৃষ্টি কৰিব লাগিলে ব্যক্তি এজনে সমাজত জন্ম গ্ৰহণ কৰি সমাজতে সামাজিক পৰিবেশৰ লগতেই খাপ-খুৱাই ল'ব পাৰিব লাগিব। জন্মৰ পৰা শিশু এটাক মানৱ সমাজৰ সংস্পৰ্শৰ পৰা আতৰাই আনি যদি অৰণ্যত ডাঙৰ-দীঘল কৰা হয় তেন্তে সি সাহিত্য চৰ্চা কৰাটো দূৰৰে কথা। ভালকৈ ভাষাৰো ব্যৱহাৰ নিশিকিব।

সামাজিক পৰিবেশেই হ'ল সাহিত্যৰ কঠিয়াতলী। সমাজ পৰিৱৰ্তনশীল। সমাজে যিদৰে সাহিত্যক প্ৰভাবান্বিত কৰে সেইদৰে সাহিত্যয়ো সামাজিক পৰিবৰ্তনৰ শক্তিশালী মাধ্যম হিচাপে কাৰ্য কৰে। অসমত জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা অম্বিকাগিৰী ৰায় চৌধুৰী, নলিনীবালা দেৱী আদি সাহিত্যিক সকলৰ কথা আমি সকলোৱে জানো। সাহিত্য এক মহান তথা এক সুকুমাৰ কলা।

বৰ্তমান সময়ত ব্যক্তি আৰু পৰিয়ালৰ মাজত এক ডাঙৰ ব্যৱধান আহিছে তাৰোপৰি সমাজ আৰু ব্যক্তিৰ মাজতো ব্যৱধান আহিছে। দিনে-দিনে অনাথ আশ্ৰম বৃদ্ধাশ্ৰম আদিৰ পৰিসৰ বাঢ়ি গৈছে। এসময়ৰ ভাল-ছাত্ৰ-ছাত্ৰীবোৰ অমানুহৰ শাৰীলৈ পৰ্যবসতি হৈছে।

সামাজিক পৰিবেশৰ মাজত থাকিবলৈ হ'লে সময়ৰ সদ্-ব্যৱহাৰ কৰা, পিতৃ-মাতৃ-শিক্ষাগুৰু আদিৰ দিহা পৰামৰ্শ মানিব লাগিব। আজিৰ সময় বৰ নিষ্ঠুৰ যান্ত্ৰিক সভ্যতাই মানুহৰ হৃদয়ৰ স্পন্দন, আশা-আকাংশা, সুখ-দুখৰ ভাষা নতুবা মৰম-চেনেহ দয়া মমতাক গুৰুত্ব নিদিয়ে। সমাজখনক বাদ দি অকলশৰীয়া জীৱন-যাপন কৰা আৰু জেলৰ ভিতৰৰ কয়দী একে কথা। সমাজখনক ভালদৰে জীয়াই ৰাখিবলৈ হ'লে সময়ৰ সদ্-ব্যৱহাৰৰ লগতে সাহিত্য চৰ্চা কৰা অতি প্ৰয়োজন।■■

*****



# ভূপেনদা তোমাৰ গানে গানে

■ অনিন্দিতা ডেকা
স্নাতক, দ্বিতীয় ষাণ্মাসিক

মুক্তি কামী লক্ষ্যজনৰ
মৌন প্ৰকাশ শুনিছানে নাই?
জীৱন আকাশত নতুন সাহসৰ
পৰিছে জ্যোতি দেখিছানে নাই?

কিমান পালা নেপালা কিমান
হিচাপ নকৰিলেওঁ কোনো ক্ষতি নাই
আহিছে সময় গণনাৰো দিন
কৰিবা প্ৰকাশ কোনো ত্ৰাস নাই।

ড° ভূপেন হাজৰিকা আছিল একে ধাৰে বিশিষ্ট শিক্ষাবিদ, সুলেখক, গীতিকাৰ চিত্ৰকাৰ, পৰিচালক, ৰাজনীতিজ্ঞ, সুবক্তা আৰু মানৱ প্ৰেমিক। অসমী আইৰ সু-সন্তান ভাৰতৰত্ন ভূপেন হাজৰিকাৰ জন্ম হৈছিল ইং ১৯২৬ চনৰ ৮ চেপ্তেম্বৰ তাৰিখে শদিয়াত। তেতিয়া শদিয়া আছিল অটব্য হাবি। সেই সময়ত সেই অঞ্চলৰ নাম দিয়া হৈছিল — 'নৰ্থ ইষ্ট ফ্ৰন্টিয়াৰ এজেন্সি— অৰ্থাৎ নেফা। ইং ১৯৭২ চনৰ পৰাহে এই ঠাইখন 'অৰুণাচল' নামেৰে জনাজত হয়।

তেওঁৰ পিতৃৰ নাম নীলকান্ত হাজৰিকা আৰু মাতৃ আছিল শান্তি প্ৰিয়া হাজৰিকা। তেওঁ ককাদেউতাক বংশীধৰ হাজৰিকা আছিল শিক্ষক। তেওঁ নাজিৰাত বাস কৰিছিল আৰু এখন এম ই স্কুল স্থাপন কৰি তাতে শিক্ষকতা কৰিছিল। সেই স্কুলখন অসময়ত হাইস্কুললৈ উন্নত হৈছিল। স্কুলখনৰ নাম দিয়া হৈছিল বংশীধৰ হাজৰিকা হাইস্কুল।

শিক্ষাৰ মোল বুজা বংশীধৰ হাজৰিকাৰ পুত্ৰ নীলকান্ত হাজৰিকাই নাজিৰাৰ পৰা গুৱাহাটীলৈ আহি কটন কলেজত নামভৰ্তি কৰিছিল। কটন কলেজৰ পৰাই নীলকান্ত হাজৰিকা বি.এ পাছ কৰিছিল।

ইং ১৯৪০ চনত ভূপেন হাজৰিকা তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰে। আৰু ইং ১৯৪১ চনত তেওঁ গুৱাহাটীৰ ঐতিহাসিক কটন কলেজত আই. এ মহলাত নামভৰ্তি কৰে। ১৯৪২ চনত ভূপেন হাজৰিকাই কটন কলেজৰ পৰা আই. এ পাছ কৰে।

ড° ভূপেন হাজৰিকাৰ মাতৃ তেওঁৰ অতিশয় প্ৰিয়। তেওঁ তেওঁৰ জন্মদাত্ৰীক জ্ঞানদায়িনীৰূপে দেখে। মাকৰ প্ৰতি তেওঁৰ অপৰিসীম চেনেহ। তেওঁৰ বহু গীতত মাতৃৰ প্ৰতি এই চেনেহ প্ৰকাশ পাইছে। তেওঁৰ জন্মভূমি অসমকো তেওঁ মাতৃৰ ৰূপতে দেখিছিল। ৰূপহী অসমী আইৰ প্ৰতিও ভূপেন হাজৰিকাৰ অপৰিসীম অকৃত্ৰিম চেনেহ। অসমীয় আইৰ প্ৰতি থকা তেওঁৰ এই চেনেহ, এই প্ৰেম নানা ৰূপত নানা গীতত প্ৰকাশ পাইছে। অসমৰ ছবিবিলাক, অসমৰ স্মৃতিবিলাক তেওঁৰ মানসপটত ভুমুকি মৰাৰ দৰে তেওঁৰ গীতটো সঘনাই ভুমুকি মাৰে। তেওঁৰ গীতে প্ৰত্যেক অসমীয়াৰ হৃদয়তে অসমৰ ছবিকন বিশেষভাৱে সজীৱ কৰি ৰাখে। অসমৰ বাহিৰত বাস কৰা এই অসমীয়াসকলৰ কাৰণে ভূপেন হাজৰিকাৰ গীতেই অসম আৰু অসমীয়া জাতীয় জীৱনৰ লগত একমাত্ৰ সেতু।

অৱশ্যে ভূপেন হাজৰিকাৰ অসম বৰ্তমানৰ ৰাজনৈতিক অসম নহয়। তেওঁৰ অসং ভাৰতৰপূৰ্ব দিশৰ 'সূৰ্য উঠা দেশ', বিশাল ব্ৰহ্মপুত্ৰ আৰু গিৰিৰাজ হিমালয়ৰ 'ওখোৰা মোখোৰা সেউজীয়া লহৰ পতা" ঠাল-ঠেঙুলিৰে সেই অলকাপুৰী অসম।

"অসম আমাৰ ৰূপহীগুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।

এই কলিটো মনত পৰাত তেওঁ ভাবিছিল—'এই মোৰ ৰূপহী অসমী আইক হয়তো এৰি থৈ যাবগৈ লাগিব। কিন্তুএইখন ধুনীয়া দেশ, এইখন পৃথিৱী এৰি থৈ মই এতিয়াই যাব খোজা নাই। এতিয়াই কিয়, কেতিয়াও যাবলৈ মন নাযায়।

সেই প্ৰাকৃতিক সৌন্দৰ্যৰ ঐশ্বৰ্যপুৰী অসমৰ আত্মা অসমীয়া লোকসকলক বাদদি তেওঁ অসমৰসৌন্দৰ্য পূৰ্ণৰূপে নেদেখে । তাতে ডাঃ হাজৰিকা হৈছে মানৱ-প্ৰেমী-মানৱীৰ মৰম, সুহৃদয়তা, সহানুভূতি আদিয়েইতেওঁৰ ধৰ্ম। অসমৰ মানুহবিলাকৰ জীৱনৰ সৰু-সৰু কাহিনীবোৰেও তেওঁৰ মন-প্ৰাণ আকৰ্ষণ কৰে। শংকৰদেৱে আৰু মাধৱদেৱে ভক্তিৰ গীত গাই গাই আত্মহাৰা হোৱাৰ দৰে অসমী আই আৰু অসমীয়াৰ প্ৰতি থকা বিশেষ মৰমৰ গীত গাই ভূপেন হাজৰিকা আত্মহাৰা। এইখিনিতে উল্লেখযোগ্য যে 'বুকু হম হম কৰে' গীতটো তেওঁ ১৯৬২ চনৰ চীনৰ আক্ৰমণৰ সময়ত ৰচা। চীনা সৈন্য আহি তেজপুৰৰ কাষ পোৱাত অসমত সন্ত্ৰাসৰ সৃষ্টি হ'ল। তেজপুৰৰ পৰা প্ৰথমে নেতাসকলও উচ্চ বিষয়াসকল আৰু তাৰপিছত বহু নাগৰিক যিয়ে যেনেকৈ পাৰে পলালে। সেই সময়ত হাজৰিকা কলিকতাতে আৱদ্ধ হ'বলগীয়াত পৰিছিল। এপিনে নিজৰ অতি পূজনীয় মাতৃৰ দুৰৱস্থা আৰু আনপিনে দেশমাতৃৰ সম্ভাৱনীয় দুৰ্গতিৰ ভয়ত তেওঁৰ বুকু হম হম কৰিবলৈ ধৰিলে। সেই দুৰ্যোগৰ পটভূমিত ৰচাএই গীতটোত নিজৰ মাতৃৰ ৰূপত দেখা অসমীয় আইৰ প্ৰতি আৰু অসমী আইৰ ৰূপত দেখা তেওঁৰ মাতৃৰ প্ৰতি প্ৰেমৰ এক অতুলনীয় আন্তৰিক অভিব্যক্তি আছে।

স্বাধীনতাৰ আগে আগে আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসমৰ মুখ্যমন্ত্ৰী হৈ থকা দিনকেইটাত অসমৰ পিছপৰা পৰ্বতীয় ভাইসকলৰ জীৱন উন্নত কৰিবলৈ এক আন্তৰিক প্ৰচেষ্টা চলিছিল আৰু সেই অবিভক্ত অসমত পৰ্বত-ভৈয়াম সম্প্ৰীতিৰ ভাব বিৰাজ কৰিছিল। কিন্তু বিষ্ণুৰাম মেধি অসমৰ মুখ্যমন্ত্ৰী হোৱাৰ পিছত হঠাৎ এই আন্তৰিক প্ৰচেষ্টাৰ সামৰণি পৰিল আৰু পৰ্বত ভৈয়ামৰ চেনেহে এনাজৰীডাল ছিগি গ'ল।

"পাম ক'ম এনে মধুৰ ৰূপৰ সমাবেশ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।

এনেকুৱা গোটেই ৰূপয়ে ভৰি থকা অসম আৰু ক'ত পাম। এই ধুনীয়া দেশখন এৰি যাব মন নাযায় তাকে কোৱা

হৈছে। শ্বিলঙত বিষ্ণুপুৰ, মতিনগৰ আদি প্ৰতিষ্ঠা হ'ল কিন্তু পৰ্বতীয়া ভাইসকলৰ ভৈয়ামৰ অসমীয়াসকলৰ ওপৰত সন্দেহ হ'ল। এই ভাবিয়েই যে তেওঁলোকৰ আশা-আকাংক্ষাবোৰত ভৈয়ামৰ লোকসকল সহায় নহে হয়তো হেঙাৰহে হ'ব। এইবিলাকৰ মাজত একমাত্ৰ ভূপেন হাজৰিকা সদায় পৰ্বত-ভৈয়ামৰ গীত গাই আহিছে। অসমৰ পৰ্বত আৰু ভৈয়ামৰ ৰাইজ ও নেতাসকলে এই গীতবিলাকৰ কাতৰ আহ্বানৰ প্ৰতি কাণ দিয়া হ'লে হয়তো আজিৰ অসম, অৰুণাচল, মেঘালয়, নাগালেণ্ড মণিপুৰ , মিজোৰাম আদৰি লোকে এতিয়া হিয়া ভকুৰাবলগীয়া নহ'লহেঁতেন।

ড° ভূপেন হাজৰিকা সমূহ সৃষ্টিৰাজি পৃথিৱীৰ বিভিন্ন ভাষী ৰাইজে বুজিব পৰাকৈ অনুবাদ কাৰ্য সম্পাদন কৰাটো অতি প্ৰয়োজনীয়।

আঠ ছেপ্তেম্বৰ তাৰিখটো তেওঁৰ জন্মদিন । বিগত প্ৰায় দুই দশকৰ পৰা এই তাৰিখটো অসমৰ জনগণে জন্মদিন স্বৰূপে পালন কৰি আহিছে। তেনেদৰে ইং২০১১ চনৰ ৮ চেপ্তম্বৰটো ড° ভূপেন হাজৰিকাদেৱৰ জন্মদিন অসম তথা ভাৰতবৰ্ষৰ সহস্ৰাধিক অনুষ্ঠান প্ৰতিষ্ঠানে আনুষ্ঠানিকভাৱে বহলভাৱে উদ্‌যাপন কৰে।

ইং ২০১১ চনৰ ৫ নৱেম্বৰ, শনিবাৰ, অসমীয়া তাৰিখ ২৮ কাতি, ৫৬০ শংকৰাব্দ শুক্লা একাদশী তিথিত বিয়লি ৪-৩৭ মিনিট যোৱাত মুম্বাইৰ 'ককিলাবেন ধীৰুভাই আম্বানি হস্পিতালত ৮৫ বছৰ বয়সত ড° ভূপেন হাজৰিকাৰ জীৱনৰ অৱসান ঘটিল।

ড° ভূপেন হাজৰিকাদেৱৰ বিয়োগত, জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে তেওঁক শেষ শ্ৰদ্ধা জনাবলৈ যিদৰে এক জন জাগৰণৰ সৃষ্টি হ'ল, এক নব্য চেতনাৰ উদ্ভৱ হ'ল, এয়া সচাঁকৈ এক ঐক্য প্ৰেমৰ জয় যাত্ৰাৰ চিহ্ন। ইয়াৰ পৰাই আমি বহুত কথাই শিকিব পাৰোঁ-এয়া এক শিল্পৰে ৰূপান্তৰ। ■■

# মহিলা সবলীকৰণ আৰু সমাজত মহিলাৰ স্থান

■ অনিতা কলিতা
স্নাতক, ষষ্ঠ ষাণ্মাসিক



সবলীকৰণ শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Empowerment' ইয়াৰ সহজ অৰ্থ হ'ল অধিক শক্তিশালী বা বলবান। মহিলাৰ সবলীকৰণ বুলিলে মহিলা সকলৰ সামাজিক ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো দিশৰ উন্নয়নকে বুজোৱা হয়। একবিংশ শতিকাৰ চৰ্চিত বিষয় সমূহৰ ভিতৰত মহিলাৰ সবলীকৰণ এটি উল্লেখযোগ্য বিষয়। মোহময়ী নাৰী শক্তিয়ে নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে বিভিন্ন সময়ত আন্দোলনমুখী পথেৰে যাত্ৰা কৰিব লগীয়া হৈছে।

সৃষ্টিৰ মূলতো নাৰী, ধ্বংসৰ মূলতো নাৰী। সৃষ্টিশীল নাৰী শক্তিক যদিও জগতৰ মূল চালিকা বুলি কোৱা হয়, তথাপি এই নাৰী শক্তি সম্পূৰ্ণ ৰূপে বিকশিত হ'ব পৰা নাই। ভাৰতীয় দৰ্শনত নাৰীক দেৱীৰূপে বিবেচিত কৰি যুগে যুগে পূজা অৰ্চনা কৰা হৈছে। তথাপিও শক্তিৰ প্ৰতীক নাৰীক আমাৰ ৰক্ষণশীল সমাজ ব্যৱস্থাই সম্পূৰ্ণৰূপে ৰক্ষণা-বেক্ষণ দিব পৰা নাই । বৰ্তমান সমাজৰ ৰক্ষক সকলে ভক্ষকৰ ভাওলোৱা বাবে দৈনন্দিন নাৰী হৈছে ধৰ্ষিতা, লাঞ্চিতা। আজিৰ এই বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়নৰ দিনতো নাৰীয়ে

অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বলি হৈ অকাল মৃত্যুক সাৰতি লবলগীয়া হৈছে। বাতৰি কাকত খন হাতত তুলি ললেই আমি সদায় পঢ়িবলৈ পাওঁ যৌতুকৰ বাবে বোৱাৰী হত্যা, ডাইনী সন্দেহত প্ৰাণ হানি ইত্যাদি। সমাজৰ এই সংৰক্ষণশীল চক্ৰবেহুৰ সমাজৰ পৰা মহিলা সকলক মুক্ত কৰিবলৈ হ'লে মহিলা সবলীকৰণ অতিকৈ প্ৰয়োজন।

মহিলা সকল সামাজিক ভাৱে সবলীকৰণ হ'বলৈ হ'লে প্ৰথম পদক্ষেপ হ'ব তেওঁলোকৰ আত্ম সচেতনতা। বৰ্তমান মহিলা সকল পুৰুষৰ সমানে সমধিকাৰী হ'ব পাৰিব। মহিলাৰ শিক্ষাৰ বাবে চৰকাৰে বৰ্তমান কিছুমান বিশেষ ব্যৱস্থা কৰিছে যেনে মাধ্যমিক পৰ্যায়ত বৃত্তিয় শিক্ষা, দৰিদ্ৰ ছাত্ৰী সকলক বৃত্তি প্ৰদান।

ইয়াৰ উপৰিও সমাজত মহিলাৰ স্থান আৰু মৰ্যদা বৃদ্ধিৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰিছে। এইবোৰৰ ভিতৰতৰ হিন্দু বিবাহ আইন (১৯৯৫),উত্তৰাধিকাৰী আইন (১৯৫৬), বাল্যবিবাহ প্ৰতিৰোধ আইন (১৯৭৮) ইত্যাদি বিশেষ ভাৱে উল্লেখযোগ্য।

অৰ্থনৈতিক স্বাধীনতা মহিলা সবলীকৰণৰ অন্য এক উল্লেখযোগ্য পদক্ষেপ। মহিলা সকলৰ অৰ্থনৈতিক সবলীকৰণৰ বাবে পুৰুষ মহিলা সকলোকে চৰকাৰী চাকৰিত নিয়োগৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। গ্ৰাম্যাঞ্চলৰ মহিলা সকলৰ উন্নয়নৰ বাবে আত্মসহায়ক গোট গঠনৰ জৰিয়তে তেওঁলোকক আত্মনিৰ্ভৰশীল হৈ জীৱন কটোৱাৰ সুবিধা প্ৰদান কৰিছে।

মহিলাৰ উন্নয়নৰ অন্য এক পদক্ষেপ হ'ল ৰাজনৈতিক সবলীকৰণ। ঐতিহাসিক যুগৰ পৰা মহিলা সকলে ৰাজনীতিত অংশ গ্ৰহণ কৰা দেখা যায়। এনেদৰে আমি ইন্দিৰা গান্ধী আদিৰ দৰে বৰেণ্যা মহিলাৰ নাম ভাৰতীয় ৰাজনৈতিক জগতখনত লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছো।■■



# অসমৰ ৰাষ্ট্ৰীয় উদ্যান কাজিৰঙা

■ জুমী বেগম
একাদশ শ্ৰেণী

মানুহৰ সংখ্যা বৃদ্ধি যন্ত্ৰ সভ্যতাৰ প্ৰসাৰৰ লগে লগে পৃথিবীৰ বুকুৰ পৰা ইয়াৰ প্ৰাকৃতিক আৰু সৌন্দৰ্য দ্ৰুতগতিত বিলুপ্ত হৈ আহিব লাগিছে। অথচ মানুহ বাচি থাকিবলৈ প্ৰকৃতিৰ সম্পদ আৰু সৌন্দৰ্য অতি প্ৰয়োজনীয় সেইবাবে বৰ্তমান পৃথিৱীৰ দেশসমূহে নিজ নিজ দেশত প্ৰাকৃতিক সম্পদ আৰু সৌন্দৰ্য ৰক্ষাৰ কাৰণে বিশেষ ব্যৱস্থা হাতত লৈছে। সেইবোৰৰ ভিতৰত বনাঞ্চল সংৰক্ষণ, অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যান স্থাপন উল্লেখযোগ্য। প্ৰাকৃতিক সম্পদ আৰু সৌন্দৰ্য্যত চহকী আমাৰ অসম দেশৰ এই সম্পদ আৰু সৌন্দৰ্য্যও দিনে দিনে টুটি আহিব লাগিছে। সেয়েহে আমাৰ চৰকাৰেও কিছুমান অঞ্চল অভয়াৰণ্য ঘোষণা কৰিছে যাৰ ফলত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পৰিণত হৈছে। যোৰহাট জিলাৰ পশ্চিম আৰু নগাওঁ জিলাৰ পূবফালৰ প্ৰায় ৪০০ বৰ্গ কিলোমিটাৰ ঠাই যুৰি এই উদ্যান বিস্তৃত, ইয়াৰে পূৰ্বে বোকাখাট আৰু পশ্চিম বুঢ়া পাহাৰ। উত্তৰে ব্ৰহ্মপুত্ৰ। ব্ৰিটিছৰ দিনতে ইয়াক সংৰক্ষিত বনাঞ্চল ঘোষণা কৰা হৈছে। স্বাধীনতাৰ কালত ইয়াক প্ৰথমে অভয়াৰণ্য আৰু পিছত ৰাষ্ট্ৰীয় উদ্যানত পৰিণত কৰা হয়। ই এখন পৃথিৱীৰ বিখ্যাত ৰাষ্ট্ৰীয় উদ্যান। সংৰক্ষিত বনাঞ্চলত মানুহক বসতি কৰিবলৈ আৰু চৰকাৰৰ অনুমতি নোলোৱাকৈ গছ-বিৰিষ কাটিবলৈ দিয়া নহয়। ইয়াৰ উপৰিও অভয়াৰণ্য আৰু উদ্যানত জন্তু বধ কৰা নিষিদ্ধ। কাজিৰঙাত নানা জীৱ-জন্তু, চৰাই-চিৰিকটি আদি দেখিবলৈ পোৱা যায়। আজিকালি লুপ্ত হোৱা দেওহাহ আৰু ৰাং কুকুৰ



ইয়াত আছিল হেনো। হাতী, বাঘ, গাহৰী,পহু বনৰীয়া ম'হ.. গড় আদি জন্তু ইয়াত পোৱা যায়। কাজিৰঙা ঘাইকৈ গড়ৰ বাবে বিখ্যাত। মানাহটো গড় আছে। গড় ধৰি বিভিন্ন দেশৰ চিৰিয়াখানালৈ পঠোৱা হয়। অসমৰ গড়ৰ এটাকৈ খৰ্গ থাকে। জন্তু জানোৱাৰৰ উপৰিও অসমত থকা প্ৰায় সকলো চৰাইকে ইয়াত দেখিবলৈ পোৱা যায়। পুনীত নানা ধৰণৰ মাছ কাছ আদিৰ বাহিৰেও শাপ-সৰীসৃপ, ঘৰিয়াল আদি আছে। ইয়াত পিটনি, জলাশয় আদিও আছে। নানা গছ-গছনি নল খাগৰি, ইকৰা, খেৰ, ঘাঁহনি আদিও আছে। এইবোৰত চৰাই-চিৰিকটি, জন্তু জানোৱাৰ, মাছ শিহু আদিয়ে মুকলি ভাৱে বিচৰণ কৰি ফুৰে।

ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য বৰ মনোৰম আৰু উপভোগ্য, বিস্তীৰ্ণ ঘাহনি বননিৰ শ্যামলীলা, সূৰ্যোদয় আৰু সূৰ্যাস্তৰ ৰাঙলী আভই মানুহৰ মন ৰঙাই তোলে। ব্ৰহ্মপুত্ৰ পাৰৰ পৰা বলা মৃদু, মধুৰ সমীৰণে দেহ শীত পেলায়। শীতৰ মাজত জীৱ-জন্তুৰ মুক্ত গমন, পানীৰ মাছ কাছৰ বিহাৰ চাই আৰু চৰাই চিৰিকটিৰ গুঞ্জন, জিলিৰ মাত শুনি বিমুগ্ধ নহয় কোন? সেইবাবেই এই ৰাষ্ট্ৰীয় উদ্যান চাবলৈ নানান ঠাইৰ মানুহ আছে। প্ৰকৃতি প্ৰেমী আহে, প্ৰাণী বিশেষজ্ঞ আহে কেমেৰা লৈ ছবি তোলা মানুহ আহে কৌতুহলী জনতাৰ বিভিন্ন দল উপদল। খৰালি কালছোৰাত বনভোজ খাওতা লোকৰো প্ৰচুৰ সমাগম হয়। দেশী -বিদেশী পৰ্যটক সকলৰ কাৰণে চৰকাৰৰ পৰ্যটন বিভাগৰ পৰা নানা সা-সুবিধা আৰু সেৱা আগবঢ়াইছে। যাতায়তৰ সুবিধা কৰি দিছে, থকা মেলাৰ বাবে আধুনিক আদব কায়দাৰ পৰ্যটন নিবাসৰ ব্যৱস্থা কৰিছে। মাজে-মাজে আলিবাট আছে, জিৰণী ঘৰ আছে। হাতীত উঠি গোটেই উদ্যান ফুৰিব পৰা ব্যৱস্থা আছে। তথাপিও ইয়াক আৰু অধিক উন্নত আৰু আকৰ্ষণীয় কৰাৰ প্ৰয়োজনীয়তা আছে। কাজিৰঙাৰ জীৱ-জন্তু, গছ-গছনি আদি ৰাষ্ট্ৰীয় সম্পত্তি। ইয়াৰ জীৱ জন্তু দেশ বিদেশৰ চিৰিয়াখানালৈ চালান দি অসম চৰকাৰে বহুত টকা আয় কৰে। পৰ্যটক সকলৰ পৰাও কিছু বৈদেশিক বিনিয়োগযোগ্য মুদ্ৰা লাভ কৰে। দুখৰ বিষয় চৰকাৰী নিষেধ্যাত্মক আওকাণ কৰি মাজে-মাজে ধন আৰু মঙহলোভী চিকাৰীয়ে চোৰাংভাৱে ইয়াৰ জন্তু জানোৱাৰ বধ কৰে। বিশেষকৈ চোৰাং গড় চিকাৰ কৰা যিকোনো প্ৰকাৰে বন্ধ কৰিব লাগে।

কাজিৰঙা অকল ৰাষ্ট্ৰীয় সম্পদেই নহয়, ই আমাৰ দেশৰ গৌৰৱো। সেয়ে ইয়াৰ ৰক্ষণাবেক্ষণ আৰু শ্ৰীবৃদ্ধিৰ বাবে ৰাইজ আৰু চৰকাৰ উভয়ে যত্নপৰ হোৱা উচিত।■■

# কথা শিল্প

বৰ দুঃসময় চলিছে। ৰঙা সময়। ইমান অপ্ৰেম আৰু বিষাদৰ মাজত জীয়াই আছে মানুহবোৰ। হৃদয়ৰ দুৱাৰে দুৱাৰে কেবল তেজৰঙী ফেষ্টুন। প্ৰতিটো দিনৰ শেষত বাঢ়ি আহে হত্যাৰ কলৰব। কলমে তেজ বতিয়াই। মৃত্যু এতিয়া জীৱনৰ প্ৰত্যাহিক শিৰোনামা।



# 'ছবি'

■ডাঃ জিতেন্দ্ৰ ডেকা
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

দিনটোৰ অন্তত ঘুৰি অহা তৃপ্তিখিনি উপভোগ কৰিবলৈ অনুজে তাৰ পঢ়া টেবুলৰ কাষতে থকা চকীখনত বহি পিছফালে হাউলি দি চকুদুটা মুদি দিলে। দীঘলকৈ এটা উশাহ ল'লে। সন্ধিয়া লাগি ভাগিছিল। কৰবাত ৰজনীগন্ধা ফুলিছিল। উশাহত তাৰে গোন্ধটো সোমাই মনৰ আনন্দখিনি আৰু আলসুৱা কৰি তুলিলে। কপাহ কোমল তৃপ্তিখিনি আৰৰি আছিল কষ্টৰ টান বাকলি এচটাৰে। তাৰ ওঠত এটা হাঁহি তিৰবিৰাই গ'ল। ফেনৰ বতাহত উৰি থকা চুলিখিনিৰ তলত কপাল আৰু মুখখনৰ ঘামবোৰ লাহে লাহে শুকাব ধৰিলে। কিন্তু শুকোৱা নাছিল তৃপ্তিৰে চপচপীয়া মনটো।

দিনটোৰ আৰম্ভণি বৰ এটা ভাল নাছিল। পুৱা শুই উঠোতে দেৰি হোৱা বাবে দেউতাকৰ গালিৰে আৰম্ভ হোৱা দিনটো চাৰিওফালে বেয়াই আছিল। কলেজতো চাৰৰ কথা শুনিবলগীয়া হৈছিল। সাধাৰণতে ক্লাছত সি মবাইলটো অ'ফ কৰিয়ে থয়। কিন্তু কিয় জানো সিদিনা সি পাহৰিলে। য'তে বাঘৰ বয় ত'তে ৰাতি হয়। মুকুট চাৰৰ ক্লাচৰ মাজতে বাজি

উঠিল। বৰ লাজ পালে সি। অনিন্দিতাই ফোন কৰিছিল। যোৱাৰাতি তাইৰ লগত কাজিয়া লগাত আজি পুৱাৰ পৰা তাইৰ লগত এবাৰো ফোনত কথা পতা হোৱা নাছিল। সেই বাবেই চাগৈ ফোনটো বন্ধ কৰাৰ কথা পাহৰিলে। দুপৰীয়া কেন্টিনটো হিৰেনদাৰ লগত অলপ তৰ্কা-তৰ্কি হ'ল। মুঠতে দিনটো মুঠেই ভালভাৱে আৰম্ভ হোৱা নাছিল। যি ক্ষেত্ৰত আজিৰ দিনটো ভালকৈ আৰম্ভ হোৱাটো তাৰ বাবে খুবেই প্ৰয়োজন আছিল। আবেলি সিহঁতৰ কলেজ আৰু ওচৰৰে আন এখন কলেজৰ মাজত খুব গুৰুত্বপূৰ্ণ এখন ক্ৰিকেট মেছ আছিল। সি দলৰ অধিনায়ক। গোটেই দলটোৱে তাৰ ওপৰত ভৰসা কৰি আছিল। কাৰণ টুৰ্ণামেণ্ট খনত তাৰ প্ৰদৰ্শন আছিল চমকপ্ৰদ। হৈ যোৱা তিনিওখন মেচতে তাৰ বাবেই সিহঁত জয়ী হৈছিল। আজিও সকলোৱে তাক বহুত আশা কৰি আছিল।

খেলখন ভালদৰেই আৰম্ভ কৰিছিল সি। প্ৰথমে বেট ধৰি প্ৰথম অভাৰতে অনুজে শেষৰ দুয়োটা বল বাউণ্ডেৰীলৈ ঠেলি তাৰ আত্মবিশ্বাস বাঢ়িছিল। কিন্তু বেয়া দিন শেষ হোৱা নাছিল তাৰ। পৰৱৰ্ত্তী অভাৰতে বিপক্ষৰ ফাষ্ট বলাৰ এটাই তাৰ অফষ্টাম্প উফৰাই পেলালে। চৰম হতাশাত বেটপাতেৰে মাটিত আঘাট কৰি পেভেলিয়ন মুৱা হ'ল সি। কোনো দ্বিতীয় সুযোগ নাই। ক্ৰিজখনৰ পৰা খেলপথাৰৰ বাহিৰলৈ ৰাষ্টাটো যেন হঠাতে বহুত দীঘল হৈ গ'ল। গৈ নাপায়হে নাপায়। তলমুৰকৈ আহি থাকিলেও সি ভালকৈ অনুমান কৰিব পাৰিছিল তাৰফালে খং আৰু হতাশাৰে চাই থকা চকুবোৰ। হেলমেটতো খুলিব পৰা নাছিল সি। জীৱন আৰু ক্ৰিকেটৰ সাদৃশ্য সেইখিনিতেই। কোনো দ্বিতীয় সুযোগ নাই। লাইফ-লাইন নাই ভিডিঅ' গেমৰ দৰে। ক্ৰিকেটতো দ্বিতীয় সুযোগ নাই আৰু জীৱনতো দ্বিতীয় সুযোগ নাই। বেয়া দিনটো যেন শেষেই নহব। ফিল্ডিংতো তাৰ পৰা দুটা কেছ মিছ। চৰম হতাশাই আৱৰি ধৰিছিল। চাল্লা! দিনটো সচাই বেয়া। সি দলৰ অধিনায়ক। তাৰ পৰা কোনেও এনে প্ৰদৰ্শন আশা কৰা নাছিল। সি নিজেও "ফ্ৰাছট্ৰেটেড" হৈ গৈছিল। সিহঁত হৰাৰ পিছত খেলপথাৰৰ পৰা বাহিৰ ওলাইয়ে সি খণ্ডৰ ভমকত টুল এখনত থকা বটল এটা লাঠি মাৰি দিলে। ওচৰৰে টেবুল এখনত খুন্দা খাই বটলটো ফাটি থাকিল। বটলটো আছিল সিহঁতৰে দলৰ নবাগত খেলুৱৈ এজনৰ। কল্লোলৰ। এইবাৰ ফাষ্ট ছেমিষ্টাৰত নাম লগাইছে। ভাল খেলে সি। বটলটো ভাঙি যোৱাত সি ক্ষুণ্ণ হৈছিল। অনুজক টান কথা দু-আষাৰ ক'লে। এনেয়ে দিনটো বেয়া তাতে জুনিয়ৰ এজনৰ পৰা কথা শুনি অনুজৰ খংটো মুৰত উঠি গ'ল। খপকৈ উঠি গৈ তাৰ চোলাৰ কলাৰত ধৰি এটা চৰ মাৰি দিলে। আৰু মাৰিব খুজিছিল, কিন্তু লগৰবোৰে তাক ধৰি কল্লোলক আঁতৰাই নিলে। লগৰবোৰে তাক বুজাই বঢ়াই ঘৰলৈ লৈ আহিল। ঘৰত সোমায়ে বাইকৰ চাবি পাত ৱালত দলি মাৰি দি এই চকীখনতে বহি দিছিল। কিছুদেৰি বহাৰ পিছত তাৰ খংটো কমিব ধৰিছিল। কল্লোলৰ বাবে বেয়া লাগিব ধৰিছিল। ল'ৰাটো এনেই শান্ত। হয়তো তাৰ মৰমৰ আছিল বটলটো। আৰু সিটো গম নাপায় দিনটো অনুজৰ কি কি যে হৈছে। কোনো কাৰণ নোহোৱাকৈ কোনোবাই নিজৰ বস্তু এটা ভাঙি পেলালে কিয়নো খং নুঠিব? চৰম অনুশোচনাত অনুজৰ মন বিন্ধিব ধৰিলে। বহু সময় সি তেনেকৈ বহি থাকিল। কিমান সময় সি তেনেকৈ বহি আছিল গমে নাপালে। নামঘৰত মাকে সন্ধিয়াৰ প্ৰদীপ জ্বলাই ঘণ্টা বজাওতেহে স্তম্বিত ঘুৰি আহিল। আত্মোপলব্ধিৰ তাপত কিমান সময় সি থাকিল নাজানিলে কিন্তু এটা সিদ্ধান্ত সি লৈ পেলালে। চকীৰ পৰা উঠি ইফালে-সিফালে চাই দুৱাৰৰ চুকত পৰি থকা বাইকৰ চাবিপাত উঠাই ধুমুহাৰ গতিৰে সি ওলাই গ'ল। বজাৰত গৈ ডিপাৰ্টমেণ্টেল ষ্ট'ৰ এখনত সোমাই ভাল চাই বটল দুটা কিনিলে। সেই দুটা লৈ সি কল্লোল থকা হোষ্টেলৰ মুৱাকৈ বাইক পোনালে।

কল্লোলৰ ৰুমৰ বাহিৰত ৰৈ দুৱাৰত টোকৰ মৰাৰ আগতে সি আৰু এবাৰ ভাবিলে। সি ঠিকেই কৰিছেতো? জুনিয়ৰ ল'ৰা এটাৰ ওচৰত সৰু হ'লে তাৰ আত্মসন্মানত আঘাট লাগিব নেকি? যদি সি তাক অপমান কৰে বা ক্ষমা কৰিব অস্বীকাৰ কৰে। লাজ নাপাবনে সি? দীঘলকৈ উশাহ এটা লৈ ঠিৰাং কৰিলে সি তাক ক্ষমা খুজিলেহে তাৰ অশান্ত মনটো ক্ষান্ত হব। দৰ্জাত এটা টোকৰ মাৰিলে। কল্লোলে দুৱাৰখন খুলি দিলে। দুৱাৰত অনুজক দেখি সি অলপ ঠেৰো গেৰো কৰিলে। অনুজে দেখিলে সি যেনেকৈ খেলিব গৈছিল তেনেকৈয়ে আছে। কাপোৰ সলোৱা নাই, বা মুখ হাতও ধোৱা নাই। সিও বৰ বেছিকৈ আঘাত পাইছিল চাগৈ।

ঃ কি কৰিছা? বুলি সুধি অনুজে তাক ঠেলি ৰুমৰ ভিতৰত সোমাই গ'ল।

ঃ আছো। অভিমান ভৰা গদগদ মাতেৰে সি ক'লে।

অনুজ চকীখনত বহি কল্লোলক বিছনাখনতে বহিব দিলে। কিছু সময়ৰ নীৰৱতাৰ পিছত অনুজে উঠি গৈ কল্লোলৰ বিছনাত তাৰ কাষত বহি তাক সাৱতি ধৰিলে। সি উচপ খাই উঠিল। আবেলি হৈ যোৱা ঘটনাটোৰ বাবে সি তাৰ ওচৰত ক্ষমা খুজিলে। কল্লোল অলপ আচৰিত হ'ল। সি কেতিয়াও ভবা নাছিল যে ছিনিয়ৰ, তাতে দলৰ কেপ্টেইনজনে আহি তাক

ক্ষমা খুজিব। পলকতে তাৰ খংবোৰ আতৰি অনুশোচনা আহিল। সিও অনুজক জোৰকৈ সাবতি ধৰি ক'লে

ঃ অনুজদা মোৰে ভুল হৈছিল আপুনি ক্ষমা নুখুজিব। মই বেয়াকৈ ক'ব নালাগিছিল।

অনুজে আহিব ওলাই পেকেটৰ পৰা বটল দুটা ওলাই তাক দি ওলাই আহি বাইকত ষ্টাৰ্ট দিলে।

আহোতে ৰিবৰিবকৈ বৈ থকা বতাহজাক যেন সেইজাক বতাহ নহয় যিজাক বতাহ দিনটো বৈ আছিল। হঠাতে যেন বতাহজাকে সুৰ সলালে। দিনটো বিন্ধি থকা বতাহজাক যেন এতিয়া তাৰ বাবে কোমল, শীতল আৰু আলসুৱা হৈ পৰিল। মনটোৱে যেন বাগৰ সলালে। আচৰিত কোমলতাৰে ভৰি পৰিল।

দিনটো ভাৰাক্ৰান্ত হৈ থকা মনটো যেন চিন্তাশূন্য নিৰ্মল হৈ পৰিল। মুখত লাগি থকা হাহিটোৱে চকীখনত বহি সি তাকে ভাবি আছিল। ঘটনাবোৰৰ ওপৰত আমাৰ কোনো হাত নাই। কিন্তু তাৰ কৰ্মপন্থা আমাৰ হাতত আছে। গোটেই দিনটোৰ ঘটনা প্ৰবাহে তাক ঠেলি ঠেলি কদৰ্য্যতাৰ ফালে নি আছিল। কিন্তু সি নিজৰ ভুলটো উপলব্ধি কৰি মাত্ৰ এটা শব্দ কলে- 'ছৰি'। আৰু তাৰ যাদু সি এতিয়া উপভোগ কৰি আছে। কল্লোলেও চাগে দিনটোৰ দুখ পাহৰি ৰাকমেনত গান এটা শুনি আছে। নিজৰ ভুল বুজি ক্ষমা খোজাৰ সমান আনন্দ যে একো নাই সি আজি বুজি পালে। সি জীৱনৰ এটা পাঠ শিকিলে। ভুলৰ ক্ষমা খুজিলে সৰু হৈ নাযায়, বৰং মনত পৰম সুখ অনুভুত হয়।

ঃ "মা। চাহ একাপ দিয়া" বুলি চিঞৰি মুখ ধুব সি দমকলৰ ফালে খোজ দিলে।■■

# অবাস্তৱ কল্পনা আৰু ভগা সপোন

■ বৰষা ডেকা

স্নাতক, ষষ্ঠ ষন্মাষিক



দুৱাৰখন খুলি ৰৈ গ'ল অংকিতা আৰু লগে লগে তাই চিঞৰি উঠিল, 'তুমি, তুমি কিয় আহিছা ময়ূৰ? তোমাক কি লাগে?

ময়ূৰ দুৱাৰ মূখতে ৰৈ গ'ল আৰু এখোজো আগবাঢ়ি আহিবলৈ সাহস নকৰিলে। তথাপি ময়ূৰে ক'লে চোৱা অংকিতা তুমি মোৰ জীৱনৰ প্ৰথম প্ৰেয়সী' সেয়েহে। প্লিজ ময়ূৰ তোমাৰ লগত এতিয়া কথা পতাৰ একেবাৰে ইচ্ছা নাই। আজি তুমি মোৰ বিয়াৰ দিনা কিয় আহিছা? যোৱা চাৰিটা বছৰে তুমি মোৰ জীৱনটোক লৈ কিয় ইমান খেল খেলিলা? মোৰ প্ৰকৃত প্ৰেমক তুমি প্ৰতাৰণা কৰিলা, আলফুলে সজোৱা মোৰ সপোনটো তুমি ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰি দলিয়াই দিলা। তুমি জানা ময়ূৰ, কিমান বিশ্বাসৰ অধিকাৰী হ'লে এজন মানুহক আপোন কৰি ল'ব পাৰি। আচলতে কি জানা ময়ূৰ, প্ৰেম ভালপোৱা জীয়াই ৰাখিবলৈ হ'লে বিশ্বাস, শ্ৰদ্ধা আৰু অনুভূতিৰ প্ৰয়োজন, ইয়াৰ এটা হেৰাই গ'লেই জীৱনত বিশ্বাস শকটিৰ প্ৰতি মানুহৰ ঘৃণা উপজে।

অংকিতাৰ কথা শুনি ময়ূৰে আৰু এখোজো আগবাঢ়ি যাবলৈ সাহস নকৰি অহা বাটেৰে উভতি গ'ল।

ময়ূৰে যোৱা দেখি অংকিতাই চোফাখনতে বহি পৰিল। তাইৰ মনত হাজাৰটা প্ৰশ্ন উঠিল মানুহ ইমান স্বাৰ্থপৰ হ'ব পাৰেনে? তায়ো স্বাৰ্থপৰৰ শাৰীত থিয় দিছে নেকি? বহুত কষ্টৰ মূৰত আজি তাই বিয়াত বহাৰ সিদ্ধান্ত লৈছে। যিমানেই নিজৰ অতীতক পাহৰিব খোজে সিমানেই স্মৃতিবোৰে আমনি কৰিব ধৰে দুধাৰি অশ্ৰু বৈ আহে দুনয়নেৰে।

আচলতে কেইটামান বছৰৰ চিনাকী মানুহজনক মাক-দেউতাতকৈ বেছি বিশ্বাস কৰাটোৱে তাইৰ আটাইতকৈ ডাঙৰ ভূল হ'ল যাৰ ফলত 'বিশ্বাস' শব্দটি থান-বান হৈ পৰিছে।



মাক-দেউতাকৰ সৈতে তাই জীৱনটো আকৌ নতুনকৈ আৰম্ভ কৰিছে। তাই চাৰিওফালে এতিয়া কেৱল সুন্দৰতাকে দেখা পাইছিল। বহুত আশা, এবুকু সপোন আৰু বিশ্বাস লৈ অংকিতাই মাক-দেউতাকৰ ঘৰখন এৰি ময়ূৰৰ ওচৰলৈ গুচি আহিছিল।

ময়ূৰ অংকিতাৰ চাৰি বছৰৰ ভালপোৱা। অংকিতাই কলেজত থাকোতে ময়ূৰক লগ পাইছিল। কলেজৰ সন্মূখতে ময়ূৰৰ কিতাপৰ দোকান এখন আছিল। কিতাপ কিনিবলৈ গৈয়ে চিনাকী দুয়োৰে। দিনৰ পিছত দিন বাগৰি সিহঁতৰ ভালপোৱা গভীৰতাৰ মাজলৈ সোমাই গ'ল। তেনেকৈয়ে তিনিবছৰ পাৰ হ'ল। অংকিতাৰ ঘৰত কথাটো গম পাই দেউতাকে সিহঁতৰ সম্পৰ্কটো মানি নল'লে আৰু ক'লে মোৰ বন্ধু এজনৰ পুতেকৰ লগত অহা বছৰত তোমাৰ বিয়া গতিকে এই সকলোবোৰ পাহৰি যোৱা। কিন্তু অংকিতাই ময়ূৰৰ বাহিৰে আন কাৰোবাৰ লগত বিয়া হোৱাৰ কল্পনা কৰিবই নোৱাৰে। সেয়ে তাই সমস্ত ত্যাগ কৰি ময়ূৰৰ ওচৰলৈ গুচি অহাৰ সিদ্ধান্ত ল'লে আৰু ময়ূৰক জনালে যে মই গৈ আছো চিৰদিনৰ বাবে তোমাৰ ওচৰলৈ তুমি কলেজৰ ওচৰতে ৰৈ থাকো বুলি কৈ তাই যাবলৈ ওলাল। মাকে গম পাই তাইক বহুত বাধা দিলে যদিও তাই মাকৰ বাধা নামনি ওলাই গ'ল ঘৰৰ পৰা প্ৰিয়জনৰ ওচৰলৈ। কিন্তু তাই জনা নাছিল যিজন প্ৰিয়জনক চকু মুদি বিশ্বাস কৰি জন্মদাতা পিতৃ-মাতৃক কষ্ট দি এৰি গুচি গ'ল সেইজনেই তাইৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নমাই আনিব। ঘৰৰ পৰা ওলাই আহি তাই ময়ূৰক ফোন কৰিলে ফোনটো বাৰে বাৰে ব্যস্ত বুলি কৈ আছে। তাইৰ বুকুখন দূৰু দূৰুকৈ কপিবলৈ ধৰিলে। বহুত পৰ অপেক্ষাৰ পিছতো ময়ূৰ নহা দেখি তাই আকৌ ফোন কৰিলে ফোনটো বন্ধ কৰি থোৱা আছে।

অংকিতাৰ হৃদয়খন কঁপি উঠিল ক্ষন্তেকতে কি হৈ গ'ল এইবোৰ। ময়ূৰে কিয় এনেকুৱা কৰিলে তাইৰ লগত। নিৰুপাই হৈ তাই ময়ূৰৰ দোকানলৈ গ'ল। ময়ূৰ দোকানত নাই দোকানত ৰখা ল'ৰাজনহে আছে। তাই সোধো-নোসোধোকৈ ল'ৰাজনক সুধিলে পল্লৱৰ দাদা কৈ? পল্লৱে অংকিতাক আগৰ পৰাই চিনি পাই। ময়ূৰ আৰু অংকিতাৰ সম্পৰ্কটোৰ কথা সি জানে? সেয়ে সি কওঁ-নকওঁকৈ ক'লে ময়ূৰ দাদা দোকানলৈ অহা নাই বিয়াৰ বজাৰ কৰিবলৈ গুৱাহাটীলৈ গৈছে। আচৰিত হৈ অংকিতাই সুধিলে বিয়াৰ বজাৰ কাৰ বিয়া পল্লৱ? পল্লৱে ক'লে তুমি গম নোপোৱা ময়ূৰীবা অহা সপ্তাহত ঘৰৰ পৰা চাই দিয়া ছোৱালী এজনীৰ লগত ময়ূৰদাৰ বিয়া? কি? আচৰিত হৈ গ'ল অংকিতা কিছু সময়ৰ বাবে তাইৰ উশাহ-নিশাহ বন্ধ হৈ গ'ল। সৰগ পৰা মানুহৰ দৰে থিয় হৈ ৰ'ল। অৱশেষত নিৰুপাই হৈ তাই আকৌ মাক-দেউতাকৰ ওচৰলৈ আহি ক্ষমা বিচাৰিলে। মাক-দেউতাকেও ক্ষমা কৰি দিলে। নিজকে স্থিৰ কৰি তুলিবলৈ তাইক বহুত দিন লাগিল। দেউতাকে কোৱা বন্ধুজনৰ পুতেকৰ লগত আজি তাইৰ বিয়া। গতিকে নিজৰ ভূলক লৈ অনুতপ্ত ময়ূৰক ক্ষমা কৰিবলৈ আজি তাইৰ আহৰিও নাই ইচ্ছাও নাই। অংকিতা আজি মাথো এক নতুন আলোক পথৰ যাত্ৰী য'ত অতীতৰ কোনো স্থান নাই।■■

# দ্বিতীয় মৃত্যু

■ ড° নীলোৎপল শৰ্মা
সহঃ অধ্যাপক
অসমীয়া বিভাগ

এটা সুন্দৰ বেটুপাত, উন্নত মানৰ চিন্তাসমৃদ্ধ লেখনি, ভাল কোৱালিটীৰ কাগজ, উন্নত প্ৰিণ্টিং, নিখুঁত বাইণ্ডিং আদি সমৃদ্ধ এখন গ্ৰন্থ সম্পাদনা কৰাৰ গোপন হাবিয়াস সৰুৰে পৰা মোৰ মনসমুদ্ৰত সংগোপনে আছিল। এই চিন্তাটোৰ লগতে মই আৰু এটা সিদ্ধান্ত লৈছিলোঁ, সেইটো হ'ল— সামগ্ৰিকভাৱে মোৰ জীৱনকালত মই এখন গ্ৰন্থই সম্পাদনা কৰিম। সিদ্ধান্তটো লোৱাৰ পিছৰে পৰা গ্ৰন্থখন সন্দৰ্ভত মই মোৰ চিন্তাৰ পৰিধি প্ৰসাৰ কৰি চৌপাশৰ পৰা যাতে গ্ৰন্থখন আটকধুনীয়া হয় তাৰ পৰিকল্পনাত ব্যস্ত আছিলো। ক'বলৈ গ'লেই এটা প্ৰক্ৰিয়া, যি প্ৰক্ৰিয়াত মই আৰু সেই বিশেষ গ্ৰন্থখন অনবৰতে সহাৱস্থান কৰোঁ। সূক্ষ্মতকৈ সূক্ষ্মতৰ দৃষ্টিভংগী কোনো এক বিষয়ৰ ওপৰত আৰোপ কৰাৰ যি সৌন্দৰ্য, সেই সৌন্দৰ্য পানৰ বাবে মই আছিলো ভীষণ তৃষ্ণাতুৰ। আজি বিছ বছৰ ধৰি মই গ্ৰন্থখনৰ নামত প্ৰতিটো পুৱা, দুপৰীয়া অথবা আবেলি ভাবত বুৰ গৈছোঁ। এনে এক সুদীৰ্ঘ পৰিকল্পনাৰ কেতিয়া অন্ত পৰিব তাক মই সঠিককৈ ক'ব নোৱাৰোঁ, কিয়নো মোৰ সম্পাদকীয় চিনাকি সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিছে এটা জাগতিক ঘটনাৰ ওপৰত। ঘটনাটো স্বাভাৱিক কিন্তু মোৰ বাবে অসহনীয়। ঘটনাটোৰ পিছতেই মোক কোনোবা শক্তিয়ে লৈ যাব শৈশৱৰ গাঁৱলৈ, অনুশাসনৰ পৃষ্ঠা লুটিয়াই মই যেন আকৌ সৰল-শাব্দিক চৰাই এটা হ'ম, বৰযুণৰ দিনবোৰত।



মাধ্যাকৰ্ষণিক অৱস্থা এটাৰ মাজতে মোৰ গ্ৰন্থখন, চুম্বকীয় আকৰ্ষণৰ সাৰ্থকতা সেই জাগতিক ঘটনা। কিন্তু ঘটনাটোৰ অপেক্ষাত হাত সাৱটি মই বহি থকা নাই। কাম কৰি গৈছোঁ। য'ত যি সমল পাইছোঁ সংগ্ৰহ কৰিছোঁ। বিষয়ৰ লগত সম্পৰ্কিত ফটো বা যিকোনো তথ্য মই সযতনে ৰাখি থৈছোঁ। প্ৰায় পাঁচশ পৃষ্ঠাজোৰা সুদীৰ্ঘ কলেৱৰৰ গ্ৰন্থখনৰ খৰচো মই সম্পূৰ্ণ নিজাববীয়াকৈ বহন কৰিম। তাৰ বাবে মোৰ সামান্য দৰমহাৰ এটা অংশ কিছু বছৰ ধৰি মই জমাই আহিছোঁ। ভালতকৈ ভাল প্ৰেছ ইতিমধ্যে ঠিক কৰি থৈছোঁ। প্ৰুফ ৰীডাৰো বন্দৱস্ত কৰিছোঁ। মুঠৰ ওপৰত ক'বলৈ গ'লে গ্ৰন্থ এখনৰ সম্পাদনাৰ প্ৰায় আশী শতাংশ কামেই মই খুব নিয়াৰিকৈ সমাপ্ত কৰি থৈচোঁ। গ্ৰন্থখনৰ পাতনি লিখিছে সু-প্ৰসিদ্ধ সাহিত্য সমালোচক শৰৎ ৰায় চৌধুৰীয়ে। বিছ পৃষ্ঠাজোৰা সুদীৰ্ঘ পাতনিটোত গ্ৰন্থ প্ৰকাশৰ উদ্দেশ্য, সামাজিক প্ৰাসংগিকতা তথা তেওঁৰ ব্যক্তিগত দৃষ্টিভংগীৰ লগত বিষয়বস্তুত ধাৰণাৰ ব্যৱহাৰিক সংযোগ প্ৰতিফলিত কৰিছে। মই এতিয়ালৈ তেওঁৰ পাতনিটো পাঁচবাৰমান পঢ়িলোঁ, আশ্চৰ্যকৰ তেওঁৰ ভাষাৰ প্ৰকাশিকা শক্তি আৰু জীৱন্ত বৰ্ণনা। কৃতজ্ঞতা শিতানতো তেওঁৰ নামটো মই প্ৰথমতেই উল্লেখ কৰিছোঁ লগতে কৃতজ্ঞতা জনাইছোঁ ফটোগ্ৰাফাৰ হৰেণক। সি মোৰ সমবয়সৰ। গ্ৰন্থখনৰ লগত সম্পৰ্কিত বহু ফটো সি মোক ক্লান্তিহীনভাৱে সংগ্ৰহ কৰি দিয়াই নহয়, তাৰ বাবদ তাক যে এটকাও নালাগে সেয়াও আগতেই কৈ থৈছে। সি সংগ্ৰহ কৰি দিয়া ফটো এশৰ ওচৰা-উচৰি হ'ব, যিবোৰ প্ৰাণৱন্ত আৰু গতিশীল মাথোঁ। গ্ৰন্থখনৰ এটা গুৰুত্বপূৰ্ণ কাম বাকী আছে। কামটো সম্পূৰ্ণ কৰিবলৈ মই যে চেষ্টা কৰা নাই তেনে নহয়, কিন্তু অলেখ চেষ্টাৰ পিছতো মই হাৰি গৈছোঁ। মই সম্পাদকীয়টো লিখি উলিয়াব পৰা নাই। তিনিদিন চেষ্টা কৰিও এটা শব্দ লিখিব পৰা নাই। কি লিখিম, কি নিলিখিম। অজস্ৰ কথাই ভিৰ কৰে। গুৱাহাটীৰ ৰাজপথৰ ট্ৰেফিক জাম ফালি পাকৈত ড্ৰাইভাৰে গাড়ীখন উলিয়াই নিয়াৰ দৰে এটা মুক্ত পথৰ সন্ধানত অনুভৱবোৰে চোন

ভিৰৰ মাজতে উশাহ হেৰুৱাই। শেষ মুহূৰ্তলৈ চেষ্টা কৰিম, যদি বিফল হওঁ তেন্তে সম্পাদকীয় পৃষ্ঠাটো উকা ৰাখিম। জীৱনত মাত্ৰ এখন গ্ৰন্থ সুদীৰ্ঘভাৱে সম্পাদনা কৰা সম্পাদকজনৰনো ক'বলৈ বা লিখিবলৈ একো নাথাকিলনে? এনে এটা প্ৰশ্নৰ মুখামুখি মই যে হ'ম সি নিশ্চিত। গ্ৰন্থখন সেইটো মুহূৰ্তত ছপাশালত দিম, যেতিয়াই জাগতিক ঘটনাটো ঘটিব। দিনটো যেন লাহে লাহে স্পৰ্শ কৰিব ধৰিছে মোৰ আৱেগ-অনুভূতি, জীৱনৰ সৰু-বৰ প্ৰতিটো ঘটনাই অধিক প্ৰাণৱন্ত হৈ ধৰা দিছে। গ্ৰন্থখনক লৈ মনসমুদ্ৰত সৃষ্টি হৈছে অলেখ প্ৰশ্ন। মৰীচিকাসদৃশ সচেতন পঢ়ুৱৈৰ মাজৰ দুই-এজনে গ্ৰন্থখন পঢ়িবনে? তৰ্জন-গৰ্জন কৰি অহা সমুদ্ৰৰ ঢৌৱে পাৰত খুন্দা খাই আকৌ উভতি গৈছে, আকৌ আহিছে, আকৌ গৈছে। মনৰ চঞ্চলতাত টোপনিয়ে পলায়ন কৰিছে, চিত্ৰকল্পত ধৰা দিছে সৰল-গম্ভীৰ বেটুপাতেৰে গ্ৰন্থখন, জীৱনচৰ্যাৰ এটা বিশাল অংশ কঁপি উঠিছে মাজনিশা, প্ৰিণ্টিং মিছটেক অথবা বৰ্ণ অশুদ্ধিৰ আশংকাত। উঠি গৈছোঁ আকৌ মেজৰ ওচৰলৈ, লিখিনিবোৰত চকু ফুৰাইছোঁ, অভিধানিকভাৱে মিলাই চাইছোঁ। মোৰ এনে সচেতনতা বাঢ়ি অহা মানে সেই জাগতিক ঘটনাটোও সমান্তৰালভাৱে আগবাঢ়ি আহিছে। হয়তো দুই-এদিনৰ ভিতৰতে গ্ৰন্থখন মই প্ৰেছত দিব লগা হ'ব পাৰে। সেয়ে অফিচ টাইম, ঘৰ-সংসাৰ, আত্মীয়ৰ কিবা উৎসৱ, আনন্দ-দুখ, আশা-হতাশা সকলো গ্ৰন্থখনৰ একো-একোটা পৃষ্ঠাত বিলীন হৈ গৈছে। এক সুদীৰ্ঘ প্ৰক্ৰিয়া, মোৰ জীৱনত অঘোষিত এটা চাকৰি, নিত্য-নৈমিত্তিক পৰিঘটনা, এক নিচা অথবা কেতবোৰ আশা, সপোনৰ সমষ্টি মোৰ এইখন গ্ৰন্থ। ঘনচিৰিকাই এডাল এডালকৈ খেৰ কঢ়িয়াই এটা ঘৰ সজাৰ দৰে ময়ো অজানিতে নিৰ্মাণ কৰিছোঁ তাৰ পৰিসীমা আৰু সুদীৰ্ঘ দিনৰ মূৰত আজি মই সম্পূৰ্ণ বিশ্বাসেৰে ক'ব পাৰোঁ যে গ্ৰন্থখন প্ৰেছত দিয়াৰ সময় হ'ল।

দেউতাই সজোৰে এটা কাঁহ মাৰিলে। কালি নিশাৰ পৰা তেওঁৰ অসুখ বহুত বেছে হৈছে। ডাক্তৰ মাতিছিলোঁ। তেওঁ দেউতাৰ মৃত্যুৰ আগতীয়া ইংগিত এটা মোক দি থৈ গ'ল। জাগতিক ঘটনাটোৱে মোৰ চৌপাশে ভিৰ কৰিছেহি। শয্যাগত অৱস্থাত দেউতাৰ কেইখনমান ফটো ল'বলৈ হৰেণক মাতি পঠিয়াইছোঁ। দুই-এদিনৰ ভিতৰতে দেউতা চাগে ক'ৰবাত বিলীন হৈ যাব আৰু মোৰ গ্ৰন্থখনো প্ৰেছলৈ যাব। সৰুৰে পৰা মৃত্যুৰ পিছতো দেউতাক জীয়াই ৰখাৰ মোৰ যি সংকল্প, সেয়া বাস্তৱায়িত কৰা সময় লাহে লাহে মোৰ প্ৰাত্যহিক জীৱনৰ অংগ হ'বলৈ মসৃণভাৱে আহিছে। দেউতাৰ স্মৃতিসম্বলিত এখনি গ্ৰন্থ, এটা সুন্দৰ বেটুপাত, উন্নত মানৰ চিন্তাসমৃদ্ধ লিখনি, ভাল কোৱালিটীৰ পেপাৰ, উন্নত প্ৰিণ্টিং, নিখুঁত বাইণ্ডিংসমৃদ্ধ কৰি সম্পাদনা কৰাৰ এক অস্বাভাৱিক জিজ্ঞাসা দেউতাৰ বুকু ফাটি যোৱা কাঁহবোৰে মোক ওচৰ চপাই আনিলে।

আজি দেউতাৰ প্ৰথম মৃত্যুবাৰ্ষিকী। এসময়ত নিজহাতে তোলা দেউতাৰ ফটোখনৰ আগত বহি আছে হৰেণ। দেউতাৰ ফটোত দিবলৈ এডাল বগা ফুলৰ মালা দোকানৰ পৰা আনিবলৈ মই হৰেণকেই কৈছিলোঁ। স্বভাৱজাত বৈশিষ্ট্যৰে এখন কাগজেৰে মালাডাল মেৰিয়াই সি সময়মতেই আহিল। তাৰ হাতৰ পৰা মালাডাল লৈ দেউতাৰ ফটোখনত আঁৰি দিলোঁ। হঠাৎ কাগজখিলাত চকু পৰিল— সেইখন মোৰ বিছ বছৰীয়া কষ্ট, পৰিকল্পনা আৰু দেউতাৰ দ্বিতীয় আৰু প্ৰকৃত মৃত্যুৰ প্ৰতীক, মোৰ দ্বাৰা সম্পাদিত গ্ৰন্থখনৰে দেউতাৰ স্মৃতিসম্বলিত এখিলা পাত...।■■

*****

বিঃ দ্ৰঃ এই গল্পটো 'আমাৰ অসম' কাকতৰ দেওবৰীয়া আলোচনী পূৰ্বাচলত ২০১১ চনৰ ৭ আগষ্ট তাৰিখে প্ৰকাশিত। লেখকৰ অনুমতি সাপেক্ষে পুনৰ্মুদ্ৰন কৰা হ'ল।

# 'সুখী-পৰিয়াল'



■ দৰ্পনা চৌধুৰী
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

ঐ ধৰ্! মাৰ্!। ওলাই আহ, দুৱাৰ খোল- চাই লম তোক আজি, ওলাই আহ বাহিৰলৈ... বাহিৰৰ হুলস্থূলত বকুলীয়ে সাৰ পাই চকুকেইটা মোহাৰি মোহাৰি বিচনাখনৰ ওপৰতে বহি পৰিল। ভালকৈ একো বুজিব নোৱাৰি গাৰুৰ ওচৰত থোৱা দিয়াচলাইটো খেপিয়াবলৈ ধৰিলে চাকিটো জ্বলাও বুলি। চাকিটো জ্বলাবলৈ নৌ পাওতেই দুৱাৰখন ভাঙি ভিতৰলৈ সোমাই আহিল গাৰৰ ডেকাবোৰ।

বকুলী ডেকাবোৰক দেখি হতভম্ব হ'ল। ইমান ৰাতি তহঁত কিয় আহিছ এনেকৈ? মোৰ দুৱাৰখনো ভাঙিলি। কথাষাৰ শেষ হ'বলৈ নৌপাওতেই ডেকাবোৰে তাইক লাঠি, জোং, যাঠি, আদিৰে কোবাই কোবাই মাৰিবলৈ ধৰিলে।

বকুলী ডেকাজাকৰ প্ৰহাৰত মাটিত বাগৰি পৰিল, মোক নামাৰিবি! মোক নামাৰিবি! মোক কিয় মাৰিছ? মই কি দোষ কৰিছো? মই তহঁতৰ ওচৰত হাত যোৰ কৰিছো, মোক নামাৰিবি। মই মৰি গ'লে মোৰ বাচা দুটাক কোনে চাব? বকুলীৰ কথাত কাৰো কাণসাৰ নাই।

গাঁৱৰ ডেকাজাকৰ লগতে ওলাই আহিল ল'ৰা-বুঢ়া তিৰোতা সকলো। সিহঁতৰ আক্ৰমণত বকুলীৰ অৱস্থা নোহোৱা হ'ল। বকুলীয়ে শেহাই শেহাই হাতযোৰ কৰি কাকুতি মিনতি কৰি ক'লে মোক তহঁতে কিয় মাৰিছ? মো.. ক.. না.. মা..ৰি.. বি! মোক ... জী.. য়া.. ই.. থা.. কি.. ব... লৈ দে!

বকুলীৰ কান্দোনত গাঁৱৰ মানুহৰ চিঞৰ বাখৰত বকুলীৰ ১০ বছৰীয়া ল'ৰা আৰু ৭ বছৰীয়া ছোৱালীজনী সাৰ পাই বাহিৰলৈ ওলাই আহিল। মানুহৰ ভিৰৰ মাজত মাকক সিহঁতে দেখাই নাপালে। ভয়তে সিহঁতে কান্দিবলৈ ধৰিলে। গাঁৱৰ মানুহবোৰে সিহঁত দুটাক তেনেকৈ দেখা পাই সিহঁতকো মাৰিবৰ কাৰণে খেদি আহিল ছালা ... ডাইনীৰ সন্তান। তহঁতে এতিয়াই এই ঘৰ এৰি গুচি যা।

বকুলীৰ ল'ৰা ছোৱালীহালে মা মা কৈ কান্দিব ধৰিলে। মানুহবোৰৰ মাজৰ পৰা মদন নামৰ এজন ডেকা দৌৰি আহিল। সি বকুলীৰ ল'ৰা ছোৱালী দুটাক সাবটি ধৰি চিঞৰি চিঞৰি ক'বলৈ ধৰিলে ৰাইজ, আপোনালোক শান্ত হওঁক শান্ত হওঁক ৰাইজ, বকুলী বাইক নামাৰিব বকুলী বাইৰ গাত কোনো দোষ নাই, বকুলী বাই নিৰ্দোষী। মদনে চিঞৰি কথাবোৰ কৈ থাকোতেই সেই ঠাইখিনিত পুলিচ আহি উপস্থিত হ'ল। পুলিচক দেখি গাঁৱৰ মানুহবোৰ অলপ আঁতৰি গ'ল। ইতিমধ্যে গাঁৱৰ মানুহৰ প্ৰহাৰত বকুলী বায়ে মৃত্যুক সাবটি ল'লে।

বকুলী বাই আছিল বকোৰ পৰা প্ৰায় ২০ কিঃ মিঃ দূৰৰ শান্তি গাঁৱৰ। শান্তি গাঁৱত কেতিয়াও অশান্তি হোৱা নাছিল। সকলোৰে সুন্দৰ ভাবে বাস কৰিছিল। শান্তি গাৱৰ প্ৰায়বোৰ মানুহে আছিল খেতিয়ক। শিক্ষা দীক্ষাৰ ফালৰ পৰা তেওঁলোক পিছ পৰা। কৃষি কৰ্মৰে তেওঁলোকে সুন্দৰ জীৱন-যাপন কৰিছিল। কোনোদিনে তেওঁলোকৰ অভাব হোৱা নাছিল। অভাব সিহঁতে বুজি পোৱা নাছিল। বকুলী বাই এইখন গাৱৰে আছিল। বকুলী বাই গিৰিয়েক বাদল আৰু ল'ৰা ছোৱালী দুটাৰ সৈতে সুন্দৰ ভাবে আছিল। দুমাহ আগত বকুলী বাইৰ গিৰিয়েকৰ ডায়েৰীয়া ৰোগত মৃত্যু হৈছিল। গিৰিয়েকৰ মৃত্যুৰ পিছত বকুলী বায়ে ইঘৰ-সিঘৰত কাম কৰি কোনোমতে সন্তান দুটিৰ লগত জীৱন নিৰ্বাহ কৰিছিল। হঠাৎ জানো কি হ'ল! বকুলী বাইক সকলোৰে ডাইনী হিচাপে সন্দেহ কৰিব ধৰিলে। ধনৰ অভাব হ'লেও বকুলী বাইৰ কোনো দিনে মনৰ অভাব হোৱা নাছিল।



# মমতা

■ অখিল পাঠক

সাংসৰিক জীবনৰ বাবে জীৱন লগৰী হিচাপে ৰাজেন নামৰ ল'ৰাজনে ধুনীয়া ছোৱালী এজনী বাছি ল'লে আৰু সাংসাৰিক জীৱন আৰম্ভণী কৰিলে। কিন্তু কি হ'ব বহু বছৰ ধৰি কোনো সন্তানৰ মুখ নেদেখাত মনত বৰ দুখ। ৰাজেন সমাজৰ এজন নামী গুণী ল'ৰা, সমাজৰ মানুহে বহুত ভাল পাই ৰাজেনক। কাৰণ সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ লগত তাৰ ব্যক্তিগতভাবে ভাল সম্পৰ্ক। ৰাজেন Helpful ল'ৰা এদিন মনৰ দুখত বহু দূৰণিৰ এখন গাওঁত জাৰণি ফালি গৈ আছিল, বাটত বাটৰুৱাই লগ পালে মনৰ কথাবোৰ আলোচনা কৰে এনেকৈ গৈ থাকোতে হঠাৎ হাবিৰ মাজত শিশু এটা কান্দি থকা শুনিলে। সি কান্দোনৰ অনুসৰণ কৰি গৈ আছিল, আৰু শিশুটোৰ মাকে ৰাজেনক যোৱা দূৰৰ পৰাই লক্ষ্য কৰি আছিল। ৰাজেনে শিশুটোক পাই মনতে বহু চিন্তা কৰিলে আৰু শিশুটো কোলাত লোৱা-নোলোৱাৰ কথা ভাবি-ভাবি কোলাত ল'লে শিশুটোৱে মানুহৰ কোলা পোৱাৰ লগে লগে হাঁহিলে আৰু মাকেও দূৰৰ পৰাই হাঁহিলে আৰু ভাবিলে তাইৰ শিশুটো অন্তৰ ভৰা মতে স্থান পালে। শিশুটো মাকে এনে কৰাৰ কাৰণ তাইৰ জীৱনত প্ৰতিশোধ আৰু বহু আশাই জোৱাৰ নমাই আছিল। সেয়ে তাই মানুহ জন চিনিলে, আৰু যাতে প্ৰয়োজনত তাৰ ল'ৰাটো চাব পাৰে, ৰাজেনে বৰ আনন্দত আহি আহি ঘৰ পালে আৰু নিজৰ অৰ্ধাংগিনী Queen ক মাতিলে আৰু শিশুটো দেখুৱাই ঘটনাটো ক'লে, কুইনে Queen সঁচাকৈ বৰ সুখী অনুভৱ কৰিলে, আৰু তেতিয়াই তাৰ নাম Prince ৰাখিলে। এনেকৈ দিন গ'ল বছৰ গ'ল লাহে লাহে Prince ডাঙৰ হ'ল আৰু ৰাজেনে গাওঁখন চলোৱাত সাহস আৰু উৎসাহ পালে, আৰু সিফালে Prince ৰ মাক (শেৱালীয়ে) আইক কৰা অপমান অত্যাচাৰৰ প্ৰতিশোধ লৈ তাই অধিক সম্পত্তিৰ মালিক জনবল, ধনবলৰে এখন সমাজত পৰষ্ঠিত নাৰী হিচাপে জনপ্ৰিয় হৈ পৰিছিল এনেকুৱা তাইৰ ক্ষতা নাম উচ্চাৰণ কৰি কথা ক'বলৈ মানুহে দুবাৰ ভাবে। এনেকৈ প্ৰায় ১১ বছৰ পিছত নিজৰ ল'ৰা

জনৰ খবৰ আৰু সুস্বাস্থ্যৰ বাবে পহৰি ৰাখি থলে, ইমান কঠোৰভাৱে যেন Prince য়ে তিল মাত্ৰও জানিব নোৱাৰে, প্ৰায় ১২ বছৰ বয়স পোৱাত Prince অসুখত পৰে, এনেকুৱা অসুখ যেন জীৱন মৰণৰ কথা, এই কথা শেৱালীয়ে গম পাই কোনেও নজনাকৈ Prince অক নিজৰ ৰাজমহললৈ আনিলে আৰু বিশেষ বিশেষ কবিৰাজ আৰু তন্ত্ৰ-মন্ত্ৰৰ অধিকাৰী আৰু বিভিন্ন জৰিবতি আদি ব্যৱহাৰ কৰি সুস্থ কৰিলে। ইফালে ৰাজেনে Prince ক বিচাৰি দামী-নামী চোৰ-পুলিচ দকাইত ভাল বেয়া সকলোৰে ওচৰত বিচাৰ খোচাৰ কৰি নাপাই পাগল হোৱাৰ অৱস্থা। সকলো চোৰ দকাইতৰ মুখত Prince নামৰ ল'ৰা অপহৰণ। বিশেষ বিশেষ সুত্ৰৰ পৰা বিচাৰি গৈ এদিন শেৱালীৰ ৰাজমহল পালে। তাত ৰাজেনে Prince ৰ খবৰ ৰখা শেৱালীৰ পহৰাদাৰক সুধিলে (শেৱালীৰ হুকুম মতেহে) হয়। Prince ইয়াতে কাৰণ মাকৰ খুব বেছি মনত পৰিছে নিজৰ পুত্ৰ চাবলৈ। ৰাজেন অহা কথা শুনি শেৱালী আহি লগ কৰি কথা পাতি ক'লে মোৰ বৰ মন গৈছিল মোৰ সন্তানক চাবলৈ, সেয়ে মই আনিছো আৰু মোৰ ল'ৰা মোৰ লগত আছে।

ৰাজেনে ক'লে Prince আচলতে মোৰ সন্তান মই তাক ডাঙৰ-দীঘল কৰিছো গতিকে মোক Prince অ'ক লাগে; লাগে (দুখত চকুপানী নিগৰী) শেৱালী বুজি পাই ক'লে ঠিক আছে আপোনাৰ ঘৰত যিমান সদস্য আছে ইয়াতে লৈ আহক Prince আমাৰ লগত থাকিব, তেতিয়া ৰাজেনে তেওঁৰ গাঁৱত কথা বিলাক সকলো বিবৰি ক'লে। গাওঁৰ মানুহৰ জীৱন-যাপন চলা ফুৰা পিন্ধা উৰা আৰু এজনৰ লগত আনজনৰ সম্পৰ্কৰ কথা। ৰাজেনে এনেধৰণৰ কথাবোৰ হজম কৰিব নোৱাৰি এজনী মাতৃ হিচাপে তাই কথা দিলে আজিৰ পৰা মই আপোনাৰ লগত আপোনাৰ গাওঁত থাকিম কাৰণ মই Prince অৰ মাক হওঁ, মই তাক এৰি বহু বছৰ আঁতৰত থাকিলো যদিও এতিয়া আৰু তাক মই অকলে অৰ্থাৎ মোৰ পৰা দূৰত ৰাখিব নোৱাৰো। শেৱালীৰ কথাত ৰাজেন সন্মত হ'ল আৰু পুত্ৰক মাতৃস্নেহৰ অভাৱ অনুভৱ কৰিব নিদিলে। (ইমেজিন) নাৰী এনেকুৱা শক্তিৰ অধিকাৰীনি যি সকলো হজম কৰিব পাৰে আৰু প্ৰয়োজনত বিষ পান কৰি উলিয়াই দিব পাৰে তেওঁলোকে পাতিবও পাৰে ভাঙিবও পাৰে মাক সঁচাকৈ বিশাল হৃদয় আৰু মৰম স্নেহৰ অধিকাৰিনী।■■

# এপাহ ৰঙা গোলাপ

■ ধ্ৰুৱজ্যোতি চৰকাৰ
স্নাতক, প্ৰথম যান্মাষিক



এই কাহিনীৰ আৰম্ভণি ক'ত মই নাজানো। সময়ৰ সোঁতত আৰু মোৰ অকৰা নুবুজা খণ্ডৰ কাৰণে আজি চাৰি বছৰ মোৰ কান্দিব লগা হৈছে। পাহৰি গৈছিলো মই সময়ে যে সকলো সলনি কৰি পেলায়। কিন্তু সময়ৰ পাহৰণিৰ কোলাত এৰি দিয়া কিছুমান কথা পাহৰিব নোৱাৰি। কেতিয়াবা কেতিয়াবা পাহৰিব খোজা কিছুমান কথাই হৃদয়ত ধপ-ধপাই। পাহৰণি বোকোছাত এৰি দিয়া কথাবোৰ দিনলীপিত আবদ্ধ কৰিবলৈ বৈ গ'ল মোৰ।

কিন্তু হঠাৎ আজি চাৰি বছৰৰ পুৰণি কথাই আমনি কৰিছে মোক। প্ৰায়ে আমনি কৰে যিবোৰ। সুবাৰ নিছাত

সকলো পাহৰি পেলাও। তাইৰ নাম মনালিছা। মোৰ মৰমৰ পত্নী। আজি চাৰি বছৰে তাইক এবাৰ চাবৰ চেষ্টা কৰা নাই। চাৰি বছৰ আগতে আমাৰ মৰমৰ মাজত ফাট মেলিছিল। আমাৰ মৰমৰ সৰু সুৰা কাজিয়াই এদিন চুৰান্ত ৰূপ ধাৰণ কৰিছিল। মোৰ অকৰা খঙৰ কাৰণে মই কব পৰা নাছিলো সেই ৰাতি সুৰাৰ নিচাত কি কৈ পেলাইছিলো তাইক। ৰাতি ইমান সুৰা পান কৰিছিলো যে ৰাতিপুৱা তাই এৰি যোৱা গমেই পোৱা নাছিলো মই। তাই ক'লৈ গৈছিল মই আজি চাৰি বছৰে বিচৰা নাই। কিন্তু আজি হঠাত তাইৰ অনুপস্থিতেয়ে মোক সচাঁকৈ আমনি কৰিছে। আজি সুৰাৰ নিচাই তাইৰ কথা পাহৰাব পৰা নাই। পাহৰিব পৰা নাই তাইৰ মৰমৰ মাতষাৰ। আজি তাইৰ অনুপস্থিতেয়ে মোক দুৰ্ব্বল কৰি পেলাইছে। চকুলোবোৰে মোক বাৰে বাৰে কৈছিল যদি মই তাইৰ ওচৰত এবাৰো গলোঁহেতেঁন আজি হয়তো এনেদৰে কান্দিব নালাগিলহেঁতেন। বাৰে বাৰে তাই ওচৰলৈ যাবলৈ মন গৈছে। সকলো ভুলৰ স্বীকাৰ তাইৰ ওচৰত কৰিবৰ মন গৈছিল। আবেগে সমস্ত শৰীৰ কপাই তুলিছিল মোৰ।

মই অহাকালি তাইৰ ওচৰত যোৱাৰ সিদ্ধান্ত লৈছিলো। তেতিয়া ৰাতিপুৱা ৮ বাজিছে। মই দৌৰা-দৌৰিকৈ সাজু হৈছিলো তাইৰ ওচৰত যাবলৈ। পদুলি মুখত ফুলি থকা ৰঙা গোলাপ পাহ লৈ মই থিয় হৈছিলো তাইৰ ঘৰৰ সন্মুখত। ভাবিছিলো এইপাহ দি মই তাইৰ ওচৰত ক্ষমা খুজিম। কলিং বেলৰ চুইট্চটো লাহেকৈ টিপি দিলো। দুৱাৰখন খুলি উচাপ খাই উঠিল তাই। হয়তো আশা নকৰা অথচ মনেৰে সদায় বিচাৰি ফুৰা মানুহজন তাইৰ চকুৰ সন্মুখত।

তাই মোক ভিতৰত বহিব দিলে। অলপ পিছতে দুকাপ চাহেৰে সৈতে তাই সোমাই আহিছিল। চাহ খাবলৈ দি তাইৰ চকুত উপচি পৰা চকুলোবোৰ ঢাকি মোক সুধিছিল "তুমি বিয়া পাতিলানে ..??? মোৰ মাথো তাইৰ কপালৰ ফোটটো চাই থাকিবলৈ মন গৈছিল। লাহেকৈ উত্তৰ দিলো নাই ....। সেমেকা চকুৰে মই উত্তৰ দিছিলো। লগে লগে সুধিছিলো তুমি ...??? অ' মই কৰিলো। পিছে আজি হঠাতে এইফালে কিয়? তাই সুধিলে। মই ক'লো অফিচৰ কামত এইফালে আহিছিলো।

তুমি তোমাৰ স্বামীৰ লগত সুখীনে? হয় মই বহুত সুখী। তাই উত্তৰ দিলে। মোৰ বহুত যত্ন লয় যদিও তেওঁ দূৰত চাকৰি কৰে।

তাইৰ বিষয়ে ইমানবোৰ জানিও মোৰ তাইৰ ওচৰৰ পৰা উঠি যাবলৈ মন নগ'ল সেইদিনা। তথাপিও কলো যাও দিয়া। বেছি দেৰি বেলেগৰ পত্নীৰ লগত বহি থকাটো ভাল কথা নহয়। কথাষাৰ কৈ মই যাবলৈ ওলালো। হয়তো তাইৰো মোক ক'ব মন আছিল আৰু অলপ তাইৰ কাষত বহিবলৈ। কিন্তু তাই থমকি ৰৈছিল। মই তাইৰ পিনে উভতি নাচালো। চালে হয়তো মই মোৰ চকুপানী ৰখাব নোৱাৰিলোহেতেন। হয়তো তাইও কান্দিলেহেতেন।

মই গুছি আহিলো তাইৰ কাষৰ পৰা। তাই মোক একেঠৰে চাই আছিল মই নেদেখা হোৱালৈকে। কিমান সুখৰ আছিল সেই সময়বোৰ য'ত আমি একেলগে বহি সুখ দুখৰ কথা পাতিছিলো। আৰু আজি তাতকৈ বহুগুণে দুখৰ এজনে আনজনৰ পৰা আঁতৰি থকাটো।

এইবোৰ কথা ভাবি থাকোতে এখন দোকান দেখি মই ৰৈ দিলো। পকেটৰ ভিতৰত থকা গোলাপ পাহ মোহাৰি দিবলৈ মন গৈছিল। কিন্তু সেয়ায়ে তাইলৈ নিয়া মোৰ শেষ উপহাৰ। বিভিন্ন চিন্তাই আবৰি ধৰিছিল মোক। ইমান পলম কৰা দুখে মোক খুলি খুলি খাই ছিল। দোষটো মোৰেই আছিল। দোকানীজনৰ ফালে চাই কলো বন্ধু এটা চিগাৰেট দিয়া। দোকানীজনে মোক নেদেখা মানুহৰ দৰে চাইছিল। মই আকৌ এবাৰ মাত দিয়াৰ আগত চিগাৰেটটো মোৰ পিনে আগবঢ়াই দিছিল। চিগাৰেটৰ প্ৰথম হোপাৰ ধোৱাত মোৰ ধুঁৱলি ছবিখন ভাহি উঠিছিল। সেই ধোৱাত নিজৰ ভৱিষ্যৎৰ অলেখ কথা। সি মোক মাত লগালে "আপুনি সেইজনে নহয়নে মানে আমাৰ মনালিছা ভন্টিৰ স্বামী। আপুনিও যে মানুহ এজন দেই নিজৰ পত্নীক এৰি চাৰি বছৰে বাহিৰত থাকেনে বাৰু। সেইখন বাংগালোৰ। আপুনি বছৰতো এবাৰ আহিব নোৱাৰেনে?"

তেওঁৰ সকলো কথা শুনিলো। মোৰ সন্মুখৰ চিগাৰেটৰ ধোৱাবোৰ আঁতৰি চাফা হৈ পৰিছিল। কথাষাৰ শুনাৰ পিছত মোৰ অনুভৱ হৈছিল যে মনালিছা আনৰ হোৱা কথাবোৰ মিছা আছিল। তাই কোৱা তাইৰ বাহিৰত চাকৰি কৰা স্বামী মানে মই। তাই অ'ত দিনে মোৰ সন্মানৰ কাৰণে ইয়াৰ সকলোকে মিছা কৈছিল। আজি চাৰি বছৰে যাৰ খবৰ লোৱা নাই তাই মোক ইমান ভাল পায়, মই কল্পনা কৰিব পৰা নাছিলো। মই নিজকে বহুত নিছ অনুভৱ কৰিলো। অনুসূচনাই মোক পুৰি পেলাইছে। মই উভতি গ'লো। তাই চোতালত বহি চকুপানী মচি আছিল। তাই থিয় হৈছিল। তাই মোক কিবা কোৱাৰ আগতে মই তাইক সাৱটি ধৰিলো। মোৰ পকেটৰ পৰা গোলাপপাহ দি তাইক ক'লো— "বলা কলিজা আমাৰ সুখৰ ঘৰলৈ উভতি যাওঁ।" আমাৰ সপোনবোৰ বাস্তবয়িত কৰিব পাৰিম যেন লাগিছিল। হেজাৰ দুখ কষ্টৰ মাজেৰেও মই তাইক সমস্ত সুখ দিয়াৰ সংকল্প লৈছিলো।




# "অৰণ্যৰ আদিম মায়া"

মূল- "কমল লাহিড়ী"
অনুবাদ- জয়া মেধি

আজি আকৌ সেই ঘটনাৰেই পুনৰাবৃত্তি ঘটিল। আজিৰে সৈতে আগৰ পাঁচ দিন একেৰাহে ডাঃ সান্তনুয়ে এটা অতি নাটকীয় ঘটনাৰ মাজত সোমাই যোৱা যেন লাগিল।

গাৰুৰ ওচৰৰ পৰা পকেট টৰ্চটো লৈ ঘড়ীটো চালে ৰাতি ২.২০ মিনিট হৈছে। মোটামুটি সময়টো প্ৰায় একেই। প্ৰায় ১½ ঘণ্টা-এই সময়খিনি তেওঁ এক চৰম উত্তেজনাৰ মাজেৰে পাৰ কৰিছে। পিন্ধি থকা গাৰ চোলাটো খামত টিতি গৈছে আৰু মূৰৰ চুলিবোৰও তিতা-তিতা যেন লাগিছে। গোটেই শৰীৰটোত এক অসহ্য ক্লান্তি অনুভৱ কৰিছে।

নিজকে সংসত কৰি ডাঃ শান্তনুয়ে লাহে লাহে বিচনাৰ পৰা নামিলে। ওচৰৰ ৰুমত শুই থকা মধুৰাম ঘোৰ টোপনিত। মাতিবলৈ ইচ্ছা থাকা সত্ত্বেও তেওঁ বধুৰামক নামাতিলে। তেওঁ বাৰান্দালৈ ওলাই আহি চকীখনত বহি পৰিল। এক গিলাছ পানী খোৱাহলে ভাল লাগিলহেঁতেন। ডিঙিটো একেবাৰে শুকাই গৈছে। ইচ্ছা কৰিয়েই তেওঁ লাইট নজনালে। পোহৰতকৈ অন্ধকাৰেই ভাল লাগিছে। ইমান সময় অৰণ্যে তেওঁ অন্ধকাৰৰ মাজতেই আছিল। অৰণ্যে সেই অন্ধকাৰৰ ৰূপ-অতি বেদনাদায়ক। কাৰণ সেই অন্ধকাৰতেই ডাঃ সান্তনুৱে সকলোবোৰ স্পষ্টকৈ দেখিবলৈ পাইছিল। কথাটো মনত পৰিলত তেওঁ আকৌ এবাৰ চমকি উঠিল। তাৰ পিছত চকীখনৰ পৰা উঠি তেওঁ ঘৰৰ ভিতৰলৈ গ'ল।

পানী এগিলাছ লাহে লাহে খাই ছিগাৰেট এটা জ্বলাই আকৌ চকীখনত বহি পৰিল। বাৰান্দাৰ, ওচৰত এখন সৰু বাগিছা। বাকীখিনি ঠাই খালী তাত দুডাল ইউক্লিলীপ্‌টাছ আছে। ঘৰৰ ওচৰতে এডাল ডাঙৰ শিমলু গছ। হঠাৎ গছডালত পাখিৰ শব্দশুনি, সেইপিনে ডাঃ শান্তনুৱে চালে। কেইদিনমান হ'ল এটা শগুন আহি তাত আছে। সেই খিনিতে দুজনী কাউৰীয়েও আহি বাহ সাজিছিল। বধুৰামে এডাল দীঘল বাহেৰে শগুনটোক খেদিবলৈ কেইবাদিনো চেষ্টা কৰিছিল, কিন্তু প্ৰত্যেকবাৰে শগুনটোৱে ঘূৰি আকৌ, শিমলু গছডালতেই বহিছিলহি। ডাঃ শান্তনুৱে শগুনটোক তেনেকৈ খেদিবলৈ বধুৰামক মানা কৰিছিল। হয়তো শিমলু গছডাল ডাঙৰ হোৱা বাবে তাতেই

নিৰাপদ, বুলি ভাবি শগুণটোৱে তাতেই আশ্ৰয় লৈছে। কিন্তু ইমান ৰাতি এনেকে পাখি ধপধপোৱাৰ শব্দ হৈছে কিয়? অন্ধকাৰত সকলোবোৰ কথা স্পষ্ট ভাৱে বুজা নাযায়। চিগাৰেটতো জোৰেৰে হুপি গাটো লৰাই ভালকৈ বহি ললে ডাঃ শান্তনুয়ে। অলপ আগতে ঘটি যোৱা ঘটনাটো আকৌ এবাৰ প্ৰতিফলিত হ'ল তেওঁৰ মনত কিয় যে, একেৰাহে এই পাঁচ দিন সেই ভয়ংকৰ দৃশ্যবোৰ দেখি আছে সেইটোওটো এটা বিস্ময় অথচ কন্নকী ঢুকাবৰ আজি দেৰ বছৰেই হ'ল।

অলপ আগতে, বুঢ়া শগুনটোৱে আশ্ৰম বিচৰাৰ দৰে হঠাৎ, কন্নকীৰ মুখখন ডাঃ শান্তনুৰ মানসপটত ভাহি উঠিল। স্থানীয় আদিবাসী গাভৰু কন্নকী নিৰাশ্ৰম হৈ আশ্ৰম বিচাৰি আহি সেইদিনা ডাঃ শান্তনুৰ ওচৰত কান্দি উঠিছিল। কথাটো মনত পৰাৰ লগে লগে ডাঃ শান্তনুৰ গোটেই শৰীৰটো ৰোমাঞ্চিত হৈ উঠিল।

তিনিবছৰ আগৰ কথা। ডাঃ শান্তনু বৰুৱা তেতিয়া এই পাহাৰুৱা ঠাই খনলৈ নতুনকৈ আহিচে। চাকৰিৰ তেতিয়া প্ৰায় শেষৰ অৱস্থা। তেওঁ বহুত কষ্ট কৰি Chife Medical Officer ৰ'ক কৈ Posting টো এই পাহৰুৱা ঠাইখনলৈ কৰাইছিল। বহুত সুখ-দুখৰ কথা তেওঁৰ এই ঠাইখনৰ লগত জড়িত হৈ আছে। সেইবোৰ তেওঁ পাহৰিব নোৱাৰে। সেইদিনবোৰ আছিল এক দুঃসহ কষ্টৰ দিন সেই সময়ত যদি ফাদাৰ জোণান্তে তেওঁক আশ্ৰম নিদিলেহেতেন তেওঁৰ যে কি কষ্ট নহ'লহেঁতেন। মাক-দেউতাক মৰি যোৱাৰ পিছত তেওঁক সন্দেহ স্বত্বেও বুকুত সাবতি ধৰিছিল ফাদাৰে। অৱশ্যে তেওঁৰ এয়াই কাম আছিল। তথাপি সকলোতকৈ বেছি আদৰ-কায়দাৰে তেওঁক ফাদাৰে তুলি-তালি ডাঙৰ-দীঘল কৰিছিল।

যিয়ে নহওঁক তেতিয়াৰ পৰা তেওঁ চৰ্চাতেই থাকি গ'ল। তাৰ পিছত তেওঁ নিজৰ অধ্যৱসায়, সততা আৰু পৰিশ্ৰমৰ বলত এদিন ডাক্তৰী পাচ কৰি আহিল স-সন্মানেৰে। ডাক্তৰী পাচ কৰাৰ পিচতেই ফাদাৰ স্বৰ্গগামী হয়। প্ৰথমতেই তেওঁ গাৱলৈ গৈ অসহায় মানুহবোৰৰ সেৱা কৰিবলৈ মন কৰিলে, কিন্তু তাতওঁতো অৰ্থৰ প্ৰয়োজন। তাৰ পিছত তেওঁ দক্ষিণ-পূৰৰ ৰেলওঁৱেৰ ডাক্তৰ চাকৰি কৰিলে। সুদীৰ্ঘ চাকৰি জীৱনত তেওঁ মান যশ আৰু অৰ্থ সকলোবোৰ বুটলিবলৈ সক্ষম হৈছিল। নিজৰ ভৱিষ্যত জীৱনৰ কথা কেতিয়াও চিন্তা নকৰিলে। যেতিয়া তেওঁ মাজে মাজে ভীষণ ভাৱে নীসংগতা অনুভৱ কৰে তেতিয়া ঘৰৰ ভিতৰত সোমাই দৰজা বন্ধ কৰি পৰম পিতাৰ ওচৰত প্ৰাৰ্থনা কৰে। এয়া তেওঁক ফাদাৰেই শিকাইছিল। ইয়াতে তেওঁ বহু শান্তি পাইছিল।

এনেকৈ তেওঁৰ জীৱনৰ সময়বোৰ পাৰ হৈ গৈছিল। বুধুৰাম তেওঁৰ সংগ দিবলৈ কেইবাবছৰে হ'ল। চাকৰীৰ শেষ দিন কেইটা ৰাছীত কটাই তেওঁৰ ভালেই লাগিছিল। সকলোবোৰ পুৰণি-স্মৃতি ইয়াত জড়িত হৈ আছে। সেই পুৰণা চাৰ্চটো আজি আৰু নাই। তাৰ ঠাইত নতুন ধৰণৰ ডাঙৰ চাৰ্চ এটা গঢ়ি উঠিছে। ডাঃ শান্তনুৰ পৰিচিতও বিশেষ কোনো নাই। শেষে নিজৰ কামক লৈয়ে ব্যস্ত থাকে ডাঃ শান্তনু। কিন্তু কন্নকী আহিয়েই সকলোবোৰ খেলি-মেলি, লগাই দিলে।

প্ৰতিদিনৰ দৰে সেই দিনাও সকলোবোৰ কাম এৰি হাস্পাতাললৈ যাবলৈ শান্তনু প্ৰস্তুত হ'ল। হঠাৎ বাহিৰত এটা গণ্ডোগোলৰ শব্দ শুনি তেওঁ বাৰান্দালৈ ওলাই আহিল। তেওঁক দেখি সকলোয়ে কথা বন্ধ কৰি তেওঁৰ মুখলৈ চালে। চিৰিৰে এক step নামি ওচৰতে থকা মানুহজনক সুধিলে কি হ'ল, ইমান গোলমাল কিহৰ?

মানুহজনে উত্তৰ দিয়াৰ আগতেই এজনী গাভৰুয়ে তেওঁক ধক্কা দি দলটোৰ আগলৈ ওলাই আহিল। শান্তনুৱে দেখিলে গাভৰুজনী প্ৰায় নগ্ন অৱস্থা কোনোমতে দুখন মান ফটা চিতা আৰু লেটেৰা কাপোৰেৰে নিজৰ লাজ ঢাকিছে আৰু পিছত কান্দোনৰ সুৰেৰে সেই গাভৰু গৰাকীয়ে শান্তনুৰ মুখৰ পিনে চাই কবলৈ ধৰিলে— এই চাহাব তুমিয়ে কোৱাচোন মোৰ দোষ ক'ত? ওপৰৰ ভগবান আৰু তলৰ পৃথিবীৰ বাহিৰতো মই একেবাৰে নাজানো। ফোফাই ফোফাই কথাখিনি কৈ ছোৱালীজনীয়ে এইবাৰ কান্দোনত বহি পৰিল। তাৰ পিছত ফটা কাপোৰবোৰলৈ দেখুৱাই ক'বলৈ ধৰিলে এইয়া চোৱা চাহাব মোৰ স্বামীৰ উপহাৰ ডাঃ শান্তনুয়ে এবাৰ সেইফালে চাই তলমুৰ কৰিলে। সেয়া এক অকল্পনীয় অবিশ্বাস্য দৃশ্য। গাভৰুৰ গোটেই শৰীৰত ঠায়ে ঠায়ে আঘাতৰ চিহ্ন। নখৰ আচোৰৰ গভীৰ ক্ষত। তেজ ওলাই আছে। ঘটনাৰ আকস্মিকতাত শান্তনু বিফল হৈ পৰিছিল। চকুৰ ঠাৰেৰে মানুহজনৰ লগত ঘৰৰ ভিতৰত সোমাবলৈ ইংগিত দিলে।

সেইদিনা ডাঃ শান্তনুয়ে এক প্ৰাগঐতিহাসিক যুগৰ কথা আদিবাসী মানুহজনৰ পৰা শুনিছিল। গাভৰুজনীৰ নাম আছিল কন্নকী। তাইৰ গিৰীয়েকৰ নাম আছিল মংগল। মুচলপুৰ গাওঁৰত থাকে। বিয়াৰ পিছৰ পৰাই কন্নকীৰ ওপৰত গিৰিয়েকৰ অত্যাচাৰ কৰি আহিছে। সদায় মদ খাই আহি তাইৰ ওপৰত নিৰ্মল প্ৰহাৰ কৰি তাইৰ শৰীৰ ঘৃণীয়া কৰি দিছে। তাইৰ শৰীৰতো বিষত জৰ্জৰিত হৈছে। সেয়ে তাই ইমান অত্যাচাৰ সহ্য কৰিব নোৱাৰি দুবাৰ ঘৰৰ পৰা পলাইছিল, কিন্তু আকৌ কন্নকীক ধৰি আনি নতুনকৈ অত্যাচাৰ আৰম্ভ কৰে। তিনিবাৰ আত্মহত্যা কৰিবলৈ

চেষ্টা কৰিছিল, কিন্তু তিনিওবাৰ বিফল হৈছিল।

যোৱাকালি ৰাতিও আগৰ ঘটনাৰ পুনৰাবৃত্তি কৰিছিল। গাওঁৰ মানুহবোৰৰ ওচৰত আনকি মুখিয়ালৰ ওচৰত জনোৱাতেও কোনো ফল নধৰিল। কাৰণ মংগলক সকলোয়ে ভয় কৰে। মংগলে নোৱাৰা কাম একো নাই। তেওঁৰ বহুতো মানুহক টকা পইচা দি সহায় কৰে, আকৌ কেতিয়াবা সময়ত তেওঁ লাগি ভাগি দিওঁ সহায় কৰে। সেয়ে গাৰৰ বহুতো মানুহ তেওঁৰ ওচৰত ঋণী। যোৱা কালি কিন্তু কন্নকীয়ে সহ্য কৰিব নোৱাৰিলে। যেতিয়া মংগলে তাইৰ ওপৰত প্ৰহাৰ কৰিছিল। তাই এখন কটাৰী লৈ তাৰ ওপৰত আক্ৰমণ কৰিবলৈ উদ্যোত হৈছিল আৰু তেতিয়াই দুয়োতাৰে টনা-আজোৰাত দুয়ো তাত বিস্মৃত হৈছিল, দুয়োৰে চিঞৰত ওচৰৰ সকলোবোৰ মানুহ সাৰ পাই উঠিছিল। তাৰ পিছত ঘটনাৰ গুৰুত্ব বুজিয়ে কন্নকীক ডাক্তৰৰ ওচৰলৈ গাওঁবাসীয়ে লৈ আহিছিল। মংগলে বাধা দিছিল। কিন্তু মুখিয়ালে পুলিচৰ ভয় দেখুৱাত সি চুপ হৈ থাকিল।

সমস্ত ঘটনা শুনি সেইদিনা হতবাক হৈ গৈছিল ডাঃ শান্তনু বৰুৱা, তাৰ পিছত কন্নকীক হাস্পতাললৈ লৈ যাবলৈ কৈ ভাৰ্যা নিজেও ৰাওনা হৈছিল। পুলিচত এটা খবৰ দিব লাগিব। D.S.P. মিষ্টাৰ ভাৰ্মণ অৱশ্যে তেওঁৰ খুব পৰিচিত। হাস্পিতাললৈ যোৱাৰ পথত পুলিচক কি ক'ব তেওঁ নিজৰ মনতেই এবাৰ জুকিয়াই চালে।

মংগলে অৱশ্যে পুলিচ-তুলিচলৈ সিমান ভয় নকৰে। হাস্পতাললৈ আহিও সি গণ্ডগোল কৰিবলৈ চেষ্টা কৰিছিল কিন্তু সুবিধা পোৱা নাছিল। এদিন ৰাতি ডাঃ শান্তনুৰ ঘৰত সোমাই বুধৰামক সি ধমকি দি গৈছে। তাৰ পিছত পুলিছে তাৰ গাঁৱলৈ গৈ তোল-পাল লগাইছিল। কিন্তু সি ক'লৈ গ'ল আজিলৈকে কোনেও আনকি পুলিচেও সন্ধান উলিয়াব নোৱাৰিলে। হাস্পতালত থাকোতেই ডাঃ শান্তনুৰ হাতে ভৰিয়ে ধৰি কন্নকীয়ে পুনৰ ঘৰলৈ ঘূৰি নাযাৱলৈ স্বীকৃতি আদায় কৰিছিল। ছোৱালীজনীৰ ওপৰত এটা মায়াও ওপজিছিল— ডাঃ শান্তনুৰ সেয়ে তেওঁ জানি বুজিনো এজন পশুৰ ওচৰত তাইক আকৌ এৰি দিব নোৱাৰে। সেয়ে তেওঁ মঙ্গলপুৰ গাঁৰৰ মুখিয়াল আৰু গাওঁবাসীৰ লগত আলোচনা কৰি কন্নকীক নিজৰ ঘৰত ৰখাই ঠিক কৰিলে।

বুধৰামে এই পোন প্ৰথম বাৰৰ বাবে ডাক্তৰক বাধা দিবলৈ ওলাইছিল। কাৰণ ডাক্তৰৰ নিচিনা ইমান ভাল মানুহৰ এজনৰ ওচৰত কন্নকী এটা জীয়া আপদ। কিন্তু বুধৰামৰ অশান্ত অবুজ মনক কথাৰ মায়াজালেৰে শান্ত কৰিছিল ডাঃ শান্তনু বৰুৱাই। কন্নকীৰ অসহায় অৱস্থাৰ কথা বুজাবলৈ গৈ তাইৰ ঘটনাবোৰ নতুনকৈ আৰু বাৰে বাৰে ক'ব লগা হৈছিল বুধৰামক। সি শুনে আৰু বুজে তাৰ পিছত আৰু কোনো কথা নুশুধে।

সেই, তেতিয়াৰ পৰা কন্নকী, ডাঃ শান্তনুৰ লগতেই আছিল। অকল থকাই নহয়, তাই লাহে লাহে ঘৰ গৃহস্থলীৰ সকলো কাম তাইৰ হাতত তুলি লৈছিল। তাৰ ফলত ডাঃ শান্তনুৰ সংসাৰ খনে শ্ৰীফিৰাই পাইছিল। বুধৰামে যদিও গোটেই সংসাৰখন চলাইছিল তথাপিও যেন কিবা এটাৰ অভাৱ আছিল, সেয়ে কন্নকীয়ে লগে লগে ঘৰখনৰ সকলোবোৰ ঠান ঠিত লগাইছিল। কিন্তু ৰন্ধা-বঢ়াটো বুধুৰামৰ হাততেই ৰাখিছিল। এই কামটো কেতিয়াও কন্নকীৰ হাতত এৰি দিয়া নাছিল।

কন্নকীক লৈ এটা সপোনৰ ছবিও আঁকি লৈছিল, মানস পটত, ডাঃ শান্তনুয়ে। ছোৱালীজনী যেনেকুৱা আগৰণুৱা তাত একো অসুবিধা নহব যেন লাগে। তেওঁৰ ইচ্ছা আছিল তাইক শিকাই-বুজাই লৈ পঢ়াই লৈ প্ৰথমে হাস্পতালৰ আয়া তাৰ পিছত নাৰ্চৰ কাম এটা যোগাৰ কৰি দিব।

কিন্তু সেই সপোনবোৰ সপোন হৈয়ে থাকিল। বাস্তৱ ৰূপ পোৱাৰ আগতেই ঘটিল সেই চৰম অঘটনটো। কন্নকীক নিজৰ ঘৰত নি ৰখাৰ পৰা ডাঃ শান্তনু নিশ্চিত হৈ আছিল। আকৌ আগৰ দৰে তেওঁ পঢ়া-শুনা আৰু প্ৰেক্টিছত মনোযোগ দিছিল। ঘৰ-সংসাৰ চলোৱাৰ সম্পূৰ্ণ দায়িত্ব তেতিয়া বুধুৰামৰ। প্ৰায় এবছৰ পাৰ হৈ গ'ল। কন্নকীয়েও বহুতো কিবা-কিবি শিকিলে। তাইৰ মনত এতিয়া আৰু কোনো আতংকৰ চাপ নাই। ক'বলৈ গ'লে বৰ সুন্দৰ ভাৱেই দিনবোৰ পাৰ কৰিছিল।

ডাঃ শান্তনুৰে এক বছৰত এবাৰলৈ লাইন দিউটিত যাব লগা হয়। সেয়ে সেইবাৰো যাবলৈ ওলাল। তেতিয়া সৰু ছোৱালীৰ নিচিনাকৈ কন্নকীয়েও লগত যাবলৈ জেদ ধৰিলে। তাই ডাঙৰ ডাঙৰ চকুৰে ডাঃ শান্তনুক আবদাৰ কৰি ক'বলৈ ধৰিলে — সেই ঠাইত তোমাৰ চোৱা মেলা কোনে কৰিব, মই গ'লে কি বেয়া হয় নেকি?

অবুজ ছোৱালীজনীয়ে সকলো সময়তে কেৱল ডাঃ শান্তনুৰ শৰীৰৰ চিন্তাতেই ব্যস্ত। লাইন ডিউটিত তাইক নিলে যে কিমান অসুবিধা হয় সেয়া প্ৰথমতে তাই বুজাই নাছিল। সেয়ে শেষত ডাঃ শান্তনুই গম্ভীৰ হৈ কথা ক'বলৈ আৰম্ভ কৰাত তাই ভয় খাই আৰু যাবলৈ ইচ্ছা নকৰিলে। তাৰ পিছত ঠিক সময়ত খাব পৰাকৈ সকলো খোৱা বস্তু টিফিন কেৰিয়াৰত ভৰাই দিলে। ডাঃ শান্তনুয়ে তেতিয়া হিচাপ কৰি চালে যে যদি তেওঁ ঠিক সময়ত বিয়া কৰালেহেঁতেন তেতিয়া হ'লে কন্নকীৰ নিচিনা

তেওঁৰও এজনী ছোৱালী হ'লহেঁতেন। সেই ভাবিয়ে তেওঁ তাইৰ কেতবোৰ আদৰ আবদাৰ মানি লয়। গাভৰু গৰাকীয়ে বা তেওঁক কি চকুৰে চাই সেয়া কোনে জানে?

সেই যে লাইন'ত গ'ল, সেয়াই কাল হ'ল। কন্নকীৰ এটা কামও যোগাৰ কৰিছিল ডাঃ শান্তনুয়ে। অহা মাহতেই হেড, Office তাৰ পৰা Approved হৈ আহিব। ইয়াৰ মাজতেই হঠাৎ এদিন লোহাৰ দাগত এটা Accident হ'ল। মাল-গাড়ীৰ সৈতে Passenger train অৰ। খবৰ পাই সেই দিনাই ডাঃ শান্তনুৰে যাব লগা হ'ল। বুধুৰাম আৰু কন্নকীক অৱস্থাৰ গুৰুত্ব বুজিয়েই ভালকৈ থাকিবলৈ কোৱা হ'ল। বিশেষকৈ কন্নকীক ক'লে যেন তাই কলৈকো নাযায়। যাবৰ সময়ত কন্নকী কান্দি উঠিল।

তিনিদিন হ'ল ডাঃ শান্তনুৰ যাব। সেইদিনা উভতি অহাৰ কথা, সেই দিনা দুপৰীয়াই টেলিফোনেৰে সেই দুঃসংবাদনটো পালে। ৰাচীৰ ষ্টেচনমাষ্টাৰেই তেওঁক বাৰ্তাটো দিছিল। টেলিফোনেৰে খবৰটো শুনি শুনিয়েই হঠাৎ যেন ডাঃ শান্তনু পাথৰ হৈ গৈছিল। সন্মুখৰ সকলো বস্তু যেন অদৃশ্য হৈ গৈছে। হয়তো চকীৰ পৰা তেওঁ পৰি যাবও খুজিছিল, যদিহে ওচৰত থকা মানুহটোৱে নধৰিলেহেঁতেন।

উপস্থিত অফিচাৰ কেইজনক সামান্যভাবে কথাটো জনাই এখন মাল গাড়ীতেই তেওঁ ৰাছীৰ পিনে ৰাওনা হ'ল। ঘৰৰ ওচৰত তেতিয়া মানুহৰ ভিৰ হৈছে। ৰিক্সাৰ পৰা নামিয়েই তেওঁ সৰু বাৰান্দাখনেৰে ঘৰৰ ভিতৰ সোমাল তাৰ পিছত শিয়ৰী উঠি চকু-মুখত হাত দি দুখোজ পিচুৱাই আহিল। মূৰৰ চুলিবোৰ খামুছি ধৰি প্ৰায় চিৎকাৰ কৰি উঠি চিঞৰি উঠিল নহয় নহয়, এয়া হব নোৱাৰে এয়া অসম্ভৱ। Police Officer Mr. Verma ঘৰতেই আছিল তেওঁৱেঁই ডাক্তৰক চম্ভালিলে। বাস্তৱলৈ ফিৰি আহিবলৈ তেওঁক বেচ কিছু সময় লাগিল। সকলোবোৰ ঘটনা বুধুৰাম আৰু মিঃ ভৰ্মাৰ মুখেৰেই শুনিছিল। তেওঁৰ অনুপস্থিতিৰ সুযোগ লৈ নিপুণভাৱে কামত লগাইছিল কন্নকীৰ পাষন্ন স্বামী মংগলে সেইটোও তেওঁ বুজি পালে। ঘৰৰ ভিতৰত বগা কাপোৰেৰে ঢকা অৱস্থাত কন্নকীৰ স্থিৰ দেহাটো পৰি আছে। চাৰিওফালে তেজৰ চেকুৰা। বুধুৰামে কালি ৰাতি নৌটিংকিৰ নাচ চাবলৈ গৈছিল। কন্নকীকো লগত যাবলৈ কৈছিল। তাই নগল নাচ চাই ওলটি আহোতে তাৰ ৰাতি তিনিটা বাজি গৈছিল। প্ৰথমে দৰজাত শব্দ কৰোতে সাৰ নাপালে। তাৰ পিছত ঘৰৰ পিছৰ খিড়িকিৰে দেখি চিৎকাৰ কৰি উঠিল, তেতিয়ালৈ সকলো শেষ। ডাঃ শান্তনুৰ আগত কথাবোৰ কৈ কৈ শেষত বুধুৰামে মাটিত বহি হুৰাওৱাৰে কান্দিবলৈ ধৰিলে।

আঘাটৰ চিহ্ন দেখি এইটো যে মংগলৰ কাম সেয়া আৰু বুজিবলৈ বাকী নাথাকিল। শৰীৰৰ ঠায়ে ঠায়ে আঘাতৰ স্পষ্ট দাগ। মুখখন চিনিব নোৱাৰা হৈছে। মাত্ৰ যেন চকুদুটাই কিবা ক'বলৈহে ৰৈ আছে তেনে যেন লাগে।

মিষ্টাৰ ভাৰ্মাৰ কৰ্তব্যৰ তাগিদাত সকলোবোৰ কামেই নিয়াৰিকৈ হ'ল। কিন্তু বহুত চেষ্টা কৰিও মংগলৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। কন্নকীৰ শটো গাঁৱৰ লোক সকলক দিব বিচাৰিছিল ডাঃ শান্তনুৱে কিন্তু শেষ মুহূৰ্ত্তত তেওঁ মত পৰিবৰ্তন কৰিলে। তাইক নিজৰ আত্মমৰ্য্যাদাৰে সমাধি কৰাৰ ব্যৱস্থা কৰিলে।

সেই তেতিয়াৰ পৰাই কোনো কামতেই ভালকৈ মন বহুৱাব পৰা নাই ডাঃ শান্তনুৱে। ইফালে শৰীৰটোও ভাঙি পৰিছে। বেছ কিছুদিন চুটি লৈ অকলে অকলে আৰাম কৰিছিল ঘৰত বহি। কিন্তু কি যে হ'ল আজি কিছুদিনৰ পৰা এটা ভয়ংকৰ বিপদৰ সন্মুখীন হৈছে তেওঁ। টেনশ্বনও বাঢ়ি গৈছে।

ৰাতি শুৱাৰ কিছুবেলিলৈ বিছনাত তেওঁ স্মৃতি ৰোমন্থনৰ মাজেৰেই পাৰ কৰি দিয়ে। তাৰ পিছত Slipping tablet খাই চকু বন্ধ কৰি শুই পৰে। টোপনি হ'লে নাহে। কেইদিনমান হ'ল টোপনি টোপনি ভাৱত থাকোতেই তেওঁ যেন দেখিবলৈ পায় কন্নকীৰ ক্ষত-বিক্ষত দেহাটো তেওঁৰ চকুৰ সন্মুখত। তাই যেন দুয়োখন হাতেৰে ডাঃ শান্তনুক ধৰিব বিচাৰে। বিস্ফুৰিত দুয়োটা চকুয়ে মেলি অস্পষ্ট ভাৱে ৰক্তাক্ত ওঁঠেৰে কিবা যেন তাই কব বিচাৰে, কিন্তু একো বুজি নাপায়।

এনেকৈ প্ৰায় এঘণ্টামান সময় পাৰ হৈ যায়। তেতিয়া তেওঁ অৱচেতন মনেৰে এক গভীৰ চিন্তাত ডুব যায়। বহুত চেষ্টা কৰিও তেওঁ বাস্তৱলৈ ফিৰি আহিব নোৱাৰে। তাৰ পিছত হঠাৎ দেখে কন্নকীয়ে কপি কপি কান্দিছে। তেতিয়া তাইক শান্তনা দিবলৈ তেওঁ হাত দুখন আগবঢ়ায় দিয়ে কিন্তু ঢুকি নাপায়। তেতিয়া তেওঁৰ চকুৰেও টোপ টোপকৈ চকুপানী ওলাই আহে। ঠিক এনেকুৱা অৱস্থাৰ মাজেৰে টোপনিটো ভাঙি যায়।

ই এক অবিশ্বাস্য আৰু অতি নাটকীয় ঘটনা। প্ৰথম দিনা হোৱা হ'লে এইটো পৰিঘটনা বুলি ভাবিলেহেঁতেন ডাঃ শান্তনুয়ে। কাৰণ অৱচেতন মনত এতিয়াও কন্নকীৰ প্ৰতি মমতা ভাৰ আছে। তাৰেই প্ৰতিফলন হিচাপে এয়া হব পাৰে। কিন্তু এদিন নহয় এয়া প্ৰায়ে ৰাতি ৰাতি হৈ আছে। ডাঃ শান্তনুয়ে ইয়াক যুক্তিবাদী মনেৰে বিশ্বাস কৰিব টান পায় আকৌ ইয়াক হাঁহি

উৰুৱাইও দিব নোখোজে। অথচ ঘটনাটো সদায় ৰাতি একে সময়তে ঘটে। নাই আৰু ভাবিব নোৱাৰে। মূৰটো ভীষণ ভাৱে গধুৰ গধুৰ লাগিছে। সূৰ্য্য উদয় হবৰো বেছি সময় নাই। প্ৰতি মাহৰ প্ৰথম ৰবিকৰে ৰাতিপুৱাই এবাৰ কন্নকীৰ সমাধিৰ ওচৰলৈ যায় ডাঃ শান্তনু। দুই হাতেৰে একাজলী ফুল সমাধিৰ ওপৰত দি মনে মনে থিয় হৈ থাকে। হয়তো নিজকেই সেই সময়ত অপৰাধী যেন লাগে আৰু পৰম পিতাৰ ওচৰত কন্নকীৰ আত্মাৰ শান্তিৰ কামনা কৰে। আজি, যদিও মাহৰ প্ৰথম ৰবিকৰ নহয়, তথাপি খুব ইচ্ছা গ'ল এই ৰাতি পুৱাই কন্নকীৰ সমাধিৰ ওচৰলৈ যাবৰ। কথাটো ভবাৰ লগে লগে তেওঁ চকীৰ পৰা উঠি ঘৰৰ ভিতৰলৈ সোমাই গ'ল আৰু কাপোৰযোৰ সলাই হাতত লাঠিডাল লৈ ধীৰ শান্ত পদক্ষেপেৰে গেট খুলি ৰাস্তাত খোজ পেলালে। শিমলু গছজোপাৰ তলত দেখিলে শগুনৰ বহুতো পাখি পৰি আছে। এবাৰ গছডালৰ ওপৰলৈ চাই তেওঁ আকৌ খোজ ল'লে।

সমাধিৰ গেটটোও খোলা আছে। হয়তো তেওঁৰ দৰে কোনোবাই তেওঁৰ প্ৰিয়জনৰ সমাধি চাবলৈ আহিছে। গেটেৰে তেওঁ ভিতৰ সোমাই কন্নকীৰ সমাধিৰ পিনে আগবাঢ়ি গ'ল। অলপ দূৰ আগবাঢ়ি গৈ দেখিলে, কিছুমান মানুহে মাটি খান্দিছে। উসঃ হয়তো কোনোবাই পৃথিৱীৰ মায়া এৰি গুছি গ'ল। খৰ খোজেৰে খোজকাঢ়ি সেই ঠাইলৈ আগবাঢ়ি গ'ল তেওঁ। কাষলৈ গৈ তেওঁ শিয়ৰি উঠিল। দুয়োখন হাতেৰে মুখখন ঢাকি দুখুজি পিছলৈ আহিল। হঠাৎ মুখেৰে ওলাই আহিল — নহয় নহয় এয়া হ'ব নোৱাৰে। এয়া অসম্ভৱ। এয়া হব নোৱাৰে। মৃতদেহৰ লগত থকা আটাইবোৰ মানুহে তেতিয়া অবাক হৈ ডাঃ শান্তনুৰ ফালে চাই আছে। বহুতে তেওঁক চিনিও পায়। এইবাৰ লাহে লাহে মুখৰ পৰা হাতখন এৰুৱাই ভয়ে ভয়ে মাটিত থকা শ'টোলৈ চালে — নহয় এয়া ভুল নহয় — অবিকল সেই মুখ, সেই চকু মুখৰ ঠায়ে ঠায়ে কটা দাগ।

এইবাৰ আৰু নিজকে তেওঁ বাধা দি থাকিব নোৱাৰিলে। ওচৰত থকা মানুহজনকে তেওঁ সুধিলে— কি হ'ল কোৱাচোন, ছোৱালীজনীৰ কি হৈছিল, মুখখনেই বা এনেকৈ ক্ষত-বিক্ষত কিয় হ'ল? ডাঃ শান্তনুৰ সেই অসংগলগ্ন কথাবোৰ শুনি মানুহজন অবাক হৈছিল। তাৰ পিছত মানুহজনে ডাঃ শান্তনুৰ মুখৰ পিনে চাই সুধিলে — "আপুনি এই ছোৱালীজনীক আগতে কেতিয়াও দেখা নাইনে? এইৰ যমজ ভনীয়েক কন্নকী আপোনাৰ ওচৰত আছিল। সিহঁতৰ আত্মীয় বুলিবলৈ কোনো নাছিল। এইৰ নাম অন্নদা দুবছৰ আগতে তাইৰ গিৰিয়েক ঢুকাইছে। তেতিয়াৰ পৰাই তাই মানুহৰ ঘৰত কাম কৰিয়েই পেট প্ৰৱৰ্তায়। কিন্তু যেতিয়া আপুনি কন্নকীক আশ্ৰয় দিলে তেতিয়া মংগলৰ চকু পৰিল এই অন্নদাৰ ওপৰত। তাৰ পিছত এদিন ৰাতি অন্ধকাৰত তাইক জোৰ কৰি ধৰি লৈ তাৰ মামাকৰ ঘৰলৈ লৈ গৈছিল।

"তাৰ পিছত"? মানুহজনে মনে মনে থকাত ডাঃৰে বিস্ফোৰিত চকুৰে তেওঁক প্ৰশ্ন কৰিছিল। এটা দীৰ্ঘ নিশ্বাস এৰি মানুহজনে ক'বলৈ ধৰিলে তাৰ পিছৰ ঘটনাটো আপোনাৰ পৰিচিত। সেই একেই ঘটনা। কন্নকীৰ নিচিনাকৈ মংগলে এই অন্নদাৰ ওপৰতো অত্যাচাৰ কৰিবলৈ ধৰিলে। পুলিচৰ ভয়ত সি নিজৰ গাওঁলৈ নাহে। গাওঁৰ মানুহেও ভয়তে একো নকয়। অন্নদাই নিৰুপাই হৈ সকলো অত্যাচাৰ সহ্য কৰি আহিছিল। সহ্যৰ ওটো এটা সীমা আছে। তিনিদিন আগতে মংগলৰ অনুপস্থিতৰ সুযোগ লৈ তাই পলাই আহিছিল মুছলপুৰ গাওঁলৈ। কিন্তু ধূৰ্ত চিকাৰী যেনেকৈ চিকাৰৰ সন্ধানত থাকে ঠিক তেনেকৈ মংগলেও তাৰ চিকাৰ বিচাৰী ওলাই মুচলপুৰ পালে। তাৰ পিছত তাৰ সকলোবোৰ সহ্যৰ সীমা তাই চেৰ পেলাই দিলে। পাতকুৱাৰ ভিতৰলৈ জপিয়াই তাই নিজৰ জীৱন শেষ কৰি দিলে। তাইৰ শেষ ইচ্ছা মতে কন্নকীৰ সমাধিৰ কাষতেই তাইক সমাধি দিয়া হৈছে।

সেই নৰাধম মংগল ক'ত? তাক ধৰিব পাৰিছেনে আপোনালোকে। প্ৰায় উত্তেজিত ভাৱেই মানুহজনৰ হাতত ধৰি সুধিলে ডাঃ শান্তনুয়ে তাৰ পিছত মানুহজনে এটা ম্লান হাঁহিৰে ক'লে— নাই ডাক্তৰ চাহাব এইবাৰো সি পাখি উৰি পলাই গৈছে। পুলিচেও তাক বিচাৰি চলাথ কৰিছে। তাৰ পিছত কথা বন্ধ কৰি মানুহজনে ভৰিৰ আঙুলিৰে মাটিত আক-বাক কৰিবলৈ ধৰিলে।

আৰু একোৰে ভাবিব নোৱাৰিলে ডাঃ শান্তনুয়ে। এটা কথাই বাৰে বাৰে তেওঁৰ অন্তৰত আঘাট কৰিছে। কন্নকীয়েটো এবাৰলৈও তেওঁৰ ওচৰত তাইৰ এজনী যমজ ভনীয়েক অন্নদা থকাৰ কথা প্ৰকাশ কৰা নাছিল। তেনেহ'লে সেই ভয়ানক সপোনবোৰৰ মাজেৰে কন্নকীয়ে কি তাকে কবলৈ বিচাৰিছিল, সেই কি অন্নদাৰ কথা? কথাটো ভবাৰ লগে লগে ডাঃ শান্তনুৰ মনত এটা অজান ভয়ে তেওঁৰ সমস্ত দেহ, মন অবশ কৰি পেলালে। হঠাৎ এজাক শীতল ঠাণ্ডা বতাহ তেওঁৰ চকুৰে মুখে লগাত তেওঁ চমকি উঠিল।

দ্ৰুত খোজেৰে তেওঁ কন্নকীৰ সমাধিৰ কাষলৈ আহি থিয় দিলে। তাৰ পিছত এবাৰ তলত পৰি থকা মৃত দেহটো আৰু কন্নকীৰ সমাধি পিনে চাই পঠিয়ালে। তাৰ পিছত এটা গভীৰ নিঃশ্বাস এৰি শান্ত পদক্ষেপেৰে সন্মুখৰ পিনে খোজ দিলে ডাঃ শান্তনু বৰুৱাই।




*ভ্ৰমণ কাহিনী*

# গুৱাহাটী যোধপুৰ এক্সপ্ৰেছ

■ ৰেজ্জাক আলী

সহঃঅধ্যাপক, আৰবী বিভাগ

Compartment ত থকা মোৰ আসনটো কোনোমতে বিচাৰি পালো; মানে কিছুসময়ৰ বাবে এটা চিন্তাৰ পৰা মুক্ত হ'লো। দুৰনি বটিয়া ভ্ৰমণ গন্তব্যস্থানৰ পৰা-সুদূৰ ৰাজস্থান যোধপুৰ station ৰ ওচৰৰ তিৰুৱালা গাওঁ। নিজৰ মাল বস্তুবোৰ ঠিকে-ঠাকে ৰাখিলো। Compartment টো অধ্যায়ন কৰাৰ পিছত আমি প্ৰত্যেকেই ইজনে আনজনৰ লগত পৰিচয় হ'লো। আমাৰ কোঠালীৰ প্ৰত্যেকজন যাত্ৰীৰে ভাষা আছিল পৃথক। কিছুমান আছিল বিহাৰী, অসমীয়া, বঙালী, ভোজপুৰী ইত্যাদি। আমাৰ কথা বতৰা বিলাক হিন্দীভাষাৰ মাধ্যমেৰে পাতিছিলো। আৰু এটা সময়ত আমি এটা পৰিয়ালৰ দৰে হৈ পৰিছিলো। যাত্ৰাৰ মুহূৰ্তকেইটা আছিল খুউব আমোদজনক। মনত বহুতো কথা খেলি গৈছিল— কেতিয়া কেনেকৈ যোধপুৰ ষ্টেচন পাই বন্ধুজনৰ লগত দেখা কৰিম। Train খন জলপাইগুৰি ষ্টেচন পোৱাৰ পিছত আমাৰ Compartment ত ডাঙৰ, lugges বোৰলৈ এক ডজন চি, আৰ, পি এফৰ জোৱান সোমাই পৰিল। ৰিজাৰ্ভেচন নকথা বাবে তেওঁলোকে নিজৰ নিজৰ lugges বোৰৰ ওপৰত বহি পৰিল। Train খন উকিমৰাৰ পিছত জোৱান সকল সময় পাৰ কৰাৰ বাবে তাচৰ আড্ডাত মিলিত হ'ল। জোৱান সকলৰ গন্তব্য স্থান কত আছিল এই সম্পৰ্কে মই একো জনা নাছিলো— তেওঁলোকৰ মাজত থকা জোৱান এজনে এবাৰ মোৰ ফালে এবাৰ যাত্ৰীসকলৰ ফালে নিৰব দৃষ্টিৰে চাইছিল। মাজে মাজে হ'কাৰবিলাকৰ পৰা চানা বাদাম কল কিনি নিজেও খাইছিল আমাকো খোৱাৰ বাবে অনুৰোধ কৰিছিল। ওচৰতে বহি থকা দেছুৱালিৰ বাচ্চাটো কোলাত লৈ চুমা খাইছিল খুউব মৰম কৰিছিল। আৰু কৈছিল— বাচ্চা হামাৰা ছাথ চলো, কি আচৰিত মানৱতা। সময়বোৰ ভাবিব নোৱাৰাকৈ পাৰ হৈ গ'ল। এনেতে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীতৰ কলি "মানুহে মানুহৰ জন্য"— গীতৰ কলিটি গাই গাই আমাৰ Compartment এজন ডেকা ল'ৰা সোমাই পৰিল। মই পোনে পোনে ল'ৰাজনৰ

ফালে দৃষ্টি নিক্ষেপ কৰিলো। তেওঁৰ সৌ হাতত মাইক্ৰ'ফোন আৰু বাওঁহাতৰ আঙুলিৰ ভাজে, ১০ টকীয়া, ২০ টকীয়া নোট। গানৰ সুবাদত যাত্ৰীসকলে-ছাগে এই উপহাৰ আগবঢ়াইছিল। এনেতে মই মনৰ আনন্দত ১০ টকা এটা দিব খোজাত তেওঁ লাহেকৈ ক'লে দাদু আমি সবাৰ কাছথেকে টাকা নেই না। আমাকে আশীৰ্ব্বাদ কৰুণ। মই সুধিলো তোমাৰ ঘৰ? তেওঁ ক'লে আমাৰ কোনো ঠিকনা নেই তাই, পল্টন বাজাৰ ষ্টেচনেৰ পাসে আমাৰ বাস, এই বুলিকৈ বেলেগ এটা Compartment ত গুচি গ'ল। ইতিমধ্যে আমি কলিকতা এৰি বিহাৰৰ কাটিহাৰ জংচন পালো। আমাৰ Compartment ত থকা জোৱান সকল নিজৰ নিজৰ মালবস্তু লৈ নামি গ'ল এনেতে জোৱান এজনে মোৰ ফালে চাই লাহেকৈ ক'লে ভাইয়া আভি জানা হ্যায় দুৰা কিজিয়ে ফিৰ মোলাকাত হোগী। ভ্ৰমণৰ প্ৰথমৰ পৰা মই এটা দৃশ্য উপলব্ধি কৰিছিলো। মোৰ লগত বহি থকা যোধপুৰলৈ যোৱা বন্ধু এজনক ভঙা, হিন্দীমাতেৰে ক'লো— ভাইয়া য়েলোক কোন হ্যায়। ১০ আওৰ ২০ ৰূপীয়া হামাৰা পাচ সে লোত হ্যায়। তেওঁ কৈছিল — এওঁলোক হিজৰা। মানুহৰ পৰা ডবাই ডবাই গৈ পইছা সংগ্ৰহ কৰি জীৱন নিৰ্বাহ কৰে। এওঁলোকে গোটেইটো ভ্ৰমণ এনেকৈ আমনি কৰে। কাণপুৰ Station পোৱাৰ লগে, বন্ধুজন গুচি গ'ল। মানুহবোৰ সৌ সৌ কৈ ডবাটোত সোমাই পৰিল এনেতে কমবয়সীয়া মহিলা এগৰাকী নিজৰ নিৰ্দ্দিষ্ট আসনত বহিল। তাই বৰকৈ বয়বস্তু অনা নাছিল। কাণপুৰত থকা তাইৰ ডাঙৰ বাইদেউৰ ঘৰলৈ কেইদিনমানৰ বাবে আলহী খাবলৈ আহিছিল। তাইয়ো যোধপুৰলৈ যাব কথাখিনি ওচৰত বহি থকা মহিলা এগৰাকীৰ লগত Share কৰিলে। তাই বহিথকা যাত্ৰীসকলৰ ফালে এবাৰ ভালকৈ চকু ফুৰালে আৰু কলে হাম সব এক হি পৰিবাৰ কা সদস্য হু। তাই ঘনাই, মোৰ ফালে চাইছিল— কিবা কম বুলি কে ক'ব পৰা নাছিল। হঠাৎ এবাৰ মোক সুধিছিল ভাইয়া আপ কাহা জানে ৱালা হ্যায়? মই লাহেকৈ ক'লো— যেইটো — যোধপুৰ Station কি পাচ তিৰৱালা গাৰ মে জানা হ্যায় উহা পে মেৰে এক friend হ্যায়। তাইয়ো ক'লে— মেই তু ভি তিৰৱালা জানা হ্যায়। উহাপে হামাৰা মকান হ্যায়। হাম উতাৰনে কি বাদ একসাত ভি জায়েগি?



এইদৰে তাই কেতিয়া মোৰ পানীৰ বটলত পানী ভৰোৱা — ৰুটি, চানা ভাতৰ ব্যৱস্থা কৰা মই কব নোৱাৰো কৈ কৰি গৈছিল। তাই মোক ডাঙৰ ভাইৰ দৰে সন্মান শ্ৰদ্ধা কৰা পৰিলক্ষিত হৈছিল। তাইৰ হেনো ডাঙৰ ককায়েক মোৰ দৰে আছিল। সি ১০ বছৰ বয়সতে ঢুকাল। ভায়েকৰ স্মৃতি এতিয়াও তাইৰ মনত আছে। সংসাৰত তাই আৰু বৃদ্ধ মাক। ডাঙৰ জনীৰ বিয়া হোৱাত মাকক লৈ তাই এতিয়া যোধপুৰ চহৰৰ এটা গলিত বাস কৰি আছে। আয় উপাৰ্জন তেওঁলোকৰ একোৱেই নাই। সৰু চিলাই মেচিন এটাৰ দ্বাৰা ঘৰখন চলায় তাইৰফালে এবাৰ চালো আৰু মনে মনে ভাবিলো কি যে আচৰিত হৃদয়।

আমি যোধপুৰ station পালো। যাত্ৰীসকলৰ লগত আমিও আমাৰ বস্তু বাহিনীবোৰ লৈ নামিবলৈ ব্যস্ত হৈ পৰিলো। ব্যস্ততাত মাজতে তাই আকৌ এবাৰ ক'লে ভাইয়া একবাৰ হামৰা ঘৰ কি তৰফ ঘোমনা। মইও তাইৰ ফালে চাইকলো বহুন ফিৰভি মোলাকাত হোগী যবতক নচিব মে ৰহে। গুৱাহাটী যোধপুৰ এক্সপ্ৰেছৰ সেই ভ্ৰমণ মোৰ মানসপটত আজীৱন সজীৱ হৈ থাকিব।■■



# এজনী সাধাৰণ ছোৱালীৰ জীৱনৰ কাহিনী

■ দিক্ষীতা ডেকা
স্নাতক, তৃতীয় যান্মাসিক

গুৱাহাটী মহানগৰৰ এজনী ছোৱালী। তাইৰ নাম কস্তুৰী বৈশ্য। তাইৰ বয়স ১৪ বছৰ। অষ্টম শ্ৰেণীৰ ছাত্ৰী। সিহঁতৰ এটা সুন্দৰ সুখী পৰিয়াল আছিল। তাইৰ দেউতাক পাট-কাপোৰৰ ব্যৱসায় কৰে। দেউতাকৰ নাম কনক বৈশ্য, মাকৰ নাম কণিকা বৈশ্য আৰু তাইৰ এজনী মৰম লগা ভণ্টিও আছে। দেউতাক বহুত খঙাল আছিল যাৰ কাৰণে তাই ভয়তে একো কথা মুখ খুলি ক'ব নোৱাৰে। দেউতাকৰ সেই ব্যৱসায়েৰে ঘৰখন টুক-টাককৈ চলি আছে। কস্তুৰী বহুত অভাৱী ছোৱালী আছিল। তাইক পৰিস্থিতিয়ে কম বয়সতে বহুত কথা শিকায় থৈছে। আৰু তাই সহজ সৰল মনৰ ছোৱালী আছিল। কস্তুৰী বহুত ভাল গান গায়। কিন্তু দেউতাকে তাইক এইবোৰত ভাগ লব দিয়া নাছিল। তাইৰ বহুত মন আছিল গান শিকিব। দেউতাকে এইটো বুজি পোৱা নাছিল যে ল'ৰা-ছোৱালী পঢ়া শুনাৰ বাহিৰে নিজা প্ৰতিভাৰেও আগবাঢ়ি যাব পাৰে কিন্তু কস্তুৰীয়ে এই কথাটো বুজিব পাৰিছিল। দেউতাকে তাইক এইবোৰ কথা বাদ দিব দি পঢ়াত মন দিব দিছিল। দেউতাকে তাইক একো বেয়া কথা কোৱা নাছিল কিন্তু তাইৰ যে এটা নিজা প্ৰতিভা আছিল সেইটো বুজি নাপালে সেইটো কাৰণত বহুত দুখী আছিল তাই।

তাইৰ জীৱনলৈ প্ৰেম আহিছিল। আমি প্ৰেমক বেয়া বুলি কব নোৱাৰো বা প্ৰেম কৰোতাজনক ভূল হোৱা বুলি কব নোৱাৰো। প্ৰেম কেতিয়া, কিয়, কি পৰিস্থিতিত, কাৰ লগত হয় কোনেও নাজানে প্ৰেম সময় চাই কৰা নাযায়। প্ৰেমে ধনী, দুখীয়া নাচায় চায় মাথো এখন সচাঁ অন্তৰ। কস্তুৰীৰো বহুত কম বয়সতে তেনেকুৱাই হৈছিল। ঘৰৰ কাষৰ ল'ৰা এজনৰ লগত প্ৰেমৰ বান্ধোনত বান্ধ খাইছিল। তেতিয়া তাই H.S.L.C. ৰ পৰীক্ষা দিব পঢ়িব লাগে তাই পৰিছে সেইবোৰত মনটোক তাই বান্ধিও ৰাখিব নোৱাৰিলে। ল'ৰাজন যে তাইৰ কাৰণে উপযুক্ত নাছিল সেই সময়ত তাই সেইটো ধৰিব পৰা নাছিল। তেনেতে তাই গম পালে যে ল'ৰাজন বহুত বেয়া আছিল। আৰু তেতিয়া তাই তাক বাদ দি পঢ়াত মন দিলে। এনেতে দেউতাকে গম পায় তাইক বহুত বেয়াকে মাৰ ধৰ কৰিলে কিন্তু তাই সেইবোৰৰ পৰা ওলাই আহিছিল। দেউতাকে তাইক এবাৰলৈ নুসুধিলে

কি হৈছে, তাইক ভালকে বুজাবও পাৰিলেহেঁতেন কিন্তু দেউতাকে সেইবোৰ একো নুবুজিলে। কস্তুৰীয়ে HSLC ৰ পৰীক্ষা দিলে result আহিল গম পালে যে 2 nd devision পাইছে। 4 marks ৰ কাৰণে তাই 1st devision নাপালে বহুত বেয়া লাগিছে তাইৰ। তাতে আকৌ দেউতাকে তাইক বহুত অপমান কৰিছে তাই ভাঙি পৰিছিল। দেউতাকে এইটো বুজি পোৱা নাছিল যে তাইক এনেকে অপমান কৰিলে তাইৰ মনত কি প্ৰভাৱ পৰিব। ঘৰৰ মানুহেই যদি তাইক উৎচ্ছা নিদিয়ে তেতিয়া তাইৰ অৱস্থা কি হ'ব কোনেও ভাবি নাচালে। তেনেকে তাই Higher Secondary science ত addmission ল'লে তাতেওঁ তাই লগ সংগৰ লগত পৰি পঢ়াত অলপ বেয়া হ'ল। লগ-সংগ পালেও ল'ৰা-ছোৱালী বিলাক বেয়া হয়। সেইটো সচাঁ কথা আৰু তাইৰো ভূল আছিল তাতে। HS ৰ পৰীক্ষা দিলে তাতেওঁ তাই 2nd devision পালে। এইবাৰ দেউতাকে তাইক ২ সপ্তাহমান মাত-বোল কৰা নাছিল। তাই সম্পূৰ্ণ ভাবে ভাঙি পৰিছিল এইবাৰ। দেউতাকে তাইক সেই ২ বছৰত অলপমানো support কৰা নাছিল। তাইক পঢ়া কথা কেতিয়াও সুধিয়ে নাপালে যাৰ কাৰণে তাইৰ মনটো বহুত সলনি হৈছিল। হয়তো মাক-দেউতাকৰ উৎচ্ছা পালে লগ-সংগইও তাইৰ মনত অলপো প্ৰভাৱ পেলাব নোৱাৰিলেহেঁতেন। আৰু তাইৰ result ভাল হ'লেহেঁতেন। তাইৰ Science পঢ়ি নাৰ্চ হোৱা তাই উদ্দেশ্য আছিল কিন্তু সেইটো তেতিয়া হ'ব নোৱাৰে। তাইক দেউতাকে 2nd devision পোৱা কাৰণে science ৰ বিভাগত নপঢ়ালে B.A. ত admission লগাই দিলে। দেউতাকে তাইক পঢ়া বাদ দিব দিছিল কিন্তু তাইৰ যোৰত B.A. ত admission লগাই দিলে যাৰ কাৰণে তাইৰ জীৱনৰ উদ্দেশ্য নোহোৱা হৈ গৈছিল। সম্পূৰ্ণৰূপে মন ভাঙি গৈছিল। তেনেতে তাইৰ জীৱনত আৰু এজন ল'ৰা আহিল। তাৰ নাম আছিল ৰাতুল। তাক ভাল পাব তাইৰ মন নাছিল কিন্তু কয় নহয় ঘহোঁতে ঘহোঁতে শিলো ক্ষয় যায়। কিন্তু তাইও বাধ্য কাৰণ ঘৰৰ ফালৰ পৰা একো কামত support নোপোৱা কাৰণে তাই তাক বহুত আশাত ভাল পাইছল। তেনেকে ৰাতুলৰ পৰা কস্তুৰীয়ে বহুত কামত সহায় পাইছে, সাহস আৰু উৎচ্ছা পাইছে। যাৰ কাৰণে তাই নিজকে বহুত সুখী বুলি অনুভৱ কৰিছিল। এনেকৈ ৩ বছৰ পাৰ হ'ল তেনেতে লাহে লাহে ৰাতুলে কস্তুৰীক বেলেগ ধৰণৰ ব্যৱহাৰ কৰিবলৈ লয়। তাৰ পৰা কোনো ধৰণৰ, সহাৰী নোপোৱা হ'ল তাইক অবিশ্বাস কৰিবলৈ ধৰিলে, তাই মনত আঘাট পোৱাকে বহুত কথা কোৱা হ'ল সি। তাই কেনেকে সহিব এইবোৰ এইফালে মাকে-দেউতাকৰ কথাই শুনিবনে তাৰ কথাই শুনিব। তাই সিদ্ধান্ত ল'লে যে এনেকৈ আৰু নহব তাই অকলে থকাৰ কথা ভাবিলে। তাই সেইবোৰ বাদ দি নিজৰ মতে চলিলে। তেনেতে ৰাতুলে তাইক ৰাস্তা-ঘাটত লগৰবোৰৰ লগ লাগি বহুত বেয়াকৈ অপমান কৰিবলৈ ল'লে। মানুহবোৰৰ আগত তাইৰ বিষয়ে বেয়া কব ধৰিলে আনকি কলেজতো বন্ধু-বান্ধৱীবোৰৰ আগত বেয়াকে অপমান কৰে তাই একো নকয় কেৱল কান্দি কান্দি ঘৰলৈ গুচি আহিছিল। কাৰণ তাই ভয় কৰিছিল কাজিয়া কৰিব। ৰাহুলে তাইৰ চৰিত্ৰত বহুত বেয়াকে দাগ লগাইছে যিটো কস্তুৰীয়ে একেবাৰে বিচৰা নাছিল। তাক তাই ইমান বিশ্বাস কৰিছিল তেওঁ এ যে তাইৰ মনত ইমান বেয়াকে আঘাট দিব তাই সপোনতো ভাবা নাছিল। তাই এইটো বুজি পাইছিল যে মাক দেউতাকতকৈ আপোন এই পৃথিৱীত কোনেও হ'ব নোৱাৰে। এনেদৰে তাই আগবাঢ়ি গৈ থাকিল।

আকৌ তাইৰ সৰুৰ পৰাই গানত ইচ্ছা বহুত। তাই ভাৱে যে সংগীতৰ বিনে জীৱন আধৰুৱা। তাই এইবাৰ দেউতাকৰ কথা নুশুনিলে আৰু নিজে গৈ গান শিকিলে। ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাত তাই যোৱা কথা ভাবিলে কিন্তু দেউতাকে মানা কৰি দিলে। তাই যিহেতু যাবই ঘৰত মিছা কথা কৈ বন্ধু এজনৰ লগত গৈছে। কিন্তু তাই প্ৰতিযোগিতা দিওতে গধূলি হোৱা কাৰণে ঘূৰি আহিল। যদি দেউতাক গ'লেহেঁতেন তাই তাতে ভাগ লব পাৰিলেহেঁতেন। কিন্তু তাই ভবা কথা ৰৈয়ে থাকিল। তাই হাৰি যোৱা নাই তথাপিও নিজে গান শিকা কৰিলে ঘৰত কাৰণ গান স্কুলত গ'লে দেউতাকে তাইক কথা শুনাই তাকে ভাবি তাই বাদ দিলে। কস্তুৰীৰ যি নিজা প্ৰতিভা আছিল তাই একমাত্ৰ মাক-দেউতাকৰ কাৰণে ব্যক্ত কৰিব নোৱাৰিলে। কস্তুৰীয়ে যিটো সময়ত খেলা-ধূলা কৰিব লাগিছিল তেতিয়াই তাইক ঘৰৰ ভিতৰত ৰাখিছিল। বাহিৰত ওলাই অলপমান সময়ত লগৰ লগত কটাব দিয়া নাছিল। তাই বুজিয়ে নাপালে ল'ৰালিকাল কেনেকুৱা। বেলেগবোৰক চাই তাই সৰুৰ পৰাই কান্দিছে। আজিলৈ দেউতাকৰ কথা তাই মানি আহিছে। কিন্তু দেউতাকে আজিলৈকে তাইৰ মনটোক বুজিয়ে নাপালে আনকি এবাৰলৈ সুধিয়ে নাপালে তাইৰ মনে কি বিচাৰে, তাই কি কৰিব বিচাৰে। তাই ইচ্ছা, সম্পূৰ্ণৰূপে মাৰি পেলাই দেউতাকৰ কথা ৰাখি আহিছে আজিলৈকে। এদিন বুজি পাব বুলি কস্তুৰীয়ে কৈছে।

কস্তুৰীয়ে স্বাধীনতা বিচাৰে মাক-দেউতাকৰ পৰা। তাইৰ কথাত যাতে কোনো মানুহে কোনো কাৰণতে বেয়া নাপায় সেইটো সাৱধান হৈ চলে। মাক-দেউতাকক তাই কেতিয়াও দুখ দিব নিবিচাৰে। কস্তুৰীয়ে সকলোকে সহজ-সৰলভাৱে লয় আৰু সকলোৰে লগত মিলি-জুলী থাকিব বিচাৰে কোনো কাৰণত বেয়া নিবিচাৰে। তাইৰ জীৱনতো বহুত ঘাট-প্ৰতিঘাট আছিল কিন্তু তাই হাৰি যোৱা নাই আগবাঢ়ি গৈ আছে। মাক-দেউতাকৰ ব্যৱহাৰৰ বাবেও ল'ৰা-ছোৱালীৰ জীৱনত বহুত ডাঙৰ প্ৰভাৱ পৰে। এইয়াই কস্তুৰীৰ জীৱনৰ কাহিনী।■■

# দুখৰ অন্তৰ সুখৰ সন্ধানত

■ বংকিম ডেকা
স্নাতক, ষষ্ঠ ষান্মাসিক



এজনী ছোৱালী, নাম তাইৰ জেউতী। সঁচাকৈয়ে তাইৰ জন্ময়ে ঘৰখনলৈ পোহৰ আনিছিল। দেউতাক আছিল এজন আদৰ্শৱান শিক্ষক, কিন্তু চাকৰিটো নিয়মীয়া হোৱা নাছিল। ছোৱালীজনী মানে জেউতীৰ জন্মৰ এসপ্তাহৰ পিছত দেউতাকৰ চাকৰিটো নিয়মীয়া হ'ল। আজি সিহঁতৰ ঘৰত পোহৰৰ দিপাৱলী, মাকৰ আনন্দৰ সীমা নাই; যেন বহুদিনৰ পিছত সিহঁতৰ ঘৰত আনন্দৰ হাঁহি বিৰিঙাইছে। অহাকালি দেউতাকৰ নিযুক্তিৰ পত্ৰ দিব আৰু তাকে আনিবৰ বাবে ৰাতিপুৱা ৫ বজাতে দেউতাকে গাঁৱৰ পৰা চহৰলৈ ৰাওনা হ'ল। সেইখিনিলৈ সকলোবোৰ ঠিকে আছিল; তাৰ পিছত যেন এজাক প্ৰলয়ী ধুমুহাই সিহঁতৰ ঘৰৰ পোহৰবোৰ অন্ধকাৰ কৰি পেলালে। যাক সহজতে মানিব পৰা নাছিল মাকে। দেউতাকে ঘৰলৈ উভতি আহোতে আধা ৰাস্তাতে হোৱা এটা পথ দুৰ্ঘটনাত শিক্ষক বৰুৱাৰ মৃত্যু হ'ল। যিটো অসহনশীল আৰু মানিব নোৱৰা এটি কঠোৰ বাস্তৱ। দেউতাকৰ মৃত্যুৰ পিছত মাক আৰু একমাত্ৰ অকণমানিজনী অকলশৰীয়া হৈ পৰিল। মাকে ওচৰৰ ব্যক্তিগত বিদ্যালয় এখনত শিক্ষয়িত্ৰীৰ কাম কৰিছিল আৰু সেই পইচাৰে চলিবৰ বাবে মাক আৰু ছোৱালীজনীৰ বহুত কষ্টকৰ আছিল। তথাপিতো মাকে বহুত কষ্টৰে তাইক ডাঙৰ দীঘল কৰাৰ সিদ্ধান্ত লৈছিল।

দেউতাক ঢুকোৱাৰ অহাকালি চাৰি বছৰ হ'ব। তাই আগৰ দিনা বিদ্যালয়ৰ শ্ৰেণীকোঠাত মন মাৰি আছিল। তাকে দেখি তাইৰ লগৰীয়াবোৰে মন মাৰি থকাৰ কাৰণ সুধিলে আৰু তাই ক'লে যে— "অহাকালি দেউতাকৰ বছৰেকীয়া শ্ৰাদ্ধ। আৰু কালিৰ পৰাই দুৰ্গাপূজা। যদিহে দেউতা থাকিলেহেঁতেন ঘৰত নতুন কাপোৰ, বেলেগ বেলেগ ঠাইত পূজা চাব যোৱা আলোচনা লগতে বহুতো আনন্দৰ কথাৰে আমাৰ ঘৰ উদুলি-মুদুলি থাকিলেহেঁতেন। কিন্তু যে আজি আমাৰ মাজত মৰমৰ দেউতাজনে নাই!" লগে লগে তাই কান্দি পৰিল আৰু

লগৰবোৰে তাইক বুজাই, সান্তনা দি ঘৰলৈ লৈ গ'ল।

দেউতাকৰ বছৰেকীয়া শ্ৰাদ্ধ ভালদৰে পাৰ হ'ল। ৰাতি শুৱৰ সময়ত মাকে তাইক অহাকালি পূজা চাবৰ বাবে চহৰত থকা খুৰাকহঁতৰ ঘৰত যোৱাৰ কথা ক'লে আৰু তাইয়ো আনন্দতে মাকক সাৱটি মাৰি ধৰিলে আৰু শুই পৰিল।

ৰাতিপুৱা সোনকালে উঠি মাকে ঘৰৰ সকলো কামবনৰ পৰা আজৰি হৈ পূজা চাবলৈ চহৰত থকা খুৰাকহঁতৰ ঘৰলৈ ৰাওনা হ'ল। সিহঁতে গৈ আছিল প্ৰায় আধা যোৱাৰ পাছত সিহঁতে যোৱা গাড়ীখনত বোমা ফুটিল আৰু সকলো মানুহ ছেদেলি-ভেদেলি হৈ পৰি আছিল। পৰি আছিল জেউতী আৰু তাইৰ মাক। কিছু সময়ৰ পাছত জেউতীয়ে চকু মেলিলে আৰু কাষতে পৰি থকা মাকক কান্দি কান্দি মাতিব ধৰিলে। কিন্তু মাকে তাইৰ কথাত সহাৰি দিয়া নাছিল। তেতিয়া তাই আৰু জোৰকৈ কান্দিবলৈ ধৰিলে। অন্য বহুজনৰ লগতে জেউতীৰ মাকৰো সেই বোমাত মৃত্যু হ'ল। এতিয়া যেন জেউতী সম্পূৰ্ণভাৱে অকলশৰীয়া হৈ পৰিল। জেউতীৰ তেতিয়া বয়স আছিল মাত্ৰ পাঁচ বছৰ। এতিয়া তাই কি কৰিব; কোনে তাইক ডাঙৰ-দীঘল কৰিব, কোনে তাইক মাকৰ মৰম কৰিব। সেয়াই হ'ল বহুত ডাঙৰ প্ৰশ্ন। পিছত খুৰাক সেই ঠাইত উপস্থিত হৈছিল আৰু জেউতীক নিজৰ ছোৱালী হিচাপে আকোঁৱালী লোৱাৰ প্ৰতিশ্ৰুতিৰে ঘৰলৈ লৈ আছিল।

খুৰাকৰ ঘৰত তাই প্ৰথম কেইবামাহো ভালদৰে পাৰ কৰিলে খুৰীয়েকেও বহুত মৰম কৰিছিল। নিজৰ ছোৱালীজনীৰ দৰেই মৰমত ৰাখিছিল। তেনেকৈয়ে তিনিটা বছৰ পাৰ হ'ল। জেউতীৰ এতিয়া বয়স আঠ বছৰ। তেতিয়াৰ পৰাই যেন তাইৰ জীৱনলৈ অন্ধকাৰ নামি আহিছিল। খুৰীয়েকে এতিয়া তাইক আগৰ দৰে মৰম নকৰে; তেওঁৰ ছোৱালীজনীৰ লগত ভালদৰে লগ হ'ব নিদিয়া হ'ল। জেউতীক বিদ্যালয়লৈ যোৱা বন্ধ কৰি দিলে। তাইক এতিয়া ঘৰৰ কাৰ্যত লগাই আৰু যেতিয়াই তেতিয়াই অত্যাচাৰ কৰিছিল। যিটো আছিল তাইৰ বাবে কাৰাবাস। ঘৰৰ পৰা বাহিৰলৈও যাব নিদিয়ে; ঘৰৰ ভিতৰতে সকলো কাম কৰাইছিল। এই কথাবোৰ খুৰাকে গম পোৱা নাছিল। কিয়নো খুৰাকে চাকৰিত থকাৰ বাবে ৰাতিপুৱাই উলাই যাই সন্ধিয়াহে উভতি আহে। তেতিয়া খুৰীয়েকে জেউতীক বহুত মৰম কৰা দেখুওৱাই আৰু তেওঁৰ ছোৱালীজনীৰ লগতে একেলগে থাকিব কয়।

কেইবামাহমানৰ পিছত হঠাৎ জেউতীৰ খুৰাকে চাকৰিৰ কামত কেইবামাহৰ কাৰণে বেলেগ ঠাইলৈ যাব লগা হ'ল। আৰু তেতিয়াই খুৰীয়েকে তাইক আনৰ হতুৱাই বেলেগ এঠাইত খেদি পঠিয়ালে। যিটো কথা খুৰাকে গম পোৱা নাছিল। গধুলি ফোন কৰোঁতে খুৰীয়েকে জেউতী ভালে থকা কথা কয়।

এতিয়া যেন জেউতী সম্পূৰ্ণ অকলশৰীয়া। অবুজন ছোৱালীজনীয়ে কেনেকৈ জীয়াই থাকিব এতিয়া ডাঙৰ প্ৰশ্ন হৈ পৰিল। তাইৰো থকা ঠাইখন আছিল অচিনাকী। কোনো মানুহকে চিনি নাপাই তাই। তাই এতিয়া এখন ফুটপাথৰ নতুন অতিথি। আন মানুহে যি দিয়ে তাকে খাইছিল তাই। কাৰণ জীয়াই থকাৰ অতিপাত হেপাহ। শেষত এখন হোটেলত কাম কৰা ছোৱালী হিচাপে থাকিব ল'লে। দুপইচা পাই তাই; খোৱা লোৱা কৰোঁতে শেষ হৈ যায়, থাকিবৰ কাৰণে ফুটপাথকে আশ্ৰয় হিচাপে লয়।

এদিনাখনৰ কথা। তাই তেতিয়াও সেই হোটেল খনতে কাম কৰি আছিল। খুৰাকে সেইদিনাখন ঘৰলৈ বুলি উভতি আহিছিল। অহা গাড়ীখন বেয়া হোৱা বাবে দাঁতিৰ কাষতে থকা হোটেলখনত চাহ খাব সোমালে আৰু তেতিয়াই খুৰাকে কাম কৰি থকা ছোৱালীজনীক মানে জেউতীক দেখা পাইছিল। দেখা পাই খুৰাক আচৰিত হ'ল আৰু সকলোবোৰ কথা ক'ব দিয়াত জেউতীয়ে ক'লে আৰু শেষত খুৰাকে কান্দি কান্দি সাৱটি মাৰি ধৰিলে। খুৰাকে তাইক তাৰ পৰা লৈ গৈ অনাথ আশ্ৰমত থৈ আহিল।

খুৰাকে তাইক থৈ ঘৰলৈ আহিল। আহিয়েই জেউতীৰ কথা সুধিলে ? আৰু তেওঁৰ পত্নীয়ে কৈ দিলে যে তাই ঘৰ এৰি ক'ৰবালৈ গুচি গৈছে। ক'ত গৈছে নাজানে বুলি কৈছে। পিছত খুৰাকে তাইক লগ পোৱাৰ কথা ক'লে আৰু তাইৰ মুখৰে সকলো কথা গম পাই আহিছে বুলি ক'লে। পত্নীৰ যেন শৰীৰত ঘামেৰে নদী বৈ গ'ল; একো নকয় তেওঁ ক্ষমা খুজিলে। আৰু কথা দিলে যে তাইক আকৌ উভতাই আনিব। তাইক নিজৰ মাকৰ দৰে মৰম কৰিব আৰু আনৰ আগত ক'ব যে তেওঁৰ হেনো দুজনী ছোৱালী। তেওঁ কান্দি কান্দি বাগৰি পৰিলে আৰু তেওঁৰ ভুলৰ অনুতাপ হোৱাত খুৰাকে হাঁহি মাৰি মৰমৰে আকোঁৱালি ল'লে আৰু জেউতীক উভতাই অনাৰ কথা দিলে।

শেষত জেউতীয়ে আকৌ এখন নতুন ঘৰ পালে। বৰ আনন্দৰে সময়বোৰ অতিবাহিত কৰি আছে। যেন তাই নিজৰ মাক-দেউতাকক উভতাই পালে। তাই এতিয়া বহুত সুখী। অ' ক'ব পাহৰিছিলোৱে তাই এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দিব। তাই পঢ়াত চোকা; ৰিজাল্টও ভাল হ'ব। আপোনালোকেও আশীৰ্বাদ কৰিব তাইৰ যেন ভাল হয়। ■■



# “আধ্যাত্মিক জীৱনত এভূমুকি”

■ নুৰুল আমিন
স্নাতক, প্ৰথম ষাণ্মাসিক

*‘Life is a melody between smile and tears.”*

হাঁহি আৰু চকুলোৰ অপূৰ্ব মিলন এয়ে হায় মানৱ জীৱন

সুখ-দুখ হাঁহি-কান্দোন আশা আশংকা আদিৰ সংমিশ্ৰণেই জীৱন। মানুহৰ জীৱনত থকা আশাবোৰেই প্ৰেৰণা দিয়ে জীয়াই থাকিবলৈ। কিন্তু আশাবোৰ যেতিয়া মনৰ পক্ষী ঘোঁৰাত উঠি গুচি যায় দূৰ দিগন্তলৈ তেতিয়া নামি আহে মানৱ জীৱনৰ দুখৰ ধুমুহা।

এই দুখৰ পৰা পৰিত্ৰান পাবলৈ মানুহক প্ৰায়োজন হয় আধ্যাত্মিক জ্ঞানৰ। আধ্যাত্মিক জ্ঞানে জীৱনলৈ এক ইতিবাচক সৃষ্টি ও দৃষ্টিভংগী আনি দিয়ে। জীৱনৰ যিকোনো পৰিস্থিতিতে সন্তুষ্ট থাকিবলৈ শিকায়।

জীৱনত থাকে দুখ আৰু বেদনা লগত থাকে সংঘাত, সংঘাতে যন্ত্ৰনা। যন্ত্ৰনা বেছি হ’লে এটাই মাত্ৰ উপায় যে— “যন্ত্ৰনাৰ মুকুতা গঢ়া”।

সেয়েহে —

“যদি জীৱনলৈ আহে ধুমুহা
বন্ধু তুমি থমকি নৰবা
যদি চকুলোৱে দিয়ে বেদনা
বন্ধু লোৱা নতুন প্ৰেৰণা।

# বন্ধু

মিছঃ চুহানা আখতাৰা
একাদশ শ্ৰেণী

লীজা আৰু ৰীমা একেলগে পঢ়িছিল আৰু দুয়ো নলে-গলে লগা বান্ধৱী আছিল। লীজাহঁত ৰীমাহঁতৰ ওচৰতে বাস কৰিছিল। লীজা ধনী ঘৰৰ ছোৱালী আছিল। বৰ্তমান লীজাৰ মাক, দেউতাক আৰু তাইৰ সৈতে এখন সুখী সংসাৰ। ৰীমাৰ আৰ্থিক অৱস্থা বৰ বেয়া আছিল। তাইৰ মাক এক পথ দুৰ্ঘটনাত সৰু কালতেই ঢুকাইছিল। তেতিয়াৰে পৰা তাই মাকৰ মৰমৰ পৰা বঞ্চিত হয়। কেতিয়াবা তাই এই কথা ভাবি নীৰৱে চকুলো টুকে। ৰীমাৰ দেউতাকে চকীদাৰ কাম কৰিছিল। দেউতাকে কোনোমতে সিহঁতৰ ঘৰখনৰ দায়িত্ব চলাই গৈছিল। ৰীমাৰ এজন ভায়েকো আছিল। ভায়েকজন তাইতকৈ দুবছৰ সৰু আছিল।



ৰীমা যদিও লীজাৰ বান্ধৱী আছিল তথাপি লীজাৰ ৰীমাৰ প্ৰতি ভাল ভাৱ নাছিল। ৰীমাৰ কিন্তু হিংসা, বিদ্বেষ কপটতা আদি ভাৱ মনত নাছিল। তাই পঢ়া শুনাত বৰ চোকা আছিল। সেই বাবে স্কুলত হোৱা যিকোনো পৰীক্ষাত তাই প্ৰথম বা দ্বিতীয় স্থান অধিকাৰ কৰিছিল। লাহে-লাহে সিহঁত ডাঙৰ হৈ আহিল। সিহঁতৰ প্ৰৱেশিকা পৰীক্ষা ওচৰ চাপিল। কিছুদিন পিছত পৰীক্ষা হৈ গ'ল। ইতিমধ্যে ফলাফলা ঘোষিত হ'ল। ৰীমা আৰু লীজাই সেইদিনা গা ধুই সোনকালে স্কুললৈ খাবলৈ ওলাল। দেখা গ'ল যে ৰীমাই গণিতত লেটাৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। লীজাই কোনোমতে উত্তীৰ্ণ হৈছে। ৰীমাৰ পৰীক্ষা ভাল হোৱা বাবে শিক্ষকে তাইক বৰ প্ৰশংসা কৰিলে, দেউতাকৰো বৰ আনন্দ লাগিল।

সিহঁতে কলেজত নামভৰ্ত্তি কৰিলে। ৰীমাই নতুনকৈ কলেজলৈ গৈ আনন্দ উপভোগ কৰিছিল আৰু লীজাক লগ পাই তাইৰ বৰ ভাল লাগিছিল। লীজাৰ মেলেৰীয়া ৰোগ হোৱা বাবে তাই বহুদিন কলেজলৈ যোৱা নাছিল। তেতিয়া ৰীমাই লীজাৰ অসুখ হোৱা বুলি গম পাই ঘৰলৈ খবৰ ল'বলৈ গৈছিল। সেই সময়ত লীজাই চিকিৎসালয়ত ভৰ্ত্তি হৈ আছিল। ৰীমায়ো সেইমতে চিকিৎসালয়লৈ গৈছিল আৰু দেখিছিল যে লীজাই ঈশ্বৰৰ কৃপাত সুস্থ হৈ উঠিছে। ৰীমাই লীজাক ওচৰলৈ যোৱা বাবে বৰ ভাল পালে আৰু দুয়োৰে চকুলো নিগৰি আহিল। লীজায়ো তেতিয়াৰে পৰা ৰীমাৰ দৰে জ্ঞানী হ'ব বুলি শইত কাঢ়িলে। দুয়োৰে বন্ধুত্ব চিৰস্থায়ী হৈ ৰ'ল।

# ব'হাগতে পাতি যাম বিয়া

■ অংকুৰ দাস



ব'হাগ নহয় এটি মাহ। ই অসমীয়া জাতিৰ আয়ুস ৰেখা। সঁচাকৈ ব'হাগৰ শিপা অতি গাঢ়, অতি গভীৰ। ইয়াৰ মৰ্ম হয়তো সহজে বুজা টান। অসমীয়া নৱ বৰ্ষৰ শুভ আৰম্ভণি এই পহিলা ব'হাগৰ পৰা। অৰ্থাৎ এটা নতুন বছৰৰ পাতনি। স্ত্ৰী-পুৰুষৰ মিলন। আক্ষৰিক অৰ্থত বিবাহো যুগ্মজীৱনৰ এনে এক নতুন আৰম্ভণি। সঁচা অৰ্থত মানৱ জীৱনৰ আটাইতকৈ সফল আৰু কৰ্মময়— জীৱনৰ সবাতোকৈ চৰম মুহূৰ্ত্তৰ বহিঃ প্ৰকাশ এগৰাকী বিবাহোপযোগী কন্যা অথবা পুৰুষৰ বিবাহ উপযোগী সময় নিৰূপণ কৰা হয়। যেতিয়া তেওঁৰ সম্পূৰ্ণ বিকাশ ঘটে। কেৱল শাৰীৰিকেই নহয় মানসিক, সামাজিক, আৰ্থিক আদি সকলো বিষয়তে নিৰ্ভৰযোগ্যতা প্ৰতিপন্ন হয়। এই বিকাশ সৰ্বাত্মক হোৱাটো বাঞ্ছনীয় এতিয়া মূল প্ৰসংগলৈ আহো। অসমীয়াৰ বাপতী সাহোন ৰঙালী বিহু। এই সময়তেই আকৌ দুটি ভিন্ন প্ৰাণী প্ৰকৃতি পুৰুষ মিলন এটি নতুন যুগ্মজীৱনৰ পৰিকল্পনা। প্ৰকৃতিয়ে এই সময়তেই ৰূপ সলায়। সামাজিক ভাবে অসমীয়া জাতিয়ে এক নতুনত্বৰ সংজ্ঞা বহন কৰে দীঘলীয়াকৈ সাত বিহুৰ আয়োজনেৰে। এক অভিলাষী ৰঙীন স্বপ্নৰে ভৰি পৰে প্ৰতিজন অসমীয়াৰ দেহ মন। আজি ইয়াৰ প্ৰাসংগিকতা বিচাৰি আমি দেখিম যে ই এক সাংঘাতিক সত্য। য'তেই চাওঁ তাতেই তাৰ প্ৰমান জলজল-পটপটকৈ চকুত ধৰা পৰে। এটা নিৰোগী শৰীৰে এক সুস্থ মনৰ অধিকাৰী হোৱাতো অৰিহণা যোগায়। সেয়েহে বহাগৰ মাহটো হৈছে শৰীৰৰ শ্ৰীবৃদ্ধিৰ চৰম সীমা, য'ত স্বাভাৱিক শাৰীৰিক বল-বীৰ্য বৃদ্ধিৰ লগত শুক্ৰধাতুৰো সঞ্চাৰ পূৰ্ণোদ্যমে ঘটে। যাৰ ফলত স্ত্ৰী পুৰুষৰ মিলনৰ মাহেন্দ্ৰক্ষণ সমাগত বুলি ধৰা হয়। ই এক প্ৰকৃতিৰ আহ্বান, সম্পূৰ্ণ স্বাভাৱিক পৰিঘটনা যিদৰে শীতত লঠঙা হৈ থকা গছ-বিৰিখ বসন্তত পাত-ফুলেৰে জাতিষ্কাৰ হয়, ঠিক তেনেকৈ জীৱ-জগতৰ মাজতো সঞ্চাৰ হয় এক অনাবিল আনন্দ আৰু প্ৰেমময় অনুভূতিৰ পূৰ্ণ অভিব্যক্তি। ডেকাহঁত স্বাভাৱিকতে বলিয়া হয় পূৰ্ণ যৌৱনৰ উন্মাদনাৰে। গাভৰুহঁতৰো গা-মন ৰাই-জাই কৰা এক বুজাব নোৱাৰা পৰিস্থিতিৰ উদ্ভৱ হয়।

যাৰ প্ৰতিচ্ছবি হয়তো আমি সততে ব'হাগ বিহুক লৈ ৰচনা কৰা বিহুগীত সমূহত দেখিবলৈ পাওঁহক।

ব'হাগৰ সাত শাক খোৱাৰ ৰীতি-নীতি অসমীয়া সমাজৰ এক পৰম্পৰা। যাৰ যোগেদি বিভিন্ন খাদ্য প্ৰাণৰ লগতে শাকত পোৱা প্ৰচুৰ পৰিমানৰ ধাতৱীয় উপাদান সমূহ পোৱা যায়। যি শৰীৰ বাবে বিশেষ পোষকৰূপে পৰিচিত। মেগনেছিয়াম, আইৰণ, কেলছিয়াম খাদ্যপ্ৰাণ আদিয়ে মানৱ দেহত নৱশক্তি আৰু উদ্যমৰো সঞ্চাৰৰ কাৰক হৈ পৰে ব'হাগৰ এই গা-মন ভুলোৱা বতৰত। বিহু হৈছে — জন জীৱনৰ লগত জড়িত কৃষিভিত্তিক অনুষ্ঠান। সেয়েহে হয়তো ভূপেন হাজৰিকাদেৱে লিখিছিল।

ব'হাগ মাথো এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ।

সেয়ে এই মহান শিল্পী গৰাকীৰ 'অ বিহুৰে বিৰিণা' শীৰ্ষক বিহুগীতটিক উল্লেখ কৰাৰ দৰেই ক'ব পাৰি ব'হাগতে পাতি যাম বিয়া।

# কবিতা

জৰাটেঙাৰ সেই ফুৰফুৰীয়া গোন্ধটোৰ দৰে
যাক তুমি এতিয়া অনুভৱ কৰি আছা তোমাৰ ভিতৰত
কেবল তেওঁ আহিব বুলিয়েই
ইমান ৰহস্যময় হৈ উঠিছানে তুমি দিনে দিনে
কেবল তেওঁ আহিব বুলিয়েইনো অতবোৰ আয়োজনে
বেইৰ তলৰ পৰা উঠি অহা নতুন কইনাজনীৰ দৰে।

## সূৰ্য

■ জ্যোতিস্মিতা দাস

স্নাতক, প্ৰথম ষান্মাসিক



সূৰ্য্য, তুমি হ'লা এই
ধুনীয়া পৃথিৱীখনৰ সৃষ্টিকৰ্তা।
তুমিয়েই এই ধৰাৰ
পোহৰ বিলাওঁতা
তোমাৰ বাবে আমি
দিনত পোহৰ দেখো।
তোমাৰ কাৰণে সুন্দৰ পৃথিৱীখন
উজ্জ্বলি থাকে।
তোমাৰ কিযে অপৰিসীম মায়া
তুমি পোহৰৰ দেৱতা।
তোমাৰ বাবেই পৃথিৱীৰ
সকলো জীৱ, তৰু, লতা, তৃণ প্ৰাণ পাই উঠে।
তুমি যেন এই পৃথিৱীখনৰ
প্ৰতিটো যুগৰ লগৰী।
তুমি এনেকৈয়ে অতীত, বৰ্তমান, ভৱিষ্যতৰ
সাক্ষী হৈ ৰবা।
হে পোহৰৰ দেৱতা
তোমাক জনাইছো সহস্ৰ প্ৰণাম।

## জীৱন পথত বহুবাৰ

■ আনজিৰা বেগম

স্নাতক, চতুৰ্থ ষান্মাসিক

জীৱন পথত বহু বাৰ
সান্নিধ্য বিগাৰিছিলো
কিবা কোৱাৰ হেঁপাহ
যাৰ সান্নিধ্য মই পাইছো ....।
সেইজনাক মাতিম বুলিও তো
মাতিব নোৱাৰো ...
... আজি কালি নিমন্ত্ৰণ পাওঁ
সন্দেহৰ মাজত
মই কিছু আৰ্ত্তনাদ কৰি যাও
বহু শতিকাৰ মূৰত ...
অতীতে মোক ৰোমান্থন কৰিছে
মই যাব লাগিব এটি সত্য
কিন্তু কেনেকৈ এটি প্ৰশ্ন ...



# নিলাজ চহৰৰ চিত্ৰৰ

■ **অৰূপ কাকতি**
প্ৰাক্তন ছাত্ৰ



চহৰখন নিলাজ হৈ পৰে
সন্ধ্যা নামিলে
নিদ্ৰাবিহীন কুকুৰৰ বাবে
সিহঁতে মানুহৰ কংকাললৈও
ভয় নকৰি শুহি খায়

গলিৰ বেশ্যাবোৰৰ বাবে
সন্ধ্যা নামি আহে
চহৰৰ বুকুত শ্মশানৰ
প্ৰেতাত্মাৰ সুহুৰি

ৰঙা হাতবোৰ ওলাই আহে
দিনত ভদ্ৰতাৰ চোলা পিন্ধা এচামৰ
বতাহজাক অশান্ত হৈ পৰে
কোমল মানুহবোৰ হৈ পৰে বোবা
কিয় ? কিয় ? ?
কাৰ বাবে
ক'লা হাতৰ বাবে
চহৰত বাঢ়ি আহিছে
অশ্লীলতাৰ গোন্ধ
কাৰ বাবে এনে হ'ল
সন্ধ্যাবোৰ
কাৰ বাবে ....

নিলাজ চহৰত
জোনাকী পৰুৱাবোৰ
গুচি যায় মৌন হৈ
মইতো ভাবুক হৈ পৰোঁ

কীটবোৰৰ আচোঁৰত
স্তব্ধ হৈ যায়
ৰাতিৰ জন জংচন

নিদ্ৰাবিহিন কুকুৰ
গলিৰ বেশ্যাৰ পৰা সাৱধান
সেউজীয়া হাতকো ৰঙা কৰিব পাৰে
মোৰ ভয় লাগে
তোৰ লাগেনে ?
আপোনাৰ
????????????
ভাবুক হৈ পৰো
নিলাজ চহৰৰ বাবে
কিয় ?????

বেলিটো ডুব যায়
সূৰুজ নামি আহে
জোনৰ বুকুৰেদি
গাটো জিকাৰ খাই উঠে
নিলাজ চহৰৰ
কান্দোনৰ বেজাৰত

সেউজীয়া গছবিলাকে কান্দে
ময়ো কান্দে
আইয়েও কান্দে
তেজত লুতুৰি পুতুৰি

আইৰ আচল ছিঙি গ'ল
এনেবোৰ কাৰণত

সময়ৰ ষ্টেচন কঁপি কঁপি গুছি যায়
নিলাজ চহৰৰ উত্তাপ
ক্ৰমাৎ বাঢ়ি যায়
চহৰখনে কান্দি কান্দি কয়
নিলাজ হৈ পৰিলো।


